ইতিহাস
ৰচনা-বিধি আৰু ক্ৰমবিকাশ

ইতিহাসৰ ৰচনা-পদ্ধতি, দৰ্শন আৰু আদিৰে পৰা
সাম্প্ৰতিক কাললৈকে চমু ইতিহাস

প্ৰথম প্ৰকাশ : নৱেম্বৰ ১৯৮৮

ড° হেৰম্বকান্ত বৰপূজাৰী

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ ভূতপূৰ্ব মূৰব্বী
আৰু অধ্যাপক

ITIHAS : RACHANA-BIDHI ARU KRAMABIKASH, a work on historical methodology and history of history by Dr. H. K. Barpujari, formerly Professor and Head, Department of History, University of Guwahati, and published by the author, Chandmari, Guwahati-781003.

গ্ৰন্থকাৰ :

পৰিবেশক :

ইউনাইটেড্ পাব্লিচাৰ্ছ
পাণবজাৰ : গুৱাহাটী—৭৮১০০১

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ : গুৱাহাটী—৭৮১০০১

প্ৰকাশন পৰিষদ : গ্ৰন্থ বিক্ৰী কেন্দ্ৰ
পাণবজাৰ, : গুৱাহাটী—৭৮১০০১

মুদ্ৰক :

ট্ৰিবিউন প্ৰেছ
গুৱাহাটী—৭৮১০০৩

DIRECTOR, LIBRARY SERVICES, ASSAM, GUWAHATI

নিবেদন

ইতিহাসে মানৱ জাতিৰ অতীতৰ কাহিনী দাঙি ধৰে। পূৰ্বে ঘটি যোৱা সকলো ঘটনাই ইতিহাসত লিপিবদ্ধ কৰা হৈছিল। চিকিৎসক বা আইনজ্ঞৰ আগত যিদৰে সকলো কথাকে কলা হলেও সম্ভেদ দিয়া নহয়, ইতিহাসেও বাছ-বিচাৰ নকৰাকৈ সকলো তথ্য বৰ্ণনা নকৰে। বিজ্ঞানৰ বিকাশৰ লগে লগে ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা ইতিহাসৰ এটা স্বতন্ত্ৰ ৰচনা পদ্ধতি উদ্ভৱ হৈছে। পাশ্চাত্য দেশ সমূহত আন ব্যৱসায়ৰ দৰে ইতিহাস ৰচনা-ৰীতিৰ প্ৰশিক্ষণৰ সু-পৰিকল্পিত ব্যৱস্থা হৈছে আৰু সেইবাবে এই বিষয়ৰ অসংখ্য গ্ৰন্থও প্ৰকাশ হৈছে। এই শতিকাৰ প্ৰায় আৰম্ভণিৰে পৰা আমাৰ দেশত আধুনিক ইতিহাসৰ চৰ্চা-গৱেষণা হলেও বিজ্ঞান-সন্মত ৰচনা-বিধিৰ প্ৰশিক্ষণৰ ব্যৱস্থা সেইদৰে হৈ উঠাগৈ নাই। স্বাভাৱিকতে, আঞ্চলিক ভাষাত দূৰৰ কথা, ইংৰাজীতে ভাৰতীয় গ্ৰন্থকাৰৰ এই বিষয়ে প্ৰকাশিত গ্ৰন্থৰ সংখ্যা নিচেই কম। অসমীয়া ভাষাত এই খনিয়েই সৰ্বপ্ৰথম আৰু একমাত্ৰ গ্ৰন্থ।

ইতিহাস ৰচনা ক্ষেত্ৰত গ্ৰীক-ৰোমীয়সকলৰ তুলনাত প্ৰাচীন ভাৰত বহুতো পিছপৰা। বাৰ শতিকাৰ ৰাজ-তৰংগিণীৰ ৰচক কল্হণৰ পূৰ্বে আন এজন ইতিহাসকাৰে জন্ম গ্ৰহণ কৰাৰ কথা জনা নাযায়। পিছৰ কালছোৱাত তুৰ্কী-আফগানসকলৰ ভাৰত আগমণ আৰু পূব প্ৰান্তত টাই-আহোমসকলৰ অসমলৈ অনুপ্ৰৱেশৰ লগে লগে ইতিহাস ৰচনাৰ আৰম্ভ হয়। অসমত আহোম যুগৰ বুৰঞ্জী-সাহিত্য অকল অসমৰে নহয় ভাৰত ইতিহাসৰে অমূল্য সম্পদ। প্ৰচুৰ নহলেও অসমৰ ঐতিহাসিক সনদ-অভিলেখ, মুদ্ৰা, পৌৰাণিক সাহিত্য আৰু প্ৰত্নতত্ত্বমূলক কম নহয়। এই সকল সমূহৰ অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰি আমাৰ পূৰ্বসূৰীসকলে অসম বুৰঞ্জী বা ইতিহাসৰ দৃঢ় ভেটি স্থাপন কৰি গৈছে। সংগ্ৰহতকৈয়ো, আৱিষ্কৃত ঐতিহাসিক

লর্ড একটনে কোৱা মতে সমল ব্যৱহাৰৰ মহিমাময় কলা (sublimer art)ৰ জ্ঞান আহৰণ বিজ্ঞান-সন্মত ইতিহাসকাৰৰ কাৰণে অপৰিহাৰ্য্য। যেহেতু ইয়াৰ দ্বাৰা "অসত্যৰ পৰা সত্য" আৰু "সন্দেহৰ পৰা নিশ্চয়তা" পাব পৰা যায়। কিন্তু ঐতিহাসিকে প্ৰকৃত সত্য চুকি পোৱা সম্ভৱপৰ জানো? পিটাৰ গিয়েলে কোৱা মতে "একনিষ্ঠ সেৱকৰ কঠোৰ পৰিশ্ৰমৰ বিনিময়তেহে ক্লিয়ো (ইতিহাসৰ অধিষ্ঠাত্ৰী দেৱী) ই সত্যৰ ক্ষীণ আভাহে প্ৰদৰ্শন কৰে; তেওঁৰ অমূল্য সম্পদবুলিক কোনোপধ্যে হস্তান্তৰ কৰিব নোখোজে।" ঐতিহাসিকেও কঠোৰ অনুশাসনৰ মাজেদি অগ্ৰসৰ হলে প্ৰকৃত সত্য উদঘাটন নহলেও, ইয়াৰ ওচৰ চাপিব পাৰিব। এই অনুশাসন বা শুদ্ধ ৰচনা-পদ্ধতিৰ আভাস দিয়াই হ'ল এই পুথিৰ মূল উদ্দেশ্য।

এই গ্ৰন্থৰ প্ৰথম অধ্যায়ত ইতিহাসৰ স্বৰূপ বিচাৰ ক্ষেত্ৰত সংজ্ঞা আৰু পৰিসৰৰ (Scope) উপৰিও প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হৈছে। ইতিহাসৰ বৈজ্ঞানিক পদ্ধতিৰ বাবে চোভিয়েট ৰুছিয়াৰ দৰে কোনো কোনো দেশত ইয়াক বিজ্ঞানৰ অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰকৃততে ই কলা নে বিজ্ঞান, এই সম্পৰ্কে একে অধ্যায়ত ব্যাখ্যা কৰা হৈছে। ঐতিহাসিকে ইতিহাসৰ উপাদান সমূহৰ গুণাগুণ জনাটো আৱশ্যক; দ্বিতীয় অধ্যায়ত এই সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰা হৈছে। সঠিকতা আৰু সত্যতা নিৰূপিত নকৰা পৰ্য্যন্ত কোনো সমলেই আধুনিক ইতিহাসকাৰৰ গ্ৰহণীয় নহয়। ইয়াৰ বাবে তৃতীয় অধ্যায়ত দিয়া দৰে পুংখানুপুংখ ব্যাহিক আৰু আভ্যন্তৰিক সমীক্ষাৰ আৱশ্যক। পূৰ্বৰ দৰে ইতিহাসকাৰে ঘটনাৰ বিৱৰণ দিলেই নহ'বা সমন্বয় ঘটাই (Correlation) এইবিলাকৰ কাৰ্য্যকাৰণ ব্যাখ্যা কৰিব লাগিব, আৰু লাগিব পৰস্পৰৰ সম্বন্ধ প্ৰদৰ্শন কৰি চতুৰ্থ অধ্যায়ত উল্লেখ কৰা দৰে এটা যুক্তিপূৰ্ণ তত্ত্বৰ আৱিষ্কাৰ। ইতিহাসকাৰসকলৰ বিচাৰ বুদ্ধি, নিৰ্বাচন ক্ষমতা আৰু উপস্থাপনৰ কলা-কৌশলৰ উপৰিও ইতিহাস প্ৰণয়নৰ কিছুমান নীতি-নিয়ম আছে, এইবিলাক সন্নিবিষ্ট কৰা হ'ল পঞ্চম অধ্যায়ত।

উপৰুক্ত ৰচনা-পদ্ধতি দেশ-বিদেশৰ ঐতিহাসিকসকলে কি ধৰণে কিমান-দূৰ আৰু কি উদ্দেশ্যে প্ৰয়োগ কৰিছিল এইবিলাকো ইতিহাসকাৰে জনা আৱশ্যক। এই উদ্দেশ্যে ষষ্ঠ আৰু সপ্তম অধ্যায়ত পাশ্চাত্য আৰু মধ্য প্ৰাচ্যৰ ইতিহাসৰ ক্ৰমবিকাশ, আদৰ্শ আৰু ৰচনাৰীতি সম্পৰ্কে আলোচনা

কৰা হৈছে। প্ৰাচীন ভাৰতত ঐতিহাসিকৰ অভাৱ হলেও ইতিহাসৰ ধাৰণা একেবাৰে নোহোৱা নাছিল। এই ধাৰণাসমূহ আৰু প্ৰাচীন, মধ্য আৰু আধুনিক তিনিওটা যুগৰ ভিন ভিন দিশৰ ইতিহাসৰ ক্ৰমবিকাশৰ উপৰিও অষ্টম অধ্যায়ত প্ৰত্যেকৰে বৈশিষ্ট আৰু চিন্তাধাৰাৰ সম্পৰ্কেও আলোকপাত কৰা হৈছে। শেষৰ অধ্যায়ত আঞ্চলিক বা অসম ইতিহাসৰ বিভিন্ন পৰ্যায় আৰু দিশৰ উপৰিও ইতিহাসকাৰ সকলৰ দৃষ্টিভংগী, ৰচনা-ৰীতি আৰু উপসংহাৰত মূল্যায়ন আৰু সাম্প্ৰতিক ভাৱাদৰ্শৰ সম্পৰ্কে আলোচনা কৰা হৈছে। ভুৰুকাতে হাতীটো ভৰাব লগা হোৱাত এই অধ্যায় সমূহত বিশেষজ্ঞ সকলত বাদে সকলো ইতিহাসকাৰ বা ইতিহাস সাৰথিৰ পৰা নাই। তদুপৰি একোজনৰ গ্ৰন্থ বা ৰচনাৱলীৰ সম্পূৰ্ণ মূল্যায়ন নকৰি প্ৰত্যেকৰে ৰচনাৰ মতুন দিশ, বিশিষ্ট লক্ষণসমূহ, ভাৱাদৰ্শ আৰু ৰচনা-পদ্ধতিহে দাঙি ধৰা হৈছে।

দুকুৰি বছৰৰো ওপৰ ইতিহাসৰ অধ্যয়ন, গৱেষণা আৰু শিক্ষকতাৰ ফলস্বৰূপে গ্ৰন্থকাৰে পুথিখন বুৰঞ্জীপ্ৰেমী ৰাইজলৈ আগবঢ়াবলৈ সক্ষম হৈছে। প্ৰকৃততে ইয়াৰ গুটি সিচাঁ হয় ১৯৪৭-৪৯ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ স্কুল অৱ্ অৰিয়েণ্টেল এণ্ড আফ্ৰিকান ষ্টাডিজৰ ইতিহাস-ৰচনাবিধি প্ৰশিক্ষণ কালছোৱাত। সেই প্ৰশিক্ষণৰ আলোচনা-চক্ৰসমূহৰ কাৰণে যুগুত কৰা গ্ৰন্থকাৰৰ নিজৰ আৰু এ, এল, বাশ্চাম, পিটাৰ হাৰ্ডিৰ দৰে সহপাঠিসকলৰ ৰচনা, অধ্যাপক ফিলিপচ্ (C. H. Philips), হল (D.G.E. Hall) অৰ দৰে চুপাৰভাইজাৰ সকলৰ সমালোচনাত্মক মন্তব্য, পাণ্ডিত্যগৰ্ভ বক্তৃতা আৰু তথ্যবহুল টোকা আৰু সংশ্লিষ্ট বিষয়ৰ প্ৰামাণিক গ্ৰন্থৰ ভিত্তিত আমাৰ গৱেষক ছাত্ৰ সকলৰ কাৰণে প্ৰস্তুত কৰা টোকাসমূহৰ অসমীয়া অনুবাদেই এই পুথিৰ প্ৰথম খণ্ডৰ বিষয়-বস্তু। এইখিনি প্ৰবন্ধৰ আকাৰে কোনো এখন আলোচনীত প্ৰকাশ কৰাবহে আদিতে কথা আছিল। কেইজনমান প্ৰাক্তন ছাত্ৰ-বন্ধুৰ পৰামৰ্শ অনুসৰি দ্বিতীয় খণ্ডটো সংযোগ কৰি সম্প্ৰতি পুস্তকাৰে প্ৰকাশ কৰা হ'ল। সকলোও হ'ব, দ্বিতীয় খণ্ডও সংশ্লিষ্ট বিষয়ৰ গ্ৰন্থ, ইতিহাস, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ইতিহাসৰ ভিন ভিন দিশৰ আলোচনা চক্ৰ, ভাৰতীয় ইতিহাস কংগ্ৰেছ, নথি-পত্ৰ আয়োগৰ নানা অধিবেশনৰ কাৰ্যবিৱৰণী, প্ৰতিবেদন, বুৰঞ্জী ৰচনা-ৰীতিৰ প্ৰবন্ধ, জীৱনী, আত্মজীৱনী আদিৰ তথ্য-পাতিৰ আধাৰতে প্ৰস্তুত কৰা হৈছে।

অসমীয়া মানুহে সাধাৰণতে 'ইতিহাস'ৰ পৰিবৰ্তে 'বুৰঞ্জী' শব্দটোহে ব্যৱহাৰ কৰে। দুয়োটা যে একে নহয় যথাস্থানত ব্যাখ্যা কৰা হৈছে। এই পুথিত অৱশ্যে ইতিহাস শব্দহে বেছিকৈ ব্যৱহাৰ কৰা হৈছে। আৰৌ ইংৰাজী বা আন ভাষাৰ শব্দৰ লিপান্তৰ নৰটাই একেধৰণে ৰখা হৈছে। ফাৰ্চী বা অন্য ইংৰাজী নামৰ ক্ষেত্ৰতো সংশ্লিষ্ট দেশ বা ভাষাৰ উচ্চাৰণ নাইবা ইংৰাজীতে দিয়া হৈছে।

উপৰুক্ত যিসকল পণ্ডিতৰ মন্তব্য, টোকা, বিশেষজ্ঞ বা গ্ৰন্থকাৰৰ ৰচনাৰ আলমত এই পুথিৰ প্ৰণয়ন কৰা হৈছে, সকলোৰে ওচৰত গ্ৰন্থকাৰ কৃতজ্ঞ পাশেৰে আবদ্ধ। আদিৰে পৰা এই পুথি ৰচনাত ইতিহাস ৰচনা পদ্ধতিৰ মোল বুজা আৰু অসমীয়া সাহিত্যৰ বৰ্তমান ওজা ডঃ মহেশ্বৰ নেওগে উদগনি দিয়াৰ উপৰিও পাণ্ডুলিপিখনৰ ভালেখিনি চাই দিয়া বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰা হ'ল। নৰেন্দ্ৰ নাথ শৰ্মাদেৱে পাণ্ডুলিপিখনৰ প্ৰস্তুত কাৰ্য্যত আশাতীত ভাবে সহায় কৰিছে; আমাৰ প্ৰাক্তন ছাত্ৰ কেশৱ মহন্তয়ো এছোৱাৰ অনুবাদ কাৰ্য্য কৰিছে—দুয়োজনকে আমাৰ আন্তৰিক ধন্যবাদ জনোৱা হ'ল। আসাম ট্ৰিবিউন প্ৰেছৰ ৰজনীকান্ত দেৱশৰ্মাই পুথিখনি অতি কম সময়ৰ ভিতৰতে ছপা কৰি দিয়া বাবে তেখেতলৈকো আমাৰ শলাগৰ শৰাই আগবঢ়োৱা হ'ল।

বুৰঞ্জীৰ সত্যবাণী প্ৰচাৰ কাৰ্য্যত গৱেষকসকলৰ উপৰিও অসমৰ যিকোনো বুৰঞ্জী-প্ৰেমীৰে সহায়ক হ'ব বুলিয়ে পুথিখন অসমীয়া ভাষাত ৰচনা কৰা হ'ল। এই উদ্দেশ্য সামান্যভাবে সফল হলেও গ্ৰন্থকাৰৰ পৰিশ্ৰম সাৰ্থক হ'ব। লৰালৰিকৈ ছপোৱা কাৰণে পুথিখনত কিছু ভুল-ত্ৰুটি বৈ যোৱাটো স্বাভাৱিক। গুণগ্ৰাহী পাঠকৰ সহানুভূতি পালে পৰৱৰ্তী সংস্কৰণ সকলো প্ৰকাৰে নিখুঁত কৰাৰ আশা কৰা হ'ল।

—গ্ৰন্থকাৰ

প্ৰথম খণ্ড

বিষয়-সূচী

প্ৰকাশকৰ নিবেদন iii

প্ৰথম অধ্যায় : ইতিহাস : ইয়াৰ স্বৰূপ বিচাৰ

সংজ্ঞা, পৰিসৰ, বিষয়-বস্তু-ইতিহাস আৰু জীৱনী-কলা নে বিজ্ঞান? আৱশ্যকতা, মূল উদ্দেশ্য—সত্য অন্বেষণ ১

দ্বিতীয় অধ্যায় : ঐতিহাসিক সমল

শ্ৰেণী বিভাগ : অলিখিত সমল—অভিলেখ, মুদ্ৰা, প্ৰত্নতত্ত্ব ; লিখিত সমল—চৰকাৰী আনুষ্ঠানিক—সন্ধি, চনদ, গ্ৰান্ট, পৰৱানা বা আদালতৰ আদেশ ; চৰকাৰী অনানুষ্ঠানিক—ব্যক্তিগত চিঠি আৰু বিভাগীয় টিপ্পণ-পত্ৰ ; বে-চৰকাৰী অনানুষ্ঠানিক—বুৰঞ্জী বা ঘটনাপঞ্জী, পৰ্যটকৰ বিৱৰণ, বৈদেশিক মিছনেৰী নথি-পত্ৰ, চৰিত-পুথি, আত্মজীৱনী-জীৱন সোঁৱৰণ, জীৱনী-স্মৃতিগ্ৰন্থ, ব্যক্তিগত টোকা, ডায়েৰি, চিঠি-পত্ৰ, সমসাময়িক সাহিত্য ৮

তৃতীয় অধ্যায় : সমলৰ সমীক্ষা

বাহ্যিক সমীক্ষা—ৰচকৰ অৰ্হতা, কৃত্ৰিম বা জাল তথ্য, বিকৃতকৰণ, দৈবাৎ বা ব্যক্তিমূলক উক্তি, কাল আৰু বেনামী ৰচক সমস্যা ; আভ্যন্তৰিক সমীক্ষা—সততা আৰু সত্যবাদিতা, পৰ্যবেক্ষকৰ অৰ্হতা আৰু কাল নিৰ্ণয়, সমসাময়িক ধ্যান-ধাৰণা, বিভিন্ন সমলৰ নিৰীক্ষণ আৰু বিজনি ২৩

চতুৰ্থ অধ্যায় : সমন্বয়, ব্যাখ্যা আৰু তত্ত্বানুসন্ধান

সমলৰ সমন্বয় আৰু ব্যাখ্যা : তাৎপৰ্য্য নিৰ্ণয়—সাধাৰণীকৰণ আৰু তথ্যৰ সামঞ্জস্যৰ বাধা ; তত্ত্বানুসন্ধান—তত্ত্ব আৰু ধাৰণা—পক্ষপাতিতামুক্ত; তথ্যহে তত্ত্বৰ নিৰ্ণয়কাৰক—তত্ত্বৰ পৰিবৰ্তন ৩১

পঞ্চম অধ্যায় : ইতিহাস প্ৰণয়ন-বিধি

সমলৰ সংগ্ৰহ-প্ৰাথমিক আৰু গৌণসমল-সমলৰ নিৰ্বাচন-ব্যৱহাৰৰ দক্ষতা, বিশ্লেষণ আৰু উপস্থাপন—প্ৰণয়ন-ৰীতি বা ষ্টাইল—পৰিশিষ্ট আৰু পাদটীকা, গ্ৰন্থপঞ্জী—স্বীকৃতি.. ... ... ৩৬

দ্বিতীয় খণ্ড

ষষ্ঠ অধ্যায় : পাশ্চাত্য জগত

গ্ৰীক আৰু ৰোমীয়সকল—হেকটিয়াছ্, হেৰ’ডটাছ, থুকিডাইডিছ্, পলিবিয়াছ্, লিভি, টেচিটাছ্ ; অন্ধকাৰ আৰু মধ্য যুগ : ইউচেবিয়াছ্ আৰু দৈৱ-মতবাদ, আগষ্টাইন আৰু ‘দেৱ-নগৰী’ ; নৱজাগৰণ—মানবীয়-মতবাদ লৰেঞ্জ ৱাল্লাই, মেকিয়াভেলি, গিয়েওে, ফ্ৰুনি ; আধুনিক যুগ : যুক্তিবাদ ভিক্তোৰো, টুৰ্গো, অগষ্ট কোঁত, টেইনি, বাক্‌ল : কালমাৰ্ক্স আৰু ঐতিহাসিক বস্তুবাদ ; ইতিহাসকাৰৰ বাধা-বিঘিনি ; পট পৰিবৰ্তন—সমলৰ সমীক্ষাৰ আৰম্ভণ—নথি-পত্ৰ দপ্তৰ : পুৰাতত্ত্ব—নাইবুৰৰ, ৰাংকে : বিজ্ঞান-সন্মত ইতিহাস—জাৰ্মান প্ৰভাৱ বিস্তাৰ, পাশ্চাত্যৰ ঐতিহাসিক জনদিয়েক ৪৭

সপ্তম অধ্যায় : মধ্যপ্ৰাচ্য

পশ্চিম এচিয়া আৰু উত্তৰ আফ্ৰিকা : কোৰাণ-শৰীফ, হদীছ আৰু শৰিয়ৎ-মুছলিম ইতিহাসৰ আৰম্ভণ ; জীৱনী-বৃত্ত-ইবন্ ইছাহক্ ; ঘটনা-পঞ্জীকাৰ—বালাচুৰী ; মুছলিম ইতিহাসৰ লক্ষণসমূহ ; সাৰ্বজনীন ইতিহাস—অল্ তাবাৰী, অল্ মাছুডি ; পাৰসীয় ইতিহাসৰ প্ৰভাৱ ; আঞ্চলিক ইতিহাসকাৰ ; বিজ্ঞান-সন্মত ইতিহাস—ইবন্ খালডুন-‘মুকাদ্দিমা’, ইয়াৰ তাৎপৰ্য্য ৬৭

প্ৰথম অধ্যায়

ইতিহাস ঃ ইয়াৰ স্বৰূপ বিচাৰ

বৰ্তমান ইংৰাজী ভাষাৰ "হিস্টৰি" আৰু সংস্কৃতৰ "ইতিহাস"ৰ ঠাইত অসমীয়া ভাষাত "বুৰঞ্জী" শব্দৰ ব্যৱহাৰ হৈছে। হেমকোষৰ মতে ইতিহাস শব্দৰ অৰ্থে "আগৰ পৰা চলি অহা (পুৰণি কথা বা সাধুকথা)"। ইতিহ য'ত থাকে তাকে ইতিহাস বুলিছিল। অক্সফোৰ্ড ইংৰাজী অভিধানত (৫ম খণ্ড, ৩০৫ পৃঃ) হিস্টৰি "কোনো নিৰ্দিষ্ট দেশ, জাতি, ব্যক্তি সংক্ৰান্ত তাতপৰ্য্যমূলক বা বাজহৰা ঘটনাৰ কালানুক্ৰমে, ধাৰাবাহিক, শৃংখলাবদ্ধ বিৱৰণ।" ই গ্ৰীক "ইস্টোৰিয়া" আৰু লেটিন "হিস্টোৰিয়া" শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ আদিতে অনুসন্ধান, নিৰীক্ষণ, আৱিষ্কাৰ আৰু পিছলৈ অনুসন্ধানৰ ফলাফল মৌখিক বা লিখিত বিৱৰণ।[১] এটা বিষয়বস্তুৰ সম্পৰ্কে এছোৱা সময়ৰ ঐতিহাসিক সমল পৰীক্ষা আৰু ব্যাখ্যা কৰি পোৱা যি জ্ঞান সেয়ে ইতিহাস। ঘটনাসমূহ যি সময় আৰু যি স্থানত ঘটিছিল সেই প্ৰসংগত উঠা প্ৰশ্নৰ উত্তৰ দিবৰ কাৰণে কৰা ই এক বিজ্ঞানসম্মত অনুসন্ধান। গৱেষণা দিশৰ পৰা এলেন্ নেভিন্সৰ ব্যাখ্যা অনুসৰি ই হ'ল "সংঘটিত ঘটনাৰাজিক লৈ সত্য উদঘাটনৰ বাবে সমালোচনাত্মক মনোভাৱেৰে এটা সংহত (integrated)

---

১. লেটিন হিস্টোৰিয়াৰ ঠাইত জাৰ্মান গেচিখ্‌টে (Geschichte) শব্দৰ অৰ্থ তিনিটা—ঘটি যোৱা ঘটনা, যিটো প্ৰক্ৰিয়াৰে সেইটো জনা হৈছে আৰু এইদৰে জনা ঘটনাৰ বৃত্তান্ত।

বৰ্ণনা বা বিৱৰণ লিখি তাক উপস্থাপন কৰা।"[২] গতিকে বাতৰি কাকতত প্ৰকাশিত তথ্য বা কোনো ঘটনাপঞ্জীৰ অন্তৰ্ভুক্ত বিশেষ ঘটনা ইতিহাস নহয় ; কাৰণ ই সম্পূৰ্ণ সত্য উদঘাটনৰ অনুসন্ধান নহয়। ঐতিহাসিক উপন্যাসো ইতিহাস হ'ব নোৱাৰে ; ই ঐতিহাসিক সূত্ৰবোৰ সংযোগ কৰে যদিও পাঠকৰ চিত্ত-বিনোদনহে ইয়াৰ লক্ষ্য। সেইদৰে কোনো প্ৰসাশনীয় প্ৰতিবেদনকো ইতিহাসৰ শাৰীত পেলাব নোৱাৰি, কিয়নো তাতো সম্পূৰ্ণ সত্য অনুসন্ধানৰ কোনো সমালোচত্মক মনোভাৱ নাথাকে।

ইতিহাস প্ৰসাৰিত ক্ষেত্ৰত মানৱজাতিৰ জীৱনৰ সকলো দিশ সামৰা হয়। একালত ঐতিহাসিক ছিলি (Seeley) য়ে কোৱাদৰে এতিয়া কোনেও কৰবলৈ সাহ নকৰে ইতিহাস মাত্ৰ ৰাষ্ট্ৰসমূহৰ জীৱন-পঞ্জী ; ফ্ৰিমেন (Freeman) য়ে কোৱাদৰে কোনেও নকয় যে, ইতিহাস কেৱল অতীত ৰাজনীতিহে। ঐতিহাসিকৰ জালখন এতিয়া কেউপিনে সিঁচৰতি হয় আৰু তাৰে সভ্যতাৰ বুকুত সংঘটিত সকলো সৰু-ডাঙৰ ঘটনাকে সামৰা হয়। প্ৰকৃতিৰ প্ৰভাৱ, অৰ্থনৈতিক শক্তি-সমূহৰ হেঁচা, চিন্তা-ধাৰণাৰ জন্ম আৰু বিৱৰ্তন, কলা-বিজ্ঞান-সাহিত্যৰ অৱদান, জীৱনৰ ভৌতিক পৰিস্থিতি (Material Condition of life) জনসাধাৰণৰ সমস্যা আদিয়ে ঐতিহাসিকৰ মনোযোগ আকৰ্ষণ কৰে।

ইতিহাসৰ বিষয়-বস্তু হৈছে মানুহ। অতীত মানৱ-সমাজৰ কাম-কাজ আৰু কেনেকৈ সেই সমাজ আহি বৰ্তমান অৱস্থাত উপনীত হৈছে তাৰ সত্য অন্বেষণৰ প্ৰক্ৰিয়াই হ'ল ইতিহাস। অতীত সমাজৰ কথা

---

২. "It is an integrated narrative or description of facts written in a spirit of critical enquiry, to find out the whole truth and report it." A Nevins ; *The Gateway to History*, pp. 22-3 ; *also* read L. R. Gottschalk, *Understanding History*, pp.26-7 ; G. J. Garragham, *A Guide to Historical Method*, pp. 1-32 ; A. L. Rowse, *The Use of History*, chs. Three and Four.

জানিব পাৰিলে কি কি উপাদানে ইয়াৰ ওপৰত ক্ৰিয়া কৰে, কি কি শক্তিয়ে গতিদান কৰে, সাধাৰণ আৰু ব্যক্তিগত কি কি উদ্দেশ্য আৰু দ্বন্দসমূহে (motives and conflicts) ৰূপদান কৰে, ইতিহাসত সেইবিষয়ে জানিবলৈ এটা সূত্ৰ (clue) পোৱা যায়। ই হৈছে মানৱ চৰিত্ৰৰ অধ্যয়ন। মহৎ লোকৰ জীৱনীকেই সেইবাবে পৃথিৱীৰ ইতিহাস বুলি কোৱা যায়। এই লোকসকল মহৎ—কাৰণ তেওঁলোকে নিজৰ দেশৰ প্ৰতিনিধিত্ব কৰে আৰু নায়ক হৈ তাৰ ইতিহাস সৃষ্টি কৰে। এনে প্ৰতিনিধিত্ব কৰা মহাত্মা গান্ধী, চাৰ্চিল, গ্লেড্ষ্টোনৰ জীৱনী ইতিহাসৰ অংশবিশেষ।[৩] ব্যক্তিক যেতিয়া এটা সমাজ সম্পৰ্কিত সত্তা হিচাপে লোৱা যায়, তেতিয়া তেওঁৰ জীৱন-চৰিত হৈ পৰে ইতিহাস; কিন্তু যেতিয়া এটা সম্পৰ্ক ৰহিত নিজৰ চাৰিসীমাত আবদ্ধ সত্তা হিচাপে চাও, তেতিয়া তেওঁৰ জীৱন-চৰিত ইতিহাস নহয়। অৱশ্যে একমাত্ৰ মহৎ লোকসকলৰ জীৱনীয়েই ইতিহাস নহয়। লাখ লাখ পুৰুষ আৰু নাৰীয়ে যি সময় বালিত খোজ থৈ যাব পৰা নাই অথচ তেওঁলোকৰ ব্যক্তিগত অৱদান আগবঢ়াই গৈছে, সেইসকলৰো ইতিহাসত স্থান আছে। ইতিহাস বুলিলে এতিয়া আৰু ৰজা-ৰাণীৰ কাহিনী বা তেওঁলোকৰ জয়-পৰাজয়ৰ কাহিনীকে নুবুজায়। ই জন-সাধাৰণৰ কাহিনী—তেওঁলোকৰ মানসিক আৰু শাৰীৰিক কৰ্মৰাজিৰ কাহিনী— তেওঁলোকৰ হৰ্ষ-বিষাদৰ কাহিনী।

ইতিহাস : কলা নে বিজ্ঞান ?

ইতিহাস কলা নে বিজ্ঞান—এই সম্পৰ্কে বহুতো বাদানুবাদ চলি আছে। ঐতিহাসিক জে. বি. বেৰিৰ (G. B. Bury) মত আছিল[৪], "ইতিহাস এক বিজ্ঞান; তাতকৈ কমো নহয়, বেছিও নহয়।" ইয়াকে দৃঢ়ভাৱে প্ৰতিপন্ন কৰিবলৈ তেওঁ ঘোষণা কৰিছিল :

---

৩. "Radhakumud Mukherjee" 'see Sen *Historians*, p.79.

৪. J. B. Bury, *Selected Essays* (Cambridge), 1930.

"যেতিয়ালৈকে ইতিহাসক কলা বুলি গণ্য কৰা হয়, তেতিয়ালৈকে সত্য আৰু সঠিকতাৰ কঠোৰ হ'ব নোৱাৰে।" উনৈশ শতিকাৰ মাজভাগৰ পৰা বিজ্ঞানে মানৱৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনলৈ পৰিবৰ্তনৰ সোঁত আনিছে ; ধৰ্ম আৰু বিশ্ব-ব্ৰহ্মাণ্ডত ভাৱ-চিন্তাত এক বিপ্লৱৰ সৃষ্টি কৰিছে। পদাৰ্থ বিজ্ঞানৰ এই আশ্চৰ্য্যজনক কীৰ্তি-কলাপে ট্ৰেভেলিয়ান (Trevelyan)ৰ দৰে ঐতিহাসিকক ভাবিবলৈ বাধ্য কৰিলে যে ইতিহাসক যদি বিজ্ঞান বুলি কোৱা হয় আৰু ই বিজ্ঞান-সম্মত পদ্ধতি আৰু আদৰ্শ অৱলম্বন কৰে, তেন্তে ইয়াৰ গুৰুত্ব আৰু বাঢ়িব।[৫] অধ্যাপক বেৰিৰ মতে, ঐতিহাসিকসকলে বিজ্ঞানসম্মত কৌশলেৰে নিশ্চিত সত্য আবিষ্কাৰ কৰিব লাগে আৰু ইয়াকে কৰিব পাৰিলে তেওঁলোকৰ কৰ্তব্যৰ সামৰণি পৰে। ট্ৰেভেলিয়ানে আৰু এখোজ আগবাঢ়ি ঐতিহাসিক সকলক টানি কৈছিল যে, এইভাবে আবিষ্কৃত তথ্যসমূহ ব্যাখ্যা কৰি সেইবোৰৰ তাতপৰ্য্য জনাও নিতান্ত প্ৰয়োজন ; কিয়নো যুক্তিনিষ্ঠ পাঠকে তেওঁৰ যুগটোৰ এটা সুষম মূল্যায়ন বিচাৰে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ৰেজিয়াচ্ অধ্যাপক ইয়ৰ্ক পাৱেলে (York Powell) য়ে মন্তব্য কৰিছে :[৬]

> সম্প্ৰতি ইতিহাসৰ অৰ্থে—পূৰৰণি ইতিহাসৰ পৰা সম্পূৰ্ণৰূপে পৃথক নতুন ইতিহাস। নতুন ইতিহাস লিখিবলৈ লোৱাসকলে উপলব্ধি কৰিব লাগিব যে, তেওঁলোকে কোনো ৰসাত্মক ৰচনা বা একমাত্ৰ চমকপ্ৰদ পৰামৰ্শৱলী বা আমোদজনক বিৱৰণ লেখিবলৈ ওলোৱা নাই ; তেওঁলোকে বিজ্ঞানৰ ক্ষেত্ৰত প্ৰবেশ কৰিবলৈ গৈছে। আন বহুতো বিজ্ঞানৰ দৰে এই বিজ্ঞানো বহুদূৰ উনৈশ শতিকাৰে সৃষ্টি।

এইদৰে আৰম্ভ হ'ল বিজ্ঞান-সম্মত ইতিহাস। তেতিয়াৰ পৰাই এক অব্যৱসায়িক কলাৰ পৰিবৰ্তে ইতিহাস হৈ আহিল সাহিত্য আৰু ব্যক্তিগত আৱেগ-উচ্ছাস, সংস্কাৰ-বিশ্বাসৰ পৰা সম্পূৰ্ণ পৃথক কঠোৰ

---

৫. A. L. Rowse, *The Use of History*, pp. 91-2.

৬. *Ibid*, pp. 86-7.

মূল্যমানৰ প্ৰকৃতি বিজ্ঞানৰ দৰে এক ব্যৱসায়িক (professional) শক্তিশালী শৈক্ষিক অনুশাসন। অৱশ্যে ইতিহাস আৰু প্ৰকৃতি-বিজ্ঞান একে নহয়। ই প্ৰত্যক্ষ নিৰীক্ষণ বা সমপৰীক্ষাৰ (experiment) ভিত্তিত প্ৰতিষ্ঠিত নহয়; কিন্তু পুনৰ্বাৰ অনুষ্ঠিত কৰিব নোৱাৰা নিৰীক্ষণৰ দ্বাৰা পোৱা তথ্যসমূহ ইতিহাসে গ্ৰহণ কৰে। ঐতিহাসিকে অতীতৰ অভিনেতাসকলক আনি ইতিহাসৰ দৃশ্যাৱলী আজিৰ মঞ্চত আকৌ প্ৰদৰ্শন কৰিব নোৱাৰে। বিজ্ঞানে কৰা প্ৰত্যক্ষ নিৰীক্ষণৰ সলনি ঐতিহাসিক আন লোকৰ নিৰীক্ষণৰ ওপৰত নিৰ্ভৰশীল হ'বই লাগিব। গতিকে ইতিহাসৰ পদ্ধতি নিৰীক্ষণৰ পৰিপূৰক এটা পদ্ধতি—যাৰ দ্বাৰা আন লোকৰ নিৰীক্ষণৰ ফলস্বৰূপে পোৱা তথ্যসমূহৰ সত্যাসত্য পৰীক্ষা কৰি চোৱা হয়। ঐতিহাসিক আৰু বিজ্ঞানী উভয়ে প্ৰাপ্ত তথ্যসমূহ পৰীক্ষা কৰে, তাৰ পৰা প্ৰকল্প প্ৰস্তুত কৰে (formulate hypothesis) আৰু গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত নোহোৱালৈকে পৰীক্ষা চলাই থাকিব লগা হয়।

প্ৰকৃততে ইতিহাসৰ দুটা দিশ—ই বিজ্ঞান আৰু কলাও। বিজ্ঞান হিচাপে ছটৱেল (Shotwell)য়ে কোৱামতে, [৭]

> ই নিৰপেক্ষ—ইমান কঠোৰভাৱে নিৰপেক্ষ যে কেতিয়াবাই ই অমানৱীয় হৈ পৰে। লিপিবদ্ধ তথ্যসমূহ ইতিহাসে চালি-জাৰি চায়, তাৰ প্ৰমাণ সংগ্ৰহ কৰে আৰু যেতিয়াই অসত্য পায় তাক বাদ দিব লগা হয়। তেনে অসত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত বিশ্বাসে মানুহৰ মনত যিমানে শ্ৰদ্ধাৰ উদ্ৰেক নকৰক, ঐতিহাসিকৰ তাৰ কোনো মূল্য নাই। অসীম সাৱধানতাৰে ঐতিহাসিকে অতীতৰ চূৰ্ণীকৃত মজিয়াৰ অংশবিলাক সংযোগ কৰে—আমাক উপদেশ দিয়াৰ বাবে নহয়, চিত্তবিনোদনৰ বাবেও নহয়; একমাত্ৰ সত্যক আৱিষ্কাৰ কৰি উপস্থাপন কৰাৰ বৈজ্ঞানিক মনোভাৱৰ যি অনিবাৰ্য্য দাবী তাক পূৰণ কৰাৰ উদ্দেশ্যে।

আন এক দৃষ্টিকোণৰ পৰা চাবলৈ গলে ইতিহাস এক কলাও—কলাকৌশলৰ ওপৰতে ইয়াৰ সমৃদ্ধি। ই প্ৰধানতঃ কল্পনা আৰু

---

৭. J. T. Shotwell, *The History of History*, pp.9-11

সাহিত্যিক ৰচনা-ৰীতিৰ সৃষ্টি। ই নির্ভৰ কৰে প্ৰকাশ ভংগিৰ ওপৰত ; জীৱন্ত চিত্ৰৰ ওপৰত, সহানুভূতি, লয় (grace), উন্নত মনোভাৱ আৰু মোহনীয়া শক্তিৰ ওপৰত।

চমুকৈ কবলৈ গলে, ইতিহাসৰ গৱেষণা বিজ্ঞান আৰু ইয়াৰ বৰ্ণনা হ'ল কলা। লিখন-ৰীতিত সিদ্ধহস্ত যিসকল তেওঁলোকৰ ঐতিহাসিক কল্পনা আৰু শব্দালংকাৰে সেই বৰ্ণনালৈ অৰিহণা যোগায় যদিও, ইতিহাসৰ সমলসমূহক সমালোচনাত্মক মূল্যায়নেৰে পৰীক্ষা কৰি চোৱাটো বিজ্ঞানসম্মত পদ্ধতিৰ অনুসৰণকাৰী ঐতিহাসিক সকলৰ নিতান্ত আৱশ্যক।

ইতিহাস : ইয়াৰ আৱশ্যকতা

ঐতিহাসিক গিব্বন (Gibbon) য়ে কোৱাদৰে "ইতিহাস যদি মানৱজাতিৰ অপৰাধ আৰু ভুলবোৰৰ, মূৰ্খালি আৰু দুখ-দুৰ্গতিৰ এক পঞ্জী মাত্ৰ, তেন্তে নির্ভুল তথ্য সংৰক্ষণ কৰি কি লাভ ? মৰি-মৰজাহ দি অতীতৰ এনে ধৰণৰ খুটি-নাটি বিচাৰি ফুৰাৰ আৱশ্যকেই বা কি ?" এইটো মনত ৰখা উচিত—প্ৰকৃত মানবীয় ঘটনাবিলাকৰ গুৰুত্ব নোহোৱা নহয়। অতীতে আমাক বৰ্তমানৰ সমস্যাসমূহৰ একোটা সমাধান সূত্ৰ দিব পাৰে ; কিন্তু প্ৰকৃতি বিজ্ঞানে নোৱাৰে। অতীত অধ্যয়ন আমি বুজিব আৰু চিন্তা-চৰ্চা কৰিব খোজা একোটাইত জটিল সমস্যাৰ অন্তৰ্ভাগলৈ প্ৰবেশ-দ্বাৰ স্বৰূপ হ'ব পাৰে। দৰাচলতে বৰ্তমানটো অতীতৰে বিস্তৃতি মাত্ৰ। আমি ধৰিব পাৰো—আমাৰ কৰ্তব্য নিৰ্দ্ধাৰণ ক্ষেত্ৰত সম্যক জ্ঞান লাভ কৰাত অতীত অধ্যয়নে আমাক সহায় কৰিব। স্মেলীয়ে মন্তব্য কৰিছে :[৮]

> অতীতৰ লগত সম্বন্ধ নোহোৱাকৈ মানুহৰ কোনো কথাৰ ব্যাখ্যা দিব নোৱাৰি। অতীতত্তে নিহিত হৈ আছে সেই কাৰণসমূহ—যিবিলাকৰ পৰা উৎপাদিত হৈছে আজিৰ মানুহ ; আজিৰ জাতি,

---

৮. K. B. Smellee, *Why We Read History*, p.20.

> আজিৰ সাম্ৰাজ্য : বৰ্তমানক বুজিবলৈ হলে আৰু ভবিষ্যতৰ আগজাননীৰ সম্ভেদ পাবৰ হ'লে ইতিহাসেই হৈছে একমাত্ৰ ভেটি।

একেই সুৰতে জৱাহৰলাল নেহৰুৱে কৈ গৈছে :[১]

> অতীতৰ প্ৰতি এটা অন্ধ অনুৰাগ থকাটো বেয়া। তেনেকৈ ঘৃণাভাৱ থকাটোও বেয়া। এটাৰ ওপৰতো ভবিষ্যতৰ ভেটি বান্ধিব নোৱাৰি। বৰ্তমান আৰু ভবিষ্যতে অনিবাৰ্য্যভাবেই গঢ় লয় অতীতৰ পৰা আৰু সিহঁতৰ ওপৰত অতীতে ছাপ বহুৱায়। এই কথা পাহৰিলে ভেটি নোহোৱাকৈ নিৰ্মাণকাৰ্য্য কৰা হ'ব আৰু জাতীয় শিপাডাল কাটি দিয়াহে হ'ব। বৰ্তমান যুগৰ এটা কথা হৈছে অতীতৰ আৰু জাতিটোৰ পুনৰাবিষ্কাৰ।

অৰ্থনীতিবিদ, ৰাজনীতি বিজ্ঞানী আৰু সমাজবিজ্ঞানীসকলৰ দৰে আধুনিক ঐতিহাসিকেও দাবী কৰে যে সমসাময়িক সামাজিক সমস্যা-বিলাকৰ সমাধান তেওঁলোকেও দিব পাৰে। বৰ্তমানৰ চিন্তা কৰোতে যদিহে অতীতটো ক্ষহিয়াই চাবলগীয়া হয়,আজিৰ মানুহে ৰিহকে নাভা-বক, ঘটনাবোৰ অতীতত ঠিক যি ধৰণে ঘটিছিল, ঠিক সেইদৰেই কৰ লাগিব। কোনো ৰাজনৈতিক মতবাদ, অৰ্থনৈতিক পদ্ধতি, সামাজিক আচৰণ কোনো যুগৰ পৰিপন্থী হলেও, যুক্তিযুক্তভাৱে সেইবিলাক উদঙাই দিলেহে, অনিষ্টকাৰী দিশবোৰৰ সম্যকৰূপে দাঙি ধৰিলেহে, ভবিষ্যতৰ বাবে সি শুদ্ধভাবে দিক দৰ্শন কৰিব পাৰিব। ইয়াকে নকৰি তাৰ সপক্ষে তৰ্ক কৰি থকাই বা কি লাভ? সেইকাৰণে সাম্প্ৰদায়িক স্বাৰ্থ, ৰাজনৈতিক আদৰ্শ আৰু ব্যক্তিগত ভালপোৱা-বেয়াপোৱাৰে লগত খাপ-খোৱাকৈ প্ৰকৃত ঘটনাবোৰ ঢাকি ৰখা বা বিকৃত কৰা উচিত নহয়। ইতিহাসে কঠোৰভাৱে কামৰহে হিচাপ লয়—ব্যক্তি বা অনুষ্ঠানৰ বা ইহঁতৰ দ্বাৰা সৃষ্টি কৰা পৰিস্থিতিৰ বাবে ই ভ্ৰূক্ষেপ নকৰে। ঐতি-হাসিকৰ সেইবাবে একমাত্ৰ লক্ষ্য কাৰো প্ৰতি অনুগ্ৰহ নেদেখুৱাকৈ নিৰ্ভয়ে প্ৰকৃত ঘটনা দাঙি ধৰা। তেওঁৰ মহান কৰ্তব্য—সত্যৰ উদ্ঘাটন—সত্যবিনে আন নহয়, যিমানে নিশ্চিতকৈ পৰা যায় সম্পূৰ্ণ সত্যৰ উদ্-ঘাটন। ঐতিহাসিকৰ উদ্দেশ্য সাধনত বহুতো প্ৰক্ৰিয়াৰ সন্নিবেশ হয় : (১) সমলৰ অন্বেষণ আৰু সংগ্ৰহ (২) প্ৰাপ্ত সমলৰ বাহ্যিক আৰু আভ্যন্তৰিক দুয়োপ্ৰকাৰ সমীক্ষা (৩) তত্ত্বানুসন্ধান(hypothetication) আৰু ৰচনা-ৰীতি (style)। এইবিলাকৰ সম্পৰ্কে পৰৱৰ্তী অধ্যায়সমূহত আলোচনা কৰা হ'ল।

---

১. Jawaharlal Nehru, *The Discovery of India*, p.627.

দ্বিতীয় অধ্যায়

ঐতিহাসিক সমল

ঐতিহাসিক সমলসমূহ ঘাইকৈ দুভাগত বিভক্ত কৰা যায়—লিখিত প্ৰমাণ ভিত্তিক (Documentary) আৰু অলিখিত প্ৰমাণ ভিত্তিক (Non-documentary)। ইয়াতে লিখা বা ছপা নথি-পত্ৰ ভিত্তিৰ সমলসমূহ প্ৰথমভাগত আৰু তাতবাদে অলিখিত প্ৰমাণ ভিত্তিক পোৱা সমল দ্বিতীয় ভাগত ধৰা হয়। ঐতিহাসিকসকলে লিখিত প্ৰমাণখিনি শেষ নোহোৱালৈকে অলিখিত প্ৰমাণ ব্যৱহাৰ কৰাৰ বিষয়ে চিন্তা নকৰে ; এইবিলাক প্ৰাথমিক প্ৰমাণ বুলি ধৰাতকৈ পৰিপূৰক সমল হিচাপেহে ব্যৱহাৰ কৰা হয়। যেতিয়া লিখিত প্ৰমাণ একেবাৰে নাথাকে বা ত্ৰুটীপূৰ্ণ বুলি ভৱা হয়, তেতিয়াহে অলিখিত প্ৰমাণে ঐতিহাসিকক সহায় কৰে। সুদূৰ অতীতৰ ক্ষেত্ৰতে এই কথাটো বেছিকৈ খাটে ; কিয়নো লিখিত সমলবিলাক শীঘ্ৰেই লয় পায়। একো সময়ত ঐতিহাসিকক বাট দেখুৱাবলৈ খণ্ড-বিখণ্ড টুকুৰা এটাও পোৱা নাযায়। অলিখিত সমলক তিনিটা স্তৰত ভগাব পাৰি—অভিলেখ (Epigraphy), মুদ্ৰাপদক (Numismatics) আৰু পুৰাতত্ত্বমূলক (Archaeological)।

(ক) অভিলেখ

ধাতু, শিল বা আলতীয়া মাটিত (clay) খোদিত লিপিবিলাক পোৱা যায়। যুগ-যুগান্তৰ নষ্ট নোহোৱাকৈ থাকে কাৰণে সুদূৰ অতীতৰ ইতিহাস লিখোতাসকলৰ ই গুৰুত্বপূৰ্ণ সমল। শিলত বা তাম আদিত খোদিত লিপি, ৰজা বা তা-তাওবীয়াই দিয়া ঘোষণা বা ব্যক্তিগতভাবে

কোনোলোকে বিভিন্ন উদ্দেশ্যেৰে কৰা অভিলেখ হ'ব পাৰে। খোদিত লিপিৰ সৰহভাগেই হয় কোনো ঘটনাৰ স্মৃতিচিন স্বৰূপে নাইবা কোনো অট্টালিকা বা বিগ্ৰহ উছৰ্গা কৰোঁতে নিৰ্মাণ কৰা হয়। ধাতুত খোদিত কৰা লিপিসমূহৰ সৰহভাগেই ভূমিদান সংক্ৰান্ত আৰু সেইবিলাক তামত খোদিত। ভাৰতবৰ্ষৰ আদি কালৰ ইতিহাসৰ প্ৰত্যেকটো তাৰিখ প্ৰধানতঃ খোদিত লিপিৰ পৰাই পোৱা যায়। এই লিপিবোৰৰ পৰা পোৱা তথ্য আৰু ক'ৰো পৰা পোৱা নাযায় যদিও এইবিলাকৰ কিছু অসুবিধাও আছে। সাধাৰণতে এইবিলাক ঠায়ে ঠায়ে সিচঁৰতি হৈ খণ্ডিত ৰূপতহে পোৱা যায়। প্ৰাচীন যুগৰ ঐতিহাসিকে বহু পৰিশ্ৰমেৰে খণ্ডিত তথ্যবিলাক সংগ্ৰহ কৰি একত্ৰিত কৰিব লাগিব আৰু তেতিয়াহে তাৰ পৰা চূড়ান্তত সিদ্ধান্তত উপনীত হ'ব পাৰিব।

(খ) মুদ্ৰা

মুদ্ৰাবিজ্ঞান অতিমাত্ৰায়ে প্ৰাবাধিক (technical)। এই বিষয়ে বিশেষজ্ঞৰ পৰাহে প্ৰকৃত ইতিহাস পোৱা যায়। কালানুক্ৰমিক তথ্য সংৰক্ষণৰ উল্লেখনীয় অবিহণা যোগায় কাৰণে ই প্ৰাচীন আৰু মধ্যযুগীয়া ঐতিহাসিকৰ অতি গুৰুত্বপূৰ্ণ সমল। বেক্‌ট্ৰিয়ান, ইণ্ডো-গ্ৰীক, ইণ্ডো-পাৰ্থিয়ান সকলৰ বিষয়ে আমি যি জানিব পাৰিছো সিও মুদ্ৰা অধ্যয়নৰ পৰাহে। ই একোখন ৰাজ্যৰ একোটা সময়ৰ স্থৈৰ্য্যৰ সীমা নিখুঁতভাৱে নিৰ্ণয় কৰে। স্পষ্টকৈ পঢ়া, গঢ়টোও ধুনীয়া আৰু চিত্ৰটোও চকুত লগা হলে সেই মুদ্ৰাই এটা উচ্চ স্তৰৰ সভ্যতালৈ আঙুলিয়ায়; আনফালে আগঢ়ী আৰু অপৰিষ্কাৰ মুদ্ৰাই সমাজৰ অশান্তি অৱস্থা বা সংস্কৃতি বা সুৰুচিৰ উদাসীন কোনো বংশ পৰম্পৰাৰ পৰিচায়ক। চুনাপাদুং বাগিছাত উদ্ধাৰ কৰা বুৰুজৰ মুদ্ৰাসমূহৰ পৰা উত্তৰ ভাৰতৰ গুপ্ত ৰজাসকলৰ সভ্যতাৰ স্তৰ্ধাপৰ এটা সভ্যতাৰ আভাস পোৱা যায়। মুদ্ৰাৰ আহিৰে একোজন ৰজাৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপৰ পৰিচয় দিয়ে। স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ ৰাণী ফুলেশ্বৰীৰ নামত মুদ্ৰাত একেলগে থকাটোৱে স্পষ্টকৈ বুজায় যে ৰাণীৰ (বৰৰজা) শাসন কালতো স্বৰ্গদেৱে নিজৰ বিশেষাধিকাৰ ৰক্ষা কৰিছিল। স্বৰ্ণমুদ্ৰাৰ

প্ৰাচুৰ্য্যই যিদৰে ৰাজ্যৰ সমৃদ্ধ আৰু বাণিজ্যিক প্ৰসাৰ সূচায় তামৰ মুদ্ৰা হ'ল দৰিদ্ৰ আৰু পশ্চাদৱৰ্তিতাৰ পৰিচায়ক।

(গ) পুৰাতত্ত্ব

এইবিধ সমলৰ ভিতৰত ৰাজহুৱা আৰু ব্যক্তিগত স্থাপত্যৰ নিদৰ্শন, চাৰুকলা আৰু গাৰ্হস্থ্য জীৱনৰ কলাসম্পদ, অস্ত্ৰ-শস্ত্ৰাদি, ৰণসম্ভাৰ, সাজ-সজ্জা আৰু অলংকাৰ-পাতি ধৰা যায়। এনে ধৰণৰ সমল ঐতিহাসিকৰবাবে পৰোক্ষভাৱে মূল্যবান। ইয়াৰ দ্বাৰা এটা যুগৰ ৰীতি-নীতি চাল-চলন, আচাৰ-ব্যৱহাৰৰ বিষয়ে জনা যায়; এখন ৰণ-ক্ষেত্ৰৰ ছবি মানস পটত দাঙি ধৰে বা কোনো ইংগিতপূৰ্ণ উল্লেখৰ ব্যাখ্যাত সহায় কৰে। মহেঞ্জোদাৰো, হাৰাপ্পা, নালন্দা আদি প্ৰাচীন যুগৰ ধ্বংসাৱশেষৰ স্তৰ-বিন্যাস প্ৰণালীবদ্ধভাৱে আৰু কৌশল প্ৰয়োগেৰে সমীক্ষা কৰি এটা যুগৰ ধ্বংসাৱশেষৰ সঠিক ক্ৰম অৱগত হব পাৰিলে বহুতো ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ সম্ভেদ পোৱা যাব পাৰে। এই সমল-সমূহে বুৰঞ্জীৰ শুকান হাড় তেজ-মঙহেৰে জীৱন্ত কৰি তোলে। এইদৰে অজন্তাৰ চাৰু-চিত্ৰ আৰু ইলোৰা কোণাৰক-খাজুৰাহোৰ খোদিত ভাস্কৰ্য্যই বহুমুখী মানৱীয় ক্ৰিয়া-কলাপৰ অপূৰ্ব ছবি আমাৰ আগত দাঙি ধৰিছে।

চৰকাৰী সমল

ঐতিহাসিক গৱেষকৰ কাৰণে লিখিত প্ৰমাণেই বেছি গুৰুত্বপূৰ্ণ। ইয়াক ঘাইকৈ দুভাগে বিভক্ত কৰা যায়—চৰকাৰী (Official) আৰু বে-চৰকাৰী (Non-official)। সমলখিনি ক'ৰ পৰা পোৱা হৈছে তাৰ ওপৰতে চৰকাৰী নে বে-চৰকাৰী সেই কথা নিৰ্ভৰ কৰে। সেই সমলৰ পৰা পোৱা তথ্য আৰু গুৰুত্বৰ ক্ষেত্ৰত দুয়োটা সম্পূৰ্ণভাৱে পৃথক। আকৌ প্ৰত্যেকৰে দুটাকৈ স্পষ্ট ভাগ—আনুষ্ঠানিক (Formal) আৰু অনানুষ্ঠানিক (Informal)। তলত সবিশেষ দিয়া হ'ল।

আনুষ্ঠানিক

এই শ্ৰেণীৰ সমল চৰকাৰৰ উচ্চ কৰ্তৃপক্ষৰ পৰা নিৰ্দিষ্ট ৰূপত প্ৰেৰিত নথি-পত্ৰ। এইবিলাক ৰজা, উচ্চতম বিষয়া মাইবা নিযুক্তিপ্ৰাপ্ত

কোনো নিম্নস্তৰৰ বিষয়াৰ পৰা অহা হ'বও পাৰে। এইবিলাক সমলৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল—সন্ধি (Treaty), গ্ৰান্ট (Grant), চনদ (Sunnad) আৰু আদালতৰ হুকুম বা পৰৱানা (Roll)। এই লিখিত সমলবিলাক সময় আৰু ঐতিহাই পবিত্ৰভাৱে সংৰক্ষণ কৰি থৈছে। অতকিতে কোনো অদল-বদল হবলৈ দিয়া নাই। এইবিলাক প্ৰয়োগ কৰোতে কিছু সাৱধানতাৰ আৱশ্যক। সমলসমূহৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণ কৰোঁতে মূল লেখাত যিবোৰ শব্দ প্ৰয়োগ কৰা হৈছিল হুবহু সেইবোৰৰ ওপৰতে ঐতিহাসিকে যুক্তি প্ৰতিষ্ঠা কৰা ঠিক নহয়। আকৌ সেই নথি-পত্ৰবিলাক অসত্যাত পৰিণত হোৱাও বিচিত্ৰ নহয়। একে ধৰণে লিখা কাৰণে অসত্য বিচাৰি উলিওৱাত টান হৈ পৰে। কোনো কোনো ক্ষেত্ৰত হয়তো সবহ-খিনিয়েই যথাযথ, অলপমানহে কোনোবাই বিকৃত কৰিছে নিজ স্বাৰ্থ-পূৰণৰ অৰ্থে। আনপিনে আকৌ সেইবোৰৰ পৰা সুবিধাও নোহোৱা নহয়। প্ৰথমতে একেবাৰে সঠিকভাৱে জনা যায় যে উল্লিখিত আদান-প্ৰদানবোৰ এটা বিশেষ সময়ত আৰু এখন বিশেষ ঠাইত সম্পন্ন হৈছিল। আকৌ তাত যিসকল সাক্ষী থাকে তেওঁলোকৰ নামৰ পৰা মূল্যবান তথ্যও পাব পৰা যায়। তেনে নথি-পত্ৰৰ সাক্ষী এজনৰ জীৱনৰ বিষয় যদি জনাৰ আৱশ্যক হয়, তেনে নথি-পত্ৰৰ পৰাই গম পোৱা যায় যে, তেওঁ সেই বিশেষ ঠাইত আৰু সময়ত উপস্থিত আছিল আৰু সেই বিশেষ নথিত তেওঁ সাক্ষৰ দান কৰিছিল। আদালতৰ পৰৱানা বা কাৰ্য্যবিৱৰণ যদিও অতি অমনোনীয় বা অপৰিবৰ্তনশীলভাৱে লেখা থাকে আৰু যদি বিষয়টো কোনো গুৰুত্বপূৰ্ণ নীতি সম্পৰ্কীয় নহৈ ব্যক্তিগত লোকৰ জীৱন-সংক্ৰান্তহে হয়, তেতিয়া তাৰপৰা মানুহৰ সামাজিক অৱস্থাৰ বিষয়ে অৱগত হ'ব পৰা যায়। যেতিয়া জনা যায় যে, মানুহে নিজৰ ভিতৰতে পৰস্পৰে পৰস্পৰক কেনে ধৰণৰ অন্যায় কৰে, তেতিয়া ধাৰণা কৰি লব পৰা যায় যুগটোৰ অৱস্থাৰ কথা, চৰকাৰৰ দক্ষতাৰ কথা, চৰকাৰৰ কামত প্ৰতিফলিত হোৱা মানুহৰ সাধুতাৰ কথা আৰু আনকি নৈতিক চৰিত্ৰৰ কথাও।

অনানুষ্ঠানিক

অতি গুৰুত্বপূৰ্ণ নীতি সম্পৰ্কীয়েই হওক বা চৰকাৰী খুটিনাটি সম্পৰ্কীয় বিষয়ৰ হওক, অনানুষ্ঠানিক সমল চৰকাৰৰ সম্পতি সেইবোৰ ৰাজহুৱা সম্পত্তি নহয় বুলি জানিহে মূল্যায়ণ কৰিব লাগিব। অৱশ্যে ইতিহাসকাৰে মনত ৰাখিব লাগিব—যি যি বিষয়ত সেইবোৰ লিখা হৈছে,—বিষয়বোৰৰ এটা দিশতহে লিখা হৈছে—কতৃপক্ষৰ সেই বিষয়ে মনোভাৱ কেনে সেইটোহে তাত ব্যক্ত কৰা হৈছে। সেইবোৰৰ পৰা কোনো এটা বিষয়ৰ বিস্তাৰিতভাৱে একো জানিব নোৱাৰি। সেইবোৰত ভুল ব্যাখ্যা দিয়াটোও সহজ, কাৰণ কোনো লোক বা স্থান বা প্ৰশাসনীয় তথ্যপাতি সম্পৰ্কে আন সমলৰ পৰা নোপোৱা বহুতো কথাকে এইবোৰে মানি লয়। আনপিনে সেইবোৰে একোটা বিষয়ৰ ওপৰত কতৃত্বশীল মতামত ব্যক্ত কৰে—সৰ্ব্বোচ্চ কতৃপক্ষৰ যি সকলৰ সিদ্ধান্তই ইতিহাসৰ গতিপথ নিৰ্দ্ধাৰণ কৰি গৈছে। এনে ধৰণৰ সমল ঘাইকৈ তিনিটা শ্ৰেণীত বিভক্ত-চিঠি-পত্ৰ (Correpondence) প্ৰতিবেদন (Report) আৰু ঘোষণা পত্ৰ (Proclamation)।

(ক) চিঠি-পত্ৰ

প্ৰশাসক শ্ৰেণীৰ লোকে আনুষ্ঠানিকভাৱে লিখা চিঠি-পত্ৰ আৰু অন্যান্য লোকে ব্যক্তিগতভাৱে কৰা চিঠিৰ আদান-প্ৰদানবিলাকে শাসনযন্ত্ৰৰ আভ্যন্তৰীণ কাম-কাজ আৰু তাৰ পিছফালে থকা লোকসকল আৰু কাৰ্য্যব্যস্ত থকা সকলৰ ওপৰত পৰা বিভিন্ন ধৰণৰ চাপ আৰু টনা-আজোৰা (pressure and pulls) সম্ভেদ দিয়ে। এনে ধৰণৰ নথি-পত্ৰ ভাৰতীয়সকলৰ কাৰণে মুকলি কৰি নিদিয়াৰ কাৰণে পূৰ্ব্বে গৱেষকসকলে তথ্যপাতি বিচাৰি বিদেশলৈ গৈ তাৰ সংগ্ৰহালয়ৰ পৰাহে আনিব লগা হৈছিল। এতিয়া ক্ৰমে সেইবিলাক গৱেষকসকলৰ হাতত পৰিছে। দেশ স্বাধীন হোৱাৰ পাছৰ পৰা নিৰাপত্তামূলক কিছুমান অঞ্চলত বাদে আন ঠাইৰ ত্ৰিশ বছৰৰ ওপৰৰ সংৰক্ষিত নথি-পত্ৰ মুকলি

কৰি দিয়া হৈছে আৰু সেইবাবে যোৱা কেইদশকত ভাৰত বুৰঞ্জীৰ আধুনিক যুগৰ নানা দিশত চৰ্চা-গৱেষণা বৃদ্ধি হৈছে *। এইবিলাক নথি-পত্ৰয়ো মনত ৰখা উচিত, একপক্ষীয় অভিমতহে ব্যক্ত কৰে। উচ্চ-পদস্থ আৰু নিম্নপদস্থ চৰকাৰী বিষয়াই ব্যক্ত কৰা মতামত যিমানেই আন্তৰিকতাপূৰ্ণ নহওক, যি কোনো ঘটনাৰ এটা দিশহে দাঙি ধৰে।

(খ) প্ৰতিবেদন

প্ৰতিবেদন দুবিধ—গুপ্ত বা গোপনীয় (Secret বা Confidential) আৰু অগোপনীয় (Non-Confidential)। গোপনীয় প্ৰতিবেদন চৰকাৰৰ কাৰণে অপৰিহাৰ্য্য আৰু এইবিলাকৰ ওপৰতে একালত কাম-কাজ চলিছিল। ঐতিহাসিকৰ বাবে এনেবিলাক সমলৰ গুৰুত্ব অতুলনীয় ; কিন্তু এইবিলাক পোৱাহে সহজ নহয়। প্ৰত্যেকজন ৰাজকীয় কটকী বা প্ৰতিনিধিৰে কৰ্তব্য আছিল (এতিয়াও আছে) তেওঁক যি ঠাইত নিযুক্ত কৰা হয়, সেই ঠাইত ঘটা সকলো গুৰুত্বপূৰ্ণ ঘটনাৰ সম্বেদ দিয়াটো। সেইবিলাক সমলৰ মূল্য অপৰিসীম। কিন্তু অসাৱধান কূটনীতিবিদে এনে কিছুমান জনৰৱকে চৰকাৰলৈ প্ৰেৰণ কৰে, যিবিলাক তেওঁৰ নিজৰ আশা-আকাংক্ষাৰ অভিব্যক্তিহে। সুনিপুণ ৰাজ-প্ৰতিনিধিয়ে যোগান ধৰা তথ্য-পাতি সাধাৰণতে প্ৰত্যক্ষ, সুচিন্তিত আৰু যথোপযুক্ত হয়। এনে তথ্য-পাতিও সময়ত অসম্পূৰ্ণ হোৱাও আচৰিত নহয় ; কিয়নো এজন মেধাৱী প্ৰতিনিধিয়েও তেওঁ গতি-বিধি লক্ষ্য কৰি থকা ব্যক্তিসমূহৰ সকলো অভিপ্ৰায়ৰ তলা-নলা ধৰিব নোৱাৰে আৰু তেনে লোকৰ ভবিষ্যত কাম-কাজ কি ধৰণৰ হ'ব পাৰে তাৰো আগজাননী দিব নোৱাৰে। আকৌ তেওঁৰ প্ৰতিবেদনো একপক্ষীয় হয়গৈ, কাৰণ তেওঁৰ প্ৰতিপক্ষৰ কাম-কাজৰ এটা দিশতহে

* কিন্তু ঔপনিবেশিক প্ৰশাসনৰ দিনত অতি গোপনীয় ধৰণৰ সংৰক্ষিত নথি-পত্ৰও ইংলণ্ডত পোৱা যায়, অথচ তাৰে কিছুমান এতিয়াও দেশৰ ভিতৰতে গৱেষকৰ কাৰণে মুকলি নহয়। ফলস্বৰূপে সম্প্ৰতি চীনৰ দৰে শত্ৰুভাবাপন্ন দেশৰ লোকেও ওপৰোক্ত নথি-পত্ৰ চাবলৈ পাইছে, ভাৰতীয় গৱেষকে নিজ দেশতে বঞ্চিত হৈ থাকিব লগা হৈছে। ভাৰতীয় নথি-পত্ৰ আয়োগে (Indian Historical Records Commition) এই নথি-পত্ৰ অধ্যয়ন সংক্ৰান্ত বিধি-ব্যৱস্থা পুনৰীক্ষণৰ অৰ্থে যথাসম্ভৱ চেষ্টা চলাই আছে।

তেওঁ মনোনিবেশ কৰে। যি নহওক, ঐতিহাসিক সমল হিচাপে গোপনীয় নথি-পত্ৰৰ মূল্য বহুতো বেছি।

গোপনীয় নথি-পত্ৰৰ পৰা পোৱা সমল অতি গুৰুত্বপূৰ্ণ হলেও অগোপনীয় সমলবিলাকো একেবাৰে পেলাই দিয়া বিধৰ বুলিও ভবা উচিত নহয়। সীমা নিৰ্ধাৰণ আয়োগ, শিক্ষা-আয়োগ, কানী তদন্ত আয়োগ আদিৰ প্ৰতিবেদনসমূহ সংসদীয়েই হওক বা চৰকাৰীয়েই হওক অতি গুৰুত্বপূৰ্ণ। সেইদৰে মোগল সম্ৰাটসকলৰ ওকাইনবিছ্ বা বাতৰি-পৰিবেশক সকলৰ প্ৰতিবেদনেও ঐতিহাসিক মূল্যবান সমল যোগায়। কিছুমান ঘটনাৰ ক্ষেত্ৰত অৱশ্যে সেইবিলাক বিশ্বাসযোগ্য নহয়। একে-জাতীয় আন বহুত নথি-পত্ৰৰ দৰে সেইবিলাকৰ পৰা আমি মাত্ৰ চৰকাৰী অভিমতটোহে পাওঁ আৰু যিবিলাক সংশ্লিষ্ট কৰ্তৃপক্ষৰ মান-সন্মান বা কীৰ্তি-কলাপৰ লগত জড়িত থাকে, তাৰ তথ্য-পাতিত সাধাৰণতে সত্যৰ অপলাপহে দেখা যায়।

(গ) ঘোষণা পত্ৰ

ৰাজকীয় কোনো ঘটনা ক্ষেত্ৰত বা পূৰ্বে বৃটিছ সাম্ৰাজ্যৰ লগত যেতিয়া কোনো দেশ চামিল কৰা হৈছিল, সেই ক্ষেত্ৰত ঘোষণা পত্ৰ জাৰি কৰা হৈছিল। এইদৰে চিপাহী বিদ্ৰোহৰ অৱসানত ১৮৫৮ চনৰ নবেম্বৰ মাহত মহাৰাণী ভিক্টোৰিয়াই ভাৰতবাসীৰ উদ্দেশ্যে এখন ঘোষণা পত্ৰ জাৰি কৰিছিল। অসমতো মানৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত কোম্পানীৰ এজেণ্ট স্কট্ চাহাবে অসমবাসীক সম্বোধন কৰি এখন ঘোষণা পত্ৰ প্ৰচাৰ কৰিছিল (১৮২৪ চন)। এইবিলাক সকলো একপক্ষীয়, কাৰণ তাৰ পৰা জনসাধাৰণৰ প্ৰতিক্ৰিয়া সম্পৰ্কে একো জনা নযায়। অৱশ্যে ৰাজহুৱা মতামত কোন স্তৰৰ, অতীতত ঘটি যোৱা ঘটনাৰ সম্পৰ্কে চৰকাৰী অভিমত আৰু ৰাজহুৱা মতামতৰ প্ৰতি চৰকাৰৰ মনোভাব কেনে ধৰণৰ আছিল সেইবিলাক জানিবৰ কাৰণে পৰোক্ষ সমল হলেও, এইবিলাকৰ মূল্য যথেষ্ট।

বে-চৰকাৰী সমল

চৰকাৰী নথি-পত্ৰৰ দৰে বে-চৰকাৰী নথি-পত্ৰও দুভাগে বিভক্ত— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক। আনুষ্ঠানিক বে-চৰকাৰী নথি-পত্ৰৰ

বৈশিষ্ট হ'ল—এইবিলাকে যি ঘটনাৰ সন্ধান দিয়ে সেইবিলাক তুলনামূলকভাৱে সুদূৰপ্ৰচাৰী নহয়। তাৰোপৰি সেইবিলাকত ৰাজহুৱা কথা নাথাকে, ভিতৰুৱা ব্যক্তিগত কথাহে থাকে। আনুষ্ঠানিক বে-চৰকাৰী তথ্য-পাতি থকা কোনো এজনৰ বিষয়ে জানিবৰ আৱশ্যক হলে সেই সমলৰ মূল্য অধিক। আনফালে ব্যক্তিগত হোৱাবাবে সেইবিলাক জাল কৰাৰ সম্ভাৱনাও বেছি থাকে আৰু ক'ত সেইটো হৈছে ধৰা পেলোৱাও সহজ নহয়। এই ধৰণৰ সমলৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ "উইল" (Will)। উইলে একোজন মানুহৰ অৰ্থনৈতিক অৱস্থাৰ উপৰিও চাৰিত্ৰিক বৈশিষ্ট আলোকপাত কৰে। তেওঁৰ সা-সম্পত্তি, তাৰ ধৰণ (nature), পৰিয়ালৰ আন মানুহৰ লগত তেওঁৰ সম্বন্ধ সম্পৰ্কে উইলৰ পৰা জানিব পৰা যায়। আকৌ সংৰক্ষিত হৈ থাকিলে সাক্ষীৰ নামটোও কামত আহে ; কোনো সময়ত যে সেই মানুহজন আছিল উইলখনেই তাৰ প্ৰমাণ।

'আসাম টি কোম্পানি', 'ইষ্ট ইণ্ডিয়া কোম্পানি' আদিৰ বিত্তীয় হিচাপ (financial accounts) ঐতিহাসিক প্ৰমাণৰ মূল্যবান সমল। এইবিলাকৰ আৰ্থিক উপাৰ্জন কিদৰে কৰা হৈছিল, আৰু খৰছ কৰা হৈছিল, পণ্য দ্ৰব্য কেনেকৈ উৎপাদন আৰু ভোগ কৰা হৈছিল, কেনে অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিত বেহা-বেপাৰ চলিছিল, সেই হিচাপবোৰৰ পৰা বিস্তাৰিত আৰু প্ৰামাণ্য বিৱৰণ পোৱা যায়। কেইবা পুৰুষ ধৰি চলি থকা কলিকতাৰ 'মাটিন বাৰ্ণ এণ্ড কোম্পানি', 'ডানকান ব্ৰাদাৰ্চ' আৰু আমাৰ মাৰোৱাৰী ব্যৱসায়ীসকলৰ হিচাপৰ বহীৰ পৰা ঘৰুৱা জীৱনৰ বহুতো খুটি-নাটি জনা যায় ; যিবিলাক হয়তো আমাৰ চকুত নপৰিলেহেঁতেন। এইবিলাকে এখন বিশেষ ঠাইৰ এটা জাতিৰ প্ৰগতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা অৰ্থনৈতিক শক্তিবিলাকৰ তথ্যৰ সন্ধেদ দিয়ে। তেওঁলোকৰ খাদ্যসম্ভাৰ, সাজ-পাৰ, অা-অলংকাৰ আৰু ঘৰুৱা অৰ্থনীতি কেনে ধৰণৰ আছিল—এই হিচাপপত্ৰৰ পৰা উমান পোৱা যায়। একোখন ঠাইৰ ক্ৰমাৱনতি, আন এখনৰ সমৃদ্ধি আৰু পুৰুষৰ পথত অপ্ৰগতি, ৰজা-জমিদাৰ, ডা-ডাঙৰীয়া, গোসাঁই-মহন্তসকল ক্ৰমে দাৰিদ্ৰৰ কবলত পৰা আৰু আৰ্থিক জীৱনৰ সংগ্ৰামেদি শ্ৰমিকসকলে লাভ কৰা সা-সুবিধাৰ মাজেদি সামাজিক পৰি-

বৰ্তনৰ কাৰণবোৰ উলিয়াবলৈ সক্ষম হোৱা যায়। এটা বিষয়ত অৱশ্যে সাৱধান হ'ব লাগিব—ভাৰতীয় বা ইউৰোপীয় যিয়ে নহওক, স্বাৰ্থজড়িত মহলৰ কথাবিলাক অতিৰঞ্জিত কৰাৰ সদায় এটা প্ৰবল ইচ্ছা থাকে। একো সময়ত অভিলেখৰ সংখ্যাবিলাক ঐতিহাসিকক ভুল পথেদি পৰিচালিত কৰাৰ সম্ভাৱনা থাকে। গতিকে সেইবিলাক অধ্যয়নত সাৱধান হোৱা উচিত।

অনানুষ্ঠানিক : (ক) বুৰঞ্জী বা ঘটনাপঞ্জী

অনানুষ্ঠানিক নথি-পত্ৰৰ ভিতৰত বুৰঞ্জী বা ঘটনাপঞ্জী (Chronicle) আটাইতকৈ বেছি। ইয়াৰ ৰচকসকলে এইবোৰক ইতিহাসৰ শাৰীত পেলাব খোজে।[১০] কাৰণবশতঃ সেইটো নহয়। প্ৰথমতঃ এনেধৰণৰ বুৰঞ্জীত ৰচকে ঘটনাবোৰ যেনেকৈ ঘটে সেইদৰেই লিপিবদ্ধ কৰে। যুক্তিপূৰ্ণ ক্ৰম অনুসৰি শৃংখলাবদ্ধভাবে লেখাৰ আৱশ্যকতা নাভাবে। ঐতিহাসিকে সেইটো কৰিব নোৱাৰে। ঘটনাপঞ্জীসমূহত ৰচকে এটা ঘটনাৰ লগত আন এটা ঘটিছিল বা এটা ঘটনাৰ কথা শুনাৰ পাছতে সিটোৰ কথা শুনিছিল। গুৰুত্বপূৰ্ণ ঘটনাবিলাকৰ কাৰণ, ফলাফল—ক্ৰম অনুসৰি সজাই সম্পৰ্ক নিৰ্ধাৰণ কৰাতকৈ ঘটনাসমূহ যিদৰে পোৱা যায় সেইদৰেই বহুৱা হয়। ঘটনা পৰিবেশন কৰাৰ একমাত্ৰ নীতি হ'ল—কোনটো কোনটো ঘটনা ঘটিছিল সেইটোহে। চমুকৈ কবলৈ গলে কি ঘটিছিল তাক লিপিবদ্ধ কৰাই ঘটনা-পঞ্জীয়কে কৰ্তব্য বুলি ভাবে। কিন্তু ঐতিহাসিকে ঘটনাসমূহৰ কাৰণ আৰু ফলাফলৰ ব্যাখ্যা দিয়ে। ঘটনাপঞ্জীয়ে তথ্যৰ বাছ-বিচাৰ নকৰে, ইতিহাসে সেইবিলাক নিৰ্বাচন কৰিহে গ্ৰহণ কৰে।

---

১০. অক্সফোৰ্ড ইংৰাজী অভিধান মতে : "Chronicles, Annals are simpler or more rudimentary forms of history in which the events fof each year, or other limited period are recorded before passing on to those of the next year, for period being the primary division whereas in history, strictly so called, each movement, action or chain of events is dealt with on a whole about particular events."

গতিকে দেখা গ'ল যে, ইতিহাসৰ সমল হিচাপে ঘটনাপঞ্জীৰ প্ৰধান ক্ৰটী হৈছে—ইয়াৰ কোনো আনুপাতিক সংগতি নথকাটো ; ফলত কোনটো তথ্য আৱশ্যকীয়, কোনটো কেৱল পৰিপূৰক আৰু কোনটো অপ্ৰাসংগিক বাছি উলিওৱাই টান হৈ পৰে। সেই কাৰণেই ঘটনাপঞ্জী-বোৰত বহুসংখ্যক অলাগতিয়াল তথ্য থাকে ; আনপিনে বহুত লাগতিয়াল তথ্যও তাৰ পৰা বাদ দিয়া হয়—যিবোৰ তথ্য সংশ্লিষ্ট ঘটনাটো সম্পূৰ্ণকৈ জানিবৰ হ'লে আমি জানিবই লাগিব ; অৱশ্যে এইটোও ঠিক ঘটনাপঞ্জীত অন্তৰ্ভুক্ত ঘটনাবোৰ নোহোৱা হলে সেই ঘটনাবোৰৰ শৃংসূত্ৰই নাথাকিলহেঁতেন। সেইকাৰণে ঘটনাপঞ্জীৰ গুৰুত্বও যথেষ্ট আছে। যিবোৰ সমলৰ ওপৰত নিৰ্ভৰ কৰি ঘটনাপঞ্জী প্ৰস্তুত কৰা হৈছিল, সেইবোৰ আন কোনো উপায়ে পাব পৰা নাযায় কাৰণেই লিখক-জনে যিখিনি লিখি থৈ গৈছে তাৰ সত্যাসত্য নিৰূপণো কৰিব নোৱাৰা হয়। তেওঁ ব্যক্তিগত অভিজ্ঞতাৰ পৰা তথ্যসমূহ পাব পাৰে, নহলে পাব পাৰে বিশ্বাসযোগ্য সাক্ষী প্ৰমাণৰ পৰা আৰু সিও নহলে বিশৃংখল জনৰৱৰ পৰা। প্ৰত্যেকটো উক্তিৰে স্বকীয় বৈশিষ্টখিনিহে সমীক্ষা কৰি চাব পৰা যায়।

এখন ঘটনাপঞ্জী কি পৰিস্থিতিত লিখা হৈছিল আমি যদি জানিব পাৰো, তেতিয়া ঐতিহাসিক সমল হিচাপে তাৰ মূল্যায়নো কৰিব পৰা যায় ; কিন্তু নাজানিলে ঘটনাপঞ্জীৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হয়। উপায়ান্তৰ নাপালে প্ৰধানতঃ ঘটনাপঞ্জীৰ পৰাই পঞ্জীয়কৰ ব্যক্তিত্বৰ বিষয়ে দুই এটা তথ্য লগ লগাই একোটা সিদ্ধান্তত উপনীত হ'ব লগা হয়। তদুপৰি যিখন ঘটনাপঞ্জী আমি সৰ্বোত্তম বুলি ভাবোঁ, সেইখনৰে সকলো অংশ সমানে উত্তম নহয়। কিছুমান ঘটনাৰ বিষয়ে লিখকে হয়তো সকলো তথ্যকে পাইছে, আন কিছুমান ঘটনাৰ ক্ষেত্ৰত আকৌ তেওঁ হয়তো তৃতীয় বা চতুৰ্থ ব্যক্তিৰ পৰা শুনিছেহে মাত্ৰ ; গতিকে তেওঁৰ তথ্যখিনিৰ সৰহভাগ বিশ্বাসযোগ্য নহয়। স্থান-কালৰ দূৰত্বয়ো বহু সময়ত সত্যক বিকৃত কৰাত অবিহণা যোগায়। বা-বাতবিবোৰ আগতে বহুত অসুবিধাৰ মাজেদিহে এঠাইৰ পৰা আন এঠাইলৈ যাব পাৰিছিল, গতিকে এইটো সহজে অনুমেয় যে সেইকালত লিখকজন যিমানেই সংশ্লিষ্ট ঘটনাৰ পৰা দূৰত থাকে, সিমানেই তেওঁ শুনা কথাৰ

বাহিৰে অনে সমলৰ ওপৰত লিখা নাই বুলি ভাবিবৰ যথেষ্ট থল থাকে। আকৌ এই শুনা কথা মুখ বাগৰি যিমানে দূৰলৈ যায়, সিমানে ফচহ (gossip) কথাত পৰিণত হয় আৰু প্ৰকৃত ঘটনাৰ লগত তাৰ পাৰ্থক্য বিচাৰি উলিয়াবলৈ টান হৈ পৰে। সেইদৰে ঘটনাৰ পৰা ঘটনাপঞ্জী ৰচনা কৰালৈ সময়ৰ ব্যৱধান যিমানেই বেছি হয়, সিমানে ৰচকৰ নিজা তথ্যতকৈ আনৰ পৰা সংগ্ৰহ কৰাই বেছি সম্ভৱপৰ আৰু সেইবিলাকৰ সঠিকতা বা প্ৰামাণিকতা নিৰ্ণয় কৰাও সহজ নহয়।

বুৰঞ্জী বা ঘটনাপঞ্জীবিলাকৰ নিৰ্ভৰশীলতা আৰু সঠিকতা সম্পৰ্কে বহলাই কোৱা হ'ল।[১] ঘটনাপঞ্জীৰ ক্ষেত্ৰত সঠিকতাৰ অৰ্থ হ'ব সাৱধানতা। প্ৰত্যেকজন পঞ্জীয়কেই ঘটনাৰ হওক বা কালক্ৰমেৰে হওক, কিছু ভুল কৰাটো স্বাভাৱিক। বেছিকৈ ভুল কৰা হয় যেতিয়া মূল লিখাৰ পৰা প্ৰতিলিপি (transcript) কৰিব লগা হয় বা অনুবাদ কৰা হয়। গতিকে লিখিত বৰ্ণনাৰ আন অংশ যিমানেই বিশ্বাসযোগ্য নহওক, ৰচকৰ প্ৰত্যেকটো উক্তিকে সমীক্ষা কৰি লোৱাৰ সাৱধানতা অৱলম্বন কৰিবই লাগিব।

(খ) পৰ্য্যটকৰ বিৱৰণ

আনুষ্ঠানিক বে-চৰকাৰী নথি-পত্ৰৰ ভিতৰত পৰ্য্যটকৰ বিৱৰণসমূহো অতিকৈ মূল্যবান। সাধাৰণতে পৰ্য্যটকজন বিদেশী হোৱাৰ কাৰণে তেওঁ এনে কিছুমান ঘটনা লক্ষ্য কৰে যিবিলাক হয়তো এজন স্থানীয় লোকে অতি দেখ দেখ আৰু চিনাকি ঘটনা বুলি বৰ্ণনাৰ পৰা বাদ দি যাব; ঠিক এইবোৰেই হব এনে ঘটনা যাৰ সম্পৰ্কে তথ্য-পাতি বিচাৰি আধুনিক ঐতিহাসিক এজনে হামবাও কাঢ়ি ফুৰে। স্থানীয় বা দেশীয় ৰচক এজনৰ দৃষ্টিকোণৰ পৰা তেওঁৰ দৃষ্টিকোণ বহুত দূৰত। গতিকে এজন ব্যক্তি, এটা ফৈদৰ বা এটা জাতিৰ বিষয়ে এটা নিৰপেক্ষ অভিমত গঠন কৰাত, ভৱিষ্যত ঐতিহাসিক এজনৰ বাবে পৰ্য্যটকৰ বিৱৰণ অতি মূল্যবান। হিউৱেন-চাং, ফাহিয়ান, ইবন্ বাটুটা আদিৰ

---

১. এই সম্পৰ্কে চাওক Barpujari, *An Account of Assam and her Administration*, Introduction pp. ix-xiv

বিবৰণী ঐতিহাসিকৰ বাবে অমূল্য সমল। অৱশ্যে এইটো মন কৰিব লগীয়া যে, সিবিলাকে সাধাৰণতে ঘটনা ঘটি যোৱাৰ বহুত বছৰৰ পাছতহে তাৰ বৰ্ণনা লেখে। সেইবাবে তেওঁলোকে প্ৰায়েই কল্পনাৰ সহায় লব লগা হয় আৰু কেতিয়াবা শাহৰা কথাকে মনত পেলাই লেখে। এনে কাৰ্য্যত স্বাভাৱিকতে অনিচ্ছাকৃতভাৱেই কিছুমান ভুল কৰি যোৱাৰ থল থাকে। গতিকে পৰ্য্যটকৰ বিবৰণসমূহ মূল্যবান যদিও সেইবিলাকে ঐতিহাসিকক সমল প্ৰকাশ কৰাতকৈ বচকৰ মনোভাৱ দিয়াতহে সহায় কৰে।

(গ) বৈদেশিক মিছনেৰী নথি-পত্ৰ

বৈদেশিক মিছনেৰীসকলে নিয়মিতভাৱে প্ৰেৰণ কৰি থকা প্ৰতিবেদন আৰু চিঠি-পত্ৰসমূহ যদিও সৰহভাগতে তেওঁলোকৰ ধৰ্ম প্ৰচাৰৰ কাৰ্যসূচী আৰু নীতি-নিৰ্দেশনাহে থাকে, ইতিহাসৰ ছাত্ৰৰ কাৰণে বহু-মূলীয়া সমল। শ্ৰীৰামপুৰ আৰু আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ দৰে ধৰ্ম প্ৰচাৰকসকল উচ্চশিক্ষিত, সঠিক পৰ্য্যবেক্ষণ আৰু পাণ্ডিত্যপূৰ্ণ ৰচনাশৈলীত প্ৰশিক্ষণপ্ৰাপ্ত লোক আছিল। তেওঁলোকৰ অনেকেই এই দেশত বহু বছৰ ধৰি বসবাস কৰিছিল। গতিকে তেওঁলোকৰ লিখনীসমূহক স্বাধীন দৃষ্টিভংগীৰে সমসাময়িক ঘটনাৰ বিষয়ে লেখা বৰ্ণনা বুলি সম্পূৰ্ণৰূপে স্বীকৃতি দিব পাৰি। আৰো তেওঁলোকৰ ৰচনাৰ পৰা আন যিকোনো তথ্য-পাতিতকৈ বেছি নিদৰ্শন পাব পাৰি কাৰণে সেই ৰচনাসমূহ অধিক প্ৰণিধানযোগ্য। অৱশ্যে ইতিহাসকাৰে মনত ৰখা উচিত—ধৰ্মপ্ৰচাৰহে তেওঁলোকৰ মূল উদ্দেশ্য হোৱাৰ কাৰণে তেওঁ-লোকে অনা-খ্ৰীষ্টিয়ান সকলৰ মাজত ধৰ্মীয় ৰীতি-নীতি আদিত সদায় দোষহেকহে দেখা পাইছিল আৰু খ্ৰীষ্টিয়ানসকলৰ সকলো বিষয়ে গুণ-গানহে কৰিছিল। বিদেশী ধৰ্ম-প্ৰচাৰক আৰু ভ্ৰমণকাৰীসকলে, ভাৰ-তীয়তকৈ ভিন্ন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু ভাষাৰ কাৰণে কোনো সময়ত ভ্ৰমাত্মক উক্তিও কৰিছিল। ঐতিহাসিকসকলে এই ক্ষেত্ৰত অতি সাৱধানতা অৱলম্বন কৰা বাঞ্চনীয়।

(ঘ) চৰিত-পুথি

সমসাময়িক সামাজিক, অৰ্থনৈতিক, ধৰ্ম আৰু সাংস্কৃতিক ইতি-হাসৰ কাৰণে চৰিত-পুথি বা সন্ত-চৰিতবিলাকৰ মূল্যও কম নহয়। [৩]

---

৩. বিস্তাৰিত বিৱৰণৰ অৰ্থে চাওক—মহেশ্বৰ নেওগ, 'শ্ৰীশ্ৰীশংকৰদেৱ' (১৯৪৮), 'গুৰু চৰিতৰ ইতিকথা' (১৯৮৩) আৰু 'গুৰুচৰিত কথা' (১৯৮৭) পাতনিসমূহ।

ইউৰোপৰ মধ্যযুগীয় সন্ত বা মনাষ্টেৰিৰ (Monasteries) গুৰুসকলেৰো এইদৰে চৰিত-পুথি লেখা হৈছিল, সেইবিলাক হেগিওগ্ৰাফি (Hagio-graphy) নামে জনা যায়। ৰজাঘৰীয়া বুৰঞ্জীৰ দৰে চৰিত-পুথিবিলাকৰ ৰাজনৈতিক ঘটনাৰ সঠিকতা সিমান নহয়। অৱশ্যে বুৰঞ্জীৰ দৰে এইবিলাকো একাদিক্ৰমে কেইৰাজনো সন্তৰ সংকলন। আকৌ হেগিওগ্ৰাফিৰ দৰে এই পুথিবিলাকতো অলৌকিকতা, অন্ধবিশ্বাস আৰু পুৰুষসকলৰ ঐশ্বৰিক শক্তি অতিৰঞ্জিত কৰা বাবে ঐতিহাসিক সমলৰ গুৰুত্ব হ্ৰাস পাইছে।

(ঘ) আত্মজীৱনী-জীৱন-সোঁৱৰণ

আত্মজীৱনীয়ে (Auto-biography) ৰচকৰ জীৱনৰ ব্যক্তিগত ঘটনাৰ বৃত্তান্ত দিয়ে; যেনে 'জৱাহৰলাল নেহৰুৰ অটো' বায়োগ্ৰাফী, (১৯৩৬)। জীৱন-সোঁৱৰণে (Reminiscence) নিজৰ উপৰিও ৰচকৰ স্মৰণ হোৱা আন ঘটনাবো বিৱৰণ দিয়ে; যেনে পদ্মনাথ গোহাঞি বৰুৱাৰ 'মোৰ সোঁৱৰণী', লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' আৰু বেণুধৰ ৰাজখোৱাৰ 'মোৰ জীৱন দাপোণ'। ইতিহাসৰ সমল হিচাপে এইবিলাকৰ মূল্যও কম নহয়। এনে সমলে সহজে পাব নোৱাৰা গুৰুত্বপূৰ্ণ ঘটনাৰ তথ্য-পাতিও দিয়ে, যিবিলাক সাধাৰণতে ৰহস্যপূৰ্ণ হৈ থাকিলহেঁতেন। ঐতিহাসিক সমল হিচাপে এইবিলাক ব্যৱহাৰ কৰোঁতে কিছু সাৱধান হোৱাটো প্ৰয়োজনীয়। যিমানেই নিৰপেক্ষ বুলি নকওক, এনে সমল আত্মনিষ্ঠ (subjective), বস্তুনিষ্ঠ নহয়। প্ৰায়বিলাক ৰচনা কৰা হয় ৰচকৰ সজগুণৰ প্ৰদৰ্শন আৰু প্ৰতিপক্ষৰ দোষবিলাক উদঙাই দিয়াৰ উদ্দেশ্যেৰে; আৰু যি উদ্দেশ্যে লেখা হয়, সেই উদ্দেশ্য সাধনত সহায় হোৱাকৈ অভিপ্ৰায় আৰোপ কৰা হয়। জীৱন-সোঁৱৰণবিলাক সাধাৰণতে জীৱনৰ শেষছোৱাত লেখা হয়—বৰ্ণিত ঘটনাৰ বহুকালৰ পাছত। গতিকে লিখকৰ স্মৃতিশক্তি কমি যোৱাৰ কাৰণে সেইবোৰত ভুল থকা অতি স্বাভাৱিক।

(ঙ) জীৱনী-স্মৃতিগ্ৰন্থ

আত্মজীৱনীয়ে (Biography) ৰচকৰ নিজা জীৱনৰ আৰু জীৱনীয়ে আন এজনৰ জীৱনৰ ঘটনাৱলী আৰু ব্যক্তিত্বৰ পৰিচয় দিয়ে।[৪] স্মৃতিগ্ৰন্থ (Memoir) জীৱনীকাৰৰ নহয়, আন এজনৰ জীৱনৰ

৪, গোবিন্দ প্ৰসাদ শৰ্মা, জীৱনী আৰু অসমীয়া জীৱনী, দশম অধ্যায় চাওক।

ঘটনা আৰু কাৰ্য্যাৱলীৰ সৌৰৱণ। দুয়োবিধতে ৰচকে দ্ৰষ্টা হিচাপে (spectator) জড়িত থকা লোকসকলৰ মনত পৰা কথাৰ বৃত্তান্ত। নায়কৰ উপৰিও দুয়োবিধ ৰচনাতে যুগটোৰ পৰিচয় পোৱা যায়। এইদৰে আদাম হোৱাইট্ চাহাবৰ 'মেম'ৰ অৱ ডেভিদ স্কট্' (Memoir of David Scott, 1832) আৰু গুণাভিৰাম বৰুৱাৰ 'আনন্দ ৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' (১৮৮০) গ্ৰন্থ দুখনে ব্যক্তিগত ঘটনা আৰু চাল-চলনৰ উপৰিও সমসাময়িক বিশিষ্ট ঘটনা, সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, খাদ্য সম্ভাৰৰ তথ্য-পাতি দাঙি ধৰিছে।

আত্মজীৱন-চৰিতসমূহৰ বৈশিষ্ট্য হ'ল পক্ষপাতিতা আৰু তিক্ততা; স্মৃতিগ্ৰন্থ সেইবিলাকৰ পৰা বিৰত থাকে। আনপিনে এইবিলাকৰ কিছুমান নিজা পক্ষপাতিত্ব আছে, ৰচকে অতি ঘনিষ্ঠভাৱে জনা ব্যক্তি বা জনগোষ্ঠীৰ ওপৰত অযথা ভূয়সী প্ৰশংসা কৰা দেখা যায়।

(চ) ব্যক্তিগত নথি-পত্ৰ

ব্যক্তিগত টোকা, ডায়েৰি, চিঠিপত্ৰ ঐতিহাসিক সমল হিচাপে গুৰুত্ব-পূৰ্ণ। দৰাচলতে আজিকালি যিবোৰ চিঠি-পত্ৰ বুলি ধৰা যায়, সেই-বিলাকৰ বেছিভাগেই একোজন বিশেষ বিষয়াৰ ব্যক্তিগত চিঠিপত্ৰ বুলি গণ্য কৰা হৈছিল। মাউণ্ট্ বেটেন, জৱাহৰলাল নেহৰু, বল্লভভাই পেটেল, ৰাজেন্দ্ৰ প্ৰসাদৰ দৰে প্ৰখ্যাত ঐতিহাসিক মণীষীসকলৰ ব্যক্তিগত কাগজ-পাতিৰ ভিতৰতো সাধাৰণতে অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা কাম-কাজৰ বিষয়ৰ লাগতিয়াল তথ্য পোৱা যায়। এনে সমলবোৰৰ প্ৰধান কাম হৈছে একোটা সময়ৰ সামাজিক-অৰ্থনৈতিক জীৱনৰ বিস্তাৰিত জ্ঞান যোগোৱা। এইবিলাক নথি-পত্ৰৰ পৰা সমাজৰ একোটা শ্ৰেণীৰ মাজত প্ৰচলিত শিক্ষা, নৈতিকতা আৰু সুৰুচিৰ মান সম্পৰ্কে তথ্য আহৰণ কৰিব পৰা যায়; আন সমলৰ পৰা সাধাৰণতে এনে কথা জনা নাযায়। এইবিলাক আত্মীয়-স্বজন আৰু ঘনিষ্ঠ বন্ধু-বান্ধৱৰ বাবে লিখা হয় কাৰণে, লিখা হয় সহজ-সৰলভাৱে আৰু খোলাকৈ। ঐতিহাসিক সমল হিচাপে অৱশ্যে দুটা ত্ৰুটী আছে—প্ৰথমতঃ এইবিলাকৰ পৰা যিখিনি জানিব পাৰি তাৰ ভিতৰত একেবাৰে স্থানীয় আৰু ব্যক্তিগত কথাখিনিৰ বাহিৰে বাকীখিনি সাধাৰণতঃ ত্ৰুটীপূৰ্ণ হয় আৰু বৰ্ণিত ঘটনাবোৰৰ বিশ্বাসযোগ্যতা

নাথাকে ; অতি লাগ-বান্ধ নথকা জনৰবেও তাত স্থান পায়। তাৰো-পৰি এইবিলাকৰ বৈশিষ্টই হৈছে বাহুল্য—ঐতিহাসিকে চালি-জাৰি ধানৰ পৰা পতান উলিয়াই পেলাব লাগিব।

(ছ) সমসাময়িক সাহিত্য

সমসাময়িক সাহিত্য সমাজৰ দাপোণ স্বৰূপ। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' সেইকালৰ কানিপানৰ বিষময় ফলসমূহ স্নিদৰে বৰ্ণনা কৰিছে লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' আৰু 'কৃপাবৰ বৰুৱাৰ ওভতনি'য়ে সমসাময়িক অসমীয়া সমাজৰ দুৰ্নীতি আৰু অন্ধবিশ্বাসৰ চিত্ৰ দাঙি ধৰিছে। 'অৰুনোদই', 'আসাম-বন্ধু' আৰু 'মৌ'ত প্ৰকাশিত প্ৰবন্ধ-পাতি উনৈশ শতিকা অসমৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বুৰঞ্জীৰ অমূল্য সমল। এইবিলাকৰো একোটাইত তথ্য অসত্য, কাল্পনিক আৰু অতিৰঞ্জিত হোৱাটো একো বিচিত্ৰ নহয় ; সত্যাসত্য বিচাৰ কৰিহে প্ৰয়োগ কৰা নিতান্ত আৱশ্যক। বাতৰি কাকতে পৰিৱেশন কৰা খা-খবৰবিলাকো প্ৰাথমিক উপাদান বুলিয়ে গণ্য কৰা হয়, বৰং বাতৰি যোগনিয়াৰৰ তথ্যৰ ভিত্তিত লেখা সম্পাদকীয় স্তম্ভহে গৌণ সমলত পৰিণত হয়। এইবিলাকৰো একোটাইত বাতৰি কেতিয়াবা একেবাৰে অসত্য বা অতিৰঞ্জিত হয় ; শেনচকুৰা ৰচকে সেইটো গ্ৰহণ কৰিব নোৱাৰে।[৫]

---

৫. For further study, Garragham, *op.cit*, pp. 103-23, Nevins, ch.3-4, Gottchalk, pp.41-61., 70-3, 86-117.

তৃতীয় অধ্যায়

সমলৰ সমীক্ষা

ইতিহাসৰ এটা বিষয়ৰ ওপৰত চৰ্চা-গৱেষণা কৰিবলৈ হলে সংগৃহীত সমলখিনিৰ আগতে বাহ্যিক (External criticism) আৰু আভ্যন্তৰিক সমীক্ষা (Internal criticism) কৰি লব লাগিব ।[১] বাহ্যিক সমীক্ষাৰ অৰ্থ হল—সমলখিনি বিশুদ্ধ হয়নে নহয়, তাৰ মূলৰ লগত হুবহু মিল আছে নে নাই, তাক পৰীক্ষা কৰি লোৱা । আভ্যন্তৰিক সমীক্ষা হ'ল প্ৰাপ্ত সমলখিনিৰ কথাখিনিৰ অৰ্থ পৰিষ্কাৰ হয় নে নহয় আৰু বিশ্বাসযোগ্যতা আছে নে নাই, তাক চাই লোৱা । মুঠ কথাত কবলৈ হ'লে, বাহ্যিক সমীক্ষাত সমলৰ লিখন আৰু বাহ্যিক ৰূপটো পৰীক্ষা কৰি চোৱা আৰু আভ্যন্তৰিক সমীক্ষাত সত্য ঘটনাৰ সাক্ষী হিচাপে সমলখিনিৰ সত্যতা কিমান তাক চাই লোৱা হয় ।

বাহ্যিক সমীক্ষা

সমল হিচাপে ব্যৱহাৰ কৰিব খোজা কোনো নথি-পত্ৰ বা কাকতৰ বিশুদ্ধতা পৰীক্ষা কৰিবলৈ যাওঁতে, কাকতখনৰ বাহ্যিক সমীক্ষাৰ ক্ষেত্ৰত তাৰ ৰচক আৰু পাঠৰ সমীক্ষা হব লাগিব । চাব লাগিব কেনে অৱস্থাত, কোন সময়, কোন স্থান, কি উদ্দেশ্য আৰু কেনে পৰিস্থিতিত এনে কাকত-পত্ৰ প্ৰস্তুত হৈছিল । ৰচকজনৰ বিষয়ে তদন্ত কৰি চাব

---

১. For further study, Nevins, *The Gateway to History* chs.5 and 6 ; Garagham, *Understanding of History*, pp-168, 231; Gottschalk, *op.cit*, pp. 118-38.

লাগিব—তেওঁৰ ব্যক্তিত্ব, সংবাদদাতা হিচাপে তেওঁৰ অৰ্হতা, সচেতনতা, অনুৰাগ ইত্যাদি । ঘটনাটো লক্ষ্য কৰোঁতে তেওঁৰ স্থিতি কেনে আছিল, লক্ষ্য কৰিবলৈ তেওঁ কিয় আৰু কেনে ধৰণে আকৰ্ষিত হৈছিল, মানুহৰ লগত আলোচনা কৰি আৰু ঘটনাৰ খুটি-নাটি সমীক্ষা কৰি, কেনেকৈ তেওঁ ঘটনাটো মনত পেলাই লিখিছিল—এই সকলোবোৰ চাই-চিতি লব লাগিব ।

নথি-পত্ৰ শব্দটো এই ক্ষেত্ৰত বহলভাবে লোৱা হৈছে । ই এটা ঘটনাপঞ্জী, চৰকাৰী দলিল-পত্ৰ, খোদিত লিপি বা কোনো সাহিত্যও হব পাৰে । এখন পাণ্ডুলিপি পৰীক্ষা কৰিবলৈ হলে ঐতিহাসিকে পোনতে ঠিৰাং কৰি লব লাগিব সি মূল লিখা নে, তাৰ প্ৰতিলিপিহে । যদিহে প্ৰতিলিপি, সেইটোৱেই একমাত্ৰ প্ৰতিলিপি নে আৰু প্ৰতিলিপি আছে ? হাতত পৰা প্ৰতিলিপিটো যদি মূল প্ৰতিলিপি, তেন্তে তাক আৰু পৰীক্ষা কৰাৰ আৱশ্যক নকৰে । যেতিয়া মূললিপি পাবলৈ নোহোৱা হয় আৰু তাৰ মাত্ৰ এটা প্ৰতিলিপিহে পোৱা যায়, তেতিয়া সেই প্ৰতিলিপি পৰীক্ষা কৰি লোৱাটো অপৰিহাৰ্য্য । ঐতিহাসিকে যথাযথভাৱে পৰীক্ষা নকৰাকৈ লিপিত বৰ্ণিত কোনো কথা গ্ৰহণ কৰা উচিত নহয়, কাৰণ তেনে অৱস্থাত গোটেই প্ৰতিলিপি বা তাৰ অংশ বিশেষ বিকৃত হৈ থাকিব পাৰে । প্ৰতিলিপিকাৰে, যি উদ্দেশ্য নহওক, বংশাৱলী, কলা-শিল্পৰ নিদৰ্শন, ব্যৱসায়িক দলিল, নথি-পত্ৰত চক্ৰান্ত কৰি বা খোঁহা মাৰি (interpolation) লিখা কথা, খ্যাতনামা পুৰুষৰ খুহুটীয়া কথা (witty sayings), বক্তৃতা বা বচন [২] আদি বিকৃতকৰণত পৰে ।

---

২. আগেয়ে বচনবিলাক হুবহু টুকি ৰাখিবলৈ আজিৰ দৰে টেপ্ কৰাৰ ব্যৱস্থা নাছিল । জীৱনী ৰচনাত 'বচন' সম্পৰ্কে গোবিন্দ প্ৰসাদ শৰ্মাই যি মত দাঙি ধৰিছে, সেইটো ইতিহাসতো প্ৰযোজ্য । "জীৱনীৰ চৰিত্ৰৰ মুখত বচন দিব লাগিলে, সেই চৰিত্ৰৰ ব্যক্তিত্ব আৰু চৰিত্ৰ সম্পৰ্কে জীৱনীকাৰৰ সম্যক জ্ঞান থকাই থাকিলেই নহব, সেই চৰিত্ৰৰ কথন-ভংগী, প্ৰকাশভংগী আদি সম্পৰ্কে তেওঁৰ নিৰ্ভুল জ্ঞান থাকিব লাগিব । আকৌ বচনৰ বা সংলাপৰ বিষয়বস্তুও কাল্পনিক হ'ব নোৱাৰে । তাৰ ভাষা, বক্তাৰ ব্যক্তিত্ব আৰু চৰিত্ৰ বিকৃত নকৰাকৈ লেখকৰ মনে সজা হলেও, তাৰ বিষয় চৰিত্ৰৰ বাস্তৱ জীৱনত সম্পৰ্কযুক্ত হ'ব লাগিব । অৰ্থাৎ তাৰ আধাৰ হ'ব লাগিব চৰিত্ৰৰ দ্বাৰা লিখিত ডায়েৰী চিঠি নথি বা কিতাপ অথবা বক্তৃতা বা কথা-বাৰ্ত্তা ।" জীৱনী আৰু অসমীয়া জীৱনী, ১৭ পৃঃ ।

তদুপৰি স্বাৰ্থজৰিত মহলে মূল তথ্য অতিৰঞ্জিত, বিকলাংগ বা একেবাৰে নকলী কৰি প্ৰচাৰ কৰাও বিচিত্ৰ নহয়। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত ৰাণী লক্ষ্মীবাঈৰ ভূমিকা সম্পৰ্কে ডেওঁৰ পৰিয়ালৰ পুৰীৰ পাণ্ডাজনলৈ হিন্দীত লিখা এখন চিঠি দৰ্শোৱা হৈছে। এই চিঠিত অৱশ্যে চৰ্বিসনা বন্দুকৰ গুলীৰ কথা উল্লেখ কৰা আছে। কিন্তু চিঠিখন লিখা হয় মীৰাট চহৰৰ পৰা ১৮৫৬ চনৰ মাৰ্চ মাহত—যি সময়ত ৰাণী সেই ঠাইত থকাৰ একো প্ৰমাণ পোৱা নাযায়। আকৌ সেইকালৰ লগত এই চিঠিৰ ভাষা, লিপি আনকি নালাগে ৰাণীৰ মোহৰটো একেবাৰে অমিল। তাতোকৈ ১৮৫৭ চনৰ জানুৱাৰী মাহলৈকে ভাৰতীয় চিপাহীয়ে গৰু-গাহৰিৰ চৰ্বি সনা গুলীৰ সম্পৰ্কে একোকে নাজানিছিল।[৩] গতিকে পুৰণি পুথি, সাঁচিপতীয়া বুৰঞ্জীৰ প্ৰতিলিপি, নথি-পত্ৰ, যিয়েই নহওক, প্ৰত্যেকৰে ৰচক কোন, কেতিয়া, ক'ত, কি অৱস্থাত আৰু কি উদ্দেশ্যত লিখিছিল সকলোবিলাক তন্ন তন্নকৈ পৰীক্ষা কৰা উচিত।

আকৌ ভুলতে মূল লিপিৰ কথাখিনিৰ সাজসলনি ঘটোৱাৰো সম্ভাৱনা নোহোৱা নহয়। ভুল বিচাৰ-বিবেচনা বা আকস্মিকভাৱে কোনো আখৰ বা শব্দ এৰি যোৱাৰ বাবেও ভুল হ'ব পাৰে। প্ৰতিলিপিকাৰজনে লিখোঁতে মূল পাঠৰ ভাষা নিজৰ মতে শুদ্ধ কৰি লোৱাৰ বাবেও ভুল হ'ব পাৰে। ভুলকৈ পঢ়া, অশুদ্ধ যতি-চিন, বাক্যৰ মাজত শব্দৰ স্থান পৰিবৰ্তন আৰু অৰ্থৰ খেলিমেলিৰ ফলতো ভুল হ'ব পাৰে। গতিকে ইচ্ছাকৃত প্ৰৱঞ্চনাৰ বাবেই হওক, অনিচ্ছাকৃত ভুলৰ বাবেই হওক ঘটনাৰ বিৱৰণ বিশুদ্ধ হ'ব নোৱাৰে। মূল পাঠৰ বিকৃতকৰণ ধৰা পেলাবৰ কাৰণে ইয়াৰ ভাষা আৰু সেই সময়ৰ ব্যৱহৃত লিপিৰে যি পাঠ লিখা বুলি ধৰা হৈছে তাৰ বিষয়, তাত বৰ্ণিত ঘটনাসমূহৰ ইতিহাস, হাতৰ আখৰ, ৰচনাশৈলী, সেই সময়ৰ প্ৰচলিত পাৰিভাষিক শব্দসমূহৰ বিশেষ অৰ্থ—এই সকলোবে এটা সম্যক জ্ঞান গৱেষকৰ থাকিব লাগিব।

যেতিয়া একেটা মূল পাঠকে বিভিন্ন অমিল ৰূপত দেখা যায়, ইপিনে তাৰ মূলটোও পাবলৈ নাথাকে, তেনে ক্ষেত্ৰত তাৰ সমীক্ষা কৰোঁতে আমি অপসৰণৰ প্ৰক্ৰিয়া (process of elimination) প্ৰয়োগ কৰি কাম আৰম্ভ কৰিব লাগিব। প্ৰতিলিপিবোৰৰ সকলোতে একে ধৰণৰ ভুল থাকিলে জানিবই লাগিব যে সেইবোৰ একেখন সাধাৰণ মূল পাঠৰপৰা কৰা প্ৰতিলিপি। গতিকে সেইবোৰ একেটা শ্ৰেণীতে ধ'ব পাৰি। মূল পাঠ

৩. Sen, S. N., *Eighteen Fifty Seven*, pp. 401-2

যাৰ হেৰাইছে তেনে ক্ষেত্ৰত সকলো প্ৰতিলিপি কেইটামান ভাগত ভগাই লব পাৰি। তাৰ পাছত অভিলেখ, ভাষাতত্ত্ব, লিখন-ৰীতি, তাৰ আগৰ সময়ৰ পাব পৰা ঐতিহাসিক নজিৰ আদিৰ প্ৰয়োগৰ দ্বাৰা আমি উলিয়াব পাৰোঁ কোনটো পাঠ সঠিক আৰু মূলৰ অতি ওচৰ সময়ৰ। ৰসায়ন বিজ্ঞান আৰু কাগজ তৈয়াৰ কৰা বিদ্যা (paper makers art) প্ৰয়োগৰ দ্বাৰা কব পাৰি যে এখন নথিৰ কাগজ (কাঠৰ পাল্প) আৰু তাত লেখা চিয়াঁহী এটা নিৰ্দিষ্ট কালৰ পূৰ্বে উৎপাদন হোৱা নাছিল।

মূল নথি-পত্ৰ বা মূলৰ নিকটতম সময়ৰ নথি-পত্ৰ বিচাৰি উলিয়াই গৱেষকে তাৰ লেখক আৰু লিখাৰ তাৰিখ উলিয়াবলৈ সমালোচনাত্মক দৃষ্টিৰে সমীক্ষা কৰিব লাগিব। লেখকৰ নাম নিদিয়াটো অসমৰ পুৰণি বুৰঞ্জীৰ নিয়মেই আছিল, ব্যতিক্ৰম নহয়। গতিকে তাৰ সত্যাসত্য নিৰূপণ কৰাটো গৱেষকৰ পক্ষে এটা সমস্যা হৈ পৰে। সাধাৰণতে লিখন-ৰীতি আৰু বৰ্ণনাৰ ধাৰাবাহিকতা পৰীক্ষা কৰি, একে ধৰণৰ আন লিখনৰীতিৰ লগত তুলনা কৰি, লিখক কোন আছিল উলিয়াব পাৰি। আকৌ ওপৰত উল্লেখ থকা সৰ্বপ্ৰথম আৰু সৰ্বশেষ তাৰিখ চাই বা তাৰিখৰ উল্লেখ নাথাকিলেও, পাঠত থকা আন সমীক্ষিত সমলৰ পৰা যদি উল্লেখ থকা ঘটনাৰ ওচৰা-ওচৰি তাৰিখ এটা নিৰ্ণয় কৰিব পাৰি, তেন্তে তাৰপৰাও সংশ্লিষ্ট নথিৰ ৰচনাৰ কাল ঠাৱৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে স্কটৰ "একাউন্ট অব আছাম" (বৰপূজাৰী, একাউন্ট অব আছাম এণ্ড হাৰ এড্‌মিনিষ্ট্ৰেচন) ১৮২২—২৬ এই কিবছৰৰ ভিতৰত সংকলন কৰা হৈছিল ; কাৰণ বিৱৰণত উল্লেখ কৰা সৰ্বশেষ ঘটনা হৈছে ম'হগড়ৰ যুদ্ধ (১৮২২) আৰু ইংৰাজী ভাষাত সেই বিৱৰণ গৱৰ্ণৰ জেনেৰেলক দাখিল কৰা হৈছিল ১৮২৬ চনত।

গৱেষণাৰ কাৰণে পাঠখিনি মূল লিখাত যি ধৰণে আছে হুবহু সেই ধৰণেই প্ৰতিলিপি কৰিব লাগে। তাত আৰু বানান, ব্যাকৰণৰ শুধৰণি বা শব্দৰ স্থানান্তৰ কৰিবলৈ চেষ্টা কৰিব নালাগে। [8] সমীক্ষাত্মক

8. আৰ. জি. কলিংউডে (R. G. Collingwood) ব্যাখ্যা কৰিছে : "That historical truth, so far as it is accessible to the historian, is accessible to him only because it exists ready made in the ready-made statements of his authorities. The statements are to him a sacred text whose value depends wholly on the unbrokeness of the tradition they represent. He must not mutilate them ; and above all, he must not contradict them. "*Idea of History*" (Oxford 1946). pp-234-5.

সংস্কৰণ নহলে, তাত সমালোচনাৰ মনোভাবেৰে নপঢ়া সাধাৰণ পঢ়ুৱৈৰ বাবে কিছু সম্পাদন কৰি লব পাৰি। কিন্তু হ'লেও মূল পাঠৰ যাতে অৰ্থ-বিকৃতি নঘটে তাৰ বাবে সতৰ্কতা অৱলম্বন কৰিবই লাগিব।

আভ্যন্তৰিক পৰীক্ষা

বাহ্যিক সমীক্ষাৰদ্বাৰা কোনো দলিলৰ সত্যতাৰ প্ৰমাণ পোৱা গ'লেও ডাঠি ক'ব নোৱাৰি যে তাত থকা কথাবোৰ সঁচা। যদিও আভ্যন্তৰিক সমীক্ষা পাঠ সম্পৰ্কীয়ই হয়, তথাপি লেখকৰ অৰ্হতা, সদিচ্ছা, মৰ্যাদা আৰু অনুৰাগ-বিৰাগৰ প্ৰশ্ন তাত জড়িত হৈ থাকে। আভ্যন্তৰিক সমীক্ষা ইতিবাচক (positive) হয়, যেতিয়া তাৰ দ্বাৰা লিখিত অৰ্থ আৰু প্ৰকৃত অৰ্থৰ পাৰ্থক্য নিৰ্ণয় কৰিবলৈ বিচৰা হয়। সমীক্ষা নেতিবাচক (negative) হয়, যেতিয়া লিখিত বিৱৰণখিনি অবিশ্বাস কৰিবৰ কাৰণে কিবা নহয় কিবা এটা সম্ভৱ কাৰণ বিচাৰি উলিয়াবলৈ যত্ন কৰা হয়, লিখকক সমীক্ষাৰ কাঠগৰাত থিয় কৰোৱা হয়।

লেখকে নথিপত্ৰত একোটা বৰ্ণনা লিখোঁতে কি অৰ্থত লিখিছিল সেইটো ঠাৱৰ কৰাই হৈছে ইতিবাচক বিশ্লেষণ, অৰ্থাৎ প্ৰকাশ্য অৰ্থৰপৰা প্ৰকৃত অৰ্থটো বাছি উলিওৱাটোৱেই ইতিবাচক সমীক্ষা। আধুনিক নথিপত্ৰত, অলংকাৰ প্ৰয়োগ কৰিলে বেলেগ কথা, সাধাৰণ ক্ষেত্ৰত প্ৰকাশ্য আৰু প্ৰকৃত অৰ্থৰ পাৰ্থক্য নাথাকে, কিন্তু পুৰণি সাহিত্য আৰু খোদিত লিপিত সেইটো নহয়। আনকি বুৰঞ্জীসমূহতো প্ৰকৃত অৰ্থটো ঠাৱৰ কৰা কম কথা নহয়, যদিহে পঢ়োঁতাজন সুদক্ষ নহয়। তাৰ কাৰণ হৈছে, তাত অপ্ৰচলিত শব্দ আৰু বাক্যাংশ থাকে আৰু অচিনাকি কিছুমান অনুষ্ঠান আৰু ৰীতি-নীতিৰ উল্লেখ থাকে; আকৌ কিছুমান সময়তো বহুতে বুজিব নোৱাৰা ভাষাত লিখা পোৱা যায়।

সমালোচনা বা সমীক্ষাৰ প্ৰথম পৰ্য্যায়ত বচকৰ উক্তি বা বৰ্ণনা ধ্ৰুবসত্য বুলি নধৰি সন্দেহৰ চকুৰে চোৱাটো আৱশ্যক। তেওঁৰ সততা (good faith) আৰু সঠিকতা (accuracy) পদ্ধতিমতে পৰীক্ষা-নিৰীক্ষা কৰিব লাগে। এই প্ৰক্ৰিয়াত অৱশ্যে একেবাৰে অনাস্থাসূচক মনোভাৱ (hypercritical বা cynical) হোৱাও অনুচিত।

কোনো কোনো ক্ষেত্ৰত ৰচকজন এনে অৱস্থাত পৰে যে, তেওঁ কিছু পক্ষপাতমূলক উক্তি কৰিব লগাত পৰে। অৱশ্যে তেওঁ যি দেখিছে আৰু লিপিবদ্ধ কৰাৰ বাবে উপযুক্ত বুলি ভাবিছে, তাক হুবহু ব্যক্ত কৰাৰ বাবে যদি তেওঁৰ উচ্চ সাহসিকতা আৰু সত্যনিষ্ঠতা থাকে তেতিয়াহলে সুকীয়া কথা। গৱেষকে সেইকাৰণে বিচাৰ কৰি চাব লাগিব—(১) লেখকৰ কিবা ব্যক্তিগত স্বাৰ্থ জড়িত আছে নেকি ? (২) তেওঁ এনে কোনো জনগোষ্ঠী, জাতি, দল বা ধৰ্মৰ প্ৰতি আসক্ত—যিবোৰে তেওঁ লেখাত পক্ষপাতিতা বা অনুৰাগৰ ছাঁ পেলাব পাৰে ? (৩) তেওঁ কোনো বিশেষ ব্যক্তি, জনসমষ্টি বা সৰ্বসাধাৰণৰ মনত সন্তোষ দিবলৈ লিখিছে নেকি ? এইদৰে অতি গণতান্ত্ৰিক মতাৱলম্বী গ্ৰ'টে (Grote) গ্ৰীক টাইৰেণ্ট (Tyrant) সকলে কোনো ভাল কাম কৰা নেদেখিছিল। টমাচ্ মেক'লেই ইংলণ্ডৰ কাৰণে সদায় অহংকাৰ মনোভাব পোষণ কৰিছিল। সেইবাবে স্বদেশ প্ৰীতিৰ লগত খাপ খোৱাকৈ তেওঁৰ লিখনিত কেন্দ্ৰীয় ভাববস্তু আছিল ইংলণ্ডৰ শ্ৰেষ্ঠতা প্ৰতীয়মান কৰা। নেপোলিয়ানে সমালোচনাত্মক ইতিহাসক প্ৰশ্ৰয় নিদিছিল, অৱশ্যে কোনো ঐতিহাসিকে তেওঁৰ গুণগান কৰিলে আপত্তি নকৰিছিল। আমাৰ দেশতো সম্প্ৰতি কোনো ঐতিহাসিকে জাতীয় সংহতি, হিন্দু-মুছলমান ঐক্য আৰু দুয়োজাতিৰ অভিন্ন সংস্কৃতিৰ বিপৰীত সমালোচনা কৰিলে কৰ্তৃপক্ষসকলৰ বিৰাগ-ভাজন হয়। কেৱল চৰকাৰেই নহয়, বুৰঞ্জীৰ অধিষ্ঠাত্ৰী দেৱী (Clio) সেৱকসকলেও প্ৰশংসা কৰি বা তোষামোদ কৰি তেওঁলোকক সন্তুষ্ট কৰিবৰ কাৰণে তেওঁলোকৰ অনুকূলে ব্যাখ্যা কৰা বিচিত্ৰ নহয়।

লেখকৰ আন্তৰিকতাৰ অভাৱৰ ফলত হ'ব পৰা ঘটনাৰ বিকৃত-বৰ্ণনৰ সম্ভাৱনা সম্পৰ্কে নিশ্চিত হোৱাৰ পাছত অসঠিক নিৰীক্ষণৰ ফলত হ'ব পৰা ভুলৰ সম্ভাৱনা পৰীক্ষা কৰি চাব লাগিব। তেনে ক্ষেত্ৰত লিখকে হয়তো আন্তৰিকতাৰেই লিখে, কিন্তু নিম্নলিখিত কাৰণসমূহৰ বাবে তেওঁৰ নিৰীক্ষণ সঠিক নহয়গৈ।

(১) কিছুমান ঘটনা সঠিকভাৱে পৰ্য্যবেক্ষণ কৰাৰ সুবিধা লিখকজনৰ নাথাকিবও পাৰে। যদি তেওঁ এনে কিছুমান গোপন ঘটনা লিপিবদ্ধ কৰিবলৈ লৈছে, যিবোৰৰ বিষয়ে বিস্তাৰিতভাৱে কেৱল কেইজনমান

মানুহেহে জানে, তেন্তে সেই ক্ষেত্ৰত তেওঁৰ পৰ্য্যবেক্ষণ সঠিক হোৱা টান। আকৌ ৰাজহুৱা কাকত-পত্ৰ চোৱাৰ অধিকাৰ তেওঁৰ যদি নাথাকে, কিন্তু তেওঁ আকৌ তেনেকুৱা ঘটনাকে লিপিবদ্ধ কৰিবলৈ যায়, তেন্তে তেওঁৰ উক্তিবোৰৰ সঠিকতা নাথাকে। এখন কাকতৰ লিখক-জনে প্ৰায়ে তেওঁৰ স্বাৰ্থজড়িত ঘটনাবোৰহে লিপিবদ্ধ কৰি ৰাখিব, গতিকে প্ৰায়েই তেওঁ আনবোৰ ঘটনাৰ প্ৰতি আওকণীয়া হৈ থাকিব—সেই ঘটনাবোৰ আন দৃষ্টিকোণৰ পৰা যিমানেই গুৰুত্বপূৰ্ণ নহওক। যদি তেওঁ তেনে ঘটনা পৰ্য্যবেক্ষণ কৰি তাৰ বিৱৰণ লিখে, সেই বিৱৰণ সঠিক নোহোৱাৰ সম্ভাৱনা আছি পৰে। নহলেবা, বিভিন্ন ধৰণৰ ঘটনা পৰ্য্যবেক্ষণ কৰাৰ বাবে যি জ্ঞান, দক্ষতা আৰু অভিজ্ঞতাৰ আৱশ্যক, লিখকৰ সেয়া নাথাকিবও পাৰে—বিশেষকৈ প্ৰাযুক্তিক ধৰণৰ ঘটনা—যেনে, প্ৰশাসনীয় খুটি-নাটি, ৰণ পৰিচালনাৰ পদ্ধতি ইত্যাদি।

(২) সঠিকভাৱে ঘটনা লিপিবদ্ধ কৰোতে এটা চৰ্ত পূৰণ কৰিবই লাগিব। সেইটো হৈছে পৰ্য্যবেক্ষণ কৰাৰ ঠিক পাছতে ঘটনাটো লিপি-বদ্ধ কৰিব লাগিব, তেতিয়াহে সেই ঘটনা বৰ্ণোৱা কাকতখন সম-সাময়িক বুলি গণ্য কৰিব পাৰি। যি দেখা হ'ল, যি শুনা হ'ল তাক যদি তৎক্ষণাৎ লিপিবদ্ধ কৰা নহয়, তেন্তে তাক ধাৰণাহে বুলিব পাৰি, কাৰণ সেইবোৰ স্মৃতিৰ একোটা টুকুৰা মাত্ৰ। ঘটনাবোৰ লিপিবদ্ধ কৰোতে ঘটনা ঘটি যোৱাৰ পাছত যিমানেই পলম কৰা হয়, সিমানেই সেইবোৰ আন ধাৰণাবোৰৰ লগত সান-মিহলি হৈ পৰে আৰু অৱশেষত যেতিয়া কিছু দিন যোৱাৰ পাছত সেইবোৰ লিপিবদ্ধ কৰা হয়গৈ, তেতিয়া সেই বিৱৰণ হব কিছুমান বিশৃংখল খণ্ডিত স্মৃতিহে মাত্ৰ। সেয়া হব স্মৃতি-ৰোমন্থন, ঘটনাৰ প্ৰকৃত বিৱৰণ নহয়। ঐতিহাসিক সমল হিচাপে এনেবোৰ বিৱৰণৰ মূল্য তেতিয়া নোহোৱা হৈ পৰে। প্ৰায় সকলো ঘটনা-পঞ্জী, বাখৰ, খ্যাট, স্মৃতিগ্ৰন্থ, আত্মজীৱন-চৰিত এই শ্ৰেণীত পৰে। এনেবোৰ কাকত-পত্ৰৰ গুৰুত্ব কম-বেছি হ'ব—চৰকাৰী কাকত-পত্ৰ, সম্বাদ-পত্ৰ আদি যিবোৰ কাকতৰ ওপৰত ভিত্তি কৰি বা যিবোৰৰ উল্লেখ কৰি ঘটনাসমূহ লিপিবদ্ধ কৰা হয়, সেইবোৰৰ সম-সাময়িকতাৰ অনুপাতে।

(৩) তদুপৰি (ক) ঐতিহাসিকে আগৰ নথি-পত্ৰ পাছৰ সময়ৰ ধ্যান-ধাৰণাবিলাক মতে [৫] অধ্যয়ন কৰিব নালাগে বা এজন লিখকে কোনো এটা ঘটনা লিপিবদ্ধ কৰা নাই বুলিয়েই তেওঁক সেই বিষয়ে একেবাৰে অজ্ঞ বুলি ভাবিবও নালাগে। (খ) শুদ্ধভাবে লিপিবদ্ধ কৰা একোটা বিৱৰণেই একোটা ঘটনাৰ সত্যতা প্ৰতিষ্ঠা কৰিব পাৰে সঁচা, তথাপি ঘটনাটোৰ সত্যাসত্য সঠিকভাবে প্ৰমাণ কৰিবৰ বাবে অন্য প্ৰত্যক্ষ আৰু স্বতন্ত্ৰ প্ৰমাণৰ আৱশ্যক আছে। (গ) যদি প্ৰমাণবোৰে ইটোৱে সিটোক নাকচ কৰা ধৰণৰ হয়, তেনে ক্ষেত্ৰত হয় ইটো নহয় সিটো শুদ্ধ হ'ব পাৰে, নহয় দুয়োটা ভুলো হ'ব পাৰে। (ঘ) সম্ভৱস্থলত সদায় চৰকাৰী নথি-পত্ৰ বে-চৰকাৰী নথি-পত্ৰৰ লগত ৰিজাই চাব লাগে; ইয়াৰ কাৰণ দুইবিধৰ এবিধো অকলে যথেষ্ট নহয় (ঙ) এখন কাকত কোনো বিষয়ত নিৰ্ভৰ-যোগ্য প্ৰমাণ হলেও, তাত উল্লেখ থকা আন কিছুমান বিষয়ত তাৰ মূল্য নাথাকিবও পাৰে।

---

৫. "History as well as other branches of humanities need be examined in terms of growth and development; in refraining from measuring earlier ages by the reputably stable even eternal standard of natural law, in trying to enter into the habits of thought, sentiments, and of behaviour of the people under review and in judging the men of the particular epoch within their virtues and vices, within the system in their times." Pieter Geyl, *Use and Abuse of History*, pp.31-2

চতুৰ্থ অধ্যায়

সমন্বয়, ব্যাখ্যা আৰু তত্ত্বানুসন্ধান

ইতিহাসৰ সমল সংগ্ৰহ কৰি আৰু সেইবোৰৰ বিশ্বাসযোগ্যতা পৰীক্ষা কৰি চাই, তাৰপৰা প্ৰকৃত ঘটনাক্ৰম আৰু অৰ্থ-উদ্ঘাটনৰ বাবে ঘটনাবোৰ জুকিয়াই ল'ব লাগে। আৱশ্যক অনুসৰি বিভিন্ন ধৰণে একাধিকবাৰো জুকিউৱাৰ প্ৰয়োজন। বিভিন্ন ঘটনাৰ মাজত ইতি-হাসকাৰে সমন্বয় (Correletion) বিচাৰি উলিয়াব লাগিব, কাৰ্য্য-কাৰণ (Casual Relations) সম্পৰ্ক নিৰ্ণয় কৰিব লাগিব আৰু ঘটনাৱাজিৰ তাৎপৰ্য্য দাঙি ধৰিব লাগিব।[১] আন কথাত কবলৈ গ'লে ইতিহাসৰ শুকান হাড়ৰিলাকক জীৱন্ত কৰি তুলিব লাগিব। তাৰ কাৰণে ঘটনাৱাজিৰ ব্যাখ্যাদান (Interpretation) কৰিব লাগিব। ই. এইচ. কাৰে (E. H. Carr) ব্যাখ্যাদানকেই ইতিহাসৰ সাৰমৰ্ম বুলি কৈছে। কেতিয়াবা ঘটনা কেৱল বিৱৰণাত্মকহে হয়। সেইবোৰ ব্যাখ্যা কৰিবলৈ যোৱাটো নিৰৰ্থক। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ চাৰিজন পুত্ৰ আছিল—তাৰ আৰু ব্যাখ্যা কি থাকিব পাৰে ? কিন্তু ১৮৫৭ চনত যে চিপাহীসকলে বিদ্ৰোহ কৰিছিল তাৰ ব্যাখ্যাৰ প্ৰয়োজন আছে। সম-সাময়িক সমল, সমসাময়িক ঘটনাৱলী আৰু ঘটনাৰ ফলাফল চাই কাৰণ নিৰ্ণয় কৰিব লাগিব। প্ৰথমতে ঐতিহাসিকে সাধাৰণীকৰণৰ (Genera-)

১. Shotwell, *The History of History* pp.210, 284-88 ; R. P. Baker and A. C. Howell, *The Preparation of Reports* (1938), pp. 43-50, 489-95 ; Johnson Allen, *The Historian and Historical Evidence*, (1926), ch. 7.

lis.tion) ফালেই যাব লাগিব য'ত, তেওঁ বিশেষৰ পৰা সাধাৰণলৈ গতি কৰে ; আতৰপৰা অজ্ঞাতলৈ যুক্তিৰ পথেদি অগ্ৰসৰ হয় । কিন্তু এটা কথা—জ্ঞাত ঘটনাৱলীৰ সংখ্যা যথেষ্ট হ'ব লাগিব । তেতিয়াহে সেই সাধাৰণীকৰণত যুক্তিযুক্ততা থাকিব আৰু সি গ্ৰহণযোগ্য হ'ব । জ্ঞাতৰপৰা অজ্ঞাতলৈ যাওঁতে সদায় বিপদৰ আশংকা থাকেই । সেই বুলি দুই এটা ব্যতিক্ৰমে সাধাৰণীকৰণৰ গ্ৰহণযোগ্যতা কমাই পেলাব নোৱাৰে ; উদাহৰণস্বৰূপে, আহোম শাসকসকল ধৰ্মৰ ক্ষেত্ৰত উদাৰ আছিল, তাত হয়তো দুই চাৰিটা ব্যতিক্ৰম থাকিবও পাৰে । দেৱেৰা অত্যাচাৰী আছিল । মোগল সম্ৰাটসকল কলা আৰু সাহিত্যৰ মহান পৃষ্ঠ-পোষক আছিল । আকৌ, সাধাৰণীকৰণে একোটা অনুষ্ঠান বা একোটা সময়ক জিলিকাই তুলিব পাৰে । পেৰিক্লিছৰ দিনত এথেন্সৰ সোণালী যুগৰ প্ৰবৰ্তন হৈছিল । দিন-ইলাহি আকবৰৰ ধৰ্মৰ সাৰমৰ্ম আছিল । তথাপি ঐতিহাসিকে এটা সাধাৰণ বিপদৰপৰা নিজকে সকৰাই ৰাখিব লাগিব । সি হৈছে, যথেষ্ট সংখ্যক ঘটনা নিৰীক্ষণ নকৰাকৈ কেৱল দুই-চাৰিটা ঘটনাৰ ওপৰতে ভিত্তি কৰি যাতে সাধাৰণীকৰণ কৰা নহয় । উদাহৰণ স্বৰূপে, ফুলেশ্বৰী কুঁৱৰীয়ে মোৱামৰীয়া মহন্তসকলৰ প্ৰতি কৰা ব্যৱহাৰে বা গদাধৰ সিংহৰ কাৰ্য্য-কলাপৰপৰাই ক'ব নোৱাৰি যে, আহোম শাসকসকলে বৈষ্ণৱসকলক নিৰ্যাতন কৰিছিল । তেনেকৈ দুটা বা এটা অনুষ্ঠানৰ লিখিত তথ্যৰ ওপৰত ভিত্তি কৰিয়েই কৈ দিব নোৱাৰি যে, আহোম ৰজাসকলে শিক্ষাদানৰ সদায় পৃষ্ঠপোষকতা কৰিছিল ।

সামঞ্জস্য চায়ো (Process of analogy) ঘটনাৰ ব্যাখ্যা দিব পাৰি । কাৰ্য্যকাৰণৰ সাধাৰণ তত্ত্ব অনুযায়ী তাকে কৰিব পাৰি । এই কাৰ্য্যকাৰণ তত্ত্ব এইদৰেই প্ৰকাশ কৰিব পাৰি যে, একে ধৰণৰ কাৰণৰ-পৰা একে ধৰণৰ ঘটনা সংঘটিত হয় বা একে ধৰণৰ ঘটনাৰ একে ধৰণৰ বৈশিষ্ট্য থাকে বা একে ধৰণৰ মনৰ অৱস্থাৰ মানুহে একে ধৰণৰ পৰিস্থিতিত একেধৰণে কাম কৰে ; তেনেকৈ লাচিতক শিৱাজীৰ লগত তুলনা কৰা হৈছে, শিৱাজীক আলেকজেণ্ডাৰৰ লগত আৰু আওৰংজেবৰ দাক্ষিণাত্য-নীতিক নেপোলিয়নৰ পেনিনচুলাৰ যুদ্ধৰ লগত তুলনা কৰা হৈছে । কথাটো অৱশ্যে বহুত দুৰ্বলৈ টানি নিব নোৱাৰি ; কাৰণ মানৱ চৰিত্ৰ মানুহে প্ৰতি বেলেগ বেলেগ আৰু দুজন মানুহ বা দুটা ঘটনাৰ হুবহু একে বৈশিষ্ট্য কেতিয়াও নাথাকে ।

আগৰ দিনত ঐতিহাসিকে কেৱল ঘটনাৰ কথাহে ক'ব লাগিছিল, তাৰ ব্যাখ্যা বা তাৎপৰ্য্য দেখুৱাব লাগিব বুলি কোনো কথা নাছিল। মানুহে ভাবিছিল ঘটনাসমূহ সত্যভাৱে প্ৰকাশ কৰিলেই তেওঁৰ দায়িত্ব পালন কৰা হৈ গ'ল। যিবোৰ ঘটনা তেওঁ নিজে দেখিছে বা ঘনিষ্ঠভাৱে জনা কোনো মানুহৰপৰা শুনিছে, তেনেবোৰ ঘটনা তেওঁ ব্যক্ত কৰিব। আধুনিক ঐতিহাসিকৰ কথা বেলেগ। তেওঁ কেৱল ঘটনাৰ বিৱৰণ দিলেই নহ'ব, তাৰ কাৰণো ব্যাখ্যা কৰিব লাগিব। ঐতিহাসিকে কেৱল কিবা এটা ঘটনা ঘটিছিল বুলি কলেই নহব, ঘটনাটো কিয় ঘটিছিল, তাৰ সলনি আন ঘটনা নঘটিল কিয়, সেইটোও ক'ব লাগিব। কিছুমান ধাৰাবাহিক ঘটনাৰ প্ৰথমে কাৰো লগত কাৰো সম্পৰ্ক নথকা যেন লাগিলেও সেইবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক তেওঁ দেখুৱাব পাৰিব লাগিব। শ শ বছৰ ধৰি চলি থকা বিকাশ-প্ৰক্ৰিয়াৰ আঁতি-গুৰি তেওঁ বিচাৰি উলিয়াব লাগিব। ঘটনাৰাজিয়ে লোৱা বিশেষ গতিপথৰ ব্যাখ্যা দিবৰ কাৰণে সাৱধানে এটা যুক্তিপূৰ্ণ তত্ত্ব (Theory) তেওঁ নিজে দাঙি ধৰিব পাৰিব লাগিব। এই তত্ত্বই হ'ব তেওঁৰ বিৱৰণৰ ৰাজহাড়স্বৰূপ। এটা উদ্ঘাটিত ঘটনা সমষ্টিৰ অন্তৰ্গতভাৱে বিভিন্ন ঘটনাৰ স্থান নিৰ্ণয় কৰিব লাগিব আৰু তেওঁৰ ধাৰণামতে কালছোৱাৰ বৈশিষ্ট্য নিৰূপণ কৰিব লাগিব। ঘটনাসমূহৰ এই যোগসূত্ৰটো ঐতিহাসিকে দেখুৱাব লাগিব, যিটোৱে বিভিন্ন ঘটনাসমূহ সংযোগ কৰি এটা শৃংখলাপূৰ্ণ আৰু বোধগম্যভাৱে ঘটনা প্ৰৱাহৰ এটা স্পষ্ট ধাৰণা দাঙি ধৰিব—আৰু ইয়াতেই থাকে ভুলৰ প্ৰচুৰ সম্ভাৱনা।

এটা শুদ্ধ তত্ত্ব গঢ় দিবলৈ যাওঁতে ঐতিহাসিকে জানি-শুনি সকলো বদ্ধমূল পূৰ্ব ধাৰণাৰ পৰা (Bias) তেওঁৰ মনটো মুক্ত কৰিব লাগিব। কোনো বিষয়তে মানুহৰ মতামত সদায় একে নাথাকে। লাহে লাহে মতৰ সলনি হয়। তেনে অৱস্থাত ঐতিহাসিকে সংস্কাৰমুক্ত হৈ নিৰপেক্ষভাৱে ইতিহাস ৰচনা কৰা সম্ভৱ নহয়। কোনো বিশেষ মতাৱলম্বী লোকৰ গঢ় সংখ্যকৰ মত গঠন হয় সৰুকালৰ শিক্ষা আৰু তাৰ পৰৱৰ্তী কালৰ পৰিবেশৰ দ্বাৰা আৰু সেই সৰুকালতে আয়ত্ত কৰা সংস্কাৰ যিমানেই অযুক্তিকৰ নহওক, তাক পৰাজয় কৰাটোৱেই যে টান কাম সেই কথা সকলোৱে জানে। ধৰ্মবিশ্বাসৰ ক্ষেত্ৰত

সি আটাইতকৈ টান। এজন ঐতিহাসিকে যি ধৰ্মবিশ্বাসৰ পৰিবেশত জন্ম আৰু শিক্ষা লাভ কৰিছে তাৰ প্ৰতি অনীহা বা অনুৰাগৰপৰা মুক্ত হোৱাটো প্ৰায় অসম্ভৱেই বুলিব পাৰি। ঐতিহাসিক সত্যক যিবিলাক প্ৰভাৱে অতি সোনকালে বিকৃত কৰাৰ আশংকা থাকে, তাৰ ভিতৰত একোটা ধৰ্মমতেই যে আটাইতকৈ বেছি অনিষ্টকৰ সেই কথা দোহাৰিবৰ আৱশ্যক নাই। উদাহৰণ স্বৰূপে আকবৰৰ ধৰ্মমতৰ ওপৰত বাদাউনি (Badaoni) আৰু আবুল ফজলে কৰা ভিন্ন মতামতলৈ লক্ষ্য কৰিলেই হ'ব।

বিতৰ্কমূলক বিষয়ত পক্ষপাতী মনোভাৱ লোৱাব সেয়ে হ'বগৈ অনিবাৰ্য্য পৰিণাম। আনকি ঐতিহাসিকে যেতিয়া নিৰপেক্ষ মনোভাব লবলৈ সচেতনভাবে যত্ন কৰে, তেতিয়াও তাত সহজে সফল হোৱা টান। ইতিহাসৰ সমল সংগ্ৰহ কৰি থাকোতে তেওঁৰ সকলো যত্নকে বিফল কৰি, অতৰ্কিতে কোনো এটা পক্ষৰ অনুকূলে তেওঁৰ মন সক্ৰিয়ভাৱে ঢাল খাই যায় আৰু ক্ৰমে ক্ৰমে সেই অনুৰূপেই তেওঁৰ মনে গঢ় লয়— যি অৱস্থাৰপৰা আঁতৰি থকাটোৱেই তেওঁৰ কাৰ্য্য সম্পাদনৰ বাবে আৱশ্যকীয় কথা। তেতিয়া আৰু তেওঁৰ ধাৰণাবোৰ সলনি কৰি এখোজ দুখোজকৈ পিছুৱাই অহাৰ বাহিৰে গত্যন্তৰ নাথাকে--যেতিয়ালৈকে ঘটনা-প্ৰবাহে প্ৰমাণ নকৰে যে তেওঁৰ পক্ষপাতিত্বৰ যুক্তি আছে; নহলে যিটো বেছি সম্ভৱ--যেতিয়ালৈকে তেওঁ উপলব্ধি নকৰে যে তেওঁৰ মনতে সন্দেহাতীতভাৱে লুকাই থকা কিছুমান পক্ষপাতমূলক ধাৰণাই তেওঁক এটা পক্ষৰফালে ঢাল খুৱালে।

ঐতিহাসিকে জনা উচিত তথ্যইহে তত্ত্ব নিৰ্ণয় কৰে। গতিকে যিমানে মৌলিক আৰু পাণ্ডিত্যপূৰ্ণ নহওক তেওঁ তেওঁৰ তত্ত্বত আকোঁৰ-গোজকৈ লাগি থকা অনুচিত। সেয়ে হবলৈ হ'লে নতুন কিবা ঘটনা লক্ষ্য কৰিলেও তাৰ পৰিপ্ৰেক্ষিতত তেওঁ সেই তত্ত্বৰ সালসলনি ঘটাব নোৱাৰিব। তেওঁ যদি সদায় নতুন ঘটনাৰাজিৰ লগত খাপ খোৱাকৈ তেওঁৰ তত্ত্বৰ সালসলনি নঘটায়, তেন্তে শেহত তেওঁ সেই তত্ত্বৰ লগত খাপ খোৱাকৈয়ে ঘটনাৰাজি বিকৃত ৰূপত দাঙি ধৰিব; আৰু যদি কেতিয়াবা দুটাৰ ভিতৰত এটা বাছি ল'বলগীয়া হয়, তেতিয়া তেওঁ নিজৰ তত্ত্বটোকেহে খামোচ মাৰি ধৰি থাকিব, ঘটনাবোৰৰ অৱস্থা যি হয়

হ'ব। তেতিয়া তেওঁৰ তত্ত্বই তেওঁৰ যুক্তি-বুদ্ধি গ্ৰাস কৰাৰ ফলত সেই তত্ত্বকে ইমান অপৰিবৰ্তনীয় সত্য বুলি ধৰি থাকিব যে কোনো এটা প্ৰশ্নৰ মীমাংসা কৰিবলৈ যাওতে, তেওঁ কেৱল তাৰ এটা দিশহে দেখা পাব। সেই তত্ত্বৰ গৰাহত পৰি তেওঁ যিবোৰ ঘটনাই তেওঁৰ তত্ত্বক দৃঢ়ভাবে প্ৰতিষ্ঠা কৰে তেনেবোৰ ঘটনাৰহে তাৎপৰ্য্য তেওঁৰ বোধগম্য হ'ব। নিজৰ পূৰ্ব ধাৰণাৰ লগত খাপ খুৱাব পৰা সকলো ঘটনা তেওঁ গ্ৰহণ কৰি ল'ব আৰু যিবোৰ তেওঁৰ কামত নলগা, কঠোৰ, লৰচৰ কৰিব নোৱৰা বিধৰ, সেইবোৰ তাৎপৰ্য্য বুজিব নোৱাৰি আওকাণ কৰি যাব।

দেখাত অতি নগণ্য এটা ঘটনাৰ পৰিপ্ৰেক্ষিতত অতি সন্তৰ্পণে গঠন কৰি লোৱা এটা তত্ত্বৰ পৰিবৰ্তন কৰি পেলাবলৈ বৰ টান কথা।[২] এক মুহূৰ্ততে ঘটি যোৱা এটা ঘটনা বা সমস্যাৰ পৰিপ্ৰেক্ষিতত ঘণ্টাৰ পাছত ঘণ্টা বা কেতিয়াবা দিনৰ পাছত দিন লাগি লাগি উদ্ভাৱন কৰা একোটা তত্ত্ব একেবাৰেই নাকচ কৰি দিয়া অতি দুৰূহ কাম। অসুবিধাজনক ঘটনাটোৰ প্ৰতি চকু মুদি থকা আৰু নিজৰ মনঃপূত এটা তত্ত্বৰ প্ৰতিপাদক ঘটনাবোৰ ফালে মন দিয়া সহজ। প্ৰত্যেক অনুসন্ধানকাৰীয়েই এই সোঁতত পৰে আৰু তাক পৰাজয় কৰিব নোৱাৰিলে তাৰ বলি হ'ব লগা হয়। কিন্তু ঐতিহাসিকে ক্ৰমে ক্ৰমে উপলব্ধি কৰিবলৈ ধৰে যে সত্যইহে একমাত্ৰ বৈধ উদ্দেশ্য আৰু এবাৰ সেই উদ্দেশ্য সফল হ'লে সেয়ে যথেষ্ট আৰু সিয়েহে তেওঁৰ একমাত্ৰ বাঞ্ছিত উপহাৰ।

---

২ 'মেকমোহন্ লাইন' (Mc Mahon Line) সম্পৰ্কে লিখাৰ পূৰ্বে যি মত দাঙি ধৰিছিল (ভাৰতীয় ইতিহাস কংগ্ৰেছৰ সভাপতিৰ ভাষণ, আধুনিক শাখা, ১৯৭২), পিছৰ পৰা নতুন তথ্য সংগ্ৰহ কৰাত সেইটো পৰিবৰ্তন কৰিব লগা হয়। (প্ৰব্লেম্ছ অৱ ভিন ফ্ৰণ্টিয়াৰ্ছ, ঃ নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ, তৃতীয় খণ্ড, ১৯৮১)।

পঞ্চম অধ্যায়

ইতিহাস-প্ৰণয়ন

ঐতিহাসিকে তেওঁৰ অনুসন্ধানৰ বিষয়বস্তু সংক্ৰান্ত সমল যিমান হ'ব পাৰে সম্ভৱপৰ সকলোখিনি আহৰণ কৰিব লাগিব। তেওঁ সাৱধান হ'ব লাগিব যাতে আৱশ্যকীয় কোনো তথ্যই তেওঁৰ পৰা সাৰি যাব নোৱাৰে। তাকে নকৰিলে, হয় তেওঁৰ লিখাখিনি সত্যৰপৰা বহুদূৰত থাকিব, নহলে ওপৰত কৈ অহা দোধোৰমোৰ অৱস্থাত পৰিব লাগিব। তেওঁৰ অৱহেলিত কোনো গুৰুত্বপূৰ্ণ তথ্যৰ লগত খাপ খোৱাকৈ তেওঁ ইমানদিনে মানি অহা তত্ত্বৰ সালসলনি ঘটাব লাগিব, নহলে নিজৰ বিবেক-বুদ্ধিকে কঠোৰভাবে নিয়ন্ত্ৰণ কৰি আৰু সংশ্লিষ্ট ঘটনাৰ বিকৃত ব্যাখ্যা কৰি বা তাক আওকাণ কৰি হলেও পূৰ্ব-নিৰ্ধাৰিত পথকে অনুসৰণ কৰি ৰ গৈ থাকিব লাগিব। ইয়াৰপৰা সহজে বুজিব পাৰি যে, সমল আহৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ কলা আৰু দুৰ্ভাগ্যবশতঃ এনে এটা কলা যাৰ বাবে কোনো বিধি নিৰ্ধাৰণ কৰি দিব নোৱাৰি। এই কলা আয়ত্ত কৰাৰ একমাত্ৰ উপায় যিসকল ঐতিহাসিক ৰচনা-পদ্ধতিৰ লগত ঘনিষ্ঠভাৱে চিনাকি তেনে লোকৰ পৰামৰ্শ অনুসৰণ কৰা। তেওঁ-লোকৰপৰা সমলৰ স্বৰূপ কেনেকৈ নিৰ্ণয় কৰিব পাৰি তাক থূলমূলভাৱে জানি লব লাগে আৰু সমলৰ মূল্যায়ন আৰু প্ৰাপ্তিস্থান নিৰ্ণয়ৰ সংকেতো আয়ত্ত কৰি লব লাগে। কিন্তু অতি সাৱধান হ'লেও নিশ্চিত হ'ব নোৱাৰি যে, পাব পৰা গোটেইখিনি সমলেই হাতত পৰিলহি আৰু সেইবাবেই আমাৰ মনটো এনেভাবে প্ৰস্তুত কৰি ল'ব লাগিব যাতে আমাৰ হাতত ভৱিষ্যতে কেতিয়াবা অপ্ৰত্যাশিতভাৱে নতুন কিবা গুৰু

তথ্য আহি পৰিলে তাক গ্ৰহণ কৰি কামত লগাব পৰা হয়। আনকি যদি তাৰপৰা এনে এটা অৱস্থাও হয়গৈ যে সেই একেটা ঘটনাই বহুদিনৰ পৰিশ্ৰমেৰে গঠন কৰি লোৱা এটা তত্ত্বৰ অসাৰ্থকতা প্ৰমাণ কৰি দিব পাৰে, তাৰ বাবেও ঐতিহাসিকজন প্ৰস্তুত থাকিব লাগিব।

প্ৰাথমিক আৰু গৌণ সমল

যিবোৰ সমলৰ ওপৰত ঐতিহাসিকে প্ৰধানকৈ আস্থা স্থাপন কৰে সেইবোৰ প্ৰাথমিক বা মুখ্য সমল (Prim·ry Source) আৰু মুখ্য সকলৰ খুটি-নাটিবোৰৰ সম্পৰ্কত পৰিপূৰক হিচাপে যিবোৰ সমল ব্যৱহাৰ কৰা হয়, সেইবোৰ গৌণ সমল (Secondary Source) ইতিহাস প্ৰণয়নৰ বাবে মুখ্য সমলেই হৈছে একমাত্ৰ দৃঢ় ভেটি। সি হৈছে মূল নথিপত্ৰ বা তাৰ ছিন্নাৱশেষ—যি ঘটনাৰ প্ৰথম সাক্ষী। খোদিত লিপি, আৰু মুদ্ৰা আদিও মুখ্য সমল। তেনেকৈ ৰাজসভাৰ বিষয়া বা বাতৰি-যোগনিয়াৰে দিয়া কোনো ঘটনাৰ বিৱৰণো মুখ্য সমলেই— লিখকজনে যি দেখিছিল, যি শুনিছিল তাৰ বিৱৰণ। কিন্তু ঘটনাৱলীত উপস্থিত নথকা কাকতৰ সম্পাদকজনৰ বিৱৰণ বাতৰি-যোগনিয়াৰৰ বাতৰিৰ ভিত্তিত প্ৰস্তুত কৰা হয় যদিও সি তাৰ মুখ্যত্ব হেৰুৱাই পেলোৱাৰ সম্ভাৱনা থাকে। আন কথাত কবৰ হ'লে, সংঘটিত ঘটনা আৰু সমল প্ৰয়োগকাৰীৰ মাজত এটা মাত্ৰ মনৰ প্ৰৱেশ ঘটিব পাৰে, সেই মন হৈছে প্ৰত্যক্ষদৰ্শীৰ।

এইদৰে শ্ৰেণী বিভাজন কৰাৰ পাছত আহিব আটাইতকৈ কঠিন কামটো। সেইটো হৈছে প্ৰাপ্ত সমলবোৰৰ সত্যাসত্য নিৰ্ণয় কৰা। সমলৰ যোগান ধৰোতাসকল এটা নহয় এটা বিষয়ত পৰস্পৰবিৰোধী হ'বই। তেনেস্থলত তাৰ ভিতৰত কোনটো দৰাচলতে শুদ্ধ, তাক অতি সাৱধানে বাছি উলিয়াব লাগিব। সাধাৰণতে দেখা যায় যেতিয়াই মুখ্য সমলবোৰ পৰস্পৰ-বিৰোধী হয়, তেতিয়াই গৌণ সমলবোৰে এটা স্থিৰ সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে। এনেকৈয়ে বৰ্ণনীয় কাহিনীটোত থকা কিছুমান খুটি-নাটিয়ে কোনখিনি সন্দেহাতীতভাৱে সত্য আৰু কোনখিনি পৰস্পৰবিৰোধী তাক প্ৰকট কৰি তোলে। তেতিয়া ঐতিহাসিকে এটা এৰি আনটো গ্ৰহণ কৰিবলৈ বাধ্য হয়। কেতিয়াবা যদি গৌণ

সমল পোৱা নহয়, তেতিয়া আন উপায়ে প্ৰকৃত সত্য তথ্য বিচাৰি উলিয়াব লাগিব । উদাহৰণ স্বৰূপে, যদি কালৰ ক্ৰম সম্পৰ্কে সমলৰ ভিতৰত পাৰ্থক্য দেখা যায় আৰু চৰকাৰী কাকত-পত্ৰই দিয়া তাৰিখটো সাধাৰণ এজন ঘটনা-পঞ্জীয়কে দিয়া তাৰিখৰ লগত নিমিলে, তেতিয়া সেই ঘটনা-পঞ্জীয়কৰ উক্তিক চৰকাৰৰ পৰা পোৱা তথ্যতকৈ কম মূল্যবান বুলি আওকাণ কৰিব পাৰি । যেতিয়া বিবদমান তথ্যসমূহ একে পৰ্যায়ৰ সমলৰ পৰা পোৱা হয়, তেতিয়া ঐতিহাসিকৰ সমীক্ষাত্মক প্ৰশিক্ষণকে কামত লগাই চাব লাগিব । প্ৰত্যেকখন কাকতকে বেলেগে বেলেগে পৰীক্ষা কৰিব লাগিব । চৰকাৰী কাকত-পত্ৰৰ ক্ষেত্ৰত চাব লাগিব কাকতখন দৰাচলতে চৰকাৰৰপৰা অহা হয়নে নহয়—সেইখন মূল কাকতনে প্ৰতিলিপিহে—তাত কাৰ্য্যালয় সহকাৰীয়ে কৰিব পৰা ভুল-ভ্ৰান্তি কিবা সোমাইছে নেকি ? লিখকে যি সমলৰ ভিত্তিত কাকতখন প্ৰস্তুত কৰিছিল, সেই সমল উৎকৃষ্ট নে নিকৃষ্ট আৰু তাত এক ধৰণৰ ঘটনা লুকুৱাই আন এক ধৰণৰ ঘটনাক জানি শুনি বিকৃত কৰা হৈছে নেকি—তেওঁ যি লিখিছে সেয়া বুজি লিখা হৈছেনে অজ্ঞাতসাৰেই পাঠকক ভুল সমলৰ যোগান ধৰিছে ?—প্ৰাপ্ত সমলৰ ওপৰত এনে ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰি আৰু সযতনে তাৰ উত্তৰ উলিয়াই ঐতিহাসিকে বিবদমান উক্তিসমূহৰ মাজৰপৰা প্ৰকৃত সত্য উদ্‌ঘাটন কৰি নিজকে এক হতাশা-জনক জটিলতাৰপৰা উদ্ধাৰ কৰিব পাৰে । ই এক নেৰানেপেৰা চেষ্টাৰ প্ৰক্ৰিয়া । কিন্তু ঐতিহাসিকে মনত ৰাখিব লাগিব যে, যেতিয়াই তেওঁ নিজকে এই অনুসন্ধানত ব্ৰতী হ'বলৈ অপাৰগ বা অনিচ্ছুক বুলি উপলব্ধি কৰে, আৰু কেৱল এটা মাত্ৰ সমলৰ ওপৰত নিৰ্ভৰ কৰিয়েই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আগবাঢ়ে, তেতিয়াই তেওঁৰ কামৰ মূল্য নোহোৱা হয় । প্ৰমাণ-অন্বেষণৰ যি প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰি সত্য উদ্‌ঘাটনৰ চেষ্টা কৰা হয়, সেই প্ৰক্ৰিয়া তাতে ওৰ পৰে । যেতিয়ালৈকে আন এজন অধিক পাৰ্গত আৰু অধিক উদ্যোগী ঐতিহাসিক নোলায় তেতিয়ালৈকে সেই কাম আৰু আগ নাবাঢ়ে ।

সমলৰ নিৰ্বাচন

সমলৰ আহৰণ আৰু সমীক্ষাতকৈও ইতিহাস প্ৰণয়ন কৰোতে অধিক জটিল সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। আটাইতকৈ জটিলতম সমস্যা হ'ল

অন্যাগতিয়ালখিনি বাছি, আঁতৰাই নাগতিয়াৰখিনি কামত লগোৱা। তাৰ মানে সাৰমাত্ৰ গ্ৰহণৰদ্বাৰা সংক্ষেপকৰণ (Condensat on) আৰু সঠিকতা (Prec s on) ৰক্ষণৰ বাবে লগতে প্ৰধান চৰিত্ৰ আৰু ঘটনাসমূহক অনাহক ভীৰৰ পৰা ৰক্ষাদানৰ উদ্দেশ্যে আৱশ্যক হলে অতি কষ্টেৰে আহৰণ কৰা সমলকো ত্যাগ কৰিব লাগিব। আনকি পৃথিৱীৰ প্ৰথম ঐতিহাসিক হেৰ'ডটাছেও গ্ৰীচৰ ইতিহাস লিখিবলৈ লওঁতে ইটো কাহিনী এৰি সিটো কাহিনীলৈ, পাৰস্য, ইজিপ্ত, বেবিলন আদি ইমান দেশ এৰি সিমান দেশলৈ ঘূৰি ফুৰিব লগা হৈছিল। ঐতিহাসিকে কেৱল এখন টোকাবহী উলিয়াই দিলেই নহ'ব, এটা সুসংহত বৰ্ণনা দাঙি ধৰিব লাগিব; তাকে নকৰিলে, তেওঁৰ লিখাখিনি যিমানেই মূল্যবান নহওক সি কাৰো বোধগম্য নহ'ব। ঐতিহাসিকে নিজৰ সমল-নিৰ্বাচনৰ প্ৰক্ৰিয়া নিজেই নিৰ্দিষ্ট কৰি ল'ব লাগিব। এই প্ৰক্ৰিয়া ঠিকমতে নহ'লে ইয়েই সমুদ্ৰ-বুকুৰ অদৃশ্য শৈলস্তূপ স্বৰূপ হৈ এজোকন অতি সাহসী আৱিষ্কাৰকৰো জাহাজ ধ্বংস কৰাৰ আশংকা। তেওঁ যদি লক্ষ্য নকৰে যে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ খুঁটি-নাটিয়ে, যিমানেই মনোগ্ৰাহী নহওক, যদি সমস্যাটোৰ ওপৰত প্ৰত্যক্ষভাৱে আলোকপাত নকৰে, তেনেহলে সেই-বিলাকে পাঠকক খেলিমেলি লগাই বিৰক্ত কৰিহে তুলিব। দুৰ্ভাগ্যবশতঃ এই ক্ষুদ্ৰ ক্ষুদ্ৰ কথাবোৰেই উদ্যোগী ঐতিহাসিক এজনৰ পক্ষে অতি মনো-গ্ৰাহী হয়। তেওঁ দেখা নাপায় যে, ইতিহাসত বৰ্ণনীয় ঘটনাৰ ভিতৰত সেইবোৰৰ কোনো স্থান নাই। অকল সেয়ে নহয়, সেইবোৰ কেনেকৈ বাদ দিব লাগে সেই বিষয়েও তেওঁ অজ্ঞাত। তেতিয়া তেওঁৰ লিখা-খিনিত এনে কিছুমান ঘটনা আহি সোমায়, যিবোৰে তেওঁৰ সিদ্ধান্তসমূহৰ যুক্তি প্ৰতিপন্ন কৰাত লেশমাত্ৰও সহায় নকৰে। পত্তানৰ পৰা ধান বিচাৰি উলিওৱা অসম্ভৱ হৈ পৰে। ফলত তেওঁৰ সিদ্ধান্তসমূহনো কি আৰু কেনেকৈ তেওঁ সেইবোৰত উপনীত হ'লগৈ, তাক কোনেও বিচাৰি উলিয়াব নোৱৰাত পৰে।

বিশ্লেষণ আৰু উপস্থাপন

সুনিপুণ ঐতিহাসিকৰ লিখনত পাণ্ডিত্য, গৱেষণা আৰু সমল ব্যৱহাৰৰ দক্ষতা প্ৰকাশ পায়। কথিত আছে মেক'লেই হেনো কুৰিখন কিতাপ পঢ়ি এটা বাক্য লিখিছিল আৰু এনাৰী

বৰ্ণনা লিখিবলৈ এশ মাইল ভ্ৰমণ কৰিছিল । শিৱাজী প্ৰণেতা যদুনাথ চৰকাৰেও একোখন যুদ্ধৰ সঠিক বৰ্ণনা দিয়াৰ পূৰ্বে সমৰক্ষেত্ৰবিলাক স্বচক্ষে চাই আহিছিল । এনে মহৎ ঐতিহাসিকসকলৰ পদ্ধতি আছিল সমলখিনি সম্পূৰ্ণ আয়ত্ত কৰি লোৱা আৰু লিখিবলৈ আৰম্ভ কৰাৰ আগতে বিষয়টোৰে মনটো পৰিপূৰ্ণ কৰি লোৱা । য'তেই দেখা যায় যে, দীঘলীয়া উদ্ধৃতি, অলাগতিয়াল তথ্য আৰু অসমীক্ষিত তথ্য-পাতি ভয়ে ভয়ে উত্থাপন কৰা হৈছে, তাতেই বুজিব লাগিব যে, প্ৰাপ্ত সামগ্ৰীখিনি লিখকে হজম (assimilate) কৰিব পৰা নাই ।

আগেয়ে কালক্ৰম অনুসৰি বা সম্ৰাটসকলৰ শাসনকাল অনুক্ৰমে লিখি ইতিহাস প্ৰণয়ন কৰা হৈছিল । কিন্তু এতিয়া তাৰ ঠাইত কালক্ৰম আৰু ঘটনাৰ ক্ৰম—দুয়োটাৰে সমণ্বয় ৰাখিহে ইতিহাস প্ৰণয়নৰ বিধি প্ৰবৰ্তিত হৈছে । উপস্থাপন আৰু ব্যাখ্যাৰ মাজৰ অন্তৰ্বৰ্তী লিখাখিনি সুষম আৰু একত্ৰিত হ'ব লাগে । গৱেষকে প্ৰায়ে পাহৰি যায় যে, এটা বিশেষ অধ্যয়নৰ সাৰবস্তু সম্পৰ্কে পাঠকৰ অভিজ্ঞতা নাথাকে । বিভিন্ন ধাৰাসমূহ সুসংগতভাৱে সজাই দিওঁতে মাজত ব্যৱধান এৰি যায় । তাৰ এটা কাৰণ হৈছে যে ইটো সিটোৰ মাজৰ হেৰাই যোৱা যোগসূত্ৰসমূহ ইমান সাধাৰণ কথা হৈ পৰে যে, তাৰ ওপৰত পাঠকে কিমান গুৰুত্ব আৰোপ কৰিব পাৰে তালৈ তেওঁ আওকাণ কৰি সেইখিনি বাদ দি যায় । এটা যুক্তি-যুক্ত ৰূপৰেখা (Outline), সুসংগত টোকা আৰু সাৱধানে শব্দ বাছনি কৰি লিখা শিৰোনামা দিব পাৰিলে সেই কথাখিনি বাদ পৰি যোৱাৰ ভয় নাথাকে ।

অধ্যায়ৰ ভিতৰতো আদিৰপৰা অন্তলৈকে ভাৱৰ আঁতডাল ছিগিব নালাগিব । যেতিয়া এলানি ভাৱ লৈ বিস্তাৰিতভাৱে আলোচনা কৰা হয়, তেতিয়া সেইবোৰৰ এটা প্ৰাথমিক গণনা দিলে বিষয়টোৰ এটা থূলমূল চিনাকি পোৱাত সহায় হয় । অধ্যায়টোৰ বৰ্ণনাৰ বিভিন্ন অংশত পাৰস্পৰিক উল্লেখ থাকিলে অলাগতিয়ালভাৱে কৰা চৰ্বিত-চৰ্বন কাৰ্য্য বাদ দিব পৰা যায় । এই উল্লেখবোৰো আকৌ অত্যধিক হ'লে পাঠকক বিৰক্তি জন্মোৱা হয়। দীঘলীয়া তালিকা, দলিল-পত্ৰ আৰু আন আন লাগতিয়াল তথ্য-পাতি পৰিশিষ্টত দিব পাৰি, মাত্ৰ তাত আৰু মূল পাঠত

পাৰস্পৰিক উল্লেখ থাকিব লাগিব। দীঘলীয়া আৰু আংশিক হলেও অপ্ৰাসংগিক উদ্ধৃতিয়ে পাঠকৰ অধ্যয়নৰ একাগ্ৰতা ভংগ কৰে। চমু উদ্ধৃতি বা টোকা আদি ক'ৰপৰা উদ্ধৃত হৈছে তাৰ স্বীকৃতি দি উপস্থাপন কৰিলে সুবিধা হয়। কিছুমান লেখকৰ এটা ভুল ধাৰণা আছে যে, অধ্যায়টোত লিখা প্ৰত্যেক উক্তিৰ সমৰ্থনত কোনোবা নহয় কোনোবা প্ৰামাণ্য ব্যক্তিৰপৰা উদ্ধৃতি দিবই লাগিব; কিন্তু তাকে কৰিবলৈ গ'লে পাঠকক আমনি দিয়াহে হয়, পাণ্ডিত্যৰ প্ৰমাণ নহয়।

লিখন-ৰীতি

কিছুমান ঘটনা যেতিয়া পৰিপাটিকৈ সজাই লোৱা হয়, সেইবোৰৰ ব্যাখ্যাদান কৰা হয় আৰু কাৰ্য্য-কাৰণ সম্পৰ্কেৰে সম্পৰ্কিত কৰি দেখুওৱা হয়, তেতিয়া তাৰ ফলাফলখিনিও লিপিবদ্ধ কৰা আৱশ্যকীয়। গৱেষকৰ পক্ষে ইয়ে আটাইতকৈ শীৰ্ষস্থানীয় কাম। এইখিনিতে আহি পৰে লিখন-ৰীতি (Style)ৰ কথা। লিখাৰ বৈশিষ্ট্যৰ লগত লিখন-ৰীতিৰ সম্পৰ্ক বিশেষকৈ ব্যক্তিগত প্ৰকাশ-ক্ষমতাৰ লগত। কিছুমানৰ মতে, বৰ্ণনাখিনি এনে এটা লিখন-ৰীতিৰে দাঙি ধৰিব লাগে যাতে বিষয়টো সমালোচনাৰ দৃষ্টিভংগীৰে উপস্থাপন কৰাতকৈ পাঠকৰ মন আকৰ্ষণ কৰাৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এই ৰীতি মানি চলিবৰ হ'লে ব্যৱহাৰ কৰিব লাগিব শব্দবহুল আৰু অলংকাৰপূৰ্ণ ভাষা। ই পাঠকৰ মনত দকৈ সাঁচ বহুৱায় সঁচা, কিন্তু আনফালে চিন্তাৰ স্পষ্টতাৰ মৃত্যু ঘটায়। লিখকে বুজাব খোজা কথাটো সঠিককৈ বুজাব নোৱাৰে। কি ক'ব খুজিছে তালৈ আওকাণ কৰি, তেওঁ উচ্চধ্বনি-বিশিষ্ট (High sounding) শব্দ বিচাৰিহে ঘূৰ্মুটিয়াই ফুৰে। এটা বিশেষ অৱস্থা হেৰাই গৈও যদি অবিৰতভাৱে এই ধৰণে লিখি থকা হয়, তেন্তে সেই লিখাখিনি আৰু ইতিহাস হৈ নাথাকে।

সাহিত্যিকৰ লিখাৰ লগত ঐতিহাসিকৰ লিখা বেলেগ এইখিনিতেই যে ঐতিহাসিকৰ প্ৰথম লক্ষ্য হৈছে সাৱলীলতা (Lucidity)। সাধাৰণতে লিখন-ৰীতি যিমানেই সাৱলীল হয়, ঐতিহাসিকৰ দৃষ্টিকোণৰপৰা লিখা সিমানেই উৎকৃষ্ট হয়। এই লিখা হ'ব লাগে স্বাভাৱিক, পেনপটীয়া আৰু ব্যৱসায়াত্মক (Businesslike), তাৰ মানে

সৰলতা, স্পষ্টতা আৰু প্ৰত্যক্ষ। তাত অতিপাত নাটকীয়তা, আলংকাৰিক জাক্‌জমক আৰু অযথা ভাৱাবেগৰ প্ৰাচুৰ্য্য থাকিব নালাগিব। ঐতিহাসিকে গতানুগতিক শব্দাংশ (Hackneyed phrases) যোজনা, বচন, পাতল কথিত ভাষা (Colloquilism), পদবী, উপাধি আৰু প্ৰথম পুৰুষ (মই) ত্যাগ কৰি চলিব লাগিব। কিন্তু সেইবুলি যে নীৰস আৰু একেসুৰীয়া হ'ব লাগিব তাৰ কোনো অৰ্থ নাই; বিজ্ঞান বিষয়ক লিখা নীৰস হোৱা উচিত নহয়; তাত আৱশ্যকীয় সাহিত্যিক সৌন্দৰ্য্য থাকিব লাগিব।

সঠিক উক্তিৰ বাবে অত্যাৱশ্যকীয় কথা-শব্দ-চয়নৰ (diction) নৈপুণ্য। শব্দ-চয়নৰ নৈপুণ্য আৰু সমাৰ্থক শব্দৰ (Synonyms) সুপ্ৰয়োগে প্ৰকাশ-ভংগী একেসুৰীয়া হ'বলৈ নিদিয়ে। শব্দাংশ, বাক্য আৰু ছেদসমূহৰ বৈচিত্ৰ্যই লিখন-ৰীতি সুখপাঠ্য কৰি তোলে।

পৰিশিষ্ট আৰু পাদটীকা

অলাগতিয়াল খুটি-নাটি সম্পৰ্কীয় অসমীক্ষিত সমল, অনুসূচী, দীঘলীয়া তালিকা, চিঠি, ব্যক্তিগত লিখন ইত্যাদি ঐতিহাসিকে পাদটীকা আৰু পৰিশিষ্টলৈ এৰিব পাৰে। তেনে ক্ষেত্ৰত পাঠক সহজে বৰ্ণনাৰ ঘাই সুঁতিয়েদি গৈ থাকিব; আনপিনে, পাদটীকাৰ নানান সোঁতবিহীন স্থিৰ জলৰাশিৰ মাজত তেওঁ সন্মুখীন হ'ব নৌ-যাত্ৰাৰ নানান বিপদ-বিঘিনি, ঘিবিলাকৰ মাজেদি এজন নিপুণ ঐতিহাসিকে সুকলমে চলাই লৈ যাব পাৰে। পৰিশিষ্ট দিলে সুসংহতভাৱে দিয়া আৱশ্যক; সেয়ে নহলে মূল পাঠৰ মাজত জাবৰ-জোথৰ সোমাই চিন্তাৰ সোঁত ব্যাহত কৰিব। পৰিশিষ্টৰ তথ্যখিনি বিভিন্ন সমজাতীয় সমষ্টিত ভাগ কৰি, তাত নম্বৰ আৰু যথোপযুক্ত শিৰোনামা দি সেইখিনি সূচীপত্ৰত তালিকাবদ্ধ কৰি দেখুৱাই দিয়া উচিত। যেনে তেনে গোটেই সমলখিনিকে কামত লগোৱাৰ এটা সুবিধাজনক পদ্ধতি বুলি গণ্য কৰি পৰিশিষ্টক বিভিন্ন অপ্ৰাসংগিক বস্তু দমাই থোৱা ঠাই বুলি গণ্য কৰিব নালাগে।

ইতিহাস প্ৰণয়নৰ আন এটা আৱশ্যকীয় কথা—ক'ৰপৰা এটা বিশেষ তথ্য পোৱা হৈছে পাঠকক তাৰ সন্ধান দিব লাগে। পাদটীকাত এই

কাম কৰা হয়। ইতিহাসৰ পাঠত যিবোৰ উক্তি কৰা হয়, সেইবোৰৰ যদি বিশ্বাসযোগ্য প্ৰমাণ দিয়া নহয়, তাক ইতিহাস বোলা নাযায়। কোনো কোনো ক্ষেত্ৰত একেটা বাক্যতে একাধিক ঘটনাৰ বৰ্ণনা থাকিব পাৰে। তেনেকুৱাত এটাতকৈ বেছি পাদটীকাৰ আৱশ্যক হ'ব হয়তো; আনহাতে কেইবাটাও বাক্যত বা ছেদত যদি এটা ঘটনা মাত্ৰ বৰ্ণনা কৰা হয়, তেতিয়া একেটা পাদটীকাই যথেষ্ট হ'ব পাৰে। য'ত আৰু যেতিয়া আৱশ্যক হয় তেতিয়াহে পাদটীকা দিব লাগে। কেতিয়াবা মূল পাঠত বৰ্ণিত একোজন ঐতিহাসিক ব্যক্তিৰ জীৱন-বৃত্তান্ত পাদটীকাত সন্নিবিষ্ট কৰা হয়। আন খুটি-নাটি যিবোৰ একেবাৰেই নগণ্যও নহয় আৰু মূল পাঠৰ অন্তৰ্ভুক্ত কৰিব লগাকৈ গুৰুত্বপূৰ্ণও নহয় সেই সকলোবোৰ পাদটীকাত দিয়া হয়। সাধাৰণতে এটা কাম ভুলকৈ কৰা হয়—গুৰুত্বপূৰ্ণ ঘটনাবো দীঘলীয়া টোকা পাদটীকাত দিয়া হয়; অথচ তাকে নকৰি সেইখিনি মূল পাঠতে দিব পৰা গ'লহেঁতেন বা দিয়া উচিতো। আনহাতে আকৌ আন এটা ভুল কাম হৈছে, অপ্ৰাসংগিক কথা মূল পাঠৰ অন্তৰ্ভুক্ত কৰা। তেনে কৰিলে বৰ্ণনাৰ সাৱলীলতা নষ্ট হয়। গতিকে গুৰুত্বপূৰ্ণ আৰু গুৰুত্বহীন বিষয়ৰ পাৰ্থক্য বিচাৰ কৰি, গুৰুত্বপূৰ্ণ ঘটনাবোৰ মূল পাঠত দি বাকীবিলাক পাদটীকাত দিয়া আৱশ্যক।

মূল পাঠত নম্বৰ দি ঘটনাসমূহ সাধাৰণতে তিনিটা পদ্ধতিৰে উল্লেখ কৰা হয়—

(১) প্ৰত্যেক পৃষ্ঠাতে ভিন ভিন নম্বৰ;
(২) প্ৰত্যেক অধ্যায়ৰে একাদিক্ৰমে নম্বৰ;
(৩) গোটেই অধ্যায়টোৰে নম্বৰ।

প্ৰথমটো অনুসৰি পাদটীকাসমূহ কেৱল মূল পাঠৰ পৃষ্ঠাটোৰ তলৰ ফালেহে দিয়া হয়; দ্বিতীয়টো অনুসৰি মূল পাঠৰ নম্বৰ অনুক্ৰমে সংশ্লিষ্ট পৃষ্ঠাৰ তলত, নহলেবা অধ্যায়টোৰ শেষত ধাৰাবাহিকভাৱে দিয়া হয়। তৃতীয়টো অনুসৰি আগতে কৈ অহাৰ দৰে, যদিও সমুদায় অধ্যায়টোৰ বাবে প্ৰত্যেকটো অধ্যায়ৰ কাৰণে নতুনকৈ নম্বৰ দি পাদটীকাৰ নম্বৰ একাদিক্ৰমে দিয়াৰ উপৰিও কিতাপখনৰ শেষতহে পাদটীকা দিয়া হয়। প্ৰথম আৰু দ্বিতীয় পদ্ধতিকে ভাল বুলি ভবা যায়, কাৰণ এজনে পঢ়ি যাওঁতে টোকাখিনিও লগে লগে চাই যাবলৈ সুবিধা পায়।

যদি টোকাসমূহ অধ্যায়ৰ বা কিতাপৰ শেহতহে দিয়া হয়, তেতিয়া পাঠকে অতি আৱশ্যকীয় বুলি অনুভৱ কৰা খিনিৰ বাবে পাদটীকা চাবলৈ পাত লুটিয়াব লাগিব আৰু আনপিনে অতি গুৰুত্বপূৰ্ণ পাদটীকাসমূহ, বিশেষকৈ যেতিয়া একে পৃষ্ঠাতে ভালেখিনি থাকে, তেতিয়া পাঠকে আৱশ্যকীয় টোকা বিচাৰি পৰিশ্ৰম আৰু সময় নষ্ট কৰিব লগা হয়। একে পৃষ্ঠাতে পাদটীকাসমূহ থাকিলে সময়ো কম লাগে আৰু কষ্টৰো লাঘৱ হয়। পাঠকে সহজে মূল পাঠত এৰি অহা চিন্তাধাৰালৈ ঘূৰি যাব পাৰে।

গ্ৰন্থপঞ্জী

গৱেষকে ব্যৱহাৰ কৰা সমলবোৰৰ এক আনুষ্ঠানিক তালিকাই হৈছে গ্ৰন্থপঞ্জী। গ্ৰন্থকাৰে পাদটীকাত উল্লেখ কৰাবোৰৰ বাহিৰেও যিবোৰ সমল ব্যৱহাৰ কৰিছে, কিন্তু মূল পাঠত উল্লেখ কৰা নাই সেইবোৰো ইয়াৰ ভিতৰত পৰে। যিবোৰ মূল পাঠতো উল্লেখ কৰা নাই বা গ্ৰন্থ প্ৰস্তুত কৰোঁতেও ব্যৱহাৰ কৰা নাই, কিন্তু বিষয়টো অধ্যয়ন কৰোঁতে আনুষংগিকভাৱেহে অধ্যয়ন কৰা হৈছে তেনেবোৰ সমলকো কোনো কোনো ঐতিহাসিকে গ্ৰন্থপঞ্জীৰ ভিতৰতে ধৰে। বিভিন্ন সমল অনুসৰি বিভিন্ন শিতানত গ্ৰন্থপঞ্জী ভাগ কৰা হয়। ইয়াক বহলভাৱে দুভাগত ভগাব পাৰি—মুখ্য আৰু গৌণ। তাকো আকৌ ভাগ কৰিব পাৰি, প্ৰকাশিত আৰু অপ্ৰকাশিত এই দুই ভাগত। আকৌ বিষয় বস্তু হিচাপেও ভাগ কৰা যায়। ঐতিহাসিক আলোচনী আৰু বাতৰি কাকতক আন এটা ভাগত থব পাৰি, কিন্তু সেইবিলাকৰ আৰু পুনৰ্বিভাগ নকৰিলেও হয়।

গ্ৰন্থপঞ্জী লিপিবদ্ধ কৰোঁতে তিনিটা কথা উল্লেখ কৰা উচিত—

(ক) গ্ৰন্থকাৰৰ নাম ;

(খ) গ্ৰন্থৰ শিৰোনামা, প্ৰত্যেকৰ পিছতে কমা ;

(গ) গ্ৰন্থৰ প্ৰকাশনৰ তথ্যসমূহ।

গ্ৰন্থকাৰ, সম্পাদক বা সংকলকৰ নাম এইদৰে দিয়া থাকিব : প্ৰথমে বংশৰ নাম, তাৰ পিছত ব্যক্তিৰ নামৰ অদ্যাক্ষৰ। যেনে—শৰ্মা, বি,

এন । যদি এনে নাম তিনিটাতকৈ কম থাকে, তেন্তে আটাইকেউটা নাম দিব লাগে ; তিনিটাতকৈ বেছি থাকিলে বংশৰ নামেৰে আৰম্ভ কৰি প্ৰথম নামটো দি বাকীকেইটা "আৰু আন আন"বুলি দিব লাগে । গ্ৰন্থকাৰৰ নামৰ পিছতে শিৰোনামা আৰু কিবা উপনাম থাকিলে তাক কমা দি দেখুৱাব লাগে । শিৰোনামা আৰু উপ-শিৰোনামা থাকিলে তাকো, ছপাত হেলনীয়া আখৰেৰে দেখুৱাব লাগে যেনে : সুব্ৰাহ্মনিয়াম্, এন, হিষ্টৰিয়গ্ৰাফী, কডল পাব্লিছাৰ্চ, মাদুৰায়, ১৯৭৮ । প্ৰকাশনৰ ক্ষেত্ৰত প্ৰথম তাঙৰণৰ কথাটো প্ৰথমতে দিব লাগে ; ইয়াৰ পিছতে এটা কমা থাকিব লাগে । গ্ৰন্থৰ খণ্ডৰ সংখ্যা নাথাকিলে তাঙৰণৰ পিছতে, প্ৰকাশনৰ ঠাইৰ নাম দিয়া হয় । যদি পিছত আৰু দ্বিতীয় বা তৃতীয় তাঙৰণ হোৱা নাই, কিন্তু গ্ৰন্থখন একাধিক খণ্ডত সমাপ্ত হৈছে তেনে ক্ষেত্ৰত গ্ৰন্থৰ নামৰ পিছতে খণ্ডৰ নম্বৰ থাকিব । যদি তাঙৰণ আৰু খণ্ডৰ নম্বৰ নাথাকে, তেতিয়া গ্ৰন্থৰ নামৰ পিছতে প্ৰকাশনৰ স্থানৰ নামৰ উল্লেখ থাকিব । আজি কিছুদিনৰপৰা ইয়াতে প্ৰকাশকৰ নামো দিয়া দেখা গৈছে ।

পাদটীকা আৰু গ্ৰন্থপঞ্জী লিখাৰ ধৰণত বৰ বেছি পাৰ্থক্য নহয় । গ্ৰন্থপঞ্জী অক্ষৰানুক্ৰমে তালিকাভুক্ত কৰা হয় আৰু তাত বংশৰ নামটো আগতে লিখা হয় । পাদটীকাত সাধাৰণতে ব্যৱহাৰ কৰা ধৰণেই নাম লিখিব পাৰি । প্ৰথমটোত, উপ-শিৰোনামাও দিয়া হয়, কিন্তু পিছৰটোত বাদ দিয়া হয় । গ্ৰন্থপঞ্জীৰ বেছি ভাগতে গ্ৰন্থখনিৰ মুঠ পৃষ্ঠা সংখ্যাও দিয়া হয় । পাদটীকাত কিন্তু বিশেষ পৃষ্ঠালৈহে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা হয় ।

স্বীকৃতি

স্বীকৃতি নিদিয়াকৈ আন লিখকৰ ৰচনৰ অংশ বা টোকা আদিত সন্নিবিষ্ট কৰাটো এটা বৌদ্ধিক অসাধুতা, যাক সাধাৰণতে কুম্ভীলক-বৃত্তি (Plagiarism) বোলা হয় । মুখ্য সিদ্ধান্ত যিবোৰ গ্ৰহণ কৰা হয় তাত স্বীকৃতি দিয়াটো অপৰিহাৰ্য্য । আন কথাত কবৰ হলে সৃষ্টিশীল লিখকে তেওঁৰ লিখাৰ বাবে পাবলগীয়া গৌৰৱখিনি তেওঁক দিবই লাগিব । এনেকুৱা প্ৰত্যেক উদ্ধৃতিকে ক'ৰপৰা অনা হৈছে, তাক

পাদটীকাৰ দ্বাৰা সঠিক উক্তিৰে লিখি দেখুৱাব লাগিব। কেতিয়াও তাৰ অৰ্থ বিকৃত কৰিব নালাগিব আৰু সাৰাংশ দিবলগীয়া হ'লেও অতি সাৱধানেহে দিব লাগিব। উদ্ধৃতিৰ কিছু অংশ বাদ দিবলগীয়া হ'লে লুপ্তপদ (Ellipsis) সংকেতৰ দ্বাৰা "......." আৰু লগতে আৱশ্যক অনুসৰি যতি চিহ্নেৰে দেখুৱাই দিব লাগে। উদ্ধৃতিৰ মাজত ব্যাখ্যামূলক মন্তব্য দিবলগীয়া হলে, তাক বন্ধনীৰ মাজত দি মূল পাঠৰপৰা পৃথক কৰি দেখুৱাব লাগে। মূল লিখকৰ (যিজনৰ পৰা উদ্ধৃতি দিয়া হৈছে) কিবা ভুল থাকিলে তাক শুধৰাব নালাগে। তাৰ পৰিবৰ্তে ভুলটোৰ ঠিক পিছতে (Sic) বুলি সংকেত দিব লাগে।

অপ্ৰকাশিত গৱেষণা বা গ্ৰন্থ বা তেনে প্ৰতিবেদন প্ৰস্তুত কৰোঁতে উদ্ধৃতিৰ বাবে অনুমতি লব নালাগে। *

H. C. Hockett, *The Critical Methed of Historical Research and writing*, pp. 143-80, 189-254 ; Garragham, *A Guide to Historical Method*, pp. 321-49, 381-95 ; H. Ausubel, *Historians and their Craft*, 148-88.

ষষ্ঠ অধ্যায়

পাশ্চাত্য জগত

'হিষ্টৰি' (ইতিহাস) শব্দটো যে গ্ৰীক 'ইষ্টৰিয়া' শব্দৰ পৰা উৎপত্তি হৈছে, আগতে কৈ অহা হৈছে। 'ইষ্টৰিয়া'ৰ অৰ্থ প্ৰণালীবদ্ধ অনুসন্ধানৰ ভিত্তিত লাভ কৰা নিশ্চিত জ্ঞান। ইতিহাস সম্বন্ধে ধাৰণা যুগে যুগে, দেশে-বিদেশে আৰু মাজে সময়ে লেখক-বিশেষেও পৃথক হৈ আহিছে। প্ৰাচীন সভ্যতাৰ উচ্চ শিখৰত থকা ইজিপ্ত, এচিৰীয় আৰু বেবিলনীয়াৰ লোকসকল ইতিহাস সম্পৰ্কে অজ্ঞ আছিল বুলি অনুমান হয়। সিবিলাকৰ ৰজাসকলে নিজা গৌৰৱ যুগমীয়া কৰাৰ উদ্দেশ্যে অসংখ্য শিলালিপি আৰু কীৰ্তিস্তম্ভ নিৰ্মাণ কৰাইছিল আৰু এজোকজনে প্ৰশাসনীয় আৰু আন বিষয়েও নথি-পত্ৰ সংৰক্ষণ কৰিছিল। সেইবিলাকৰ দ্বাৰা ৰাজ-বংশাৱলী বা কাল সম্পৰ্কে কিছু ধাৰণা কৰিব পাৰিলেও, ধাৰাবাহিক ইতিহাস ৰচনা সম্পৰ্কে একো জনা নাযায়। প্ৰাচীন ইহুদিসকল অৱশ্যে অন্যান্য জাতিতকৈ এই কথাত অধিক সচেতন আছিল। সেইটো হ'ল, তেওঁলোক অতীতত বদ্ধমূল (rooted in Past) আৰু তেওঁলোকৰ বিশেষ ইতিহাস মানৱ জাতিৰ সাধাৰণ ইতিহাসৰ অংগ। কিন্তু তেওঁলোকৰ বিৱৰণসমূহেও প্ৰকৃত ইতিহাসৰ স্থান পোৱা নাছিল। উপকথা-প্ৰবাদৰ সংমিশ্ৰণৰ উপৰিও সেইবিলাকত সমালোচনাৰ অভাৱ আছিল। আকৌ মানৱ জীৱন সম্পৰ্কীয় কোনো যুক্তিসংগত বিৱৰণীতকৈ বিশ্ব নিয়ন্ত্ৰণত ঐশ্বৰিক ভূমিকা সম্পৰ্কেহে সেইবিলাকত দাঙি ধৰা হৈছিল। চীন দেশত অতি প্ৰাচীন কালৰ পৰা বিভিন্ন ৰাজসভাত নিৰ্দিষ্ট ঘটনাপঞ্জী লিখাৰ ৰীতি চলি আছিল। কনফুচিয়াচে (Con-

fucias) তেওঁৰ লু (Lu) ৰাজ্যৰ বুৰঞ্জী লেখিছিল বুলি চীনা প্ৰবাদ আছে। প্ৰকৃততে চীন সাম্ৰাজ্য একত্ৰিত (২৩১ খ্ৰী: পূ:)হৈ একেজন সম্ৰাটৰ শাসনাধীন হোৱাৰ পৰাহে ইতিহাস ৰচনা আৰম্ভ হয়। চীন বুৰঞ্জীৰ পিতৃস্বৰূপ ছু-মা-চিয়েন (Ssu-ma-chien) অৰ ৰচনাকাল আনুমানিক ৮৫ খ্ৰী: পূ:)। ইতিপূৰ্বে অতীত ঘটনাৱলী সামগ্ৰিকভাৱে লিপিবদ্ধ কৰা সম্পৰ্কে কোনো ধাৰণাই নাছিল। ছু-মা-চিয়েনে অতীতৰ ঘটনাৱলী বিভিন্ন দৃষ্টিকোণৰ পৰা চালি-জাৰি চাইছিল। ৰজা আৰু ডা-ডাঙৰীয়াৰ জীৱনী ৰচনা কৰাৰ উপৰিও তেওঁ কন্‌ফুচিয় দৰ্শন-বিদ্যাৰ্থী, ধনী সম্প্ৰদায়, ৰাজনৈতিক, সামাজিক আৰ্থিক দিশসমূহৰ বিষয়েও লিখিছিল।

গ্ৰীক আৰু ৰোমীয় ইতিহাসকাৰ

ইউৰোপত গ্ৰীকসকলেই পোনতে মানুহৰ জীৱনৰ ঘটনাসমূহ লিপিবদ্ধ আৰু মূল্যায়ন কৰি ইতিহাস ৰচনাৰ জন্ম দিছিল। হোমাৰৰ (Homer) দৰে প্ৰথম গ্ৰীক লেখকসকলে তেওঁলোকৰ পূৰ্বপুৰুষৰ মহৎ কৰ্মৰাজি বৰ্ণাই মহাকাব্য ৰচনা কৰিছিল। ইয়াৰ পিছৰ স্তৰটোৰ বংশাৱলীসমূহ কাব্যতেই ৰচিত হৈছিল। এই বংশাৱলীসমূহ পুৰাণ প্ৰসিদ্ধ নায়ক-সকলৰ লগত খ্ৰীষ্টপূৰ্ব সপ্তম আৰু ষষ্ঠ শতিকাৰ ৰজা আৰু ডা-ডাঙ-ৰীয়া সকলক দিয়া হৈছিল। মিলেটাছৰ হেক্‌টেয়াছ (Hectaeus), আনুমানিক খ্ৰী: পূ: পঞ্চম শতিকা) এগৰাকী পৰ্য্যটক আৰু ভূগোল-প্ৰণেতা আছিল। ইতিহাসলৈকো তেওঁৰ আছিল মহান অৱদান—তেৱেঁই ইতিহাস কলাৰ অপৰিহাৰ্য্য মাধ্যম গদ্যত পোন প্ৰথম ৰচনা কৰিছিল।

হেৰ'ডটাছ্ (Herodotus)

হেলিকাৰ্ণেছাছৰ হেৰ'ডটাছ (আনুমানিক ৪৮০—২৫ খ্ৰীঃ পূঃ) হ'ল ইতিহাসৰ জনক* (Father of history)। কিয়নো তেওঁৰ 'হিষ্টৰি' খনিয়েই উত্তৰ পুৰুষৰ কাৰণে সৰ্বপ্ৰথম আধুনিক ইতিহাস। তেওঁ এনে এখন পৃথিৱীৰ পৰ্য্যালোচনা কৰি গৈছে, য'ত পাৰস্য দেশৰ

১. B. Watson, *Records of Historians of China*, *i*, p. 4,

*ৰোমান ৰাজনীতিজ্ঞ চিচেৰু (Cicero)য়ে তেওঁক এই সন্মান দিছিল।

ৰণ-বিগ্ৰহবোৰ সংঘটিত হৈছিল। তেওঁ লিখি যোৱা ইতিহাসত কেতবোৰ নিৰ্দিষ্ট ঘটনাৰ সম্পৰ্কই যে বৰ্ণনা কৰিছে যে এনে নহয়, অনুসন্ধানৰ যি ফলাফল সেই বিষয়েও লিখি থৈ গৈছে। ফিলিপ্ বাগবিয়ে কোৱাৰ দৰে "তেওঁৰ গ্ৰন্থত বিষয়-বস্তুত অসংখ্য লোক সংক্ৰান্ত ঘটনাৱলীৰ উপৰিও ৰাজনৈতিক, আৰ্থিক, শাসন, সামাজিক জীৱনৰ নানা দিশ, ধৰ্ম, কলা-সংস্কৃতি আৰু ইতিহাসো সামৰা হৈছে।"[২] এইবিলাক অনুসন্ধানৰ কাৰণে তেওঁ কৃষ্ণসাগৰ, ইজিপ্ত, বেবিলনিয়াৰ ইমুৰৰ পৰা সিমুৰলৈ ভ্ৰমণ কৰিব লগা হৈছিল। বাৰ্টকৰ্মীয়া হোৱা কাৰণে কৌশলগত দিশত তেওঁ ত্ৰুটিমুক্ত হ'ব পৰা নাছিল। তেওঁৰ সংকলনসমূহ ছেগাচোৰোকা আছিল; সমলবোৰ চালি-জাৰি উলিওৱা আৰু বিষয়টোৰ প্ৰতি তেওঁৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত তেওঁৰ যিমান মহাকাব্যিক বিস্ময়াভিভূতি (Epic admiration) আছিল, বৈজ্ঞানিক নিৰ্মোহতা (detachment) সিমান নাছিল। তথাপিতো হেৰ'ডটাছৰ ইতিহাস (৫০০ খ্ৰীঃ পূঃ) এক মহত্তম সাহিত্যকৃতি আছিল আৰু ইয়েই তেওঁক মহান ঐতিহাসিকৰ শাৰীত নেপেলালেও বিশ্বৰ মহৎ লোকসকলৰ অন্যতম বুলি পৰিচিত কৰিলে।

থুকিডাইডিছ্ (Thucydides)

হেৰ'ডটাছৰ সমসাময়িক থুকিডাইডিছক (আনুমানিক খ্ৰীঃ পূঃ ৪৬০—৪০০) অতি প্ৰাচীন কালৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক ৰূপে গণ্য কৰা হয়।[৩] হেৰ'ডটাছে গোটেই পৃথিৱীখনকে তেওঁৰ কাহিনীৰ স্থল হিচাপে লৈছিল; থুকিডাইডিছে লৈছিল এটা সীমিত আৰু সংবদ্ধ বিষয়বস্তু—খ্ৰীঃ পূঃ ৪৩১—৪১১ লৈকে হোৱা এথেন্স আৰু স্পাৰ্টাৰ মাজত পেলোপনেচিয়া বা পেল'প'নেছিয়া যুদ্ধ (Peloponeccian War)। সমসাময়িক ইতিহাসকাৰ হিচাপে তেৱেঁই সৰ্বপ্ৰথম ব্যক্তি। তেওঁ কৈছিল ইতিহাস সেই সকলৰ কামত আহিব "যিসকলে ভৱিষ্যতৰ

২. Philips Bagby, *Culture and History*, pp 24-6.

৩. Richard Crawley, *tr.*, Thucydides, *History of the Peloponnesian War* (1910); B. Jewett, *tr.* (1880), revised by W.H. Forbes and E. Abbot (1900).

ব্যাখ্যাৰ ক্ষেত্ৰত সহায়কৰূপে অতীতৰ সঠিক জ্ঞান লাভ কৰিব খোজে। মোৰ ইতিহাস তৎকালীন লোকদৰ্শক কাহিনী নহয়, ই হ'ল যুগমীয়া সম্পদ"।[8] প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ সংঘাত দেখুৱাতেই হেৰ'-টাছ সন্তুষ্ট আছিল। এই সংস্কৃতিৰ বিস্ময় আৰু বিভিন্নতাৰ ছবি এখন দাঙি ধৰি সংগ্ৰামৰ নাটকখন বিস্মৃতিৰ গৰ্ভত বিলীন হৈ যোৱাৰ পৰা ৰক্ষা কৰা সম্পৰ্কে কব পাৰিলেই তেওঁ সন্তুষ্ট হৈছিল। থুকিয়ে ভূ-শক্তি আৰু নৌ-শক্তিৰ (Land power and Naval power) মাজত হোৱা যুদ্ধৰ অন্তৰ্নিহিত কাৰণসমূহৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ কাৰণে তেওঁ চৰকাৰী নথি-পত্ৰ, সামৰিক বিষয়া হিচাপে নিজৰ অভিজ্ঞতা আৰু চাক্ষুষ প্ৰমাণৰ দ্বাৰা সমল সংগ্ৰহ কৰি-ছিল। এই সকলোবোৰ তেওঁ পুংখানুপুংখভাৱে পৰীক্ষা কৰিহে প্ৰয়োগ কৰিছিল।[5] ভুৱা বা সন্দেহযুক্ত ঘটনাবোৰ একেবাৰে বাদ দিছিল; যদিও এনে ঘটনাই তেওঁৰ পাঠকসকলক আমোদ দিব পাৰিলেহেঁতেন। বৰ্ণনাৰ বিষয়বস্তুটো পৰিপাটিকৈ সজাই লৈছিল, য'ত নিখুঁত কালক্ৰমৰ ঘটনাৰ ক্ৰম সঠিকভাৱে নিৰূপিত কৰা হৈছিল। কাৰ্য্য-কাৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া স্পষ্টভাৱে দেখুওৱা হৈছিল আৰু তেওঁৰ কাহিনীৰ চৰিত্ৰ-সমূহৰ উদ্দেশ্যবোৰ ফঁহিয়াই বিচাৰ কৰোঁতে মনত লেশমাত্ৰও দয়া-মমতাৰ ঠাই নিদিছিল। ইতিহাস তেওঁৰ কাৰণে গুৰুতৰ, সংযত,

---

৪. থুকিডাইডিছে লিখিছে "The absence of Romance in my history will, I fear, detract somewhat from its interest ; but if it be judged useful by those inquirers who desire an exact knowledge of the past as an aid to the interpretation of the past as an aid to the interpretation of the future......I shall be content. In fine, I have written my work, not as an essay which is to win the applause of the moment, but as a possession for all time." Richard Crawly, *op. cit.* p. 15.

৫. "And with reference to the narrative of events, far from permitting myself to desire it from the first source that came to hand, I did not even trust by own impressions, but it rests purely on what I saw

সত্যনিষ্ঠ আৰু চিন্তাকৰ্ষী ৰচনা আছিল—অৱশ্যে হেৰ'ডটাছৰ ইতিহাসৰ দৰে স্পষ্টভাৱে বৰ্ণাঢ্য (Vivid colouring) আৰু বৈচিত্ৰপূৰ্ণ পটভূমিৰ বৰ্ণনা নাছিল। আকৌ একোজন নায়কৰ মুখত বচনৰ (Speech) প্ৰয়োগ আৰু উপদেশমূলক (didactive) ৰচনাৰ বাবেও থুকিডাইডিছৰ ইতিহাস একেবাৰে দোষমুক্ত নহয় ।

পলিবিয়াছ (Polybius)

মেগাপলিচৰ পালিবিয়াচক (আনুমানিক ১৯৮-১১৭ খ্ৰীঃ পূঃ) ১৬৭ খ্ৰীঃ পূৰ্বাব্দত ৰোমলৈ দেশান্তৰী কৰা হৈছিল । তাত সেই সময়ৰ কনচাল্ চিপিও আমিলিয়াছৰ (Scipio Amelius) লগত গঢ়ি উঠা বন্ধুত্বৰ ফলত তেওঁ ৰোমৰ বিভিন্ন প্ৰতিষ্ঠিত আইন-কানুন আৰু বিধিবিধান সম্পৰ্কে গভীৰ অন্তৰ্দৃষ্টি লাভ কৰে । এইদৰে আহৰণ কৰা জ্ঞানৰ বলতেই পলিবিয়াছে ২৬৪—১৬৪ খ্ৰীঃ পূঃৰ ভূমধ্যসাগৰীয় বিশ্বখনৰ এক সাধাৰণ ইতিহাস ৰচনা কৰিবলৈ সক্ষম হয় । এই অঞ্চলৰ কেন্দ্ৰস্থ ভাগটো ৰোমৰ দখলত আছিল । ইতিহাস সম্বন্ধীয় ধাৰণাৰ ক্ষেত্ৰত তেওঁ মূলতঃ বাস্তৱ আৰু ব্যাৱহাৰিক বুদ্ধিসম্পন্ন আছিল । তেওঁৰ মতে ঐতিহাসিক বিশ্ব-জ্ঞানসম্পন্ন, বিধান আৰু বিচাৰ বুদ্ধি থকা ব্যক্তি হব লাগে । কোনো কাৰণ নোহোৱাকৈ একো ঘটনাই ঘটিব নোৱাৰে বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল । সেইকাৰণেই তেওঁ বুজিবলৈ চেষ্টা কৰিছিল কি কি কাৰণে ৰোমে দ্বিতীয় পিউনিক যুদ্ধৰ (খ্ৰীঃ পূঃ ২২০) আগৰ পৰা মেকিডন বিজয়লৈকে (খ্ৰীঃ পূঃ ১৬৮) অগ্ৰসৰ হব পাৰিছিল । গ্ৰীকসকলক পতিয়ন নিয়াবলৈ তেওঁ সক্ষম হৈছিল যে, যদি তেওঁলোকে স্বায়ত্তশাসন অব্যাহত ৰাখিব খোজে, তেন্তে তেওঁলোকে ৰোমৰ আধিপত্য স্বীকাৰ কৰি ল'বই লাগিব । ঐতিহাসিক সঠিকতাত সমকক্ষ নহলেও, মৌলিক কাৰণ বিশ্লেষণ আৰু ৰোমৰ জয়লাভৰ সুদূৰপ্ৰসাৰী তাৎপৰ্য্য আয়ত্ত কৰাৰ ক্ষেত্ৰত তেওঁ থুকিডাইডিছতকৈও আগবঢ়া আছিল । কালানুক্ৰমিকতাতো তেওঁ প্ৰায় নিখুঁত আছিল ।

---

mysel', partly on what others saw for me, the accuracy of the report being always tried by the most severe and detailed tests possible." *Ibid.*

লিভি (Livy)

তেওঁৰ ইতিহাসৰ (খ্ৰীঃ পূঃ ৫৯—খ্ৰীঃ ৬) ভাৰ্জিলৰ (Virgil) ৰোমীয় মহাকাব্য 'ঈনীড' (*Aeneid*)ৰ গদ্যভাগ ৰূপে গণ্য কৰিব পাৰি। বৰ্ণনাৰ ক্ষেত্ৰত এই গ্ৰন্থৰ ৰচনাত এক মহাকাব্যিক বিশালতা দান কৰা হৈছিল ; ইয়াত ১৪২টা খণ্ড আছিল। এই গ্ৰন্থত তেওঁ ৰোমৰ সাফল্যসমূহৰ সম্বন্ধে চিন্তা কৰি যিমান স্মৃতি লিপিবদ্ধ কৰিছিল. ইয়াত গভীৰভাৱে নিহিত হৈ থকা কাৰণ আৰু ঘটনাসমূহৰ বিশ্লেষণত সেইদৰে কৰা নাছিল। থুকিডাইডিছৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ তেওঁৰ অভাৱ আছিল, কৌশলৰ ক্ষেত্ৰতে। তেওঁ সিজনাৰ ওচৰ চাপিব পৰা নাছিল। পূৰ্বৰ যিসকল বুৰঞ্জী লিখকৰ পৰা তেওঁ সমল সংগ্ৰহ কৰিছিল, সেইবিলাক চালি-জাৰি লবলৈকো তেওঁ প্ৰণালীবদ্ধ চেষ্টা কৰা নাছিল, গতিকে তেওঁৰ ৰচনাত বহুতো অপ্ৰাসংগিক কথা সন্নিৱিষ্ট হৈছিল। নিৰহ-নিপানীকৈ বৰ্ণনা কৰাৰ যি ক্ষমতা আৰু ভাষণৰ যি দক্ষতা লিভিৰ আছিল, তাক শুনাত যিমান বাস্তৱ যেন লাগিছিল আৰু সি মানুহৰ মনত যিমান সাঁচ বহুৱাব পাৰিছিল, অত্যধিক দৈৰ্ঘ্যৰ হেতুকে তেওঁৰ গ্ৰন্থসমূহে সিমান নোৱাৰিছিল। তেওঁ ৰোমৰ মান্য ঐতিহাসিক ৰূপে নিজকে প্ৰতিষ্ঠিত কৰিছিল আৰু সাম্ৰাজ্যবাদৰ সৰ্বাধিক সফল পক্ষ-সমৰ্থনকাৰীৰূপে ভাৰ্জিলৰ সমপৰ্য্যায়ৰ আছিল।

কৰ্ণেলিয়াছ টেছিটাছ (Cornelius Tacitus)

ৰোমীয় গণৰাজ্যৰ কালছোৱাৰ ঐতিহাসিক সকলক লিভিয়ে ঢাকি পেলাইছিল।[৬] সেইদৰে টেছিটাছে (আনুমানিক ৫৫-১২০ খ্ৰী:) অগষ্টাছ (Augustus)ৰ পৰা হাড্ৰিয়ান (Hadrian) পৰ্য্যন্ত (১৪-১৩৮ খ্ৰী:) এই পৰৱৰ্তী কালছোৱাত প্ৰাধান্য লাভ কৰিছিল। সেই বছৰতেই হয়তো তেওঁৰ 'আগ্ৰিকʼলা' (*Agricola*) আৰু 'জাৰ্মানাইকা' (*Germanaica*) ওলাইছিল ; প্ৰথমখন তেওঁৰ শহুৰেকৰ প্ৰশস্তি-মূলক জীৱন-বৃত্তান্ত আৰু দ্বিতীয়খন জাৰ্মানসকলৰ বিষয়ে অধ্যয়ন

৬. M. Cary and T.J. Haarhoff, *Life and Thought in the Greek and Roman World* (1942), ch. viii.

গ্ৰন্থ। তেওঁৰ 'হিষ্টৰিয়াজ' (*Historias*) খৃঃ ১০৪-১৭ খ্ৰীঃৰ মাজৰ কালছোৱাত সংকলিত হৈছিল বুলি ধাৰণা হয়। সমল সংগ্ৰহ ক্ষেত্ৰত তেওঁ প্ৰয়োজনীয় শ্ৰম কৰিব পাৰিছিল আৰু এইবিলাক চালি-জাৰি চাবলৈকো তেওঁৰ সমালোচনাত্মক ক্ষমতা আছিল। তেওঁ ঘটনাৰ অন্তৰ্নিহিত কাৰণবোৰ বুজিবলৈ চেষ্টা কৰিছিল। লিভি ৰোমৰ জাতীয় ইতিহাসকাৰ আছিল সঁচা, কিন্তু তেওঁ দেখদেখকৈয়ে মধ্যযুগীয় আছিল আৰু তেওঁৰ দৃষ্টিভংগীও সমালোচনাত্মক নাছিল। টেচিটাচ আছিল ইতিহাসৰ এক নিৰ্বাচিত শাসক (Tribunal)। থুকিডাইডিছে একমাত্ৰ সত্যটোকে অব্যাহত ৰাখিব খুজিছিল, টেচিটাছে কিন্তু বিচাৰিছিল এনে সত্য যি বিশ্বৰ মংগল সাধন কৰিব। চৰিত্ৰ বিশ্লেষণৰ অন্তৰ্দৃষ্টি আৰু নিবহ-নিপানী বৰ্ণনা প্ৰতিভাৰ কাৰণে টেচিটাছে ঐতিহাসিক হিচাপে এখন উচ্চ আসন অধিকাৰ কৰিছে।

লিখিত সমল আৰু ছপাশালৰ অভাৱৰ উপৰিও যোগাযোগৰ সুব্যৱস্থা নথকাত গ্ৰীক আৰু ৰোমান ইতিহাসকাৰসকলে ধাৰণা কৰিছিল যে, ইতিহাস একোটা জাতিৰ যৌথ শক্তি হিচাপে (collective capacity), বিশেষকৈ চৰকাৰৰ কাৰ্য্যকলাপ সম্পৰ্কীয় কিছুমান ঘটনাৰ সমাবেশ। ৰাষ্ট্ৰীয় বা ৰাজনৈতিক কাৰ্য্যাৱলীত বাদে সিবিলাকে ৰচনা কৰা ইতিহাসত আন কথা নাছিল। সামাজিক ৰূপান্তৰৰ প্ৰকৃতি আৰু দ্বাদশ শতিকাৰ আধুনিক বিজ্ঞানৰ জন্মৰ পিছত সংঘটিত হোৱা শিল্প-বিপ্লৱৰ জগত সামাজিক-আৰ্থিক সম্পৰ্কৰ জটিলতাসমূহৰ বিষয়ে তেওঁলোক একেবাৰে অজ্ঞ আছিল।[৭]

অন্ধকাৰ আৰু মধ্যযুগ

বাইজান্টাইন বা প্ৰাচ্য ৰোমান সাম্ৰাজ্যই (Eastern Roman Empire)) গ্ৰীক শিক্ষা আৰু ইতিহাস-প্ৰণয়নৰ পৰম্পৰা বহন কৰিছিল। কিন্তু অনা-গ্ৰীক বিদেশী আক্ৰমণৰ (barbarian invasious) ফল স্বৰূপে পশ্চিমে ৰোমান সাম্ৰাজ্যৰ পতন হ'লত ইউৰোপ মহাদেশ

৭. K. B. Smellie, "The history of history," *Why we Read History*, pp. 52ff.

অন্ধকাৰ যুগত প্ৰবেশ কৰিলে। এই কালছোৱাত ইতিহাস-প্ৰণয়ন একেবাৰে নিম্ন স্তৰৰ গতিত (lowest ebb) পৰি গ'ল। জীৱনৰ মূল তত্ত্ব হিচাপে আৰু পশ্চিম ইউৰোপৰ গুৰুত্বপূৰ্ণ নিয়ন্ত্ৰণকাৰী প্ৰতিষ্ঠান হিচাপে খ্ৰীষ্টীয় ধৰ্মৰ উত্থানে ইতিহাসৰ ক্ৰমবিকাশত এক আমূল পৰিবৰ্তনৰ সূচনা কৰিলে। স্ব-কালৰ ইতিহাস-প্ৰণয়ন খ্ৰীষ্টীয় চাৰি-পাঁচ শতিকাত অপৰিহাৰ্য্যৰূপে পৰিগণিত হোৱা নাছিল। তেওঁ-লোকে পৌত্তলিক ধৰ্মাৱলম্বীসকলৰ বিৰুদ্ধে স্ব-ধৰ্মৰ পক্ষ সমৰ্থন কৰি লিখাতেই প্ৰধানতঃ আত্মনিয়োগ কৰিছিল। ইউচেবিয়াচে (Eusebius) তেওঁৰ যাজকীয় ইতিহাসত (*Historia Ecclesiastica*, খ্ৰী: ৩১২—২৪) এলানি 'দেৱ' নিৰ্দিষ্ট কাৰ্য্যৰ বলত কেনেকৈ সম্ৰাট কনষ্টেনটাইনে (খ্ৰী: ৩২৩—৩৭) এখন খ্ৰীষ্টীয় ৰাজ্যৰ পতন ঘটালে, তাকে দেখুৱাইছে। ইতিহাসকাৰজনে ব্যাখ্যা কৰি কৈছে, "আমি ইতিহাসত সাধাৰণতে সেইবোৰ ঘটনাকেহে উল্লেখ কৰিম যিবোৰে প্ৰথমতে আমাৰ আৰু তাৰ পিছত আমাৰ পুত্ৰ-পৌত্ৰাদিৰ কামত আহে।" অগষ্টাইনে (৩৫৪—৪৩০ খ্ৰী:) তেওঁৰ 'দেৱ-নগৰী' (*De civitate Dei*) গ্ৰন্থত খৃষ্টানসকলক এটা দৰ্শন দিছে, যাক 'দৈৱ মতবাদ' বুলিব পাৰি। এই দৰ্শনে অষ্টাদশ শতিকা পৰ্য্যন্ত ইতিহাস-প্ৰণয়নত প্ৰাধান্য বিস্তাৰ কৰি আছিল। এই দৰ্শন হ'ল মানুহৰ বৰ্তমানৰ দৰে অতীত আৰু ভৱিষ্যতৰো আচনি খ্ৰীষ্টান সকলক ঈশ্বৰে কৰি থয়; গতিকে ইতিহাসক মানৱ কাহিনী অথবা কৰ্মৰত, ক্ৰমবৰ্দ্ধমান, পৰিবৰ্তনশীল প্ৰভৃতি কাহিনীৰূপে গণ্য কৰা নহৈছিল, কৰা হৈছিল দেৱ-নিয়ন্ত্ৰিত এক পৰিদৃশ্য ৰূপেহে—অৰ্থাৎ দেৱৰ দ্বাৰা সাধিত কাৰ্য্যৰূপে—য'ত মানুহ হ'ল এটা নিমিত্ত মাত্ৰ। দেৱ নিৰ্দেশ ঘটনাৰ চৰম নিৰ্মায়ক হোৱাৰ কাৰণে ঘটনাসমূহক জটিল আৰ্থিক-সামাজিক শক্তিসমূহৰ লগত সংগত ৰাখি ব্যাখ্যা কৰাটো নিষ্ফল আছিল। লৰ্ড একটনে লিখিছে যে, মধ্যযুগটোত "সমসাময়িক বিৱৰণ দি লিখা ভাল লিখক আছিল, কিন্তু সেই লিখকবোৰ আছিল পোনপটীয়া, সংস্কাৰা-চ্ছন্ন আৰু ইতিহাসসম্মত সমালোচনাৰ মূলনীতি সম্বন্ধে অজ্ঞ আছিল।" ৮

---

৮. *Ibid.*

নৱজাগৰণ

নৱজাগৰণ (Renaissance) আৰু খ্ৰীষ্টীয় ধৰ্ম-বিপ্লৱৰ (Reformation) প্ৰভাৱত ছপাশালৰ উদ্ভাৱন আৰু আমেৰিকা আবিষ্কাৰৰ ফলত দৈৱ-তত্ত্ব থানবান হৈ গ'ল আৰু ইতিহাস ৰচনা ক্ষেত্ৰত পৰিৱৰ্তন আৰম্ভ হ'ল। মধ্যযুগীয় ধ্যান-ধাৰণাৰ ঠাইত দেখা দিলে মানুহ আৰু মানুহে সাধন কৰা কাৰ্য্যাৱলীৰ প্ৰতি আগ্ৰহ। লৰেঞ্জ দ্যা ৱাল্লা (Lorenze de Valla, ১৪০৭—৫৭ খ্ৰী:) ই দেখুৱাই দিলে যে, যি 'কনষ্টেনটাইনৰ দান' (Donation of Constantine) অক ইমান কালে সম্ৰাটৰ হাতৰ পৰা ধৰ্ম যাজকৰ হাতলৈ পাৰ্থিৱ সম্পদ হস্তান্তৰৰ এখন একান্ত নিৰ্ভৰযোগ্য দলিলৰূপে ঠাৱৰ কৰা হৈছিল—সি প্ৰকৃততে আছিল জাল (forgery)। তেওঁৰ পাণ্ডিত্যপূৰ্ণ আৰু সমালোচনাত্মক অধ্যয়নে ইয়াৰ উপৰিও আন আন সন্দেহাতীত দলিল-বোৰবো ৰচনাৰ প্ৰামাণিকতা ওফোৰাই পেলালে। পৰৱৰ্তী কাল-ছোৱাৰ এই দলিলবোৰ এৰাছমাছ্ (Erasmus), লুথাৰ (Martin Luthar), কেলভিন্ (John Calvin) আদি সংস্কাৰকসকলে কামত খটাইছিল। অগষ্টাইনে আৰম্ভ কৰা মধ্যযুগটোৰ মেকিয়াভেলিয়ে (Machiavalli, ১৪৬৯—১৫২৭ খ্ৰী:) তাৰ সমাধি ৰচনা কৰিলে। তেওঁৰ 'দি প্ৰিন্স' (*The Prince*)এ যেনেকৈ আধুনিক ৰাজনৈতিক চিন্তাৰ দুৱাৰ মুকলি কৰিছিল, সেইদৰে 'দি হিষ্টৰি অৱ ফ্লৰেন্স' (*The History of Florence*, ১৫২৮ খ্ৰী:) এ তেওঁৰ জন্মস্থান-খনৰ ঐশ্বৰ্য্যৰ কথা এটা অভিনৱ মনোবৃত্তিৰে বৰ্ণনা কৰিলে। বিয়েণ্ডে (Biende)ই ইতিহাস সমালোচনাৰ পাতনি মেলিলে। তেওঁ পৰম্পৰাগত উৎসসমূহৰ আলম ললেও তেওঁৰ 'ডিকেডচ্' (*Decades*) আৰু 'চিটি অৱ্ ৰোম' (*City of Rome*, ১৪৬১—৬)ৰ ভিত্তি আছিল ব্যক্তিগত দলিল, নথি-পত্ৰ, মুদ্ৰা, ভৌগোলিক বিৱৰণ প্ৰভৃতি সমল। সেইদৰে ফ্লৰেন্সৰ ব্ৰুনি (Bruni) আৰু ভেনিচৰ গুইষ্টিনিয়ানি (Guistiniani)য়ে এটা আহি স্থাপন কৰি গ'ল—যিটোক পাছলৈ মধ্য আৰু পশ্চিম ইউৰোপৰ ঐতিহাসিকসকলে অনুসৰণ কৰিলে।

আধুনিক যুগ

নৱজাগৰণ আৰু যুক্তিৰ ' যুগে (Age of Reason) অতীত অধ্যায়ন সম্পৰ্কে আমূল পৰিবৰ্তন সাধন কৰিলে। ডিডোৰো (Diderot, ১৭১৩—৮৪) আৰু আলেমবাৰ্ট (Alembert, ১৭১৭—৮৩) অৰ দৰে অষ্টাদশ শতিকাৰ দাৰ্শনিকসকলে ধৰ্মক চাৰিটাপৰ পৰা বাহিৰ কৰি দি ধৰ্মনিৰপেক্ষতা আৰু যুক্তিক উচ্চ আসনত স্থাপন কৰিলে। তেওঁলোকে ক্ৰমে এই আদৰ্শ দাঙি ধৰিলে যে, মানুহৰ কৰ্মকাণ্ডৰ গঢ় মানুহেই দিয়ে। ইয়াৰ গুৰিত আছিল ভল্টেয়াৰ (Voltaire, ১৬৯৪—১৭৭৮)। তেওঁৰ মত আছিল—ইতিহাস হ'ল মানুহৰ চিন্তাৰ ইতিহাস, সমাজ মধ্যযুগীয় বৰ্বৰতাৰ পৰা সমসাময়িক সভ্যতালৈ কেনেকৈ অগ্ৰসৰ হ'ল তাৰেই ইতিহাস। ই হ'ল যুক্তিৰ আৰু শান্তিৰ কলা-কৌশলৰ অভিযান। মানৱ চিন্তাৰ পৰৱৰ্তী অগ্ৰগতিৰ স্বৰূপ উদ্‌ঘাটন কৰি টুৰ্গো (Turgot, ১৭২৭—৮১)এ ব্যাখ্যা কৰিলে—ইতিহাস হ'ল পুনৰুদ্ধাৰৰ অৱক্ষয়ৰ মাজেদি বৈ অহা মানৱ জাতিৰ জীৱনৰ অনন্ত প্ৰৱাহ (humanity everflowing on through a decay of revival) প্ৰগতিয়ে মানৱ-প্ৰকৃতিৰ ক্ৰমবিকাশ আৰু উন্নয়ন সূচায়; ই হ'ল বৈষয়িক কল্যাণৰ, মানসিক জ্ঞান লাভৰ গুণ সমন্বিত অগ্ৰগতি। মন্টেস্কু (Montesquieu, ১৬৮৮—১৭৫৫) ঐতিহাসিক নাছিল, কিন্তু ইতিহাসৰ বাস্তৱতা সম্পৰ্কে তেওঁৰ সঠিক জ্ঞান আছিল। তেওঁৰ গ্ৰন্থৰাজিৰ ভিতৰত 'স্পিৰিট্ অৱ্ দি লজ' (*Spirit of the Law's*, ১৭৪৮ খ্ৰী:) এ তেওঁৰ সমসাময়িক সকলক, যিবিলাক জটিল ঘটনাই একোখন সমাজক গঢ় দিয়ে, সেই সম্পৰ্কে চিন্তা কৰাত অভ্যস্ত কৰিছিল। ইয়াতে অনুপ্ৰাণিত হৈ গিবনে লিখিবলৈ লোৱা ইতিহাস সম্বন্ধে এইদৰে সূত্ৰ দিছিল--- "সামাজিক বিধানসমূহৰ লগত সম্পৰ্কিত আৰু তাৰ দ্বাৰায়ে নিয়ন্ত্ৰিত বিধানতেই ইতিহাস থাকে" ((history is related to and explained by the social institutions in which it contained) এই কথাষাৰ তেওঁৰ 'হিষ্টৰি অৱ্ দি ডিক্লাইন এণ্ড ফল অৱ্ দি ৰ'মান এম্পায়াৰ' (*History of the Decline. and Fall of the Roman*

Empire, ১৭৭৬—৮৮) গ্রন্থত প্রতিফলিত হৈছে। ৰোম সাম্ৰাজ্যৰ অৱনতিৰ কাৰণসমূহৰ স্বৰূপ উদ্‌ঘাটন কৰি তেওঁ দেখুৱাব খুজিছিল যে, তেওঁৰ নিজৰ সময়ৰ ইউৰোপত উচ্চ পৰ্য্যায়ৰ বিকাশ হৈছিল আৰু প্ৰাচীন সাম্ৰাজ্যখনৰ দুৰ্ভাগ্যৰ পৰা ই মুক্ত আছিল।

ঐতিহাসিক দৃষ্টিভংগীৰ ক্ষেত্ৰত হোৱা সুদূৰ প্ৰচাৰিত পৰিবৰ্তনবোৰ উদ্ভৱ হৈছিল ইতিহাসৰ লগত আন আন সমাজ বিজ্ঞানৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত। কণ্ডৰছেট্ (Condorcet) আৰু ছেইণ্ট্ ছাইমনৰ (Saint Simon) দ্বাৰা প্ৰভাৱাণ্বিত হৈ অগষ্ট কোঁতে (August Comte, ১৭৩৮—১৮৫৭) ভাবিছিল, ইতিহাসৰ বিধান আৱিষ্কাৰ কৰি ভৱিষ্যত সম্বন্ধে কৰৰ কাৰণে ইতিহাসৰ ক্ষেত্ৰত প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতিসমূহ প্ৰয়োগ কৰাটো সম্ভৱ। তেওঁ ইতিহাসৰ গৱেষণাক মহৎ ব্যক্তি আৰু ৰাষ্ট্ৰৰ ওপৰত পৰা বিৰাট প্ৰভাৱৰ পৰা আঁতৰাই নি দলগত ৰূপৰ (Community phenomena) অনুধাৱণত নিয়ুক্ত কৰিলে। ইয়াৰ পৰাই ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল আৰু ইয়েই ঐতিহাসিক ঘটনাৱলীৰ ভিত্তি। ইয়াৰ লগতে টেইনি (Taine, ১৮২৬—৯৩)য়ে ঐতিহাসিক ঘটনাৰ ব্যাখ্যাৰ কাৰণে যোগ দিলে—পৰিবেশৰ ধাৰণাটো। উনৈশ শতিকাৰ শেষাৰ্দ্ধত কেইবাজনেও এই ধাৰণাৰ প্ৰয়োগ কৰিছিল। বাক্‌ল ((Buckle, ১৮২১—৬২)য়ে তেওঁৰ 'হিষ্টৰী অব চিভিলিজেছন ইন ইংলেণ্ড' (*History of Civilization in England* ১৮৫৭—৬১) গ্ৰন্থত প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতি প্ৰয়োগ কৰিলে। এই পদ্ধতিৰ লক্ষ্য হ'ল গণ আন্দোলনৰ পৰিসংখ্যাৰ অনুসন্ধান। গাইগুটীয়া তথ্য আৰু ব্যক্তিৰ কথাত তেওঁৰ একো ৰাপ নাছিল।

ঐতিহাসিক বস্তুবাদ

শিল্পবিপ্লৱে (Industrial Revolution) অৰ্থনৈতিক আৰু সামাজিক ইতিহাস ক্ষেত্ৰত এটা নতুন অধ্যায়ৰ সৃষ্টি কৰিলে। লৰেঞ্জ ক'ণ ষ্টাইন (Lorenzc Von Stein, ১৭৫৭-১৮৩১) আৰু কাৰ্ল মাৰ্ক্স (Karl Marx, ১৮১৮-৮৩) ৰাষ্ট্ৰ আৰু সমাজৰ মাজত ঘটা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ক্ষেত্ৰত অৰ্থনৈতিক কাৰণসমূহ আৰু ইতিহাসত

শ্রেণী-সংগ্রামৰ উপাদানৰ দিশলৈ দৃষ্টি দিলে। ঐতিহাসিক বস্তুবাদৰ জনকজনে (Father of Historical Materialism) ঠাৱৰ কৰিলে যে, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ চৰিত্র নিৰ্দ্ধাৰণ কৰে অর্থনৈতিক জীৱনত উৎপাদনৰ ধৰণে এহাতে ইতিহাসৰ আৰু আনহাতে প্রাকৃতিক বিজ্ঞান আৰু শিল্পৰ মাজত ওতপ্রোত সম্বন্ধৰ ওপৰত গুৰুত্ব দিলে। মাৰ্ক্সৰ মত ইতিহাস-প্রণেতা সকলে গ্রহণ নকৰিলেও সি কিন্তু অনুসন্ধানৰ এক নতুন ক্ষেত্র মুকলি কৰিলে আৰু অর্থনৈতিক ইতিহাসত বিশেষ ধৰণে তাতপর্য্যপূর্ণ হৈ পৰিল।[১]

ইতিহাসকাৰৰ বাধা-বিঘিনি

নৱজাগৰণৰ পৰৱৰ্তী কালছোৱাত ইতিহাস-প্রণয়নৰ অগ্রগতিৰ প্রধান বাধা হ'ল চৰকাৰৰ অনুকূলে নোযোৱা গ্রন্থৰ প্রতি শাসকসকলৰ বিৰোধিতা। ১৫৯৯ চনত ইংলেণ্ডৰ ৰাণী প্রথম এলিজাবেথে তেওঁৰ পূর্বৰ এজন ৰজা দ্বিতীয় ৰিচাৰ্ডক সিংহাসনচ্যুত কৰাৰ কথা লিখাৰ কাৰণে গ্রন্থকাৰক ভৎসনা কৰিছিল। ইয়াৰ আগতে ফ্লৰেন্সৰ শাসন-কর্তা কছিমে দ' মেডিচি (Cosime-de Medici, ১৫৩৭—৭৪) ইতিহাস-প্রণেতা সকলৰ ঘোৰ শত্রু আছিল। 'হিষ্টৰী অব নেপলচ্' (*History of Naples*) শীর্ষক যাজক-বিৰোধী ইতিহাসৰ প্রণেতা পিয়েত্র' গিয়ানন্নে (Pietro Giannone)ক ধর্মযাজকৰ আদালতত কৰি বাৰ বছৰ কাল কাৰাদণ্ড দিয়া হৈছিল আৰু কাৰাগাৰতে তেওঁৰ মৃত্যু হয়। চতুর্দশ লুইৰ আমোলত ৰাষ্ট্র বা গীর্জাৰ সমালোচকসকল বিপদত পৰিছিল। ফৰাছী বিপ্লৱ আৰু নেপোলিয়ানৰ আমোলত মুক্ত বক্তব্য বা ধর্মৰ গোড়ামিৰ পৰা মুক্ত ধ্যান-ধাৰণা বিপজ্জনক কথা হৈ পৰিছিল। ভিয়েনা মহাসভাৰ (Congress of Vienna, ১৮১৫) পিছত ইতিহাস-প্রণয়নৰ প্রতি থকা ভীতিৰ অৱস্থা প্রায় সমগ্র ইউৰোপতে কমি আহিছিল। চাৰ্লছ ডাৰউইনৰ 'অৰিজিন অব স্পেচিছ' (*Origin of Species*, ১৮৫৯ খ্রী:) গ্রন্থত বিৱর্তন-তত্ত্বৰ (theory of evolution) ব্যাখ্যা আছে। এই তত্ত্ব ধর্ম-যাজকসকলৰ গ্রহণ-

১. *Ibid.*

যোগ্য নাছিল ; আগতে হোৱা হলে এই গ্ৰন্থও নিগ্ৰহৰ হাত সাৰি প্ৰকাশিত হব নোৱাৰিলেহেঁতেন ।

সমল-সমীক্ষাৰ আৰম্ভণ

যোৱা শতিকাৰ মাজভাগত ইতিহাসক বিজ্ঞানৰ শাৰীত ধৰা হৈছিল। তেতিয়াৰে পৰা আভ্যন্তৰিক আৰু বাহ্যিক তথ্যৰ সমীক্ষাত (Criticism) গুৰুত্ব আৰোপ কৰা হ'ল । বাহ্যিক তথ্যৰ লক্ষ্য আছিল—উৎস বা সমলসমূহ যথাৰ্থ আৰু বিশেষ কামৰ কাৰণে যথেষ্ট হয় নে নহয় সেইটো নিৰ্দ্ধাৰণ কৰা । উৎসৰ উৎপত্তি, সময় আৰু নিৰ্ভৰশীল দলিল-শিলালিপিৰ পৰীক্ষা-নিৰীক্ষণৰ দ্বাৰা বা প্ৰাচীন হস্তলিপি আৰু সোতৰ শতিকাৰ পৰা উদ্ভাৱিত হোৱা অন্যান্য সহায়ক বিজ্ঞানৰ (auxiliary science) অধ্যয়নৰ দ্বাৰা প্ৰতিষ্ঠিত হ'ব লাগিব । আভ্যন্তৰিক সমালোচনাৰ দ্বাৰা নিশ্চিত হোৱা হৈছিল যে, গ্ৰন্থকাৰে যি নিৰ্বাচন কৰিছে সেইটো তেওঁৰ সম্পূৰ্ণ বোধগম্য । জাৰ্মানসকলেই পোনতে এই সমালোচনাসমূহক এক উচ্চ পৰ্য্যায়ৰ নিৰ্ভুলতা দান কৰিলে । কাৰ্ল লাখ্‌মেনক (Karl Lachman)-কেই গ্ৰন্থৰ আধুনিক মূল পাঠ সংক্ৰান্ত কঠোৰ সমালোচনাৰ স্ৰষ্টা বুলি গণ্য কৰা হয় । উৎসৰ ভাষা বুজিব লাগিব আৰু বিকৃতিবোৰ বাদ দিব লাগিব । ঐতিহাসিকে যিমানদূৰ সম্ভৱ নিখুঁতভাৱে ৰচয়িতাৰ মনৰ গভীৰত প্ৰৱেশ কৰিব পাৰিব লাগিব । জাৰ্মান ইতিহাস প্ৰবক্তাসকলে তেওঁলোকৰ পদ্ধতিৰ বৈজ্ঞানিক নিৰ্ভুলতা, খুটি-নাটি বিচাৰত দৃঢ়-সংকল্পতা আৰু সমলৰ বিচাৰ-বিবেচনামূলক উদ্ধৃতিৰ কাৰণে গৰ্ব কৰে ।

নথি-পত্ৰ দপ্তৰ : পুৰাতত্ত্ব

ইতিমধ্যে পুৰাতাত্ত্বিক সকলে উৎসৰ সামগ্ৰীসমূহৰ অনুসন্ধান, সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰকাশনৰ ফালে চকু দিলে । মধ্যযুগীয় জাৰ্মান ইতিহাসৰ সমলৰ সংগ্ৰহ 'দা মনুমেন্টা জাৰ্মানিয়া হিষ্টৰিকা' (*The Monumenta Germanaica Historica*) যখন ১৮২৬ চনত পাৰ্জ (Pertz) অৰ নেতৃত্বত আৰম্ভ হয় । এনে প্ৰকাশনৰ ইয়ে কেন্দ্ৰ হ'ল । উদ্ধাৰ কৰিব পৰা পাণ্ডুলিপিৰ অনুসন্ধান, যি সমল ইয়াৰ পূৰ্বসূৰীসকলৰ ওপৰত

নিৰ্ভৰশীলতাৰ কিমানখিনিলৈকে পাব পাৰি সেইটোৰ নিৰ্দ্ধাৰণ, প্ৰকাশৰ কাৰণে ভাষাতত্ত্বৰ দিশৰ পৰা নিখুঁত বিষয়বস্তুৰ সংগ্ৰহ, পৰম্পৰাৰ যিমান গুৰুত্বপূৰ্ণ বিভিন্ন কথা আছে, তাৰ প্ৰয়োগ—এই সকলো গোটাই সমলসমূহ প্ৰকাশ কৰি উলিয়াবৰ কাৰণে এটা পদ্ধতিগত ভিত্তি প্ৰতিষ্ঠা কৰে । ১৮২৯ চনত ফ্ৰান্সৰ ইক'লে দা চাৰ্লচ (*Ecole das Charles*) প্ৰতিষ্ঠা কৰাত মবিল'ৰ (Mobillon) প্ৰাচীন হস্তলিপিৰ গ্ৰন্থই অধিক উৎসাহ লাভ কৰিলে । একেই দেশৰে ১৮৩৩ চনত গিজে (Guizot) ই ইতিহাস সংস্থা (*Historical Society*) সংগঠিত কৰি নথি-পত্ৰৰ প্ৰকাশ আৰম্ভ কৰিলে । ইংলণ্ডত একে ধৰণৰ ব্যৱস্থাৰ যোগেদিয়েই ৰোল চিৰিজ (Roll Series) আৰু উনৈশ শতিকাৰ শেষাৰ্দ্ধত ক্ষুদ্ৰ জাতিসত্তা (Smaller Nationalities) সম্পৰ্কে নথি-পত্ৰ প্ৰস্তুত কৰা হয় । ১৮৩৮ চনত লণ্ডনত 'বৃটিছ পাব্লিক ৰেকৰ্ড অফিচ' (*British Public Records Office*) স্থাপন কৰি গৱেষকসকলৰ কাৰণে মুকলি কৰি দিয়া হয় । আনহে নালাগে ত্ৰয়োদশ পোপ লিওৱে (Pope Leo XIII) ১৮৮৩ চনত পোপ নথি-পত্ৰ দপ্তৰ মুকলি কৰি কেথলিক ধৰ্মৰ অধ্যয়নৰ প্ৰতি উৎসাহ প্ৰদান কৰে । এইদৰেই অধিকাংশ অপ্ৰকাশিত নথি-পত্ৰৰ ওপৰত ভিত্তি কৰি ইতিহাস প্ৰণয়ন কৰা হ'ল আৰু লেখকসকলক পুৰণা ধৰণৰ বিৱৰণমূলক উৎসৰ প্ৰতি আওকাণ কৰি মৌলিক নথি-পত্ৰৰ ওপৰত ভিত্তি কৰিবলৈ উৎসাহ দিয়া হয় ।

ইতিহাসৰ সীমাবদ্ধতা আঁতৰাই প্ৰাগৈতিহাসিক যুগক নিজ অধ্যয়ন ক্ষেত্ৰলৈ অনাত পুৰাতত্ত্ব আৰু নৃতত্ত্বই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । প্ৰাচীন নিকট-প্ৰাচ্য (Near East) আৰু চিৰায়ত প্ৰাচীনতাৰ (Classical Antiquity) অধ্যয়নৰ উক্ত বিষয়ৰ অধ্যয়নে দিয়া উৎসাহৰ দ্বাৰা বিশেষকৈ লাভবান হৈছে । জঁ ফ্ৰাঙ্কোৱা (John Francois, ১৮২২) ই চিত্ৰলিপিত (hieroglyphics) ব্যৱহাৰ কৰা পাঠ উদ্ধাৰ কৰা কাৰ্য্যই নিকট-প্ৰাচ্যৰ অনুসন্ধানকাৰী সকলৰ সন্মুখত সম্পূৰ্ণভাৱে এক নতুন জগতৰ অধ্যয়নৰ পথ মুকলি কৰিলে । অতীতত ঐতিহাসিক গৱেষণাৰ এক নতুন পৰিণতি 'ৰমিচে গেছিখটে' (*Romichte Geschichte,* ১৮৫৪—৫) থিয়ডৰ মমৃছেনে

(Theodor Mommsen)এ লাভ কৰিলে। পাণ্ডুলিপি, অভিলেখ, আইন-কানুন, কলা—সাহিত্য অতীতৰ এই সকলোবোৰ অৱশিষ্টৰ আলমত মম্‌ছেনে তেওঁৰ গ্ৰন্থৰাজি ৰচনা কৰিলে। সমালোচনা আৰু সংযোগধৰ্মী (Synthetic) আলোচনাৰ ক্ষেত্ৰত তেওঁৰ মহান পথিকৃৎ নাইবুৰৰ (Niebuhr)অক তেওঁ চেৰ পেলাইছিল বুলি কলেও বঢ়াই কোৱা নহব। [১০]

বিজ্ঞান-সম্মত ইতিহাস

লৰ্ড একটনে কয় যে ((Lectures on the Study of History) ফৰাছী বিপ্লৱৰ অভিঘাটৰ ফলতেই জাৰ্মেনিৰ ঐতিহাসিক চিন্তাধাৰাৰ সূচনা হৈছে। বিপ্লৱীসকলৰ কৰ্মনীতি মঞ্চত আটাইতকৈ শক্তিশালী কাঠছটা (strongest plank) ইতিহাসক গৰিহণা দিয়া। অতীতক ধ্বংস কৰাই আছিল প্ৰস্তাৱ পাতনি। বিপ্লৱীসকলে অতীতক ধ্বংস কৰা আৰু ভৱিষ্যতকো অন্ধকাৰৰ গ্ৰাসৰ পৰা মুক্ত কৰিবৰ কাৰণে, তাৰ অগ্ৰগতি ৰোধ কৰিবৰ কাৰণে বৰ্তমানৰ বাটত আগভেটা দিয়া—এই দুটা কথাকেই চিন্তা কৰিছিল। ১৭৯৪ চনত ফ্ৰান্সে জাৰ্মেনি আক্ৰমণ কৰাত এনে ধৰণৰ প্ৰতিক্ৰিয়াই দেখা দিলে—তেওঁলোকে তেওঁ-লোকৰ অতীত সম্বন্ধে অধ্যয়ন কৰাত ব্ৰতী হ'ল। এইদৰে প্ৰথমবাৰৰ কাৰণে সৰহভাগ ইতিহাস বৃত্তিশীল (Professional) ইতিহাসকাৰৰ দ্বাৰা ৰচিত হ'ল। আধুনিক বিজ্ঞান-সম্মত ইতিহাস ৰচনাৰ দুৱাৰ মুকলি কৰোজন হ'ল খ্যাতনামা ঐতিহাসিক বাৰ্থল্ড জৰ্জ নাইবুৰৰ (Barthold George Niebuhr)। কোপেনহেগেনত জন্ম গ্ৰহণ কৰি তেওঁ কিয়েল আৰু এডিনবৰা বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰে। ডেনমাৰ্ক চৰকাৰৰ বিষয়া হিচাপে কাম কৰাৰ পিছত তেওঁ বাৰ্লিন বিশ্ববিদ্যালয়ত অধ্যাপকৰ নিযুক্তি পায়। ৰোম ইতিহাসৰ তেওঁৰ বক্তৃতাসমূহ ১৮১১—২ চনত পুস্তিকা আকাৰে প্ৰকাশ হয়। তেওঁ বঢ়িয়াকৈ বুজিছিল যে ঘটনাতকৈ অনুষ্ঠানে, ব্যক্তিতকৈ সমষ্টিয়ে আৰু আইন-কানুনতকৈ স্থানীয় আচাৰ-ব্যৱহাৰে ইতিহাসকাৰৰ দৃষ্টি আকৰ্ষণ কৰা উচিত। তেওঁ এনে এখন ইতিহাস ৰচনা কৰাৰ

১০. *ESS*, vii-viii, p. 379.

কথা ভাবিছিল য'ত ব্যক্তিৰ লগত অতীতৰ ৰাজনৈতিক, সামাজিক জীৱন সম্পৰ্কে সমসাময়িক জীৱনৰ দৰে পৰিস্ফুট হৈ পৰিব। অতীতৰ ঘটনা আৰু আখ্যানসমূহ তন্ন তন্নকৈ পৰীক্ষা কৰি লিখা তেওঁৰ প্ৰাচীন ৰোমৰ ইতিহাস (*History of Ancient Rome*) আধুনিক ইতিহাস ৰচনা-বিধিৰ আৰম্ভণি।[১১]

জাৰ্মেনিৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক হ'ল লিওপল্ড ফ'ণ ৰাংকে (Leopold Von Ranke, ১৭৯৫—১৮৮৬)। লাইপজিগ্ চহৰত পৌৰাণিক সাহিত্য, দৰ্শন আৰু দেৱতত্ত্ব অধ্যয়ন কৰোঁতে তেওঁ নাইবুৰৰ ৰচনাৰ প্ৰভাৱত পৰে। বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে পোৱা নিয়-ক্তিয়ে তেওঁক ভিয়েনা, ভেনিচ্, ফ্লুৰেন্স আৰু ৰোমৰ নথি-পত্ৰ দপ্তৰ-সমূহৰ সমল সংগ্ৰহৰ সুযোগ দিয়ে। 'লেটিন এণ্ড টিউটনিক নেছনচ্', (১৪৯৪—১৫১৪,) নামৰ তেওঁৰ প্ৰথম গ্ৰন্থখনেই সমীক্ষামূলক পদ্ধতিৰ সূচনা কৰে।[১২] ৰোমৰ প'পে নথি-পত্ৰ চাবলৈ বাধা আৰোপ কৰা সত্ত্বেও তেওঁ আন উপায়ে সমল সংগ্ৰহ কৰি সংস্কাৰ-বিৰোধী আন্দোলনত প'পসকলৰ ভূমিকা সম্পৰ্কে এটা নিৰপেক্ষ বৃত্তান্ত দাঙি ধৰে। 'হিষ্টৰি অব ৰিফৰমেছন ইন্ জাৰ্মেনি' গ্ৰন্থ লেখি তেওঁ 'প্ৰাচীয়ান ঐতিহাসিক' উপাধি লাভ কৰিছিল। ইয়াৰ পিছত, প্ৰত্যেকৰে একাধিক খণ্ডকৈ, তেওঁ প্ৰণয়ন কৰে—প্ৰাচীয়া (*History of Prussia*), ফ্ৰান্সৰ গৃহযুদ্ধ আৰু ৰাজতন্ত্ৰ (*Civil War and Monarchy in France in the Sixteenth and Seventeenth Centuries*) আৰু ইংলণ্ডৰ ইতিহাস (*A History of England Principally in the Seventeen century*)।

---

১১. Lord Acton, *Historical Essays and Studies* (1907) *see* German School of History.

১২. "Ranke stands before us as the great founder of the school of objective history. In the preface to his very first work, written in 1824, when he was not yet thirty, he stated that he did not present, as did most historians, to sit in the judgement on the past ; that he wanted only to show what had really happened." Pieter Geyl, *Debates with Historians*, The Fontana O Collins Paper (1955), p. 9.

৮২ বছৰ বয়সত আৰম্ভ হ'ল তেওঁৰ পৃথিৱীৰ ইতিহাস (*Welt-geschichte*)। ইয়াৰ নটা খণ্ড পঞ্চদশ শতিকালৈকে লিখাৰ পাছত (১৫৮৩—৮৮) তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে ।

ইতিহাস-প্ৰণয়ন কাৰ্য্যত ৰাংকেই এটা বৈপ্লবিক পৰিবৰ্তন আনিছিল। উপৰোক্ত প্ৰথম গ্ৰন্থৰ পাতনিত তেওঁ ঘোষণা কৰে, ঘটনাবোৰ কেনেকৈ নঘটাকৈ থাকিব নোৱাৰে সেইটো তেওঁ জানিবলৈ নিবিচাৰে, সেইবোৰ কেনেকৈ ঘটিল (how they did happen) সেইটো জানিলেই তেওঁৰ হ'ব। ১৫ শতিকাৰ ইউৰোপ কেনেকৈ ১৯ শতিকাৰ ইউৰোপলৈ ৰূপান্তৰ ঘটালে, জনসাধাৰণক সেইবিষয়ে ব্যাখ্যা কৰিবলৈ তেওঁ চেষ্টা কৰিলে। সতৰ্ক আৰু প্ৰণালীবদ্ধ গৱেষণা, বাস্তৱক জানিবলৈ প্ৰবল অনুৰাগ, লেখকৰ প্ৰকৃতি, পংক্তিভুক্তি আৰু সুযোগৰ আধাৰত উৎস সম্পৰ্কে কঠোৰ পৰীক্ষা আৰু অন্যান্য লেখকৰ প্ৰামাণ্য লিখাৰ লগত তুলনা কৰাৰ ওপৰত তেওঁ গুৰুত্ব দিছিল ।[১৩]

জাৰ্মান প্ৰভাৱ বিস্তাৰ

ইতিপূৰ্বে ইংলণ্ডত যিবিলাক ধ্যান-ধাৰণাই গিব্বন, মেক'লে আৰু ফ্ৰাউডৰ দৰে ইতিহাসকাৰৰ লিখনীত প্ৰভাৱ পেলাইছিল, সেইবিলাক আছিল—ঐতিহাসিকৰ কাম হৈছে যিবিলাক মানুহৰ কাহিনী বৰ্ণনা কৰা হয়, সেইবিলাকৰ কাৰ্য্য-কলাপৰ দোষ-গুণ বিচাৰ কৰা। প্ৰত্যেকটো কাম বা ঘটনাকে নৈতিকতাৰ মানদণ্ডেৰে পৰীক্ষা কৰা। সাহিত্যিক ৰস আৰু অলংকাৰে তেওঁলোকৰ ৰচনাৰাজি অঙ্কিত কৰিছিল। ব্ৰিটিছ ৰচনা-বিধি এই মতবাদৰ অনুকূলে চলিছিল। ক্ৰমে জাৰ্মেনিৰ বৈপ্লবিক ইতিহাস-ৰচনাবিধি ইংলণ্ডতো বিয়পি পৰিল। ঘটনা এটা কিদৰে ঘটিছিল, সেইটো বৰ্ণনা দিয়াটোৱেই যে ঐতিহাসিকৰ কাম—এই ধাৰণাই সমৰ্থন লাভ কৰিবলৈ ধৰিলে। ঐতিহাসিকৰ কাম হ'ল ঘটনাসমূহৰ সত্যতাৰ প্ৰতি আনুগত্য ৰক্ষা আৰু সেইবিলাকৰ ব্যাখ্যাদান কৰা; ব্যাখ্যাৰ অৰ্থ হ'ল—একে কাৰণত ঘটা আন ঘটনাৰাজিৰ লগত সিহঁতৰ

১৩. For further study, *see* George P. Gooch, *History of Historians in the Nineteenth Century* (1952) pp. 72-122.

সম্পৰ্ক প্ৰদৰ্শন কৰা। এই পদ্ধতিৰে কাৰ্য্যকাৰণ বিচাৰি উলিয়াব লগা হ'ল আৰু এই অন্বেষণত আৱশ্যক হ'ল নথি-পত্ৰৰ ওপৰত দৃঢ় বিশ্বাস ৰখা। আকৌ নিৰহ-নিপানীকৈ যদিহে কেৱল এটা কাহিনীহে কোৱাৰ আৱশ্যক হয়, তেতিয়াহলে তাৰপৰা ভাৱবাহী ভাষাৰ পৰা সকলো অলংকাৰ খহাই পেলাব লাগিব।

উপৰোক্ত নতুন ভাৱধাৰাৰ সৰ্বশ্ৰেষ্ঠ বাহক আছিল লৰ্ড একটন (Lord Acton)। ৰাংকেৰ প্ৰকৃত শিষ্য অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ৰেজিয়াচ্ (Regius) অধ্যাপক গৰাকীয়ে ঐতিহাসিক সকলক সঁকিয়াই দিলে যে, তেওঁলোকৰ মূল উদ্দেশ্য "সমল সংগ্ৰহ কৰাৰ কৌশলটো" শিকা নহয়, "সমলৰ বিচাৰ কৰাৰ মহিমাময় কলা— অসত্যৰ পৰা সত্য আৰু সন্দেহৰ পৰা নিশ্চয়তা" বাছি উলিওৱাৰ কথা আয়ত্ত কৰাহে। ইতিহাসকাৰজন আদিৰে পৰা সমালোচক হ'ব লাগিব। প্ৰকৃত ইতিহাসকাৰে যি মুহূৰ্ততেই কোনো এটা মনত লগা বাক্যৰ সন্মুখীন হয়, সেই মুহূৰ্ততে তেওঁ ইয়াক সন্দেহেৰে চাবলৈ আৰম্ভ কৰে আৰু "তিনিটা কাৰ্য্যত" মনোনিবেশ নকৰা পৰ্য্যন্ত তেওঁ উৎকণ্ঠাৰে বৈ থাকে।

> প্ৰথম কাৰ্য্য হ'ল, তেওঁ নিজকে সোধে, লেখকে লেখাৰ ধৰণেই কথাখিনি তেওঁ অনুধাৱন কৰিছিল নে নাই? কাৰণ (বহুক্ষেত্ৰত) লিপিকাৰ, সম্পাদক আৰু চৰকাৰী কৰ্মচাৰীয়ে আচৰিত ধৰণৰ চতুৰালি কৰে, বহুকথাৰ উত্তৰ নিদিয়াকৈ থয়। যদিহে তেওঁলোকৰ গাত এনে দোষ নপৰে, তেন্তে এনেকুৱাও হ'ব পাৰে যে লেখকে গ্ৰন্থখন দুবাৰে লিখিছে, তাত হয়তো অমিল ওলাইছে, নতুন কথা যোগ হৈছে, কিছুমান কথা বাদ পৰিছে। দ্বিতীয়তে, লেখকে তথ্যবোৰ ক'ৰপৰা পালে? যদি আগৰ কোনো লিখনীৰ পৰা পাইছে, মিলাই জানি ল'ব পৰা যায়। এনে অনুসন্ধান চলাই থাকিব লাগিব। যদি কোনো অপ্ৰকাশিত লিখাৰ পৰা লোৱা হৈছে তেন্তে তাৰ অঁাতি-গুৰি উলিয়াব লাগিব আৰু যেতিয়া ওৰ পোৱা যাব বা বাট হেৰাই যাব তেতিয়া তথ্যৰ সত্যতাৰ ধৰণ, তেওঁৰ পূৰ্বৰ অৱস্থানসমূহ সম্ভাব্য উদ্দেশ্যৰ পৰীক্ষা চলাব লাগিব।

ইতিহাসকাৰ জনক সাক্ষীৰূপে গণ্য কৰিব লাগিব আৰু তেওঁৰ আন্তৰিকতা প্ৰমাণিত নোহোৱা পৰ্য্যন্ত তেওঁক বিশ্বাস কৰিব নালাগিব।[১৪] প্ৰথম মহাসমৰৰ আগলৈকে জাৰ্মেনিত আন আন দেশৰ বহুতো আগশাৰীৰ ঐতিহাসিকে শিক্ষা লাভ কৰিছিল। এইসকলৰ ভিতৰত এম, আই, ৰ'ষ্টভ্‌জেলফ্ (M. I. Rostovtzolf)ৰ দৰে কছ পণ্ডিতো আছিল ; তেওঁ কছিয়াৰ প্ৰতিভাশালী প্ৰত্নতাত্ত্বিক ঐতিহাসিক। ইংলেণ্ডত উইলিয়ম্ ষ্টাবৃছ (William Stubbs)ৰ ইংলেণ্ডৰ মধ্যযুগীয় ইতিহাস (*English Medieval History*) জাৰ্মেনিত লাভ কৰা শিক্ষাৰ যোগেদি নতুনকৈ লিখিছিল। আমেৰিকাৰ ভালেমান ইতিহাসকাৰ জাৰ্মেনিলৈ আহিছিল আৰু তাৰে জনদিয়েকে উভতি গৈ ইতিহাস অধ্যয়ন পুনৰ সংগঠিত কৰিছিল। এইসকলৰ ভিতৰত আগৰণুৱা আছিল হাৰ্বাৰ্ট বেক্সটাৰ আডামছ্ (Harbert Baxter Adams)। তেওঁ ১৮৭৬ৰ পৰা ১৯০১ চনৰ ভিতৰত বাল্টিম'ৰৰ জন হপকিন্সন্ বিশ্ববিদ্যালয়খনক আমেৰিকাৰ ইতিহাস অধ্যয়নৰ শীৰ্ষতম প্ৰতিষ্ঠান কৰি পেলাইছিল। তেৱেঁই ১৮৮৪ চনত আমেৰিকাৰ ইতিহাস সংস্থা (American Historical Association) স্থাপন

---

১৪. A historian is one who "when he lights on an interesting subject, begins by suspecting it. He remains in suspense until he has subjected his authority to three operations. First, he asks whether he has read the passage as the author wrote it. For the transcriber, and the editor, and the official or officious censor on the top of the editor have played strange tricks, and have much to answer for....Next is the question where the writer got his information. If from a previous writer, it can be ascertained and the inquiry is to be repeated. If from unpublished papers, they must be traced and the fountain head is reached, or track disappears, the question of veracity arises. The responsible writer's character, his position, antecedents and probable motives have to be examined into......for a historian is to be treated as an witness and not believed unless his sincerity is established." "Lord Acton, *Lectures on Modern History*, pp. 15-6.

কৰে আৰু ১৮৯৫ চনত 'আমেৰিকান হিষ্টৰিকেল ৰিভিউ'খন (*American Historical Review*) ইতিহাস গৱেষণাৰ মুখ্য মুখপত্ৰৰূপে প্ৰকাশ কৰে ।

ইতিহাস অধ্যয়ন আৰু মুকলিমূৰীয়াভাৱে ইয়াৰ বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰতি হোৱা সহিষ্ণুতাৰ মনোভাৱৰ বিকাশত আকৌ বাধা পৰিল প্ৰথম মহাসমৰৰ পিছৰ ৰুছিয়াত সাম্যবাদী আন্দোলনৰ আৰম্ভণিত । নতুন চৰকাৰে পোনতে ১৯১৭ চনৰ আগৰ প্ৰায়বোৰ ইতিহাসকেই বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যপুথিৰ উপযুক্ত নহয় বুলি বাতিল কৰি দিছিল । যি নহওক, ১৯৩০ চনত এই নীতি সলনি কৰা হয় আৰু ১৯৪৫ চনৰ পৰা সাম্যবাদী দেশবোৰে যিবিলাক ইতিহাস অতীতৰ অৰ্থনৈতিক ইতিবৃত্ত আৰু শ্ৰেণী সংগ্ৰামৰ লগত বিশেষভাৱে জড়িত আছিল, সেইবোৰৰ প্ৰণয়নত উৎসাহ দিয়া হ'ল । আকৌ অতীতৰ যিবিলাক ভৌতিক অৱশিষ্টৰ (material remains) দ্বাৰা কোনো কোনো অঞ্চলত উল্লেখযোগ্য প্ৰত্নতাত্ত্বিক অনুসন্ধানৰ অগ্ৰগতি হৈছিল সেইবিলাকতো মনোনিবেশ কৰা হয় । সম্প্ৰতি জাৰ্মান বা ইউৰোপীয় পৰম্পৰা আনকি খন মহাদেশলৈকো সম্প্ৰসাৰিত হৈছে, অৱশ্যে সাম্যবাদী দেশসমূহত সেইদৰে ই স্বীকৃত হোৱা নাই ।

সপ্তম অধ্যায়

মধ্য প্ৰাচ্য

ইছলাম ধৰ্মৰ আদি গুৰু হজৰত্ মহম্মদে যদিও নিজকে তেওঁৰ আৰু আগৰ ইহুদী আৰু খ্ৰীষ্টীয় ধৰ্ম প্ৰবৰ্তকসকলৰ পৰৱৰ্তী প্ৰবৰ্তক বুলি গণ্য কৰিছিল, তথাপি মুছলিম ইতিহাস পৃথকভাৱে গঢ় লৈ উঠিছিল বুলি ধাৰণা হয়। মহম্মদে ইতিহাসৰ এক সৰল ধাৰণাৰেই ইছলাম ধৰ্ম গঢ়ি তুলিছিল ; কাৰণ কোৰাণ স্বীকৃত যিবিলাক সাৱধান বাণী আছে, সেই সকলো ইতিহাসৰ শিক্ষাৰ পৰা লোৱা। তেওঁৰ মৃত্যুৰ পিছত কোৰাণৰ বাণীসমূহক তেওঁ দি যোৱা কতৃত্বপূৰ্ণ পৰম্পৰা হাদীছ (Hadith) ৰূপে গ্ৰহণ কৰা হ'ল। মহম্মদৰ সকলোবোৰ কথা আৰু কাৰ্য্য বিৱৰণী অতি আটোম-টোকাৰিকৈ ৰাখি থোৱা হ'ল আৰু পিছত কোৰাণৰ সৈতে লগ লগাই ইয়াক মুছলিম আইন স্মৃতিৰ (Shariah)ৰ ভিত্তিৰূপে লোৱা হয়। এই পৰম্পৰা (tradition) বোৰেই পুৰুষানুক্ৰমে মুখ বাগৰি আহি অষ্টম আৰু নৱম শতিকাত লিখিতৰূপ ললে। এই মিশ্ৰণৰ ফলত যি সংকলন হ'ল সি আংশিক-ভাৱে ঐতিহাসিক, কিংবদন্তী আৰু উদ্ভাৱনাৰ সমাবেশ।

জীৱনী-বৃত্ত আৰু ঘটনাপঞ্জী

মুছলিম ইতিহাস (*Ilam Al Ta'rikh*) আৰম্ভ হয় ইছলাম ধৰ্ম জন্মৰ পিছত। ইয়াৰ আগতে আৰবসকলে ঐতিহাসিক বংশাৱলী নক্ষত্ৰ-বিজ্ঞান আদিৰহে চৰ্চ্চা কৰিছিল। তেওঁলোকৰ ইতি-হাস আছিল লোক কাহিনী বা মালিতা (ballad) বা গীতেৰে লিখা

আধা ইতিহাস, আধা মালিতা। ইছলাম ধৰ্মৰ আবিৰ্ভাৱৰ পিছৰ কালছোৱাত আৰবসকলে ইতিহাস আৰু সাহিত্যৰ পাতনি মেলিলে। পিছৰ পুৰুষে নৱোদিত ইছলামৰ প্ৰথম কালছোৱাৰ ঘটনাৰ সত্যৰূপবোৰ নিৰ্দ্ধাৰণ কৰাত প্ৰেৰণা পালে। ইয়াৰ উৎস আছিল প্ৰাক্-ইছলাম মৌলিক কথা, মহম্মদ আৰু তেওঁৰ সংগীসকলৰ পৰম্পৰা, বংশৰ তালিকা আৰু কোৰাণ আদি ধৰ্মগ্ৰন্থ। মহম্মদৰ জীৱন-বৃত্ত আৰু কোৰাণৰ ভাষ্যৰূপে ই আৰম্ভ হয় উম্মায়াড্ (Ummayyad) খলিফাসকলৰ আমোলত পোনতে মদিনা, পিছলৈ কুফা আৰু বচোৰা চহৰত। সকলো ৰচনাই আছিল আৰম্ভণিত ধৰ্মমূলক, পৃথক ঘটনাৰূপে ধাৰাবাহিক বুৰঞ্জী হিচাপে নাছিল।

আনুমানিক ৭৫০ খ্ৰীষ্টাব্দত বাগদাদলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ লগে লগে আৰব ইতিহাসৰ আদি যুগ আৰম্ভ হ'ল বুলি ধৰা যায়। আব্বাছিড (Abbasides) খলিফা সকলৰ কালছোৱাত সংৰক্ষিত গ্ৰন্থসমূহ হ'ল—(ক) মহম্মদৰ জীৱনী (*Sirah*), (খ) ঘটনাপঞ্জী বা যুদ্ধ-বিগ্ৰহৰ গ্ৰন্থ (*Maghazi*), (গ) বংশাৱলী (*ansab*) আৰু (ঘ) জীৱনী (*tabaqat*)। প্ৰাচীনতম জীৱন-বৃত্তান্ত হ'ল ইব্‌নে ইছাহকে ৰচনা কৰা মহম্মদৰ জীৱনী (৭৬৭ খ্ৰী:)। যুদ্ধ-বিগ্ৰহৰ ৰচকসকলৰ ভিতৰত মুছা ইবন্ উকবা (Musa Ibn Uqbah), আল্ ওৱাকিডি (*Al Waqidi*) আৰু পাৰসিক আল বালাডুৰী (*Al Baladhuuri* মৃত্যু আনুমানিক ৮৯২ খ্ৰী:) উল্লেখযোগ্য। বালাডুৰীৰ 'ফাতাহ আল বলদান্ (*Futuh al Buldan*) গ্ৰন্থত বহুতো যুদ্ধৰ কাহিনী সন্নিৱিষ্ট কৰা হৈছে ; ই আৰব বা চাৰাচিন ইতিহাসৰ অমূল্য সমল। জীৱনী বা টাবাকাৎসমূহৰ ভিতৰত ইবন্ চাদ (Ibn Sad) অৰ ৰচিত পয়গম্বৰৰ সংগী আৰু পৰবৰ্তী সকলৰ জীৱনীসমূহ সৰ্বপ্ৰধান।[১]

আদিযুগৰ ইতিহাস বা এনেধৰণৰ গ্ৰন্থসমূহৰ প্ৰত্যেকটো ঘটনাই স্বচক্ষে দেখাজনৰ বা সমসাময়িক লোকৰ কলমৰ পৰা লোৱা, আৰু

১. Khuda Buksh, *Contribution to Islamic Civilisation*, pp. 281-2, 310-11 ; P.K. Hitti, *ESS*, vii-viii, pp. 381 ; D.S. Margeliouth, *Lectures on Arabic Historians* (1930), pp. 22,51 and 59.

তাকেই এজনৰ পৰা আন এজনে লৈ শেষত মাজৰ প্ৰতিবেদক সকলৰ যোগেদি তাৰ চূড়ান্ত বৰ্ণনা দিয়া হয়। একেটা পৃষ্ঠাতে অলপ নৰচৰ কৰি বা নকৰাকৈয়ে একে পৰম্পৰাকে দোহাৰি থকা হয়, মাত্ৰ পৰিবেশক সকল হয় ভিন্ ভিন্। এইদৰে মূল উৎস (ultimate source) পৰ্য্যন্ত ঘটনাৰ অনুসন্ধান কৰাৰ ফলত তথ্যসমূহ যথাযথ হয় আৰু ঘটনাৰ মাহ আৰু দিন পৰ্য্যন্ত কাল নিৰূপণ পোৱা যায়। পৰিবেশন কৰা তথ্যবোৰৰ সঠিকতা সাধাৰণতে নিৰ্ভৰ কৰে প্ৰতিবেদকসকলৰ ইজনৰ পিছত সিজনে দিয়া প্ৰতিবেদন অৰ্খণ্ডিত আছে নে নাই আৰু প্ৰত্যেকজন প্ৰতিবেদক সৎ হয় নে নহয় তাৰ ওপৰত, তথ্য সমূহৰ সমালোচনামূলক পৰীক্ষাৰ ওপৰত নহয়। মৌলিক উৎসসমূহৰ নিৰ্বাচন আৰু কাল-নিৰূপণৰ ক্ষেত্ৰত ব্যক্তিগত সিদ্ধান্তৰ প্ৰয়োগ বাদ দিলে, ইতিহাসকাৰ সকলৰ বিশ্লেষণ, সমীক্ষা, তুলনা আৰু প্ৰভাৱৰ ক্ষমতা নিচেই কম আছিল। এই সম্পৰ্কত তাবাৰীয়ে কৈছে, "যি তথ্য আনে আমাক জনায় তাকেহে আমি আনক জনাও" (we transmit to others as has been tansmitted to us) [২]

সাৰ্বজনীন ইতিহাস

থুলমূলভাৱে খ্ৰীষ্টীয় নৱম শতিকাত ইতিহাস প্ৰণয়নত আৰবীয় ধাৰণা ধৰ্মক্ষেত্ৰৰ পৰা সাৰ্বজনীন ইতিহাস (*Universal History*) ক্ষেত্ৰলৈ পৰিবৰ্তন হয়। ইয়াৰ ফলত জ্ঞানৰ পৰিসীমা বিস্তৃত হ'ল আৰু অনা-আৰবসকলকো সামৰিব পৰা হয়। এইটো প্ৰমাণিত হ'ল ইবন্ কুটাইবা (Ibn kutayba)ৰ 'কিতাব অল্ মাৰিফ' (*(kitabal Marif*), অল্ দিনৱাৰী (Al Dinwari) ৰ 'আকবৰ অল্ তিৱাল' (*Akbar al Tiwal*) আৰু বিশেষকৈ অল্ তাবাৰী, (Al Tabari, ৮৩৮—৯২৩ খৃঃ)ৰ 'তাৰিখ' (*Tarikh*) গ্ৰন্থসমূহত। তাবাৰীৰ গ্ৰন্থখন এখন সাৰ্বজনীন ইতিহাস। ইয়াত ঘটনাপঞ্জী আৰু ঘটনাসমূহৰ সংকলনৰ ধাৰণাৰ পূৰ্ণ বিকাশ ঘটিছিল। এই ধাৰণাসমূহক এক ঘটনাক্ৰমত সজাই পেলোৱা হৈছিল; ইয়াৰ ভিত্তি আছিল কিম্বদন্তী, পৰম্পৰা, জীৱনী আৰু বংশাৱলীসমূহ। তাবাৰীৰ পৰৱৰ্তী-

২. *ESS*, vii-viii, pp. 281-2.

কালৰ সৰ্বশ্ৰেষ্ঠ বুৰঞ্জী-প্ৰণেতা অল্ মাছুডি (Al Masudi, আনুমানিক মৃত্যু ৯৫৬ খ্ৰী:) । এওঁক আৰবৰ হিৰ'ডটাছ্ বুলি গণ্য কৰা হয় । ইছলামীয় দেশসমূহ এযুগকাল পৰিভ্ৰমণ কৰি তেওঁ ৰচনা কৰে বিস্ময়কৰ গ্ৰন্থ 'মুৰুজ অল্ জাহাব' (*Muruj al zahab*) , ই স্বৰূপাৰ্থত এখন বিশ্বকোষ । এই গ্ৰন্থত খুদাবক্সৰ মতে "কেৱল সামৰিক ইতিহাসেই নাছিল ; সাহিত্য, ধৰ্ম আৰু সংস্কৃতিও আছিল।" মাছুডিয়ে ইতিহাস প্ৰণয়নত এক নতুন পদ্ধতিৰ উন্মোচন কৰে । ঘটনা-বোৰক বছৰ অনুসৰি সজোৱাৰ পৰিবৰ্তে তেওঁ ৰজা, ৰাজফৈদ আৰু বিষয়াবৰ্গৰ কেন্দ্ৰ কৰি উপস্থাপন কৰিছিল । ইতিহাস-প্ৰণয়নৰ এই ৰীতি ইবন্ খালডুনে অনুসৰণ কৰিলেও, তাবাৰীৰ বৰ্ষ-বিৱৰণ পদ্ধতি অনুসৰণকাৰী ইতিহাসকাৰ সকল তেওঁৰ অনুগামী নাছিল ।[৩]

পাৰসিক (Persian) সকলৰ লগত তুলনা কৰিলে আৰবসকলে ইতিহাস প্ৰণয়নত সিমান সফলতা লাভ কৰিব পৰা নাছিল । কোনো ঘটনাক কেনেকৈ উৎথাপন কৰিব লাগে পাৰসিকসকলে সেইটো ভালদৰে জানিছিল আৰু তাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহো আছিল । আৰব ইতিহাসকাৰ সকলৰ ইতিহাস-সংক্ৰান্ত পৰ্য্যবেক্ষণ যথেষ্ট ব্যাপক আছিল ; ই সমাজ, ৰাজনীতি, আইনগত সকলো দিশ সামৰি লৈছিল । তেওঁ-লোক শাসকীয় পক্ষৰ পৰা বা ৰজাঘৰীয়া ইতিহাসকাৰ নাছিল । তেওঁ-লোকৰ পদ্ধতি আছিল সঠিকভাৱে কিছুমান গ্ৰাহ্য আদৰ্শ অনুসৰি সংশ্লিষ্ট যুগৰ ইতিহাস ৰচনা কৰা । আনফালে পাৰসিক ইতিহাসকাৰ সকলৰ দৃষ্টিভংগী ৰাজসভাতে সীমিত আছিল । তেওঁলোকে শাসকসকলৰ ইতিহাস ৰচনা কৰাকে লক্ষ্য হিচাপে লৈছিল আৰু ইয়াকে একোটা যুগৰ ইতিহাস বুলিছিল । এই ইতিহাস-প্ৰণেতাসকল পৃষ্ঠপোষক সকলৰ তোষামোদকাৰী আছিল ।[৪]

আঞ্চলিক ইতিহাস

এঘাৰৰ পৰা তেৰ শতিকালৈকে চীক্ৰাপন্থীসকলৰ উত্থান, ধৰ্ম যুদ্ধৰ (Crusades) আৰম্ভণ আৰু মংগল আক্ৰমণত মুছলিম

৩. *Ibid*, Margoliouth, *op. cit*, p. 101 ; Khuda Buksh, *Islamic Civilisation*, pp. 309-11 ; *Studies, Indian and Islamic*, pp. 152-3.

৪. *ESS*, pp. 240-2 ; Sarkar *History*, pp. 24, 27-8

সাম্ৰাজ্য খানবান হোৱাত ইতিহাস ৰচনা একেবাৰে লোপ নাপালেও কিছু কমি আহিল। চীঞা বুৱাইড্ (Buwayhids) আমোলত বাগদাদত জনদিয়েক ইতিহাসকাৰ আছিল। সেইসকলৰ ভিতৰত আথিক বুৰঞ্জীৰচক মিস্কাৱাইহি (Miskawaihi, ১০৩০ খ্ৰী:) সৰ্বপ্ৰধান। পৰৱৰ্তী আব্বাছাইড্ আৰু ধৰ্মযুদ্ধৰ কালছোৱাত ইবন্ অল্ অচিৰ (মৃত্যু ১২৩৩), সাৰ্বজনীন অল্ খাচিব(১০২২—৯৩) আৰু ইবন্ বিন্ অল হানে (Ibn bin al Haan, ১১২৬—১২০১) আঞ্চলিক ইতিহাস ৰচনা কৰিছিল। ইব্‌ন আছাকিৰ (Ibn Asakir ,১১০৫-৭৫), ইবন্ খালিকান (Ibn Khalikan, ১২১১—৮২) আৰু ইয়াকুট অল্ হামাৱি (Yakut al Hamawi) ঘাইকৈ জীৱনী আৰু জীৱনীমূলক অভিধান প্ৰণয়ন কৰিছিল। ইজিপ্তৰ মামলুক শাসন কালছোৱাত মাক্ৰিজিয়ে (Maqrizi) ১৩৬৫—১৪৪২) গতানুগত পথৰ পৰা আঁতৰি কাইৰোৰ স্থানীয় বিৱৰণ আৰু প্ৰাচীন নিদৰ্শনৰ ওপৰত গুৰুত্ব দিছিল।[৫]

বিজ্ঞান-সম্মত ইতিহাস : ইবন্ খালডুন

উপৰোক্ত আলোচনাৰ পৰা দেখা গল যে, মুছলিম ইতিহাস প্ৰণয়নৰ পাতনি মেলা হয় ইছলাম ধৰ্মৰ লগে লগে আৰু ই পৰম্পৰাগত (হাদীছ) মনোগ্ৰাফ বা একক ৰচনা, কালক্ৰমানুসৰী বিষয়বস্তু সম্পৰ্কীয় (Topical আৰু স্থান বিৱৰণমূলক (Topographical)) আছিল। বিজ্ঞান-সন্মত ইতিহাসৰ মূলনীতিৰ উদ্ভাৱন হ'ল ইবন্ খালডুন (Ibn Khaldun, ১৩৩২—১৪০৬)।[৬] টিউনিছৰ স্পেনীয় আৰবীয় বাবাৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা আব্দুল ৰহমান আবু জায়াদ ইবন্ মহম্মদ খালডুন আছিল ঐতিহাসিক, সমাজবিজ্ঞানী, অৰ্থনৈতিক, দৰ্শনবিদ আৰু মানৱ কাৰ্য্যকলাপ অধ্যয়নৰ নিষ্ঠাবান ছাত্ৰ। স্পেন আৰু আফ্ৰিকাৰ আৰব

৫. Margoliouth, pp. 564-5 in *ESS* viii-viii.

৬. Ibn Khaldun, *The Muqaddimah* tr. by Franz Rosenthal (1967), i, p. 56 ; Abdul Ali, "Ibn Khaldum as founder of Modern Historiography," *QRHS*, 1978-9, xviii, pp. 189-90 ; Sarkar *History*, pp. 24-27-8.

সকলৰ ইতিহাস ‘কিতাব অল্ আলইবাৰ’ (*Kitab al’ Ibar*) বা বিশ্বকোষ নামৰ গ্ৰন্থৰ কাৰণে তেওঁ সুপ্ৰসিদ্ধ। সেই গ্ৰন্থখন সমালোচনাত্মক দৃষ্টিভঙ্গী আৰু পৰম্পৰাৰ কালক্ৰমানুসৰিৰ পৰিবৰ্তে মাছুডিয়ে প্ৰবৰ্তন কৰা জাতি আৰু ৰাজফৈদৰ তথ্যৰ প্ৰণয়নৰ বাবে গুৰুত্বপূৰ্ণ। ‘মুকাদ্দিমা’ (*Muqaddimah*) নামৰ পাতনিত তেওঁ ইতিহাসক ভৌতিক আৰু প্ৰাকৃতিক কাৰণসমূহৰ দ্বাৰা মানুহৰ সামাজিক আৰু পৰিবেশৰ প্ৰভাৱৰ দ্বাৰা ব্যক্তি আৰু সমষ্টিৰ বিকাশৰ বিৱৰণ বুলি গণ্য কৰিছে।

ইবন্ খালডুনে প্ৰথম আধুনিক ইতিহাস প্ৰণয়নৰ মূলনীতিসমূহ উপস্থাপন কৰে। কোনো বিজ্ঞান-ভিত্তিক ব্যাখ্যা দাঙি নধৰাকৈ কেৱল ঘটনা লিপিবদ্ধ কৰি যোৱাৰ যি ঐতিহাসিক পৰম্পৰা আছিল তাৰ পৰা তেওঁৰ ৰচনাৰীতি সম্পূৰ্ণভাৱে পৃথক। তেওঁ ইতিহাসকাৰসকলক তেওঁলোকে কিম্বদন্তীৰ ওপৰত অকাৰণে নিৰ্ভৰ কৰা বাবে আৰু পূৰ্বসূৰীসকলক অন্ধৰ দৰে অনুসৰণ কৰাৰ কাৰণে সমালোচনা কৰে আৰু ইতিহাসৰ “মৰ্মগত সাৰবস্তু” (Inner substance) ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে ইতিহাস প্ৰণয়ন কৰোতে পাৰিপাৰ্শ্বিকতা আৰু ভৌগোলিক ঘটনা আৰু তথ্য যথাযোগ্যভাৱে গ্ৰাহ্য কৰাৰ উপৰিও সমাজত যিবোৰ নৈতিক শক্তিয়ে ক্ৰিয়া কৰি আছে, লগতে যি প্ৰকৃতিক সাৰ্বজনীন বিধান সমাজৰ ৰূপান্তৰ নিয়ন্ত্ৰণ কৰে, সেইবিলাক মানিব লাগিব। ঐতিহাসিক হিট্টিয়ে মন্তব্য কৰিছে : “কোনো আৰব লেখকে, আন নালাগে কোনো ইতিহাসকাৰে ইতিহাসৰ প্ৰতি ইমান সামগ্ৰিক আৰু দাৰ্শনিক দৃষ্টিভংগী গ্ৰহণ কৰা নাছিল। ইবন্ খালডুন ইছলামে জন্ম দিয়া ঐতিহাসিক-দাৰ্শনিক সকলৰ ভিতৰত সৰ্বকালৰ শ্ৰেষ্ঠতম আছিল।”[৭] ইউৰোপীয় প্ৰাচ্যতত্ত্ববিদ নিকলছনৰ কাৰণে “তেওঁ তেওঁৰ যুগতকৈ আগবঢ়া আছিল—তেওঁৰ বৌদ্ধিক অনুগামীসকল হ’ল

৭. “No Arab history, indeed no historian had ever taken a view of history so comprehensive and philosophic. Ibn Khaldun was the greatest historical philosopher of Islam produced and one of the greatest of all times.” *History of the Arabs*, p. 568.

ইউৰোপৰ মধ্যযুগীয় আৰু আধুনিক ইতিহাসকাৰ মেকিয়াভেলি, ভিক' (Vico) আৰু গিব্বন।"[৮]

মানৱ-সমাজৰ ৰূপান্তৰ নিয়মক সাৰ্বজনীন তত্ত্ব সম্বন্ধে অজ্ঞতা ইতিহাস-প্ৰণয়ন ত্ৰুটীৰ এটা কাৰণ বুলি ইবন্ খালডুনে 'মুকাদ্দিমা'ত আঙুলিয়াই দিছে। এজন ঐতিহাসিকে বৰ্ণনাবোৰ নকল কৰি যোৱাৰ সলনি বুজিব লাগে ঘটনাৰ প্ৰকৃতি কি। এনে বোধ হলে তথ্যৰ বিৱৰণৰ ক্ষেত্ৰত মিছাৰ পৰা সঁচাটোক বাছি উলিওৱাত সহায় হয়। ত্ৰুটীৰ অন্য এটা কাৰণ বিচাৰি পোৱা হয়—নিজৰ সময়ৰ নিৰ্ভুলতাৰ ওপৰত ইতিহাসকাৰজনৰ অত্যধিক আস্থা আৰু তথ্যৰ বিচাৰ-বিবেচনাহীন অতিৰঞ্জন। সংবাদৰ সকলোবোৰ উৎস জ্ঞানৰ কষতি শিলৰ (touch-stone) পৰীক্ষা কৰিহে আৰু চালি-জাৰি চাইহে গ্ৰহণ কৰিব লাগে বুলিও তেওঁ মত পোষণ কৰে।

দুৰ্ভাগ্যৰ বিষয় যে, তেওঁ নিজে কিতাব অল্ আলইবাৰত যি মূলনীতি ঘোষণা কৰিছিল তাক তেওঁ প্ৰয়োগ কৰিব নোৱাৰিলে।[৯] তেওঁৰ পৰবৰ্তীসকলৰ ওপৰতো তেওঁৰ প্ৰভাৱ যিমান গভীৰভাৱে পৰিব বুলি আশা কৰা হৈছিল সিমান নপৰিল। আৰবীয় ইতিহাস প্ৰণয়ন পৰম্পৰাগত ধাৰাৰ পৰা মুক্ত হলতহে আৰু ই আৰবীয় সাহিত্যৰ শাখা হিচাপে সুস্পষ্ট হোৱাৰ পিছতহে সেই প্ৰভাৱ পৰিল। সম্প্ৰতি কালৰ ইউৰোপীয় বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰা মুছলিমসকলে আৰবীয় সকলৰ বিশাল ভাণ্ডাৰ সমালোচনাত্মক দৃষ্টিভংগীৰে নিৰীক্ষণ কৰিবলৈ প্ৰচেষ্টা চলাইছে।

---

৮. "He stood far above his age....His intellectual descendants are the great medieval and modern historians of Europe , Machiavalli, Vico and Gibbon," *A Literary History of the Arabs*, pp. 438-9.

৯. Hitti, "Ibn Khaldun", *ESS*, vii-viii, p. 382.

অষ্টম অধ্যায়

ভাৰতবৰ্ষ

ভাৰতৰ অতীত গৌৰৱময় । দৰ্শন, অধিবিদ্যা, জ্যোতির্বিদ্যা, স্থাপত্য, জ্যোতিষতত্ত্ব আদি বিজ্ঞানৰ ক্ষেত্ৰত এই দেশে মহৎ কৃতকাৰ্য্যতা লাভ কৰিলেও ইতিহাস-প্ৰণয়ন ক্ষেত্ৰত অতিকৈ পিছপৰা আছিল । কৌটিল্যৰ দৰে ৰাজনীতিবিদ ব্যাস বা কালিদাসৰ দৰে মহাকবিৰ আবিৰ্ভাৱ হলেও, এইদেশত হিৰ'ডটাছ, থুকিডাইডিছ্ বা পলিবিয়াছৰ দৰে ঐতিহাসিকে জন্ম গ্ৰহণ কৰা নাছিল । সংসাৰ অসাৰ আৰু অনিত্য, হয়তো এনে ভাৱধাৰাৰ বাবেই আদিযুগত ঘটনাৱলী লিখি ৰখা হোৱা নাছিল । আকৌ আলবেৰুণীয়ে কোৱাৰ দৰে হিন্দুসকলে সকলো বিষয়ে নিজকে সৰ্বশ্ৰেষ্ঠ আৰু প্ৰতিভাশালী বুলি ভবা কাৰণেও হয়তো তেওঁলোকে নিজৰ বিষয়ে লিখি থৈ যোৱা নিষ্প্ৰয়োজন বুলি ভাবিছিল । মহাকাব্য, পুৰাণ আদিত কোনো ঘটনাৰ বৰ্ণনা থাকিলেও সেইবিলাকত দেৱাসুৰৰ যুদ্ধৰ দৰে অলৌকিক কথাই অধিক ঠাই পাইছিল । বস্তুনিষ্ঠভাৱে অতীতৰ অনুসন্ধান কৰি ইয়াক প্ৰণালীবদ্ধভাৱে লিখি ৰখাৰ হেঁপাহ আমাৰ পূৰ্বপুৰুষ সকলৰ নাছিল ।

ঐতিহাসিক ধাৰণাসমূহ

ইতিহাস আৰু ইতিহাস-সাহিত্যৰ ধাৰণা যে একেবাৰেই নাছিল, সেইটোও নহয় । খ্যাতনামা ঐতিহাসিক ৰমেশ চন্দ্ৰ মজুমদাৰে উল্লেখ কৰিছে যে,[১] "ইতিহাস সম্বন্ধে প্ৰথম গুৰুত্বপূৰ্ণ ঘোষণা পোৱা যায় আনুমাণিক খ্ৰী: পূ: তৃতীয় শতিকাত ৰচিত কৌটিল্যৰ অৰ্থশাস্ত্ৰত । প্ৰাসং-

১. R. C. Majumdar, "Ideas of History in Sanskrit Literature," Philips *Historians*, pp. 13 ff.

গিক অংশটো হ'ল, "সাম, ঋগ্ আৰু যজুৰ মিলি তিনি বেদ ; ইয়াৰ লগত অথৰ্ব্য-বেদ আৰু ইতিহাস-বেদ লগ লাগিয়েই হ'ল বেদসমূহ ।" সেই এঃকেগৰাকী পণ্ডিতৰ মতে ইতিহাসৰ অন্তৰ্গত ইতিহাসৰ ব্যক্তি আৰু ঘটনাৰ অধ্যয়নতো পৰেই ; তদুপৰি তেওঁলোকৰ সম্বন্ধে যিবোৰ পৰম্পৰা আছে সিও ৰাজনৈতিক, সামাজিক, নৈতিক আৰু অৰ্থনৈতিক তত্ত্বৰাজি আৰু বাস্তৱত সিবোৰৰ প্ৰয়োগো পৰে । মহাকাব্য মহাভাৰতৰ এই শ্ৰেণীৰ ইতিহাসৰ লগত ঘনিষ্ঠ সম্বন্ধ আছে ।

অতীতত ইতিহাসৰ ধাৰণাহে যে একমাত্ৰ আছিল তেনে নহয়, সমল সংগ্ৰহৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা বহুকালৰ আগৰে পৰা আছিল যেন অনুমান হয় । বিষয়াসকলক ৰজাৰ বংশাৱলী, পৰম্পৰা আৰু খ্যাতনামা ব্যক্তিসকলৰ মালিতা (ballads) সংগ্ৰহ কৰাৰ কামত নিঃয়োগ কৰা সম্পৰ্কে পাৰ্জিটাৰ (F. E. Pargiter)ৰ 'এনচিয়েণ্ট ইণ্ডিয়ান হিষ্টৰিকেল ট্ৰেডিছন' (*Ancient Indian Historical Tradition*) গ্ৰন্থৰ পৰা জনা যায় । প্ৰাচীন বংশাৱলীৰ খনদিয়েক পুৰাণবোৰত সংৰক্ষিত হৈ আছে আৰু ইয়াৰ পৰাই পণ্ডিতসকলে কুৰিটা বিভিন্ন ৰাজফৈদৰ ৰজাৰ তালিকা এখন প্ৰস্তুত কৰি উলিয়াইছে ।[২] নথি-পত্ৰ দপ্তৰত যে সংৰক্ষিত হৈছিল সেইটো কিছুমান প্ৰাচীন নথি-পত্ৰৰ পৰা স্পষ্ট হৈ পৰিছে । এইবিলাকত আমি কেইটামান ৰাজবংশৰ তালিকা আৰু কোনো ক্ষেত্ৰত ৰাজত্বকালৰো সম্ভেদ পাওঁ । গুজৰাট, নেপাল, কাশ্মীৰ আৰু পিছলৈ অসম আদি ৰাজ্যতো নিয়মিত ঘটনাপঞ্জী লিপিবদ্ধ কৰি ৰখা হৈছিল । ঘটনাপঞ্জী আৰু বংশাৱলীৰ উপৰিও অৰ্থশাস্ত্ৰত উল্লেখ কৰা "গোপ"ৰ কাম আছিল একোখন গাঁৱৰ বাণিজ্য আৰু কৃষিজাত সামগ্ৰীকে ধৰি সকলোবোৰ কথাৰে হিচাপ ৰখা । সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধত ভাৰতলৈ অহা চীনা-পৰিব্ৰাজক হিউৱেন ছাঙে লিখিছে :[৩] "ঘটনাৰ লিপিবদ্ধকৰণৰ ক্ষেত্ৰত সেইবিলাক লিখিতভাৱে সংৰক্ষিত কৰাৰ কাৰণে

২. *Ibid*, pp. 15 and 144.

৩. S. Beal, tr ., *Buddhist records of the Western World* (1906), *i.*, p. 78.

প্ৰত্যেক প্ৰদেশতে নিজৰ কৰ্মচাৰী আছিল ; এনে লিখনীত ভাল-বেয়া, বিপৰ্য্যয়মূলক আৰু সৌভাগ্যজনক সকলো ঘটনাৰে উল্লেখ আছে ।" ইতিহাসৰ সমল প্ৰভাৱশালী ৰজাসকলৰ জীৱনীত পোৱা গৈছিল। হৰ্ষ-চৰিত, কুমাৰপাল-চৰিত, ৰামপাল-চৰিত, গৌৰবাহু আদি জীৱনীবোৰ লিখিছিল সেই ৰজাসকলৰ কালৰ লোকে । এই গ্ৰন্থবোৰ অৱশ্যে লক্ষ্যৰ ক্ষেত্ৰত সীমাবদ্ধ আছিল । চৰিত্ৰৰ ক্ষেত্ৰত প্ৰশস্তিমূলক আৰু কাব্যিক অতিৰঞ্জন আছিল । এইবিলাকৰ লক্ষ্য প্ৰকৃত ঘটনাতকৈ অধিক আছিল মনোৰঞ্জনত । দৰাচলতে সেইবিলাক ইতিহাসৰ পৰ্য্যায়লৈ উঠা নাছিল।

কলহনৰ ৰাজ-তৰংগিণী

প্ৰকৃত ইতিহাস ৰচনাৰ প্ৰথম প্ৰচেষ্টা হয় কাশ্মীৰৰ কলহনৰ ৰাজ-তৰংগিণী (*Rajtarangini*, ১১৪৮—৯খ্ৰী:) গ্ৰন্থত ।[৪] ঐতিহাসিক এ, এল বাশ্বমে (A. L. Basham) ধাৰণা কৰে যে, ইতিহাস সম্বন্ধে গভীৰতৰ জ্ঞান থকা অন্য লোকৰ সান্নিধ্যলৈ অহাৰ কাৰণে তেওঁৰ ইতিহাসবোধৰ বিকাশ সাধন হ'ব পাৰে । হিন্দুতকৈ বৌদ্ধসকলৰ ইতিহাসৰ জ্ঞান গভীৰতৰ আছিল ; হয়তো সেই বৌদ্ধ মতবাদ ধাৰাবাহিকভাৱে প্ৰৱৰ্তিত হৈ থকাটোও কাশ্মীৰত ইতিহাস-বোধৰ বিকাশৰ অন্যতম কাৰণ হ'ব পাৰে । কলহনৰ নিজৰে সীমাবদ্ধতা আছিল : সপ্তম শতিকালৈকে ৰাজ-তৰংগিণীৰ ভিত্তি আছিল সম্পূৰ্ণ কিম্বদন্তী আৰু পৰম্পৰা । ঔৰেল ষ্টেইনে দেখুৱাই দিছে যে, ইয়াত "অসম্ভৱৰ প্ৰকাশ ঘটিছে । কোনো সন্দেহ বা সমালোচনাত্মক দৃষ্টি-ভংগী-প্ৰসূত শংকাৰ কোনো চিন নথকা এক অতিৰঞ্জন" । সপ্তম শতিকাৰ পিছতহে তেওঁৰ বিৱৰণবোৰ মাজে মাজে অতিৰঞ্জিত হলেও সংযত হবলৈ ধৰিছিল ।

যি নহওক, ৰাজ-তৰংগিণী মৰুভূমিৰ মাজত একমাত্ৰ মৰুদ্যানৰ দৰে জিলিকি আছে । ইতিহাসকাৰৰ লক্ষ্য কি হ'ব লাগে সেই বিষয়ে কলহনে তেওঁৰ আগকথাত মন্তব্য কৰিছে : ইতিহাসকাৰে "তেওঁৰ

---

৪. এই গ্ৰন্থ প্ৰায় আঠহাজাৰ পৃষ্ঠাৰ আঠোটা খণ্ডত সম্পূৰ্ণ । কেইবাখনো অনুবাদ হলেও ঔৰেল ষ্টেইন (Aurel Stein)ৰ অনুদিতখনেই প্ৰামাণিক গ্ৰন্থ ।

অতীত যুগটোৰ এখন স্পষ্ট ছবি দাঙি ধৰিবই লাগিব ।" ইতিহাসৰ প্ৰকৃত তথ্য বা উৎসসমূহৰ এটা উন্নত ধাৰণা তেওঁৰ আছিল । কাশ্মীৰৰ ইতিহাস সম্বন্ধে আগৰ সকলোবোৰ ৰচনা তেওঁ খৰচি মাৰিতো অধ্যয়ন কৰিছিলেই, তদুপৰি মুদ্ৰা, অভিলেখ, অধ্যাদেশ (Ordinances), শাসন (Sasanas) আৰু শাস্ত্ৰ (records) আদি মূল উৎসবোৰ অনুসন্ধান কৰিছিল । তেওঁৰ মনটো আছিল সমালোচনাধৰ্মী আৰু তেওঁৰ আছিল এটা সন্দেহ কৰাৰ মনোভাব, যিটো ইতিহাসকাৰ এজনৰ প্ৰাথমিক গুণ । সবাতোকৈ উপৰি সকলো পক্ষপাতিত্ব আৰু সংস্কাৰৰ পৰা মুক্ত হব পৰাটোৰেই যে এজন ঐতিহাসিকৰ কাৰণে প্ৰথম প্ৰয়োজন, সেইটোও তেওঁ দৃঢ়ভাবে বিশ্বাস কৰিছিল ।[৫] অতীত ঘটনাৱলীৰ পুংখানুপুংখ বিচাৰ ক্ষেত্ৰত এজন ইতিহাসকাৰ বিচাৰপতি এজনৰ দৰে বীতৰাগ আৰু দ্বেষশূন্য হ'ব লাগিব (must discard love and hatred) আৰু একমাত্ৰ এনে লিখকহে প্ৰশংসাৰ যোগ্য'' বুলি তেওঁ কৈছে । বহু শতিকা ধৰি এই কাশ্মীৰী ইতিহাসকাৰজনে দি থৈ যোৱা আদৰ্শস্থানীয় ইতিহাস-প্ৰণয়ন হোৱা নাছিল । কুৰি শতিকা পৰ্য্যন্ত প্ৰণালীবদ্ধ আৰু নিৰপেক্ষ ভাৰত-ইতিহাস প্ৰকাশ নহলেও মধ্যযুগীয় বুৰঞ্জী (Chronicles)ৰ অভাৱ নাছিল, কিন্তু এইবিলাক "ইউৰোপৰ দৰে", অধ্যাপক ডড্‌ৱেলে মন্তব্য কৰিছে, "প্ৰায়-খিনিয়েই কোনো ভিক্ষুৰ ৰচনা নাছিল, বিষয়ী মানুহৰ দ্বাৰাহে প্ৰণিত ; তেওঁলোক প্ৰায়ে সমসাময়িক, গতিকে লিপিবদ্ধ কৰা ঘটনাবোৰ হয় দেখিছিল বা সেইবিলাকত অংশ গ্ৰহণো কৰিছিল । মুছলিম ইতিহাস-কাৰসকল অৱশ্যে অনুসন্ধানকাৰীতকৈ অধিক লিপিকাৰহে আছিল ; গতিকে ইতিহাস এক সৃষ্টিকৰ্ম হোৱাতকৈ হাত-বাগৰা বিষয়হে আছিল ।"[৬]

ভাৰত-তত্ত্বৰ আৰম্ভণ

বৃটিছ অধিকাৰৰ লগে লগে ভাৰতত এচাম ইউৰোপীয় পণ্ডিতে ভাৰত-তত্ত্ব (Indology) সম্বন্ধে অধ্যয়ন আৰম্ভ কৰে । তেওঁলোকে এই কাৰ্য্যত আংশিকভাৱে প্ৰেৰণা পাইছিল অতীতৰ গ্ৰীক আৰু ৰোমান সকলৰ দৰেই ভাৰতৰ অচিনাকি অধিবাসী আৰু সিহঁতৰ কৃষ্টি

৫. R.C. Majumdar, *op. cit*; Kane, ***Presidential Address***, *IHC*, 1953 ; A.L. Basham, "Kashmir Chronicle" in Philips *Historians* pp. 57 ff.

৬. H. Dodwell, *India*, pp. 22-4.

সম্বন্ধে তেওঁলোকৰ বিজ্ঞান-ভিত্তিক কৌতূহলৰ পৰা আৰু আংশিকভাবে গ্ৰীক আৰু ৰোমীয়সকলৰ চিৰায়ত ভাষাৰ লগত সংস্কৃতৰ সাদৃশ্য উদ্ধাৰৰ ফলত। সংস্কৃত ভাষাটো বিশ্বৰ সম্মুখত উদ্ভাসিত কৰাৰ কৃতিত্ব হ'ল চাৰ্লচ উইলকিন্স্ (Charles Wilkins), উইলিয়ম জন্স্ (William Jones)) আৰু এইচ, টি, ক'লব্ৰুক ((H. T. Colebrook) নামৰ তিনিগৰাকী ব্ৰিটিছ পণ্ডিতৰ। ১৭৯৪ চনত সৰ্বশ্ৰেষ্ঠ ব্ৰিটিছ প্ৰাচ্যবিদ উইলিয়ম জন্সে কলিকতাত 'এচিয়াটিক ছোচাইটি অব্ বেংগল' প্ৰতিষ্ঠা কৰে। ইয়াৰ পিছত পেৰিছ (১৮২২) আৰু লণ্ডনত (১৮২৩) ইয়াৰ শাখা প্ৰতিষ্ঠান স্থাপিত হয়। ইয়াৰ পিছৰ পৰাই প্ৰকাশ হয় মূল্যবান বিষয়-বস্তু আৰু অধ্যয়নৰ অনুবাদ। যোৱা শতিকাৰ চল্লিছৰ দশকত ব'ৰনফ্ (Bournouf) এ ইউৰোপত বৈদিক আৰু পালি অধ্যয়নৰ ভেটি স্থাপন কৰে আৰু জাৰ্মান ছাত্ৰ ফ্ৰিডাৰিক্ মেক্সমুলাৰ (Frederick Max Muller) এ প্ৰায় সেই সময়তে সায়ণৰ টীকা-সম্বলিত ঋগ্বেদ আৰু আন আন গ্ৰন্থৰ তেওঁৰ নিজস্ব সংস্কৰণ প্ৰকাশ কৰে। পঞ্জাব আৰু আফগানিস্তানৰ গ্ৰীক, শক্, পাৰ্থীয় আৰু কুশান মুদ্ৰাৰ আবিষ্কাৰে ১৮২০ চনৰ পৰাই ইউৰোপীয় পণ্ডিতসকলৰ আগ্ৰহ উদ্ৰেক কৰে। ইয়াৰ পিছতে আৰম্ভ হয়, প্ৰাচীন নিৰ্বাচিত স্থানৰ খননকাৰ্য্য আৰম্ভ আৰু গান্ধাৰত (বৰ্তমানৰ পেছোৱাৰৰ ওচৰত) হেলেনীয় বা গ্ৰীক শৈলীৰ বৌদ্ধ ভাস্কৰ্য্যৰ অনুসন্ধান আৰু ভাৰ্হুত (Bharhut), সাঁচী (Sanchi), সাৰনাথ, ইলোৰা, অজন্তা আৰু অমৰাৱতীৰ ঐতিহাসিক স্থান আৰু স্মৃতিসৌধৰ আৱিষ্কাৰ। অনভিজ্ঞ খননকাৰীৰ হাতত পৰি প্ৰাচীন স্মৃতি স্তম্ভবোৰৰ অপূৰণীয় ক্ষতি সাধিত হ'ল ; তথাপি জেমচ্ প্ৰিন্সেপ্ (James Princep) আৰু তেওঁৰ সহযোগীসকলে খৰোষ্টি (Kharosthi), ব্ৰাহ্মী (Brahmi), কুশান আৰু গুপ্তলিপি বুলি খ্যাত প্ৰাচীনতম্ ঐতিহাসিক খোদিত লিপিৰ (inscription) হস্তাক্ষৰ আৰু ভাষা উদ্ধাৰ কৰিলে।

প্ৰত্নতত্ত্ব, স্থাপত্য, ভাস্কৰ্য্য, মুদ্ৰা-পদক বিদ্যাৰ ক্ষেত্ৰত সেই সময়ছোৱাত যিবিলাকৰ অৱিহণা আছিল, সেইবিলাকৰ ভিতৰত উত্তৰ-পশ্চিম ভাৰত আৰু আফগানিস্তানৰ স্তূপৰ বৰ্ণনা কৰা মেছন (Masson)ৰ

'আৰিয়ানা এণ্টিক' (*Ariana Antique* , ১৮৪০), ৰামৰাজৰ (Ramraj) 'এছেইজ্ অন্ আৰ্কিটেক্‌চাৰ অৱ দি হিন্দুজ' (*Essays on Architecture of the Hindus*, ১৮৪৭), ফাৰ্গুছন (Fergusson)ৰ 'কেভ্ টেম্পলচ্ অৱ ইণ্ডিয়া' (*Cave Temples of India*) আৰু প্ৰিন্সেপৰ ঐতিহাসিক, অভিলেখ আৰু মুদ্ৰা সম্বন্ধীয় প্ৰবন্ধবোৰৰ সংগ্ৰহ 'ইণ্ডিয়ান এণ্টিকুইটিজ' (*Indian Antiquities*, ১৮৫৮) উল্লেখ-যোগ্য । ব্ৰিটিছ ঐতিহাসিক জেমচ্ মিলে তেওঁৰ 'ব্ৰিটিছ ইণ্ডিয়া (*British India*, 1917) নামৰ গ্ৰন্থত প্ৰাচীন যুগৰ আলোচনাত কাৰ্পণ্য কৰিলেও সেই গ্ৰন্থখনেই এই ক্ষেত্ৰত বাট্‌কটীয়া । এলফিন্‌ষ্টোন (Elphinstone)এ তেওঁৰ 'হিষ্টৰি অৱ ইণ্ডিয়া' (*History of India*, ১৮৩৯) ত ভালেখিনি প্ৰকৃত তথ্য পোহৰলৈ আনিছে ; তাত কোনো কিংবদন্তীমূলক আখ্যান নাই । জেমচ্ টডে (James Tod) 'এনালচ্ এণ্ড এণ্টিকুইটিজ অৱ ৰাজস্থান'ত (*Annals and Antiuities of Rajasthan*) প্ৰাচীন ইতিহাসৰ সমল হিচাপে পুৰাণৰ বংশাৱলী, ঘটনাপঞ্জী আৰু অভিলেখৰ আশ্ৰয় লৈছে । ইউৰোপীয় পণ্ডিতসকলৰ ভিতৰত জাৰ্মেনিৰ ক্ৰিশ্চিয়ান লাছেনৰ (Chritian Lassen) নাম উল্লেখযোগ্য । তেওঁ চাৰিটা খণ্ডত 'ইণ্ডিচে আলটাৰ্টুমচকুণ্ডে' (*Altertumskunde*) গ্ৰন্থত বিশ্ব ইতিহাসৰ আধাৰত ভাৰতীয় ইতিহাসৰ এখন ছবি দাঙি ধৰিছে । ইয়াত সংশ্লিষ্ট বিষয়ৰ সকলো ধৰণৰ সমসাময়িক জ্ঞানৰ সন্দেশ পোৱা যায় । গ্ৰন্থকাৰে ইয়াত নিজৰ সংযোজনো কৰিছে ।

প্ৰত্নতত্ত্ব, অভিলেখ আৰু মুদ্ৰা-পদক অধ্যয়ন

১৮৬২ চনত আলেকজেণ্ডাৰ কানিংহাম (Alexander Cunning-ham)ক সঞ্চালকৰূপে লৈ গঠন কৰা প্ৰত্নতাত্ত্বিক বিভাগ স্থাপনৰ লগে লগে প্ৰাচীন ঠাই আৰু স্মৃতি-সৌধবিলাকৰ অনুসন্ধান আৰু খনন কাৰ্য্য আৰম্ভ হয় ।[৭] কানিংহামৰ ধাৰাবাহিক ভ্ৰমণ, অনু-

৭. For further Study, *see* Allchin "Ideas of History in Indian Archaeological Writing : A Preliminary Study" in Philips *Historians.*

সন্ধান আৰু খননকাৰ্য্যৰ বিৱৰণ ২৩টা খণ্ডত (১৮৬২—৮৭) সন্নিৱিষ্ট হৈছে। 'ভিলচা ট'পচ্' (*Bhilsa Topes*, ১৮৫৪), 'ভাৰ্হুত' (*Bharhut*, ১৮৭৯) আৰু 'মহাবোধি' (*Mahabudhi*, ১৮৯২) নামৰ প্ৰধান স্মৃতিস্তম্ভ সংক্ৰান্ত প্ৰবন্ধ, অশোক অভিলেখৰ গ্ৰন্থ আৰু *ভাৰতৰ প্ৰাচীন ভূগোল* (*Ancient Geography of India*, ১৮৭১) নামৰ প্ৰবন্ধ আৰু গৱেষণাপূৰ্ণ নিবন্ধই তেওঁক 'ভাৰতীয় প্ৰত্নতত্ত্বৰ জনক' (Father of Indian Archaeology) উপাধিৰে ভূষিত কৰিছে। স্থাপত্য বিদ্যাত প্ৰশিক্ষিত ফাৰ্গুছনে তেওঁ 'হিষ্টৰি অৱ ইষ্টাৰ্ণ এণ্ড ইণ্ডিয়ান্ আৰ্কিটেক্চাৰ' (*History of Eastern and Indian Architecture*, ১৮৭৬) আৰু 'কেভ্ টেম্পলচ্ অৱ্ ইণ্ডিয়া' (*Cave Temples of India*, ১৮৮০) শীৰ্ষক গ্ৰন্থই ভাৰতৰ স্থাপত্যৰ প্ৰণালীবদ্ধ অধ্যয়নৰ ভিত্তি স্থাপন কৰিলে। ১৯০২ চনত জন মাৰ্শ্বাল (John Marshall)ক এই বিভাগটোৰ মুৰব্বী হিচাপে নিযুক্তি দিয়াৰ লগে লগে প্ৰত্নতাত্ত্বিক আৱিষ্কাৰৰ এটা নতুন অধ্যায়ৰ সূচনা হয়। তেওঁৰ আদৰ্শবাণী হ'ল "খনা আৰু আৱিষ্কাৰ কৰা, শ্ৰেণী বিভাজন, পুনৰ্নিৰ্মাণ আৰু বৰ্ণনা কৰা, প্ৰতিলিপি আৰু পাঠোদ্ধাৰ কৰা আৰু সযত্নে আটোম-টোকাৰিকৈ ৰখা'[৮] (to dig and discover, to classify, reproduce and describe, to copy and to decipher and to cherish and to conserve), । অৱশ্যে বৌদ্ধ স্তম্ভ, বিশ্ববিখ্যাত মাহেন্‌জোদাৰো আৰু হৰপ্পা, আৰু সিন্ধু-বেলুচিস্তানৰ আন আন ঐতিহাসিক স্থানসমূহত খননকাৰ্য্যৰ কৃতিত্ব মাৰ্শ্বাল আৰু তেওঁৰ সহযোগীসকলৰ। ইয়াৰ ফলত যি পোৱা গ'ল, সেই সকলো 'মহেন্‌জোদাৰো এণ্ড ইণ্ডাচ্ ভেলি চিভিলিজেছন (*Mohenjadaro and Indus Valley Civilization*, তিনি খণ্ড ১৯৩৮) আৰু আৰু 'টেক্সীলা'ত (*Taxila*, তিনি খণ্ড, ১৯৫১) লিপিবদ্ধ কৰা হৈছে। ভাৰতৰ প্ৰত্নতাত্ত্বিক নিৰীক্ষণ (*Archaelogical Survey of India*) বিভাগৰ অলপ দিনৰ কাৰণে মুৰব্বী হৈ থকাৰ সময়ত মৰ্টিমাৰ হুইলাৰ (Mortimer

---

৮. *Annual Report of Archaeological Survey of India* (1902-3), p. 2.

Wheeler, ১৯৪৪-৪৮)ৰে ৰোমানসকলৰ ভাৰতৰ প্ৰথম বাণিজ্যকেন্দ্ৰ পণ্ডিচেৰীৰ ওচৰৰ আৰিকামেডু (Arikamedu) আৱিষ্কাৰ কৰাৰ উপৰিও প্ৰত্নতত্ত্বৰ আধুনিক কৌশলৰো প্ৰৱৰ্তন কৰে। এই কাল ছোৱাতে আৰ, জি; ভাণ্ডাৰকাৰ, দয়াৰাম চাহ্নি, কাশীনাথ দীক্ষিত, ননীগোপাল মজুমদাৰ, ৰাখালদাস বানাৰ্জী আদি এদল ভাৰতীয় প্ৰত্নতত্ত্ববিদৰ আৱিৰ্ভাৱ হয়। এওঁলোকে ভাৰতীয় প্ৰত্নতত্ত্বৰ এক নতুন অধ্যায়ৰ সূচনা কৰে।

এই কালছোৱাত অভিলেখ (Inscriptions) আৰু মুদ্ৰাৰ অধ্যয়ন অবাধ গতিত অগ্ৰসৰ হয়। ইয়াৰ গুৰিতে আছিল এক জ্যোতিষ্ক মণ্ডলী, যাৰ নেতৃত্বত আছিল জি, বুলাৰ (G. Buhler) আৰু এফ্ কিয়েলহৰ্ণ (F. Kielhorn), জে, এফ্ ফ্লিট্ (J. F. Fleet) আৰু এল, দি, বাৰ্ণেট (L. D. Barnett)। বুলাৰৰ মৌলিক গ্ৰন্থখন পৰৱৰ্তী কালত জি· এইচ্· ওজা·, আৰ বি· পাণ্ডে·, জি· এচ্· শিৱৰাম-মূৰ্তি, ডি· চি. সৰকাৰ আদি ভাৰতীয় অভিলেখ লিপিবিদসকলে (Epigraphists) সংবৰ্দ্ধন কৰি তাত একেবাৰে শেহতীয়া লিপিসমূহো সন্নিৱিষ্ট কৰে। মুদ্ৰাবিদ্যাৰ ক্ষেত্ৰত কানিংহাম, ফ'ন্ ছালেট (Von Sallet), ৰেপচন্ (Rapson), টমাছ্ (Thomas), ইলিয়ট (Elliot আৰু ভিন্‌চেণ্ট স্মিথ্ আদি পণ্ডিতসকলে মূল্যবান বৰঙণি যোগায়। ইয়াৰ পাছতে ভাৰত আৰু ভাৰতৰ বাহিৰৰ সংগ্ৰহালয়সমূহৰ প্ৰাচীন ভাৰতীয় মুদ্ৰাৰ অত্যন্ত মূল্যবান তালিকা প্ৰকাশ হয়। এই শ্ৰেণীৰ ভিতৰত ৰেপ্‌ছন্ (Rapson) আৰু এলেনৰ (Allen) 'ব্ৰিটিছ মিউজিয়াম কেটেলগ অৱ্ কইনচ্' (*British Museum Catalogue of Coins,* ১৯০৪ আৰু ১৯১৪) আৰু ভিনচেণ্ট্ স্মিথৰ 'ইণ্ডিয়া মিউজিয়াম্ কেটেলগ অৱ্ কইনচ্ (*Indian Museum Catalogue of Coins,* ১৯০৬) সুপ্ৰসিদ্ধ।

প্ৰাচীন যুগ

প্ৰত্নতাত্ত্বিক, পৌৰাণিক সাহিত্য আৰু অভিলেখ সংক্ৰান্ত প্ৰাথমিক সমলবোৰৰ প্ৰকাশৰ ক্ষেত্ৰত অগ্ৰগতি সাধনৰ ফলস্বৰূপে ১৯০০ চনৰ

পৰৱৰ্তী কালছোৱাত প্ৰাচীন ভাৰতৰ ভালেখিনি ইতিহাস ৰচনা হয়। প্ৰাকঐতিহাসিক আৰু ওপৰত উল্লেখ কৰা পণ্ডিতসকলৰ উপৰিও উল্লেখনীয় জনদিয়েক হ'ল, পঞ্চানন মিত্ৰ, গৰ্ডন (*Gordon*), মেকি, (*Mackey*), শংকালিয়া (Sankalia), শেষাদ্ৰি (Seshadri) প্ৰভৃতি। পুৰাণসমূহৰ আলমত বৈদিক যুগৰ ঐতিহাসিক পুনৰ্নিৰ্মাণ কৰে ওপৰত কৈ অহা পাৰ্জিটাৰ (*Ancient Indian Historical Tradition*) আৰু এম্. এন্. প্ৰধান (*Chronology of Ancient India*), এইচ্. চি চৌধুৰী (*Political History of Ancient India*), আৰু এ, ডি, পুষলকাৰে (*Vedic Age* ৰ কিছু অংশ)।

ৰাজনৈতিক

এই প্ৰসংগত সম্পূৰ্ণ বিৱৰণ দিয়া সম্ভৱপৰ নহয় আৰু আৱশ্যকো নকৰে।[১] তথাপি উল্লেখযোগ্য যে, যোৱা শতিকাৰ শেষছোৱাত ৰাজেন্দ্ৰ লাল মিত্ৰৰ 'দি ইন্দো এৰিয়ানচ্' (*The Indo Aryans*, দুটা খণ্ড ১৮৮১) এখন গভীৰ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ। ইয়াৰ লগতে উল্লেখ কৰিব লাগিব—আৰ, জি, ভাণ্ডাৰকাৰৰ 'আৰ্লি হিষ্টৰি অৱ্ দি ডেক্কান, (*Early History of the Deccan*, ১৮৮৫) আৰু 'এ পিপ ইনটু দি আৰ্লি হিষ্টৰি অৱ্ ইণ্ডিয়া' (*A Peep into the Early History of India* খ্ৰীঃ পূঃ ৩২২—আনুমানিক ৫০০ খ্ৰীঃ); ৰমেশ চন্দ্ৰ দত্তৰ তিনি খণ্ডত সমাপ্ত 'হিষ্টৰি এৱ্ চিভিলিজেছন অৱ্ এনচিয়েন্ট্ ইণ্ডিয়া' (১৮৮৯-৯০) পূৰ্ণাংগ ইতিহাস হিচাপে মূল্যবান।

উনৈশ শতিকাৰ আদিভাগত প্ৰকাশিত ভিনচেন্ট স্মিথৰ 'দি আৰ্লি হিষ্টৰি অৱ ইণ্ডিয়া' (*The Early History of India*, ১৯০৪) গ্ৰন্থখনে ভাৰত আৰু বিদেশত পাঠ্যপুথি হিচাপে প্ৰতিষ্ঠা লাভ কৰে। প্ৰাচীন ইতিহাসৰ বিশেষ কাল (Special period) প্ৰথমে প্ৰকাশ হয় চি, ভি, বৈদ্যৰ তিনি খণ্ডত সমাপ্ত 'হিষ্টৰি অৱ্ মেডিয়েভেল হিন্দু ইণ্ডিয়া' (*History of Medieval Hindu India*, 600-1200 AD)। ইয়াৰ পাছতে

১. For details, *see* U.N. Ghosal, *Presidential Address, Proceedings IHC*, Aligarh, 1960.

প্ৰকাশ হয় হেমচন্দ্ৰ ৰায় চৌধুৰীৰ 'পলিটিকেল হিষ্টৰি অব্ এনচিয়েন্ট ইণ্ডিয়া' (১৯২৩) আৰু হেমচন্দ্ৰ ৰায়ৰ দুটা খণ্ডৰ 'ডাইনাষ্টিক হিষ্টৰি অব্ নৰ্থ ইণ্ডিয়া' (১৯৩১—৬)। বিভিন্ন কালৰ জনগোষ্ঠী আৰু নৃ-গোষ্ঠীৰ বিষয়ে লিখিছে টাৰ্ণ চাহাবে (W. W. Tarn) 'গ্ৰীকচ্ ইন্ বেকট্ৰীয়া এণ্ড ইণ্ডিয়া' (*Greeks in Bactria and India*, ১৯৩৯), এ. কে. নাৰায়ণে 'ইন্দো-গ্ৰীক (*Indo-Greeks*, ১৯৫৭) আৰু হৰিশংকৰ ওজাই হিন্দীত 'ৰাজস্থান কা ইতিহাস' প্ৰথম খণ্ড। বংগদেশৰ আঞ্চলিক ইতিহাস প্ৰথম খণ্ড সম্পাদনা কৰে ৰমেশ চন্দ্ৰ মজুমদাৰে ; এই গ্ৰন্থত ভালেকেইজন প্ৰসিদ্ধ পণ্ডিতৰ প্ৰবন্ধ সন্নিবিষ্ট হৈছে। নীলকণ্ঠ শাস্ত্ৰীয়ে প্ৰণয়ন কৰা 'দি হিষ্টৰি অব্ চাউথ ইণ্ডিয়া' (*The History of South India*, ১৯৫৫) দাক্ষিণাত্যৰ পূৰ্ণাংগ বুৰঞ্জী।

কাশ্মীৰ, কামৰূপ, উৰিষ্যা, মালৱা, গুজৰাট আদিৰ আঞ্চলিক ইতিহাসৰ উপৰিও চৌহান, চালুক্য, চাণ্ডেল্য, চোল, গুৰ্জৰ-প্ৰতিহাৰ, ৰাষ্ট্ৰকূট, পাণ্ড্য, পৰমাৰ আদি ৰাজবংশৰ ইতিহাস প্ৰণয়ন হৈছে। ৰাজনীতি সংক্ৰান্তত সমান্তৰাল গ্ৰন্থসমূহৰ ভিতৰত উল্লেখনীয় হ'ল জয়সৱালৰ (K. P. Jayasawal) 'হিন্দু পলিটি' (*Hindu Poility*, ১৯২৪), ই অতি মৌলিক গ্ৰন্থ। এনে ধৰণৰ বিষয়ৰ আন আন ৰচকসকল হ'ল—এ. এচ. আলটেকাৰ, ডি. আৰ ভাণ্ডাৰকাৰ, ৰমেশ চন্দ্ৰ মজুমদাৰ, উপেন্দ্ৰ নাথ ঘোষাল, বেণীপ্ৰসাদ, নৰেন্দ্ৰ নাথ ল' প্ৰভৃতি পণ্ডিতসকল।

অৰ্থনৈতিক,

পাশ্চাত্য পণ্ডিতসকলৰ উদ্যোগত ভাৰত-তত্ত্বৰ অধ্যয়নৰ আৰম্ভ হোৱাৰ পৰাই অৰ্থনৈতিক ইতিহাসে ভাৰতীয় পণ্ডিতসকলৰ পৰা যি আগ্ৰহ পাব লাগিছিল, সেইটো নাপালে। এই দিশত পোন প্ৰথমতে যিবিলাক গ্ৰন্থ প্ৰকাশ হ'ল, সেইবোৰ প্ৰকৃততে ইতিহাস নাছিল ; সৰহভাগেই আছিল প্ৰাসংগিকতা বিষয়ৰ বৰ্ণনামূলক তালিকাহে। প্ৰাচীন ভাৰতৰ অৰ্থনৈতিক অৱস্থা সম্বন্ধে সামাদাৰৰ 'লেকচাৰচ্ অন ইকনমিক কণ্ডিছন অব্ এনচিয়েন্ট ইণ্ডিয়া' (*Lectures on Economic Condition*

of Ancient India, ১৯২২) কিছুমান গুৰুত্বপূৰ্ণ গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা সমল মাথোন। সুবা ৰাওৰ (N. S. Subua Rao) 'ইকনমিক্ এণ্ড্ পলিটিকেল কণ্ডিছনচ্ ইন এনচিয়েণ্ট ইণ্ডিয়া (*Economic and Political Conditions in Ancient India as describd in Jatakas*, ১৯১১) গ্ৰন্থখনৰ বিষয়-বস্তু শিৰোনামাৰ পৰাই স্পষ্ট। জাতীয়তাবাদী ইতিহাসকাৰ ৰাধাকুমুদ মুখাৰ্জীৰ 'হিষ্টৰি অব্ ইণ্ডিয়ান ছিপিং এণ্ড্ মেৰিটাইম একটিভিটি' (*History of Indian Shipping and Maritime activity*) খনেই হ'ল অৰ্থনৈতিক জীৱনৰ প্ৰথম খণ্ড। এই গ্ৰন্থ ৰচনাৰ প্ৰেৰণা আছিল— বহিৰ্জগতক দেখুওৱা যে, বৈষয়িক ক্ষেত্ৰত ভাৰতৰ সফলতা অন্যান্য দেশতকৈ পিছপৰা নাছিল। 'হিষ্টৰি এণ্ড্ কালচাৰ অব্ দি ইণ্ডিয়ান পিপ'ল (*History and Culture of the Indian People*) গ্ৰন্থত উপেন্দ্ৰ নাথ ঘোষালৰ অৰ্থনৈতিক ইতিহাসৰ কেইটামান অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। এই অধ্যায়সমূহ আৰু তেওঁৰ 'হিন্দু ৰেভিনিউ চিষ্টেম এণ্ড এগ্ৰেৰিয়ান চিষ্টেম ইন্ এনচিয়েণ্ট ইণ্ডিয়া' (*Hindu Revenue System and Agrarian System in Ancient India*, ১৯৩০) গ্ৰন্থত এটা নিৰ্মোহ দৃষ্টিভংগী অব্যাহত ৰাখিছে। এইকিখন সেই বিষয়ৰ প্ৰামাণিক গ্ৰন্থ। আয়েংগাৰৰ (K. V. R. Ayengar) 'এচপেকটচ্ অব্ এনচিয়েণ্ট ইণ্ডিয়ান ইকনমিক থ'ত (*Aspects of Ancient Indian Economic Thought*, ১৯৩৪)—অত 'ব্যৱহাৰিক উপযোগিতাৰ' দ্বাৰা পৰিচালিত হৈছে। এ, এন বোসে দুই খণ্ডত তেওঁৰ 'চচিয়েল এণ্ড ৰুৰেল ইকনমি অব্ নৰ্দান ইণ্ডিয়া, ৬০০ খ্ৰী: পূ:—২০০ (*Social and Rural Economy of Northern India*, ১৯৪১, ১৯৪৫) গ্ৰন্থত ভৱিষ্যত গৱেষণাৰ পথৰ নিৰ্দেশ দিয়া হৈছে। এই বিষয়ে আন মূল্যবান গ্ৰন্থসমূহ— এচ্, কে- মাইতীৰ 'ইকনমিক লাইফ্ অব্ নৰ্দান ইণ্ডিয়া ইন্ দি গুপ্ত পিৰিয়দ' (১৯৫৭), লালনজি গোপালৰ 'ইকনমিক লাইফ্ ইন্ নৰ্দান ইণ্ডিয়া,' (৭০০-১২০০), আৰু বি, পি, মজুমদাৰৰ 'চচিও ইকনমিক হিষ্টৰি অব্ নৰ্দান ইণ্ডিয়া (১০৩০—১১৯৪)।

সামাজিক : সাংস্কৃতিক

সামাজিক আৰু সাংস্কৃতিক ইতিহাস ক্ষেত্ৰত মহামহোপাধ্যায় কানেৰ (MM. P. V. Kane) কেইবাখণ্ডত সমাপ্ত ধৰ্মশাস্ত্ৰ ইতিহাসৰ

((*History of Dharmasastras*) সংশ্লিষ্ট বিষয়ৰ স্মৃতি সাহিত্যৰ এটা সমালোচনাত্মক আৰু সম্পূৰ্ণ পুংখানুপুংখ বিচাৰ পোৱা যায়। এচ্. কে. মিত্ৰৰ 'দি চচিয়েল অৰ্গেনাইজেছন ইন নৰ্থ-ইষ্ট ইণ্ডিয়া ইন্ বুদ্ধজ টাইম' (*Social Organisation in India in Buddhas Time*, ১৯২০) গ্ৰন্থখন জাতকসমূহৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা এক সমালোচনা-মূলক বিচাৰ। আৰ, এচ, শৰ্মাৰ 'শূদ্ৰজ ইন্ এনচিয়েণ্ট ইণ্ডিয়া' (*Sudras in Ancient India*, ১৯৫৮) প্ৰাচীন বৈদিক যুগৰ পৰা গুপ্ত শাসনলৈ এই শ্ৰেণীটোৰ ইতিহাস সমালোচনা দৃষ্টিৰে আৰু আগগুৰি মাৰি বিচাৰ কৰা হৈছে। আৰ. কে. মুখাৰ্জিয়ে তেওঁৰ 'এ হিষ্টৰি অব্ ইণ্ডিয়ান চিভিলিজেছন্' (*A History of Indian Civilization*, ১৯৫৬) নামৰ গ্ৰন্থত ভাৰতৰ ঐতিহাসিক আৰু সাংস্কৃতিক কাৰ্য্যকলাপ আৰু সমাজ-বিবৰ্তনৰ প্ৰক্ৰিয়াৰ এটা সুসংহত অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছে। এল, ডি. বাৰ্ণেট (L. D Barnett) 'এণ্টিক্‌ইটিজ অব্ ইণ্ডিয়া' (*Antitiquties of India*, ১৯১৩), পি. এম, মাচন (P. M. Mason)ৰ 'এনচিয়েণ্ট ইণ্ডিয়া এণ্ড ইণ্ডিয়ান চিভিলিজেছন' (*Ancient India and Indian Civilization*) আৰু এ, এল, বাশ্বমৰ (A. L. Basham) 'দি ওৱাণ্ডাৰ দেট ওৱাজ ইণ্ডিয়া' (*The Wonder that was India*, ১৯৫৬) আদি পাশ্চাত্য গৱেষক সকলৰ গ্ৰন্থসমূহত ভাৰতৰ ইতিহাস আৰু সভ্যতা সম্পৰ্কে পুংখানুপুংখ পাণ্ডিত্যগৰ্ভ চৰ্চা কৰা হৈছে। ভাৰত-তত্ত্বৰ ভিতৰত গোপীনাথ ৰাওৰ 'এলিমেণ্টচ্ অব্ হিন্দু আই-কন'গ্ৰাফি' (*Elements of Hindu Ioconogrphy*) আৰু জে, এন্ বানাৰ্জীৰ 'ডেভেলপমেণ্ট অব্ হিন্দু আইকন'গ্ৰাফি' (*Development of Hindu Ioconography*)ৰ নাম লব লাগিব।

চিত্ৰকলা ইতিহাস ক্ষেত্ৰত কাণিংহাম, বাৰ্জেচ (Burgess), ফাৰ্গুছন, হেভেল আদি পণ্ডিতসকলৰ গ্ৰন্থত ভাৰতীয় পণ্ডিত-সকলে নতুন সংযোজন কৰি এই বিষয়ে উন্নতি সাধন কৰিছে। আনন্দ কুমাৰস্বামীয়ে (A. K. Coomarswamy), হিষ্টৰি অব্ ইণ্ডিয়ান এণ্ড ইণ্ডোনেচিয়ান আৰ্টচ' (*History of Indian and Indonesian Arts*, ১৯২৭) গ্ৰন্থৰ যোগেদি ভাৰতীয় চিত্ৰকলাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা সকল বুৰঞ্জীবিদ

ক্ৰামাৰীছ (St. Kramarisch : *Hindu Temple*, ১৯৪৬), বোস্ক(F. D. K. Bosch : Golden Gem, ১৯৪৮) আৰু জিমাৰ (H. Zimmar : *Art of Indian Asia*, ১৯৬১) ।

কেম্ব্ৰিজ হিষ্টৰি অৱ্ ইণ্ডিয়াৰ আহিত আৰ, চি, মজুমদাৰৰ সম্পাদনাত ভাৰতীয় বিদ্যাভৱনৰ প্ৰকাশিত পাঁচোটা খণ্ডত সম্পূৰ্ণ 'হিষ্টৰি এণ্ড কালচাৰ অৱ্ দি ইণ্ডিয়ান পিপলচ্' নামৰ এলানি পূৰ্ণাংগ ইতিহাস (*Comprehensive History*) প্ৰকাশ হয় । সেই কেইটা খণ্ড হ'ল—'দি ভেদিক এজ,(*The Vedic Age*), 'দি এজ অৱ্ ইম্পিৰিয়েল ইউনিটি' (*The Age of Imperial Unity*), 'দি ক্লাছিকেল এজ্' (*The Classical Age*), 'দি এ'জ অৱ্ ইম্পিৰিয়েল কনৌজ' (*The Age of Imperial Kanauj*) আৰু 'দি ষ্ট্ৰাগল্ ফৰ এম্পায়াৰ' (*The Struggle for Empire*) । ভাৰতীয় ইতিহাস কংগ্ৰেছেও এনে ধৰণৰ চাৰিটা খণ্ড প্ৰকাশ কৰিবলৈ আচনি লৈছিল ; যথা—প্ৰাচীন ভাৰত, (*The Ancient India from* 325 *B.C.*) মৌৰ্য্য আৰু শতবাহনসকল, (*The Mauryas and Satavahanas* 325. *B.C. to A. D.* 300), গুপ্ত সাম্ৰাজ্য আৰু পৰবৰ্তী কাল (*The Gupta Empire and After, A.D.* 300-985) আৰু চোল, চালুক্য আৰু ৰাজপুতসকল, (*The Cholas, Chalukyas and Rajputs, A.D* 985-1206) ।

ইতিহাসকাৰৰ বৈশিষ্ট্য আৰু চিন্তাধাৰা

ওপৰত উল্লেখ কৰা প্ৰাচীন ভাৰতৰ ইতিহাস ৰচনাৰ প্ৰধান বৈশিষ্ট্য হ'ল—প্ৰথমতে ই পাশ্চাত্য পণ্ডিতসকলৰ উদ্যোগত আৰম্ভ হৈছিল ; দ্বিতীয়তে, তেওঁলোকেই ইয়াৰ জন্ম দিলে আৰু তৃতীয়তে পশ্চিমৰ পৰা উদ্দীপনা আৰু প্ৰেৰণা পালেও, শীৰ্ষস্থানীয় ভাৰতীয় ইতিহাসকাৰসকলে প্ৰায় ক্ষেত্ৰতেই এটা অন্বেষণৰ স্পৃহা, বিজ্ঞান-ভিত্তিক বস্তুনিষ্ঠতা, সমালোচনামূলক দৃষ্টিভংগী আৰু সৰ্বোপৰি এক সুবিশাল কল্পদৃষ্টি (wide vision)ৰ পৰিচয় দিলে । বাচ্‌কটীয়া ভাৰত-তত্ত্ববিদ ৰাজেন্দ্ৰ লাল মিত্ৰৰ (১৮৬৪-১৯২৬) মানত ইতিহাস যদি সত্য আৰু তথ্যভিত্তী হ'ব লাগে, তেন্তে ই হাতত পোৱা প্ৰমাণ, লিখিত

বিৱৰণ বা পুৰাতত্ত্বৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব লাগিব আৰু এইবিলাক হ'ব লাগিব পক্ষপাতিত্ব আৰু সংস্কাৰমুক্ত (free from bias and prejudices), সম্পূৰ্ণ মানৱিক (humanistic) অৰ্থাৎ ই সমাজ আৰু মানুহৰ সংস্কৃতি— তাৰ প্ৰকৃত পৰিপ্ৰেক্ষিতত প্ৰতিফলিত কৰিব লাগিব।[১০] তেওঁ সম্ভৱতঃ প্ৰাচীন ভাৰতৰ বিজ্ঞানভিত্তিক ইতিহাস প্ৰণয়নৰ জনক আৰ, জি, ভাণ্ডাৰকাৰৰ (১৮৩৫-১৯২৫) সমালোচনাত্মক পদ্ধতি আৰু শৈলীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল।[১১] মূল সমল সংগ্ৰহৰ ক্ষেত্ৰত তেওঁৰ অশেষ পৰিশ্ৰম হৈছিল যদিও, পশ্চিমৰ সমালোচনা মূলক পদ্ধতি অলপো হেৰ-ফেৰ নোহোৱাকৈ অনুসৰণ কৰি ভাণ্ডাৰকাৰে ইয়াৰ পুংখানুপুংখ পৰীক্ষা কৰি লৈছিল। হয়তো তেওঁ ৰাংকেৰ গ্ৰন্থসমূহ অধ্যয়ন কৰিছিল। জাৰ্মান পণ্ডিত গৰাকীৰ সৈতে একমত হৈ তেৰোঁ অতীতৰ ঘটনা যিদৰে ঘটিছিল ঠিক সেইদৰে বৰ্ণনা কৰাটোকে ইতিহাসকাৰৰ কৰ্তব্য বুলি কৈছিল। 'এ পিপ্ ইন্ টু দি হিষ্টৰি অব্ এনচিয়েন্ট ইণ্ডিয়া' গ্ৰন্থৰ পাতনিত ইতিহাসকাৰৰ কৰ্তব্য সম্বন্ধে তেওঁ মোখনি মাৰিছে :

> সকলোবোৰ সমল ব্যৱহাৰ কৰোতে প্ৰমাণৰ ক্ষেত্ৰত এনে কেতবোৰ মূলনীতি অনুসৰণ কৰিব লাগিব—যিবোৰ এজন বিচাৰপতিয়ে কৰে। (ইতিহাসকাৰ) প্ৰথমতে হ'ব লাগিব নিৰপেক্ষ। যিবোৰ সমল আমাৰ হাতত পৰে তাৰ প্ৰতি এনে প্ৰৱণতা থাকিব নালাগিব যাৰ যোগেদি আমাৰ নিজা জাতি-গোষ্ঠী আৰু দেশৰ গৌৰব কৰিবলৈ মন যায়। আনহাতে নিজৰ দেশ বা দেশবাসীৰ বিৰুদ্ধে যোৱাৰো কোনো ইচ্ছা বা প্ৰৱণতা আমাৰ থাকিব নালাগিব। একমাত্ৰ নিৰস সত্যই আমাৰ লক্ষ্য হ'ব লাগিব। আমাৰ সন্মুখত যি সাক্ষ্য থাকে তাৰেই বিশ্বাসযোগ্যতা আমি নিৰূপণ কৰিব লাগিব। আমি ঘটনাটো নিজ চকুৰে দেখিছো নে সমসাময়িকৰ পৰা জানিছো আৰু কোনো এটা ঘটনা বৰ্ণনা কৰোতে আমি অতিৰঞ্জনৰ প্ৰলো-

১০. Sisir Mitra "Raja Rajendralal Mitra" in Sen *Historians*, pp. 1 ff.

১১. A.D. Pusalkar, "Ram Krishna Bhandarkar," *Ibid*, pp. 27 ff.

ভনৰ প্রতি চাল খাইছো নে বা কিবা অবিশ্বাস্য বিষয়ৰ প্রভাৱত পৰিছোনেকি—সেইটো ঠাৱৰ কৰি লব লাগিব ।[১২]

ভাণ্ডাৰকাৰপন্থী ঐতিহাসিক এইচ, চি, ৰায়চৌধুৰীয়ে কষ্ট সহকাৰে সংগ্রহ কৰা নিৰস তথ্যৰ আলমত অতীতৰ আৱিষ্কাৰ কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ 'পলিটিকেল হিষ্টৰি অৱ্ ইণ্ডিয়া'খন তেওঁৰ আগৰ পণ্ডিতসকলে থৈ যোৱা তথ্য-পাতিবোৰকে জোৰা লগাই সজোৱা গ্রন্থ নহয়; ইয়াৰ প্রত্যেকটো অধ্যায়েই আছিল মৌলিক ৰচনা। মজুমদাৰ, মিৰাশী, আলটেকাৰ, নীলকণ্ঠ শাস্ত্রী আদি শীর্ষস্থানীয় পণ্ডিতসকলে আৰ, জি, ভাণ্ডাৰকাৰৰ পৰা প্রেৰণা পাইছিল যেন ধাৰণা হয়।

জাতীয়তাবাদী ইতিহাসকাৰ

প্রাচীন ভাৰত ইতিহাস প্রণয়নৰ ক্ষেত্রত আন এটা বৈশিষ্ট্য হ'ল—জাতীয়তাবাদী চিন্তাধাৰাৰ গুৰুত্বপূর্ণ ইতিহাসকাৰ সকলৰ অভ্যুদয়। ই হিন্দুসকলৰ বিপক্ষে বদ্ধমূল প্রতিকূল ধাৰণা থকা ব্রিটিছ লেখকসকলৰ বিৰুদ্ধে হোৱা অৱশ্যম্ভাবী প্রতিক্রিয়া। ভাৰতীয় সভ্যতা উচ্চ পর্য্যায়ৰ বুলি ধাৰণা পোষণ কৰা উইলিয়ম জন্সক বিদ্রূপ কৰি মিলছে কৈছিল[১৩] যে, ভাৰতীয় বিধি-বিধান আৰু আইনৰ ব্যৱস্থাসমূহ "মানুহৰ চিন্তাৰ

---

১২. R.G. Bhandarkar, *Collected Works*, i, p. 4. His complete works and books, articles and lectures have been brought out in four volumes under the title *collected works* of Sr' R.G. Bhandarkar by the Bhandarkar Oriental Research Institute, Poona. These are broadly classified under (i) Sanskrit literature, Religion and Philosophy (ii) Comparative Philosophy and (iii) Historical and Epigraphical Researches. Of the last group mention may be made of *Early History of India* and articles in the *Journal of Bombay branch Royal Asiatic Society*, *Indian Antiquary*, *Epigraphia India*, and *Proceedings of the International Congress of the Orientalists.*

১৩. James Mill, *History of India*, (1917), ii, pp. 109, 148 and 342.

আওপুৰণি আৰু দুৰ্বল ৰূপ" (rudest and weakest kind of human mind) "আনহে নালাগে সামন্ত যুগৰ ইউৰোপীয় সকলো হিন্দুবিলাকতকৈ বহুতো উন্নত আছিল।" "আমি যাক নৈতিক চৰিত্ৰ বোলো তাতো হিন্দুবিলাক বহুতো তলত আছিল।" এলফিন্‌ষ্টনে[১৪] তেওঁৰ ভাৰতৰ ইতিহাসত লিখিছে : "হিন্দুবিলাকৰ আটাইতকৈ চকুত পৰা দোষ আছিল সত্যপৰায়ণতাৰ অভাব, এইবিষয়ে তেওঁলোকে আন নালাগে প্ৰাচ্যৰে বহু জাতিক চেৰ পেলাইছে"। "যদিহে কঠোৰ শাসনকাৰী বদান্য স্বৈৰতন্ত্ৰৰ হাত এৰাই যায়, তেন্তে ভাৰতবৰ্ষ আকৌ ৰাজনৈতিক বিশৃংখলাৰ আৱৰ্তত অনিবাৰ্য্যভাৱেই পতিত হব" বুলি স্মিথে ভৱিষ্যৎবাণী কৰিছিল।[১৫] হিন্দুসকলৰ বৌদ্ধিক উৎকৰ্ষ আৰু মৌলিক প্ৰতিভা তুচ্ছ কৰি দেখুৱাবৰ কাৰণে ডুগাল্ড ষ্টুৱাৰ্টে (Dugald Stewart) কৈছিল যে সমুদায় সংস্কৃত সাহিত্যই হ'ল ধূৰ্ত ব্ৰাহ্মণবোৰৰ মনে-সজা কথা। ৰামায়ণ হোমাৰৰ ইলিয়াডৰ অনুপ্ৰেৰণাত ৰচিত, গীতাৰ ভিত্তি হ'ল বাইবেল, ব্ৰাহ্মীলিপি ফিনিচীয়সকলৰ পৰা ধাৰ কৰা আৰু জ্যোতিবিদ্যা সেইদৰে চীনা বা আৰবসকলৰ পৰা অনা হয়।[১৬]

ইংৰাজী ভাষাত শিক্ষিত যুৱকসকলে স্বাভাৱিকতে ইংৰাজ লেখকসকলৰ কথা-বতৰাৰ সাধাৰণ সুৰটোত অতি ক্ষুব্ধ হৈ উঠে। সিবিলাকে হিন্দুধৰ্মৰ বিৰুদ্ধে হোৱা সকলো সমালোচনাৰ বিৰুদ্ধে মত প্ৰকাশ কৰাৰ উপৰিও ভাঠি প্ৰতিপন্ন কৰে যে হিন্দুধৰ্ম আন সকলো ধৰ্মৰ ওপৰত। প্ৰত্নতাত্ত্বিক আবিষ্কাৰ আৰু গৱেষণাসমূহ তেওঁলোকৰ প্ৰভূত সহায়ক হয়। ইয়াৰ পৰা তেওঁলোকে এনে কিছুমান মহামূল্যবান তথ্য-পাতি পায়—যাৰ দ্বাৰা তেওঁলোকে ভাৰতীয় সংস্কৃতিৰ বিৰুদ্ধে ইংৰাজ লোকসকলে দাঙি ধৰা তত্ত্বোৰ মিথ্যা প্ৰমাণিত কৰিবলৈ সমৰ্থ হয়। আধ্যাত্মিক ক্ষেত্ৰত হিন্দুধৰ্মৰ অনতিক্ৰম্য শ্ৰেষ্ঠতাৰ কথা ভাঠি কৈ অতীজৰ ভাৰত যে বৈজ্ঞানিক সফলতাৰ ক্ষেত্ৰতো বৰ পিছ পৰি থকা নাছিল তাকো

১৪. Monstuart Elphinstone, *History of India*, p. 331.
১৫. V. A. Smith, *Early History of India*, p. 331.
১৬. See Vol. iii of his work, edited by William Hamilton, pp. 78ff ; *also* R. C. Majumdar, "Nationalist Historians" in Philips *Historians*, p. 410.

প্ৰতিপন্ন কৰিবলৈ তেওঁলোকে চেষ্টা কৰে। মহাকাব্যৰ যুগতে বন্দুকাদি আগ্নেয়াস্ত্ৰ—আনহে নালাগে বিমান পৰ্য্যন্তৰ কথা মানুহে জানিছিল বুলিও দাবী কৰা হয়। ইউৰোপীয় লেখকসকলৰ ভিত্তিহীন অভিযোগৰ বিৰুদ্ধে নিজৰ অতীতৰ সংস্কৃতিৰ যথাৰ্থতা প্ৰতিপাদন কৰিবলৈ বা ইতিহাসৰ অধ্যয়নৰ ওপৰত অযথা গুৰুত্ব আৰোপ কৰা হয়। আৰ, চি, মজুমদাৰে কৈছেঃ[১৭] "ই ইতিহাসৰ পৰিসৰ ভালেখিনি ঠেকাই পেলালে আৰু ঐতিহাসিকৰ বিচাৰত এটা ত্যক্ততাৰ উপাদান যুক্ত কৰিলে। ই যি নিৰপেক্ষ, সূক্ষ্ম বিচাৰ আৰু সঠিক পৰিপ্ৰেক্ষিতে প্ৰকৃত ইতিহাস ৰচনা কৰে, তাতেই সময়ে সময়ে সংঘটিত হোৱা স্খলনৰ কাৰণে আংশিকভাবে দায়ী।" হিন্দুসকলৰ বিৰুদ্ধে থকা বদ্ধমূল বিৰূপ মনোভাৱৰ কাৰণে মিলচুক দোষাৰোপ নকৰি নোৱাৰি। সন্দেহ নাই যে এই দৃষ্টিভংগীৰ ঘাই গুৰি হ'ল তেওঁৰ অজ্ঞতা আৰু বৰ্তমানটোক অতীতত বিচাৰি চোৱাৰ মাৰাত্মক ভ্ৰান্তি (blunder of reading the present into the past)। আনফালে বাল গঙ্গাধৰ তিলকে প্ৰমাণ কৰিবলৈ বিচাৰিছিল যে, ঋগ্বেদখন খ্ৰীঃ পূঃ ৪০০০ মানতে ৰচিত হৈছিল। অধ্যাপক বাশ্বমে সঠিকভাবে আঙুলিয়াই দিছে[১৮] যে ই বেদৰ প্ৰাচীনতা আৰু মহাকাব্যৰ ঘটনাৱলী এক অসম্ভৱ অতীতকাললৈ পিছুৱাই দিছে; অথচ ইতিমধ্যে প্ৰাক-বৈদিক যুগ বুলি ধাৰণা হোৱা আৰু খ্ৰীঃ পূঃ ২০০০ মানলৈকে বৰ্তি থকা সিন্ধু উপত্যকাৰ সভ্যতাৰ আবিষ্কাৰ হৈ গৈছে। জাতীয়তাবাদী দৃষ্টিভংগীৰ ক্ষেত্ৰত আপত্তিৰ কাৰণ হব

---

১৭. *Ibid*, p. 410.

১৮. A. L. Basham, "Modern Historians of Ancient India" in Philips *Historians*, p.283. খ্যাতনামা অধ্যাপক এন্ সুত্ৰমনিয়মেও ঠিকেই মন্তব্য কৰিছে "Unfortunately it is the nature of the pendulum to move from one extremity to the other, and these movements are reactions; and reactions must not be confused with original independent or unbiased thinking....British imperialist writings leading to Indian anti-imperialist writing adds to the same kind of literature only the latter is imperialism stood on its head." *Historigraphy*, pp 460-1.

নোৱাৰে, বিশেষকৈ যেতিয়া পাশ্চাত্যৰ পণ্ডিতসকলে এটা আক্ৰমণাত্মক আগ্ৰাসী (aggressive) আৰু প্ৰায় ক্ষেত্ৰতেই চতুৰ ভূমিকা পোষণ কৰিছিল। কিন্তু জাতীয়তাবাদী ইতিহাসকাৰসকলে তেওঁলোকৰ বৰ্তমান আৰু ভৱিষ্যত পুৰুষক সঠিক পথে চলাই নিয়াৰ স্বাৰ্থতে জাতিটোৰ সবল আৰু দুৰ্বল দিশবোৰ সহানুভূতিৰে আৰু সমালোচনাৰ দৃষ্টিৰে বুজা আৰু বিশ্লেষণ কৰা উচিত।

মাৰ্ক্সীয় মতবাদ

সবহসংখ্যক নহলেও জনদিয়েক পণ্ডিতৰ ৰচনাত মাৰ্ক্সবাদৰ সাঁচ পৰা দেখা যায়। এই ক্ষেত্ৰত বাটকটীয়াৰ কাম কৰে ডি, ডি, কোশাম্বীৰ 'এন্ ইনট্ৰ'ডাক্সন্ টু দি ষ্টাডি অৱ্ ইণ্ডিয়ান হিষ্টৰি' (*An Introduction to the Study of Indian History* ১৯৫৬) গ্ৰন্থখনে। ইয়াৰ পিছত প্ৰকাশ হয় আৰ, এছ, শৰ্মাৰ 'ইণ্ডিয়ান ফিউডেলিজম্' (*Indian Feudalism*, ১৯৬৫) আৰু বি, এন, যাদৱৰ 'চোচাইটি এণ্ড কালচাৰ ইন্ নৰ্দান ইণ্ডিয়া ইন দি টুৱেলফ্‌থ্ চেঞ্চুৰি' (*Society and Culture in Northern India in the twelfth century*, ১৯৭৩)।[১৯] এই দৰ্শনমতে ইতিহাসৰ সকলোবোৰ তথ্যকেই গ্ৰহণ কৰা হয়—সেইবিলাক কেনেকৈ ঘটিছে তেনেকৈ নহয়, ইয়াৰ প্ৰচাৰ সীমাবদ্ধ সাঁচত চালি সেইবিলাক যেনেকৈ পোৱা যায় তেনেধৰণে। ইয়াত গাইগুটীয়া ঘটনা বা ব্যক্তিৰ গুৰুত্ব হেৰাই যায়। এই প্ৰৱণতাৰ ফলত মুক্ত পৰ্য্যবেক্ষণ আৰু ঐতিহাসিক তথ্যবোৰৰ তথ্যৰ ৰূপতে আৰু সঠিক পৰিপ্ৰেক্ষিতত (Perspective) বিচাৰ হ'ব নোৱাৰে। অধ্যাপক বাশ্বমে সঠিকভাৱেই কৈছে, "মোৰ নিজৰ মত হ'ল, প্ৰাচীন ভাৰতৰ ইতিহাসকাৰসকলে যিমান কম পৰা যায় সিমান কম "মৌলিক

১৯. The same tendency is discernible in some of the recent *Presidential Addresses, IHC* : D. N. Jha, "Early Indian Feudalism : A Historical, Critique", Waltair, 1979; B. N. S. Jadav, "The Problem of the Emergency of Feudal Relations", Bombay, 1980 ; B. D. Chottopadhyaya, "Political Process and Structure of Polity in Early Medieval India", Burdwan, 1983.

পূৰ্বধাৰণা" (Fundamental presupposition) যে 'কি ঘটিছিল' তাৰ কিছু পৰিমাণে সঠিকভাৱে আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰা উচিত। কাৰণ, সম্প্ৰতি ভাৰতবৰ্ষৰ ইতিহাস ইমান কৃশ (tenous) যে ইয়াক যি কোনো আগতীয়া ধাৰণাৰ ৰূপতে সুমুৱাই লব পাৰি।"[২০]

আঞ্চলিক ইতিহাস

সাম্প্ৰতিক কালৰ ভাৰতীয় ইতিহাস ৰচনাৰ আন এক বৈশিষ্ট্য হ'ল আঞ্চলিক ইতিহাসত গুৰুত্ব আৰোপ কৰা। বংগদেশ, বিহাৰ, উৰিষ্যা, পঞ্জাব আৰু অসমতো এনে ইতিহাসৰ আচনি লোৱা হৈছে। অসমত বাদে কেউখন ৰাজ্যতে ইতিমধ্যে কেবাখণ্ডকৈ প্ৰকাশ হৈছে। আঞ্চলিক ইতিহাস সম্পৰ্কে কিছু মতভেদ দেখা যায়। ইয়াৰ কাৰণ নোহোৱাও নহয়। হিষ্টৰি অৱ বেংগলৰ প্ৰথম খণ্ডত বাঙালী ৰজাসকলৰ মহিমা প্ৰচাৰ কৰা দেখা যায় ; যি শশাংকক পূৰ্ববৰ্তী প্ৰায় সকলো ঐতিহাসিকে অত্যাচাৰী বুলি বৰ্ণনা কৰিছে, তেওঁকো দোষমুক্ত কৰিবলৈ চেষ্টা কৰা হৈছে। একেদৰে ভি. আৰ দীক্ষিতে, 'দি হিষ্টৰি অৱ্ তামিল কাণ্ট্ৰি'ত বিচাৰকৰ সলনি অধিবক্তাৰ ভূমিকাহে লৈছে। বাঙালী আৰু তামিল দুয়োখন ইতিহাসতেই অতীজৰ দক্ষিণ-পূব এছিয়াত ভাৰতীয় প্ৰভাৱৰ বুজন ভাগটোৱেই তেওঁলোকৰ বুলি দাবী কৰা হৈছে আৰু এই প্ৰভাৱৰ ব্যাপ্তিৰ প্ৰায়ে অতিৰঞ্জিত কৰা হৈছে। আমাৰ প্ৰাচীন কামৰূপৰো কোনো কোনো পণ্ডিতে ভাস্কৰবৰ্মাৰ ৰাজ্যৰ পশ্চিম সীমা বিহাৰৰ পূৰ্ণিয়া জিলা পৰ্য্যন্ত প্ৰসাৰিত হৈছিল আৰু পশুপতি শাসনত উল্লেখ থকা হৰ্ষদেৱক কামৰূপৰ ৰজা বুলি ঠাৱৰ কৰি তেওঁৰ ৰাজত্ব উৰিষ্যা, বংগ আৰু কোশললৈকে জুৰি আছিল বুলি কোৱা হৈছে। এইদৰে স্থানীয় ইতিহাসৰ সাধাৰণ প্ৰকৃতিটো হ'ল—আঞ্চলিক কীৰ্তিসমূহক ডাঙৰকৈ দেখুওৱা, স্থানীয় বীৰ-বীৰাংগণাৰ উচ্চৈস্বৰে গৌৰৱ প্ৰকাশ কৰা আৰু স্থানীয় ভাষা, প্ৰথা আৰু আচাৰ-ব্যৱহাৰক মহিমামণ্ডিত কৰা।[২১] কিন্তু আঞ্চলিক ইতিহাস প্ৰতিযোগিতামূলক নহৈ হ'ব লাগে

---

২০. A. L. Basham, *op.cit.*, p.293.

২১. The study of Local dynastic histories, K. M. Panikkar remarks, "Without reference to India as a whole has led to the exaggeration of local patriotism which is one of the most dangerous tendency in India to-day. Every local historian desires to prove that his area was a leading centre of civilization and culture from the

পৰিপূৰক আৰু বিজ্ঞান-সম্মত ঐতিহাসিক পদ্ধতিৰ লগত বহিতা ধাই পৰা। ইয়াক ভাৰতবৰ্ষৰ পূৰ্ণাংগ ইতিহাসৰ অংগৰূপে গণ্য কৰিব লাগে; আচল কথাত ভাৰতৰ এখন সম্পূৰ্ণ ইতিহাস সম্ভৱ হ'ব— আঞ্চলিক ইতিহাসৰ আধাৰত। সমলবোৰৰ যথাযথ জ্ঞান যে স্থানীয় লোকৰ দ্বাৰাহে সম্পূৰ্ণকৈ লাভ কৰাটো সম্ভৱ, সেই বিষয়ে সন্দেহ নাই। কিন্তু তাৰমানে এইটোও নহয় যে স্থানীয় অধিবাসী নহলে আনে স্থানীয় বিষয় অধ্যয়ন কৰা সম্ভৱপৰ নহয়। আঞ্চলিক ইতিহাস ৰচনাৰ আটাইতকৈ প্ৰয়োজনীয় বিষয় হ'ল স্থানীয় ভাষাৰ জ্ঞান। ঐকান্তিকতা থাকিলে এই জ্ঞান যে সহজে আহৰণ কৰি লব পাৰি ইতিমধ্যে তাৰ যথেষ্ট প্ৰমাণ পোৱা গৈছে। সংশ্লিষ্ট অঞ্চলটোৰ বাহিৰৰ পণ্ডিত গৱেষকে যদি এই অধ্যয়ন কৰে, তেন্তে আঞ্চলিকজ্ঞান আহৰণৰ ক্ষেত্ৰত অধিক সুফল পোৱাত সহায়কহে হব। এজন প্ৰকৃত ইতিহাসকাৰ যে প্ৰাদেশিকতা বোধ, জাতি বা গোষ্ঠীগত পক্ষপাতিতা আৰু ধৰ্মীয় গোড়ামিৰ উৰ্দ্ধত সেই কথা কোৱা বাহুল্য মাথোন।

মধ্য যুগ

ওপৰৰ আলোচনাৰ পৰা দেখা গল যে, প্ৰাচীন ভাৰতত সাহিত্য-সংক্ৰান্ত আৰু আন বিভিন্ন ধৰণৰ সমল থাকিলেও বৃত্তিগতভাবে ইতি-হাসকাৰৰ অভাৱ আছিল। একমাত্ৰ কাশ্মীৰতেই ইতিহাস ৰচনাৰ এটা পৰম্পৰা আছিল। সীমাবদ্ধতা সত্বেও আমি কলহ্নণৰ ৰাজ-তৰং-গিণীৰ প্ৰাচীন হিন্দুসকলৰ উচ্চ পৰ্য্যায়ৰ ঐতিহাসিক জ্ঞানৰ পৰিচয় পাওঁ। ৰাজপুত স্বভাৱ-কবিসকলৰ ৰচনা (*bardic literature*) অতি প্ৰাচীনকালৰ। ইয়াৰ ভিত্তি হ'ল মৌখিক পৰম্পৰা। এই ৰচনা বৃত্তিশীল স্বভাৱ কবি আৰু বংশাৱলীবিদ সকলৰ মুখ বাগৰি আহি আছে। মালিতা আৰু খ্যাত (*Khyat*)) কে ধৰি গদ্যত ৰচিত

---

beginning of time, that the dynastics of his region were great empire builders....In fact from one end of India to other every region considers its own history as some thing specially important something which enables it to claim superiority over its neighbour" *Presidential Address, IHC*, Calcutta, 1955.

ঘটনাপঞ্জী এই দুই শ্ৰেণীত বিভক্ত । অসমৰ বুৰঞ্জী-সাহিত্য আহোম ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ নিৰ্দেশত সংকলিত হৈছিল আৰু ই সাধাৰণে ৰাজ-নথি-পত্ৰৰ আলমত ৰচিত । মাৰাঠা বাখাৰ (*Bakhars*) বিলাকৰ ভিতৰত শিৱাজীৰ চৰকাৰী ঘটনাপঞ্জীকাৰ দত্তজী (Dattaji) আৰু লিপিকাৰ ওৱাক্‌নিছে (Waqnis) ১৬৮৫ চন মানত কৰা প্ৰথম সংকলনটো হেৰাই যায় ; ইয়াৰ এটা অংশহে বহু পুৰুষৰ পাচত ৰচিত হয় । ইয়াতে ভালেমান তথ্য প্ৰক্ষিপ্ত হৈ সোমায় । কৃষ্ণজী অনন্ত সভাসদ ৰচিত সভাসদ বাখাৰ (১৬৯৬) খনকেই একমাত্ৰ সম-সাময়িক গ্ৰন্থ হিচাপে গণ্য কৰা হয় । অধ্যাপক জগদীশ নাৰায়ণ চৰকাৰে এই অৰ্দ্ধ-ঐতিহাসিক সাহিত্যক সামাজিক আৰু সাংস্কৃতিক ইতিহাসকাৰৰ কাৰণে অমূল্য তথ্য-পাতি থকা বুলি আৰু মুছলিম ঘটনাপঞ্জীৰ পৰিপূৰক আৰু পৰীক্ষামূলক সমল হিচাপে মানি লৈও মন্তব্য কৰিছে :

> ৰাজপুতনাৰ স্বভাৱ-কবিৰ ৰচনাৱলীয়েই হওক বা মাৰাঠা বাখাৰেই হওক বা অসমৰ আহোম আৰু অসমীয়া বুৰঞ্জীয়েই হওক, এটাকো প্ৰকৃত বুৰঞ্জী বুলি আচল অৰ্থত গণ্য কৰিব নোৱাৰি । আকৌ মধ্যযুগীয় কবিসকল, আহোম-বুৰঞ্জীৰ লেখকসকল নাইবা মাৰাঠাৰ বাখাৰ ৰচকসকল ঐতিহাসিক সমালোচনাৰ বিজ্ঞানৰ সম্বন্ধে অৱগত নাছিল । সাধাৰণতে কৰবাৰ গলে তেওঁলোকে তথ্যবোৰ চালি-জাৰি চোৱাটো আৱশ্যকীয় বুলি নাভাবিছিল, দৈৱ আৰু মানৱেতৰ কাৰণবোৰ ধ্ৰুৱসত্য বুলি বিশ্বাস কৰিছিল । তেওঁলোকৰ পৃষ্ঠপোষকসকলৰ মন তোষণ কৰিবলৈ আৰু মানুহৰ মনোৰঞ্জন কৰিবলৈ যিহকে শুনিছিল বা সঁচা বুলি ভাবিছিল তাকেই লিপিবদ্ধ কৰি গৈছিল । [২২]

ইতিহাসৰ আৰম্ভণি

"ইছলামৰ আগমনৰ লগে লগে", ডড্‌ৱেলে লিখিছে[২২ক], "এলানি নতুন ঘটনাপঞ্জী ৰচনাৰ যুগৰ আৰম্ভণি হয় । হিন্দু ইতিহাস প্ৰত্নতত্ত্ব আৰু

২২. Sarkar *History*, P9.
২২ক. H. Dodwell, *India*, pp.22-4.

ভূগোলৰ বিষয়েহে আছিল আৰু প্ৰায় অসংগত আছিল । আনফালে মুছলমান ইতিহাসত নথি-পত্ৰৰ সম্ভাৰ আছিল অপৰ্য্যাপ্ত, যিবিলাক সম্পূৰ্ণ নহলেও অন্ততঃ বোধগম্য আছিল ।" তাতোকৈ হয়তো সংসাৰ অসাৰ আৰু অনিত্য বুলি ভবা কাৰণেই হিন্দু ইতিহাসকাৰ সকলে কালানুক্ৰমিকতাৰ আৱশ্যক অনুভৱ নকৰিছিল । মুছলমান ইতিহাস নিৰস হলেও ঘটনাবহুল, শৃংখলাবদ্ধ আৰু কালানুক্ৰমে লিখা হৈছিল ।[২৩] মধ্যযুগীয় ইতিহাসক যাইকৈ দুভাগে বিভক্ত কৰা যায়ঃ প্ৰাক মোগল বা তুৰ্কী-আফগান চুলতান সকলৰ যুগ আৰু মোগল যুগ । অৱশ্যে ইয়াৰ আগতে আছিল সপ্তম আৰু অষ্টম শতিকাত আৰব ভূগোল ৰচক আৰু সিন্ধুৰ ইতিহাস প্ৰণেতাসকল । সিন্ধুৰ ইতিহাস ৰচকসকলৰ বৃত্তান্ত ইলিয়ট্ আৰু ডাউচনে (Elliot আৰু Dowison) তেওঁলোকৰ যুগমীয়া গ্ৰন্থসমূহত লিপিবদ্ধ কৰি থৈ গৈছে ।

প্ৰাক-মোগল যুগ

ভাৰতীয় ইতিহাস প্ৰণয়ন সম্পৰ্কীয় তুৰ্কী-আফগান কালছোৱাৰ (১৩০০—১৬০০ খ্ৰী:) গ্ৰন্থসমূহ তলত দিয়ামতে বিভক্ত কৰা যায় । (১) তাবাৰী আৰু দিনবাৰীৰ দৰে মুছলিম জগতৰ সাধাৰণ ইতিহাস, যথা, মিনহাজুদ্দিন ছিৰাজৰ[২৪] তাবাকাৎ-ই-নাছিৰি (*Tabaqut-i-Nasiri*

---

২৩. "Before the Islamic conquest the Hindus produced no true history at all. . . .The historical literature of the Muhammadans in all the countries have been vast and varied and well furnished with dates. We therein get a solid basis of Historical Study". J. N. Sarkar, *India through the Ages*, pp.50-1 ; Dodwell, *op.cit.*

২৪. ভাৰতলৈ প্ৰব্ৰজন কৰি আহি তেওঁ সিন্ধুৰ চুলতান নাছিৰুদ্দিন আৰু দিল্লীৰ আল্টামাচ (Iltutmis) অৰ আনোলত কাজীৰ পদ পাইছিল। বংগৰ ৰাজধানী লখনাৱতীত বহুদিন থকাৰ কাৰণে তেওঁৰ গ্ৰন্থ সমল সংগ্ৰহ কৰিবলৈ সুযোগ ঘটিছিল আৰু সেই গ্ৰন্থ পৃষ্ঠপোষকৰ নামেৰে নামকৰণ কৰিছিল। এই গ্ৰন্থ ১২৩ টা তবাকৎ বা কৈদ অনুযায়ী জীৱনী সম্পৰ্কীয় টোকাত বিভক্ত আছিল।

১২৫৯-৬০) ; 'তাৰিখ-ই-মোবাৰক শ্বাহী' (*Tarikh-i-Mubarak Shahi*) ৰ দৰে উত্তৰ ভাৰতৰ ইছলামৰ আঞ্চলিক ইতিহাস (৩) উপদেশমূলক ইতিহাস, ; যথা, জিয়া-অল-দিন্-বাৰানিৰ (Zia Al-Din-Barani [২৫] , আনুমানিক ১৩৫৮ খ্ৰী:) 'তাৰিখ-ই-ফিৰোজ শ্বাহী' (*Tarikh-i-Feroz Shahi*) (৪) অল্ উটবিৰ 'তাৰিখি-ই-য়ামিনী'ৰ (*Tarikh-i-yamiini*) দৰে মনাকিব বা প্ৰশস্তিমূলক ইতিহাস আৰু (৫) স্তুতিমূলক (Penegyrical writings) ; যেনে, হাছান নিজামি, আমিৰ খুশ্ৰু, ইছামি (ফুটুহা অচ্ ছালাটিন) আদিৰ গদ্য আৰু পদ্যত কৰা ৰচনাবিলাক ।[২৬]

এই যুগৰ ইতিহাস প্ৰণয়নত সমাজ, আইন ব্যৱস্থা, ৰাজনীতি আৰু সংস্কৃতিৰ ব্যাপক পৰিসৰ সামৰি ৰচনা কৰা আৰব পৰম্পৰাৰ বা সেইকালৰ ইতিহাস হোৱাতকৈ অধিকাংশ আছিল ৰাজ-বংশাৱলী সম্পৰ্কীয় ইতিহাস ৰচনাৰ পাৰসীয় পৰম্পৰাহে । পাৰসীয় লেখকসকলৰ দৰে তেওঁলোক ৰাজ-পৃষ্ঠপোষকতাৰ লগত সম্পৰ্কিত আছিল । আকৌ ভাৰতীয় মুছলিম ইতিহাসকাৰসকলে ডা-ডাঙৰীয়াসকলক কেন্দ্ৰ কৰি ৰচনা কৰিছিল আৰু ৰাজনৈতিক সমস্যা আৰু ঘটনাৰ আলোচনা কৰিছিল । বাৰানি, ইছামি, আমিৰ খুশ্ৰু আদিয়ে ইতিহাসক চুলতান, ডা-ডাঙৰীয়া আদি বৰমূৰীয়া সকলৰহে ইতিবৃত্ত বুলি ধাৰণা কৰিছিল ; নিম্নস্তৰৰ প্ৰজাসমূহৰ জীৱনৰ ওপৰত ভিত্তি কৰা নাছিল ।[২৭]

২৫. বাৰানিক ইতিহাসকাৰ বুলিব পাৰিনেনোৱাৰি এই সম্পৰ্কে ঐতিহাসিক সকলৰ মতভেদ দেখা যায় । কিছুমানে তেওঁক টুৰ্কী-আফগান আমোলৰ সবাতোকৈ গুৰুত্বপূৰ্ণ ঐতিহাসিক বুলি অভিহিত কৰে (হবিবুল্লা: ফাউণ্ডেছন অৱ মুছলিম ৰুল ইন্ ইণ্ডিয়া, ১১ পৃ:) । আকৌ কোনোৱে তেওঁক প্ৰামাণ্য বুৰঞ্জীবিদ হয় নে নহয় সন্দেহ কৰে । ইচ্ছা কৰি তেওঁ অসাধু পথলৈ যোৱা নাই বুলি কব পাৰি যদিও, তেওঁৰ এটা ডাঙৰ দোষ আছিল--ঘটনাসমূহৰ ভুল ব্যাখ্যা দিয়া (আই, আৰ, কুৰেইছি: এড্‌মিনিষ্ট্ৰেছন্ অৱ্ চুলতানেটচ্ ইন্ দেলহি, পৃ: ১২-৩) । যিয়ে নহওক, ভাৰত বুৰঞ্জী সংকলন কৰা তেৱেঁই প্ৰথম মুছলমান ঐতিহাসিক আছিল ।

২৬. Hardy, "Some studies in Pre-Mughal Muslim Historiography" Philips, *Historians*, (1962).

২৭. *Ibid*, also *Historians of Medieval India*, ch.vii.

আলবেৰুণী

এই যুগৰ এজন বিশ্ববিখ্যাত বৈজ্ঞানিক আছিল মহম্মদ বিন্ আহম্মদ আল বিৰুণী বা বেৰুণী (Muhammad bin Ahmed Al Biruni, ৯৭৩-১০৩১)। দৰ্শন, গণিত, জ্যোতিষ, ভূগোল, পদাৰ্থ আৰু ৰসায়ন সকলো বিষয়তে তেওঁৰ পাণ্ডিত্য আছিল। চুলতান মাহম্মদে তেওঁৰ জন্মস্থান কাঢ়িয়াৰ খোৱাৰজ়্মি (Khwarizmi) দখল কৰাত চুলতানৰ লগত তেওঁ ভাৰতলৈ আহি কিছুদিন পঞ্জাবত বসতি কৰে। এই কালছোৱাতে বহুতো ঠাই ভ্ৰমণ কৰি সংস্কৃতৰ উপৰিও তেওঁ কেবাটাও ভাষা শিকে আৰু ভাৰতীয় দৰ্শন-বিজ্ঞানৰ গভীৰ অধ্যয়ন কৰে। এই দেশৰ অধিবাসীৰ ইতিহাস, চৰিত্ৰ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সম্পৰ্কে তেওঁৰ অভিজ্ঞতা 'টাৰিখ-ই-হিন্দ' বা 'আলবেৰুণীজ ইণ্ডিয়া' নামৰ গ্ৰন্থত লিপিবদ্ধ কৰে। মুছলিম ইতিহাসৰ পক্ষপাতিতাৰ পৰিবৰ্তে সত্য অন্বেষণেই মূলমন্ত্ৰ হোৱা বাবে আলবেৰুণীৰ গ্ৰন্থখন মধ্যযুগীয় ভাৰত-ইতিহাসৰ অমূল্য সমল।

মোগল-যুগ

তুৰ্কী-আফগান মূলতঃ অনা-ভাৰতীয় আছিল। মোগল ইতিহাস আছিল স্পষ্টভাৱে ভাৰতীয়। অৱশ্যে ই ভাৰত-পাৰসীয় ইতিহাসৰ পৰম্পৰা আৰু মোগল দৰবাৰৰ ঘটনাপঞ্জী, স্মৃতিগ্ৰন্থ, ঐতিহাসিক জীৱনী আদিৰ দ্বাৰা প্ৰৱৰ্তিত স্পষ্টৰূপৰ পৰা বাঢ়ি আহিছিল। মোগল যুগৰ ঐতিহাসিক আৰু অৰ্দ্ধ-ঐতিহাসিক ৰচনাবোৰ তলত দিয়ামতে আইকে দুটা ভাগত ভগাব পাৰি, চৰকাৰী আৰু বে-চৰকাৰী।

চৰকাৰী ইতিহাস

চৰকাৰী বা ৰজাঘৰীয়া ইতিহাস মোগলযুগৰ বিশেষত্ব। সম্ৰাট আকবৰৰ আমোলৰ পৰা দৰবাৰৰ ইতিহাসকাৰৰ দ্বাৰা এইবিলাক ৰচনা কৰোৱা হৈছিল। এই সকলোবিলাক ইতিহাস প্ৰণেতাৰ ভিতৰত আবুল

ফজলেই সর্বপ্রধান।[২৮] তেৱেঁই আধুনিক ৰচনা-ৰীতিৰ গুচম চাপিছিল। তেওঁৰ ৰচিত আকবৰৰ ইতিবৃত্ত 'আকবৰ নামা' (*Akbarnamah*) আৰু 'আইন-ই-আকবৰী' এই দুয়োখন গ্রন্থই সম্রাটৰ আমোলৰ ৰাজ-নৈতিক, প্রশাসনিক, অর্থনৈতিক আৰু সামাজিক অৱস্থাৰ এখন সম্পূর্ণ ছবি দাঙি ধৰিছে। আবুল ফজলৰ হত্যাৰ পিছৰ পৰা আকবৰৰ মৃত্যুলৈকে যি যোৱা কাহিনী লিখিছে ইনায়েট্ উল্লাই (Inayet ullah) 'তক্মিল-ই আকবৰ নামা'ত (*Takmil-i-Akbarnamah*)। শাজাহানে তেওঁৰ ৰাজত্ব-কালৰ চৰকাৰী ইতিহাস মির্জা আমিনাই কাজভিনি (Mirza Aminal Qazvini) আৰু পিছলৈ আব্দুল হামিদ লাহৰিৰ (Abdul Hamid Lahori)ৰ দ্বাৰা লিপিবদ্ধ কৰায়। আকবৰৰ পৰম্পৰা অনুসৰি 'আলমগিৰ নামা' (*Alamgirnamah*)ত ঔৰংজেৱৰ ৰাজত্বকালৰ প্রথম দহ বছৰৰ কাহিনী লিখা হয় আৰু একাদশ বছৰৰ পৰা আৰ্থিক কাৰণত, প্রকৃততে নৈতিক দ্বিধা-সংকোচৰ কাৰণে, সম্রাটে ইতিহাস ৰচনা বন্ধ কৰে। মহম্মদ মুস্তাদ খানে ১৭১০ চনত, ঔৰংজেৱৰ মৃত্যুৰ পিছত, চৰকাৰী নথি-পত্ৰ আৰু তেওঁৰ নিজ অভিজ্ঞতাৰ ভিত্তিত 'মাছিৰ-ই-আলমগিৰি' (*Masir-i-Alamgiri*) নামৰ সম্পূর্ণ ইতিহাস প্রণয়ন কৰে।

অভিজ্ঞ সচিব, বিষয়া আৰু কর্মচাৰীৰ দ্বাৰা লিখিত ঘটনাৰ বিৱৰণ-সমূহৰ আলমত সংকলন কৰা মোগল যুগৰ 'নামা' বা চৰকাৰী ইতিহাস-সমূহৰ বিষয়বস্তু, ৰচনাৰীতি আৰু দর্শন তুর্কী-আফগান আমোলৰ ইতি-হাসৰ লগত অমিল আছিল। এইবিলাকৰ মূল ভিত্তি আছিল 'ওৱাকাই'

---

২৮. আবুল ফজল আছিল শেখ মুবাৰকৰ পুত্ৰ। ৰাষ্ট্রনেতা আৰু সামৰিক সেনানায়ক হিচাপে তেওঁ খ্যাতি অর্জন কৰিছিল। উপৰি তেওঁ আছিল অসাধাৰণ বৌদ্ধিক গুণসম্পন্ন আৰু সুদক্ষ লেখক, ইয়াৰ বাবেই তেওঁ আকবৰৰ আমোলত উচ্চ আসন লাভ কৰিছিল। দীর্ঘ-দিনীয়া অভিজ্ঞতা আৰু অতুলনীয় প্রকাশশক্তিৰ বলতে তেওঁ ইতিহাস প্রণয়নৰ বাবে পৰিপক্ব হৈ উঠিছিল। প্রকৃতাৰ্থ, পণ্ডিত আৰু ঐতি-হাসিক হিচাপে আবুল ফজলে মধ্যযুগীয় ভাৰত ইতিহাসকাৰ হিচাপে শীর্ষস্থান অধিকাৰ কৰিছে।

(*waqai*) বা প্ৰদেশবিলাকৰ সমসাময়িক নথি-পত্ৰ, ৰাজদৰবাৰৰ বিভিন্ন ধৰণৰ 'ফাৰ্মান' (*farman*) বা আদেশাৱলী আৰু 'আখবাৰাত -ই-দৰবাৰী ম' আলা' (*akhbarat-i-durbari mu'ala*) বা চৰকাৰী বা-বাতৰি আৰু দৰবাৰৰ কাৰ্য্যাৱলীৰ বিৱৰণ। ৰাজকীয় নিৰ্দেশ অনুসৰি এইবিলাক সংশোধন কৰা হৈছিল ; ফলস্বৰূপে ইতিহাসবোৰত পক্ষপাতিতা আৰু ৰাজ-দৰবাৰৰ সামাজিক, ৰাজনৈতিক আৰু ধৰ্ম-সংক্ৰান্ত দৃষ্টিভংগী ফুটি ওলাইছিল। স্বাভাৱিকতে ইতিহাসকাৰ সকলৰ দৃষ্টিভংগী পৃথক হ'ব পৰা নাছিল ৰবং' তেওঁলোক আছিল পৃষ্ঠপোষকসকলৰ চাটুকাৰ বা তোষামোদকাৰী। তথাপিতো তেওঁলোকে যি ঘটনাৰ বিৱৰণ দিছিল, সেয়া সাধাৰণতে নিৰ্ভৰযোগ্যই আছিল ; অৱশ্যে এইবিলাকো সমীক্ষা কৰিহে বৰ্ত্তমান ঐতিহাসিকে একোটাইত সিদ্ধান্তত উপনীত হ'ব পাৰে।

টাইমুৰ বংশীয় সম্ৰাটসকল নিজে সুশিক্ষিত হোৱাৰ উপৰিও সিবিলাকে সাহিত্যিক আৰু বিদ্যানুৰাগী পুৰুষৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁলোকৰ আত্মজীৱনী আৰু নিজে লিখা সৌৰৱণ গ্ৰন্থসমূহ সেইকালৰ ইতিহাসৰ অমূল্য সমল। চাংতাই-তুৰ্কী ভাষাত লিখা টাইমুৰৰ আত্ম-জীৱনী (*Tuzuk-i-Taimuri*) খনৰ বিশ্বাসযোগ্যতাৰ সম্পৰ্কে সম্প্ৰতি মতভেদ কৰি আছিহে। টাইমুৰৰ পৰম্পৰা বাবৰৰ 'তুজুক-ই-বাবৰী' আৰু জাহাংগিৰৰ 'তুজুক-ই-জাহাংগিৰী'তো চলি আছিহে। বাবৰৰ জীয়েক গুলবাদন বেগমে আকবৰৰ নিৰ্দেশক্ৰমে 'হুমায়ুন নামা' ৰচনা কৰে ; ইয়াৰ দ্বাৰা আকবৰ নামাৰ উপাদান সংগৃহীত হয়।

বে-চৰকাৰী আৰু ব্যক্তিগত ইতিহাস

বে-চৰকাৰী আৰু ব্যক্তিগত ইতিহাসবোৰে পৰিপূৰক হিচাপে বা মাজে সময়ে সংশ্লিষ্ট যুগটোৰ প্ৰশস্তিমূলক বিৱৰণৰ পৰা সঠিক তথ্য-বিলাক বাছি উলিওৱাত সহায় কৰে। তাজেমান জীৱনী বা বে-চৰকাৰী ইতিহাস বাবৰ আৰু হুমায়ুনৰ ৰাজত্বকালত সংকলিত হয়। আকবৰৰ ৰাজত্বকালত এনে গ্ৰন্থৰ সংখ্যা বহুতো বৃদ্ধি হ'ল। ভাৰতৰ মুছলমান সকলৰ সাধাৰণ ইতিহাস 'তাবাকাৎ-ই-আকবৰী' (*Tabaqat-i-Akbari*)

১৫৯৩-৪ চনত সংকলন কৰে খাজা নিজামুদ্দিন আহমদে [২৯] আৰু ১৫৯৫ চনত নতুন দৃষ্টিভংগীৰে 'মুন্টাখাব্-উৎ-তাৱাৰিখ' (*Muntakhab-ut-Tawarikh*) ৰচনা কৰে আব্দুল কাডিৰ বাদাউনি (Abdul Qadir, Badauni)য়ে।[৩০] 'তাৰিখি-ই-আল্ফি'খন ইছলাম ধৰ্মৰ শত বছৰ পূৰ্তি উপলক্ষে সম্ৰাটৰ নিৰ্দেশত সাতজনীয়া সম্পাদনা সমিতিয়ে সংকলন কৰি উলিয়ায়। তিনিখণ্ডত সম্পূৰ্ণ 'ইকবালনামা-ই-জাহাংগিৰী' ৰচনা কৰে মমূতাদ খানে, ই মহামূল্যবান সমসাময়িক বিৱৰণ। মহম্মদ ছাদিক খানৰ 'শ্বাহজাহান নামা' (*Shahjahan namah*) সম্ৰাটৰ কাৰাবাস পৰ্য্যন্ত কালছোৱাৰ সম্পূৰ্ণ ইতিহাস। ঔৰংজেৱে একাদশ বছৰৰ পৰা ইতিহাস-প্ৰণয়ন নিষিদ্ধ কৰি দিয়া সত্বেও, তেওঁৰ ৰাজত্ব-কালৰ আৰু তাৰ পিছতো ভালেমান ব্যক্তিগত ইতিহাস ৰচনা হয়। খাঁফি খাৰ 'মন্টাখাব-উল-লুবাব বা 'তাৰিখ-ই-খাফিখাঁ' (*Tarikh-i-*

২৯. হিৰাটৰ এটা প্ৰভাৱশালী বংশত জন্ম গ্ৰহণ কৰি নিজামুদ্দিনে বাবৰৰ দিনৰ পৰা আকবৰৰ দিনলৈকে নানা বিষয়বাবৰ দায়িত্ব বহন কৰিছিল। সকল দৰবাৰী হিচাপে তেওঁ গোড়া, উদাৰ সকলো পন্থী মোল্লাৰ লগতে বন্ধুত্ব স্থাপন কৰিব পাৰিছিল। তাবাকৎ হৈছে মূলতঃ এখন ঘটনা-পঞ্জী সম্বলিত ৰাজনৈতিক ইতিহাস। তথাপিতো গভীৰতা আৰু প্ৰামাণ্যতাৰ কাৰণে ই এখন মানবিশিষ্ট গ্ৰন্থ হিচাপে পৰিগণিত হৈ আহিছে আৰু পৰৱৰ্তী লিখকসকলৰ কাৰণে নিৰ্ভৰযোগ্য সম্বল হ'ব পাৰিছে।

৩০. বাদাউনিয়ে গোড়া চুন্নী হিচাপে জন্ম গ্ৰহণ কৰি সেইদৰে লালিত-পালিত হয়। শিক্ষা, সাহস আৰু চিন্তাধাৰাত তেওঁ আবুল ফজলৰ সমকক্ষই আছিল; কিন্তু আবুল ফজলৰ দক্ষতা তেওঁৰ নাছিল আৰু সেইবাবেই তেওঁ সফল দৰবাৰী হ'ব নোৱাৰিছিল। ইমাম্ হিচাপে সম্ৰাটে নিযুক্তি দিয়াৰ পাছৰ পৰাই তেওঁ বিপ্লৱী প্ৰভাৱেৰে প্ৰভাৱিত হৈছিল। প্ৰত্যাশিত বাৱে দৰবাৰত অগ্ৰগতি লাভ কৰিব নোৱাৰাৰ বাহিৰেও উদাৰ ধৰ্মনীতি, প্ৰশাসনীয় সংস্কাৰ আৰু অনা-মুছলিমসকলৰ প্ৰতি উদাৰতাৰ কাৰণে সম্ৰাটৰ লগত তেওঁৰ অহি-নকুল সম্বন্ধত পৰিণত হৈছিল। হতাশ হৈ তেওঁ 'তাৱাৰিখ' ৰচনা কৰি আকবৰ আৰু আবুল ফজলৰ বিপক্ষে প্ৰতিকূল মনোভাৱ প্ৰকাশ কৰিছিল। বিপক্ষ দিশৰ পৰা সম্ৰাটৰ চৰিত্ৰ তেওঁৰ গ্ৰন্থত প্ৰতিফলিত হৈছে বিচৌ সমসাময়িক মোল্লাসকলৰ ৰচনাত বিৰল।

Khafi Khan) ১৫১৯ চনৰ পৰা ১৭৩৩ চনলৈকে মোগল সকলৰ ইতিহাস।[৩১] ই ঔৰংজেৱৰ ৰাজত্বৰ অমূল্য পূৰ্ণাংগ বিৱৰণ।

আঞ্চলিক ইতিহাস

মোগল যুগত ভালেমান ঐতিহাসিক, জীৱনীমূলক আৰু আঞ্চলিক ইতিহাস ৰচিত হৈছিল। এইবিলাকৰ ভিতৰত মহম্মদ কাছিম ওৰফে ফেৰিস্তা (Ferista)ৰ 'তাৰিখ-ই-ফেৰিস্তা' (*Tarikh-i-Ferista*, ১৬১৯-২০) দাক্ষিণাত্যৰ চুলতানসকলৰ বিষয়ে ৰচিত এক যুগমীয়া গ্ৰন্থ। মীৰ মহম্মদ খানৰ 'মিৰাট-ই-আহমদী' (*Mirat-i-Ahmadi*) ১০০০-১৮০০ চন পৰ্যন্ত গুজৰাট সম্বন্ধীয় ইতিহাস। বংগদেশ আৰু অসম সম্পৰ্কে খনদিয়েক ইতিহাস প্ৰণীত হৈছিল; মিৰ্জা নাথানৰ বাহাৰিস্তান-ই-ঘাইবি (*Baharistan-i-Ghybi*) আৰু চাহাবুদ্দিন তালিছৰ 'তাৰিখ-ই-আছাম' বা 'ফাতাইয়া-ই-ইব্ৰাইয়া' (*Fathiyyah-i-ibriayyah*) উল্লেখযোগ্য; পিছৰখনত মিৰজুমলাৰ অসম অভিযানৰ (১৬৬২) চাক্ষুস বিৱৰণ দিয়া হৈছে। বংগদেশ সম্পৰ্কে চেলিমুল্লাৰ 'তাৰিখ-ই-বাংলা' (*Tarikh-i-Bangalah*) গোলাম হুছেইনৰ 'ৰিয়াজ অছ্ চালাতিন' (*Riyaz-us-Salatin*) গ্ৰন্থতকৈ বেছি নিৰ্ভৰযোগ্য।

মুছলিম ইতিহাসকাৰ: ৰচনা-পদ্ধতি

টুৰ্কী-আফ্‌গান আমোলৰ ইতিহাসকাৰসকলৰ ভিতৰত মিনৃহাজে সমল আহৰণত বহু কষ্ট কৰিছিল, কিন্তু তেওঁ সমলবিলাকৰ বিশ্বাসযোগ্যতাৰ মূল্যায়ন কৰিবলৈ যত্ন কৰা নাছিল। সময়ে সময়ে বিভিন্ন প্ৰসংগত একেটা ঘটনাৰে তেওঁ বেলেগ বেলেগ তাৰিখ দিও

---

৩১. ঔৰংজেৱৰ নিষেধৰ বাবে তেওঁৰ শাসনৰ সম্পূৰ্ণ আৰু ধাৰাবাহিক বুৰঞ্জীৰ অভাৱ। খাফি খাঁৰ বিৱৰণ সেইকাৰণে সমুচিৰ আমোলৰ অমূল্য গ্ৰন্থ। দৰাচলতে বাধা-নিষেধৰ কাৰণেই মধ্যযুগীয় ভাৰতৰ সৰ্বোত্তম আৰু সৰাভোকৈ গুৰুত্বপূৰ্ণ ইতিহাসৰ ৰচনা হ'ল।

গৈছে। বাবানিৰ লিখনীত সংগত ৰচনা-বিধি আৰু শৃংখলাবদ্ধতাৰ অভাৱ আছিল। "সমল বুলি তেওঁ প্ৰামাণ্য হিচাপে উদ্ধৃতি দিছিল তেওঁৰ আত্মীয়-স্বজন বা আন কোনো ধৰ্মভীৰু লোকৰ বা নিজৰে অভিজ্ঞতাৰ"।[৩২] আনপিনে আবুল ফজলে অতি পৰিশ্ৰমেৰে সমল সংগ্ৰহ কৰিছিল। আকবৰনামাত তেওঁ কৈছে, "সঁচাকৈয়ে সম্ৰাটৰ কৰ্ম-ৰাজিৰ বিষয়ৰ তথ্যপাতি গোটাওঁতে মই বহু পৰিশ্ৰম কৰিব লগা হৈছিল।" দৰবাৰৰ সদস্য হিচাবে তেওঁ শাসনযন্ত্ৰৰ অন্তপ্ৰবাহ আৰু ষড়যন্ত্ৰ আদিৰ বাহিৰেও আকবৰৰ ৰাজত্বৰ গুৰুত্বপূৰ্ণ আদান-প্ৰদান সম্পৰ্কে সম্যকভাৱে অৱগত আছিল। বহু কষ্ট কৰি তেওঁ সম্ৰাটে জাৰি কৰা আদেশাৱলীৰ মূল লিপি বা প্ৰতিলিপি আৰু নিজ দেশ বা বিদেশৰ কাৰ্য্যকলাপ সম্পৰ্কে মন্ত্ৰী আৰু ভা-ভাণ্ডৰীয়াসকলে দিয়া প্ৰতি-বেদন আহৰণ কৰিছিল।

আবুল ফজলে সমল আহৰণ কৰোঁতেহে যে কষ্ট কৰিছিল এনে নহয়, সংগৃহীত সমলখিনি তেওঁ তন্ন তন্নকৈ সমীক্ষা কৰিহে প্ৰয়োগ কৰিছিল বুলি আকবৰনামাৰ পৰা জনা যায়। সমলবোৰ কেতিয়াবা অমিল আৰু ত্ৰুটিপূৰ্ণ যেন পালে প্ৰায়ে সম্ৰাটৰ পৰা তেওঁ শুদ্ধ কৰাই আনিছিল। আইন-ই-আকবৰীত তেওঁ ব্যাখ্যা কৰিছে :

> প্ৰত্যক্ষদৰ্শীসকলৰ অতি পৰস্পৰবিৰোধী সমল মোৰ কাণত পৰিছিলহি। এইবিলাক শুনি মোৰ আচৰিত লাগিছিল আৰু সেইবোৰে মোৰ সমস্যাবো সৃষ্টি কৰিছিল। গভীৰ চিন্তা আৰু সতৰ্কভাৱে সমীক্ষা কৰি, বিবিলাক সকলো কথাত একমত তেনেবোৰ গ্ৰহণ কৰিছিলো। যেতিয়া বৰ্ণনাকাৰীসকলৰ কথাৰ অমিল দেখা পাইছিলো, তেতিয়া সঠিক উক্তি আৰু ধাৰাবাহিক ঘটনাবোৰ লৈ সেই-বিলাক এটা এটাকৈ চাইচিতিহে প্ৰকাশ কৰি শান্তি লাভ কৰিছিলো। যেতিয়া কোনো ঘটনা সম্পৰ্কে দুয়োফালে দুটা সমান গুৰুত্বপূৰ্ণ মত বা মোৰ দৃষ্টিভংগীৰ বিপৰীত দেখা পাওঁ, বাদছাহৰ আগত বিষয়টো দাঙি ধৰো আৰু তেনেকৈয়ে সাম্যিকত্বৰ হাত সাৰোঁ।

৩২ *Hardy, "Some studies in Pre-Mughal Mtslim Historio-graphy" Philips Historodus, p.* 123.

মিন্হাজে লিখিছিল সহজ আৰু সৰল ভাষাত আৰু ই আছিল অতিশয় শুদ্ধ। বাবানিৰ ভাষাও "সৰল, স্পষ্ট আৰু সৰল" বুলি বৰ্ণিত হৈছে। তাত কিছু অলংকাৰ আছে যদিও তেওঁৰ ভাষা উজ্জ্বল, ভাবোদ্দীপক আৰু সাৱলীল। ইলিয়ট্ আৰু এৰস্কিনগন্টে'নে আবুল ফজলৰ লিখন-ৰীতিৰ বিৰূপ সমালোচনা কৰিছে[৩৩]। "তেওঁৰ যদিও আছিল প্ৰশস্ত মতামত আৰু অসাধাৰণ মেধা, খোলাখুলিকৈয়ে তেওঁ আছিল এজন আলংকাৰিক আৰু আজিও তেওঁৰ লিখনৰীতি অস্বাভাৱিক হৈ আছে। তেওঁৰ বৰ্ণনা জক্মকীয়া, দুৰ্বল, অস্পষ্ট আৰু সিও আছিল সাধাৰণ ভাব-চিন্তা আৰু সত্যৰ প্ৰদৰ্শনৰ দ্বাৰা ভাৰাক্ৰান্ত, যাৰ ফলত তেওঁৰ ভাষা তেওঁৰ নিযোজক সম্ৰাটৰ প্ৰতি এটা প্ৰশস্তিতেই পৰিণত হৈছেগৈ। আনপিনে মাছিৰুল উম্ৰাৰ (*Masir-ul-Umra*) গ্ৰন্থকাৰে কৈছে, "লিখক হিচাপে আবুল ফজল আছিল অপ্ৰতিদ্বন্দ্বী। তেওঁৰ লিখন-ৰীতি অতি উচ্চ খাপৰ আছিল আৰু আনসকল মুন্সিৰ দৰে তেওঁ কাৰিকৰী নৈপুণ্য দেখুৱাবলৈ যোৱা নাছিল—তেওঁৰ শব্দশক্তি, বাক্য গঠন আৰু লিখন-ৰীতি এনে আছিল যে সেইখিনি গুণ অনুকৰণ কৰা কাৰো পক্ষে সহজসাধ্য নাছিল।[৩৪]

সত্য-অন্বেষণ

ঐতিহাসিকৰ একমাত্ৰ লক্ষ্য সত্য অন্বেষণ—সম্পূৰ্ণ সত্যৰ অন্বেষণ। বাবানিৰ ঘিমানেই সীমাবদ্ধতা নাথাকক ঐতিহাসিকৰ কৰ্তব্য সম্পৰ্কে তেওঁৰ উচ্চ ধাৰণা আছিল। সেইটো হ'ল নিৰ্ভয়ে, অনুগ্ৰহৰ আশা নাৰাখি তেওঁ সম্পূৰ্ণ সত্য নিৰপেক্ষভাৱে আৰু সতভাবে প্ৰকাশ কৰি যাব লাগিব। তেওঁ লিখি থৈ গৈছে :

> ইতিহাস সংকলয়িতাজন বিশ্বাসভাজন, সত্যপৰায়ণ আৰু নিৰপেক্ষ হ'ব লাগিব যাতে পাঠকৰ বিশ্বাস দৃঢ়তৰ হয় আৰু সহজে তেওঁ মানুহৰ বিশ্বাসভাজন হ'ব পাৰে। ইতিহাস লিখোঁতে এটা আত্ম-শ্লাঘীয় গুণ থাকিব লাগিব, সেইটো হ'ল—তেওঁ যদি এজন ৰজা বা মহৎ লোকৰ সদ্‌গুণাৱলী, সততা, নিৰপেক্ষতা, পৰহিতৈষিতাৰ

৩৩. ED. Sushil Gupta edition, pp. 6-7 ; *Islamic Culture*, 1938, pp.81-2 and 88.
৩৪. Beverage, *tr.*, *Masir Ul Omra.*

কথা লিখে, বিবেকবান ঐতিহাসিক হ'লে, সেইজনৰ পাপ-প্ৰৱণতা আৰু দুৰ্বলতাখিনিও লুকুৱাব নালাগে। সেইদৰে কৰলৈ তেওঁ পাচ হুহঁকিব নালাগে, সহজ ভাৱেই লিখিব লাগে যদিহে তাৰ বাবে কামত একো বাধা নজন্মে। নহলে জ্ঞানী, শিক্ষিতজনক ইংগিতৰ দ্বাৰাই সেইবিলাক কথা বুজাব লাগে। তেওঁৰ পূৰ্বপুৰুষৰ কথা লিখোতে ঐতিহাসিকে সদায় সঠিক সত্যখিনি লিখিবই লাগে।[৩৫]

বাবৰৰ স্মৃতিগ্ৰন্থই (Memoir) ইতিহাস-সাহিত্যত এখন সুকীয়া আসন অধিকাৰ কৰিছে। তেওঁৰ সঠিকতা আৰু সত্যনিষ্ঠতা সৰ্ববাদী সন্মত। জাহাংগিৰৰ টুজুক্‌খনো বাবৰৰখনতকৈ নিকৃষ্ট নহয়। বাবৰে যদি তেওঁৰ ব্যক্তিগত ব্যভিচাৰৰ সম্ভেদ দিছে, জাহাংগিৰেও কৈছে কেনেকৈ তেওঁ আবুল ফজলক হত্যা কৰাইছিল।[৩৬] একমাত্ৰ তোষামোদকাৰী বুলিয়েই নহয়, ইচ্ছা কৰি সত্য গোপন কৰা বুলিও ইলিয়ট্ (Elliot) আৰু এলফিনষ্টন'নে (Elphinstone) আবুল ফজলক দোষাৰোপ কৰিছে। বাদাউনিয়েও মন্তব্য কৰিছে, "তেওঁ উপযাচি কাম কৰি ফুৰা (officious) আৰু সময়ৰ শৰ মাৰিব জনা বিধৰ লোক আছিল," আৰু আছিল "অবিশ্বাসী" "তোষামোদকাৰী"। আবুল ফজলৰ তোষামোদ হয়তো সম্ৰাটৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা-প্ৰসূতও হ'ব পাৰে যিহেতু তেওঁ নিজকে আকবৰৰ আধ্যাত্মিক শিষ্য বুলিয়েই গণ্য কৰিছিল। তদুপৰি আবুল ফজলৰ তোষামোদ সেইকালৰ প্ৰচলিত ৰীতিৰ ভিতৰতে আছিল। দৰাচলতে তেওঁ সমসাময়িক ভাৱ-অনুভূতিৰ লগত নিজকে মিলায়ে চলিছিল।[৩৭]

---

৩৫. Cited in Sarkar *History*, p.83.

৩৬. "Babur's Memoirs form one of the best and most faithful pieces of autobiography extent... they are infinitely superior to the hypocritical revealations of Timur....and rank but little below the Commentaries of Caesar" ED, iv. , p.213 ; Rogers and Beverage, *tr. ; Tuzuk-i. Jahangiri*,-i, introduction, pp.ix-xi.

৩৭. Smith, *Akbar, The Great Mogul*, p. 460 ; Blochmann, *tr. Ain*, Intro., ppv-vii ; Ibn Hasan, *Central Structure of the Moghul Empire*, pp. 7-9.

চুন্নিসকলৰ প্ৰতি দেখুওৱা পক্ষপাতিত্বখিনি বাদ দিলে, বাদাউনিৰ প্ৰচাৰিত লক্ষ্য আছিল 'তাৱাৰিখ' লিখোতে তেওঁ যিমানদূৰ সম্ভৱ শুদ্ধকৈ লিখিব। তেওঁ লিখিছে, "যিহেতু মোৰ উচ্চাকাংক্ষা হৈছে শুদ্ধকৈ লিখাৰ, তথাপি যদি অতর্কিতে কেনেবাকৈ ভুলকৈ ভাবো বা মোৰ ভাৱৰ বাহক কাগৰ পৰা তেনে ভুল ওলাবলৈ দিও বা সত্যৰ পৰা পিচলি যাও, মই আশাকৰো ভগৱানে তেওঁৰ বিশ্বজগতৰ প্ৰতি থকা অসীম দয়াৰে মোক ক্ষমা কৰিব।" সত্যপৰায়ণতাৰ একনিষ্ঠ সেৱক খাঁফি খা (Khafi Khan) ই লিখিছে, "ঐতিহাসিকৰ কৰ্তব্য হৈছে লোভৰ আশা বা অনিষ্টৰ ভয় তেওঁৰ থাকিব নালাগিব।[৩৮] এফালে অনুৰাগ আনফালে শত্ৰুতাৰ ভাব তেওঁ দেখুৱাব নালাগিব, বন্ধু আৰু অচিনাকীৰ মাজত ভেদা-ভেদ কৰিব নালাগিব, আৰু আন্তৰিকতা নহলে লিখিব নালাগিব।" এই ঐতিহাসিক গৰাকীয়ে সম্ৰাট ফাৰোকচিয়াৰৰ ৰাজত্বকালত স্বাৰ্থজড়িত নহলে কোনো এক পক্ষৰ প্ৰতি সীমাহীনভাৱে পক্ষপাতিত্ব বা শত্ৰুভাৱ দেখুৱাটো, কেৱল নিজৰ লাভ-লোকচানৰ প্ৰতিহে দৃষ্টি ৰখা আৰু সেইমতে তেওঁলোকৰ মনোভাৱ সালসলনি ঘটোৱা দেখি মৰ্মাহত হৈছিল।

দৈৱ মতবাদ

মধ্যযুগীয় মুছলমান ইতিহাসকাৰসকলে সমকালীন ইউৰোপীয় ঐতিহাসিকসকলৰ দৰে ভাবিছিল যে, ইতিহাস মানুহৰ কাহিনী হলেও প্ৰকৃততে মানুহৰ মাজেদি প্ৰকাশ পোৱা ভগৱানৰ ক্ৰিয়া-কলাপৰ কাহিনীহে, মানুহ নিমিত্তহে মাথোন। ভগৱানৰ ইচ্ছাই যেতিয়া চূড়ান্ত নিয়ন্ত্ৰক শক্তি, তাত আৰু ঘটনাসমূহক জটিল, অৰ্থনৈতিক আৰু সামাজিক পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰি লাভ নাই। চুলতানী আমোলৰ ঐতিহাসিক সকলৰ কাৰণে "মুছলমান সকলৰ আদৰ্শ ইতিহাস স্বৰ্গতহে (অৰ্থাৎ কোৰাণত) আছে, আৰু তেওঁলোকৰ কাম হৈছে সেই ইতিহাসৰ উদাহৰণ দাঙি ধৰা মাত্ৰ।"[৩৯] তেওঁলোকৰ মতে তেওঁলোকৰ ইতিহাসৰ সমস্ত

৩৮. Cited in Sarkar *History*, pp.116-7.

৩৯. Philips *Historians* "Ideas of History etc." pp.5-6.

আছিল প্ৰামাণ্য ; সেইটো উল্লেখহে কৰা যায়, ই প্ৰশ্ন বা ব্যাখ্যাৰ বিষয়-বস্তু নহয়। মোগল যুগতো মনোভাব তেনেকুৱাই আছিল। বাবৰে পানিপথৰ বিজয় (১৫২৬ খ্ৰী:) ভগবানৰ আশীৰ্বাদ আৰু দয়া বুলি কৈছিল। আবুল ফজলে সম্ৰাটক "ভগৱানৰ প্ৰতিনিধি" ভগৱানৰ মহৎ সৃষ্টিৰ এটি অলংকাৰ" বুলি মানিছিল ; তেওঁৰ কাৰণে "ৰাজ-পদতকৈ ভগৱানৰ চকুত শ্ৰেয় মৰ্য্যদা আন একো নাই"[৪০] (dignity higher in the eyes of God than royalty)

সমালোচনাত্মক দক্ষতা আৰু বস্তুনিষ্ঠতাৰ অভাৱ

ইতিহাস ৰচনা-প্ৰণালীত বাস্তৱ ধৰ্মীতাৰ গুৰুত্ব প্ৰধান। মধ্যযুগীয় ইতিহাস চালে দেখা যায় যে, সৰহভাগ লিখকৰে আছিল নিজা একোটা-হঁত পক্ষপাতী মনোভাব। অনুৰাগ-বিৰাগৰ দ্বাৰাই তেওঁলোকৰ ভাৱধাৰা আৰু দৃষ্টিভংগী প্ৰভাৱান্বিত হৈছিল। ৰজাঘৰীয়া ইতিহাস-কাৰসকল প্ৰায়েই আছিল তেওঁলোকৰ পৃষ্ঠপোষকসকলৰ তোষামোদকাৰী ; গতিকে সিবিলাকৰ কাৰ্যকলাপৰ সমালোচনাৰ দৃষ্টিভংগীৰে চাবলৈ তেওঁলোকে দ্বিধাবোধ কৰিছিল। আকৌ সেই যুগৰ ইতিহাস আছিল ধৰ্মৰ সহচৰী (handmaid of religion) ; ঐতিহাসিকসকলে ইয়াক ধৰ্ম উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰিছিল। ইলিয়টে দেখু-ৱাইছে যে, আনহে নালাগে মুছলমানসকলৰ ভিতৰতো যিসকল আমিৰ-ওমৰাহ্, ভা-ভাওৰীয়া, ৰজা-মহাৰজা সেইসকলৰ কাৰ্য্যাৱলী আৰু মন্তব্যসমূহহে লিখি ৰখা হৈছিল ; সৰ্বসাধাৰণ প্ৰজাৰ দৈনন্দিন জীৱনৰ আশা-আকাংক্ষা, দুখ-দুৰ্গতিৰ কথাই তেওঁলোকৰ ৰচনাত ঠাই নাপাই-ছিল।[৪১]

এই সময়ছোৱাত ইতিহাসকাৰে কোনো দৰ্শন নিৰ্ধাৰণ কৰিব নোৱা-ৰিছিল যেন ধাৰণা হয়। সৰহভাগেই যথেষ্ট পৰিশ্ৰমেৰে অতীতৰ

৪০. *Ak*, ' ii, pp. , 69, 97-8.

৪১. Hardy, *op.cit.* p. 126 ; also A. Rashid, "Treatment of History by Muslim Historians in Mughal Official and Biographical works," in Philips *Historians*, pp. 145-ff.

সাক্ষ্য সংগ্ৰহ কৰিছিল , কিন্তু সেই সাক্ষ্যৰ সমন্বয় ঘটাব পৰা নাছিল। ইতিহাস তেওঁলোকে কিছুমান উদাহৰণৰ সংগ্ৰহ বুলিয়েই গণ্য কৰিছিল— যিবিলাকৰ উদাহৰণৰ দ্বাৰা মানুহৰ সকলো আৰু সৎ জীৱন যাপন কৰিব পৰা যায়। বাৰানিৰ মানত ইতিহাস আছিল নৈতিক গুণৰাজি আৰু ধৰ্মীয় উপদেশ (store-house of moral virtues and sermons)[৪২] তেওঁৰ 'তাৰিখত' দিয়া উদাহৰণৰ দ্বাৰা ধৰ্ম আৰু নৈতিকতাৰ শিক্ষা দিবলৈ চেষ্টা কৰিছে। এইদৰে উপদেশ দিয়া কথাটো মোগল ইতি-হাসকাৰৰ ৰচনাত সিমান পোৱা নাযায়। অৱশ্যে আকবৰে তেওঁৰ ৰাজ্যৰ স্থিৰতা ৰক্ষাৰ অৰ্থে নিজৰ পাৰ্থিৱ আৰু আধ্যাত্মিক শ্ৰেষ্ঠতা দাবী কৰি-ছিল আৰু তাৰ প্ৰচাৰৰ অৰ্থে আবুল ফজলে আকবৰনামা ব্যৱহাৰ কৰিছিল। বাদাউনিৰ ইতিহাসো আছিল আকবৰৰ উদাৰ নীতিৰ বিপক্ষে কৰা গোৱা চুন্নি-পন্থী প্ৰচাৰ। এই প্ৰচাৰধৰ্মিতা কেৱিষ্টা আৰু খাফি খাঁৰ বিৱৰণবিলাকত পোৱা নাযায়। এইবিলাকত সাধাৰণতে পোৱা যায় ঘটনা বা কাৰ্য্যকলাপৰ আৰু বিভিন্ন ৰাজনৈতিক, প্ৰশাসনীয় আৰু সামৰিক কাৰ্য্যপন্থাৰ বিৱৰণ।

মিনহাজ, বাৰানি আৰু ইছামিৰ দৰে ইতিহাসকাৰে ইতিহাস লিখাৰ এটা সহজ পদ্ধতি অৱলম্বন কৰিছিল। তেওঁলোকে সময়ৰ প্ৰতি মনোযোগ দিয়া নাছিল। বাৰানিৰ মতে ঐতিহাসিক পৰম্পৰাৰ কোনো লিখিত প্ৰমাণ নাই আৰু ঐতিহাসিকে যি কয় তাতে পাঠকে বিশ্বাস কৰিব পাৰে। হদীছৰ লগত একে পৰ্য্যায়ত গণ্য কৰি সেইকালত ইতিহাস ৰচনা কৰা হৈছিল। তেওঁলোকৰ মতে ইতিহাস আছিল আগতেই জনাজাত হৈ থকা প্ৰামাণ্য তথ্যৰ পুনৰাবৃত্তিহে (repetition of authoritative known material), নতুনা কথাৰ আবিষ্কাৰ নহয়। পিটাৰ হাৰ্ডি (Peter Hardy) এ ঠিকেই মন্তব্য কৰিছে যে, তেওঁলোকৰ মতে "ঐতিহাসিক লিখকহে, গৱেষক নহয়, তেওঁৰ কৰ্তব্য ইঠাইৰ পৰা

৪২. *Ibid*, pp.150-1 ; "True History, that is the history which teaches the right morals, can only be written by orthodox Sunni traditionalists". Hardy, "Some studies in Pre-Moghul Muslim Historiography etc. in Philips *Historians*, p.122.

সিঠাইলৈ পঠোৱাহে, সৃষ্টি কৰা নহয়" (his work is one of transmission rather than creation) ।[৪৩] মোগল যুগ ইতিহাসত চহকী হলেও, ৰচনা-বিধিৰ সেইদৰে উন্নতি নহ'ল ; অৱশ্যে আবুল ফজল আৰু মিৰাট-অল-আহ্‌মদীৰ ৰচক আলি মহম্মদৰ বৰ্ণনাসমূহ পূৰামাত্ৰাই অতীতৰ সমলৰ ওপৰত ভিত্তি নকৰি চৰকাৰী নথি-পত্ৰৰ আলমতো লিখা হৈছিল, কিয়নো সেইবিলাক চাবলৈ তেওঁলোকৰ সুযোগ ঘটিছিল ।

অনা-ফাৰ্চী ইতিহাস

ঔৰংজেবৰ মৃত্যুৰ পাছত, আনহে নালাগে মোগল সাম্ৰাজ্যৰ ক্ৰমাগত পতনৰ সময়তো ফাৰ্চী, মাৰাঠা, হিন্দী আৰু গুৰুমুখী ভাষাত ইতিহাস-সাহিত্যৰ সংকলন হৈছিল আৰু এইবিলাক সেই সময়ছোৱাৰ অমূল্য সমল । হিন্দু ৰচকে ফাৰ্চীভাষা শিকি ইতিহাস ৰচনা কৰিছিল ; এই সকলৰ ভিতৰত ৰায় ভৰামল (Rai Bhara Mal), ভীমসেন বুৰহানপুৰী (Bhimsen Burhanpuri) আৰু ঈশ্বৰ দাস নাগৰ (Iswar das Nagar) নাম উল্লেখযোগ্য । ভীমসেনৰ 'নুচখা-ই-দিলখুচা' (*Nuskha-i-Dilkhusa*) মাছিৰি আলমগিৰি (*Masir-i-Alamgiri*) ৰ পৰিপূৰক । এই গ্ৰন্থত ঔৰংজেবৰ ৰাজত্বকালৰ বহুতো নতুন তথ্য সন্নিবিষ্ট কৰা হৈছে । যদুনাথ সৰকাৰে মন্তব্য কৰিছে ঃ "কেৱল সমসাময়িক হিন্দুৰ চকুৰে চোৱাতে নহয়, তেওঁলোকে যে উচ্চপদস্থ মোগল বিষয়াসকলৰ সান্নিধ্যত থাকি সেইকালৰ ঐতিহাসিক ঘটনাসমূহ সঠিকভাৱে জানিব পাৰিছিল, আৰু সম্ৰাটৰ একেবাৰে ক্ষাৰ চাপিব নোৱাৰা বাবে তেওঁলোক মিছলীয়া আৰু তোষা-মোদকাৰী নহৈছিল সেইটোৱেও তেওঁলোকৰ গুৰুত্ব বঢ়াইছে ।"[৪৪]

মধ্যযুগীয় ভাৰত : আধুনিক ইতিহাসকাৰ

ব্ৰিটিছ পণ্ডিত আৰু পণ্ডিত-প্ৰশাসক জনদিয়েকৰ প্ৰচেষ্টাত মধ্য-যুগীয় ভাৰত-ইতিহাসৰ পৰম্পৰাৰ প্ৰতি ব্ৰিটিছ আৰু শিক্ষিত ভাৰতীয়

৪৩. *Ibid*, p.125.

৪৪. Cited in Sarkar *History*, p.51.

সকলোৰ দৃষ্টি আকৰ্ষিত হয়। সিহঁতলোকে গোনতে হাতে তুলি লোৱা গুৰুত্বপূৰ্ণ ইতিহাস-সাহিত্যবাজি ইংৰাজীলৈ অনুবাদ কৰে আৰু তাৰ পিছত এইবিলাকৰ আলমতে মধ্যযুগীয় ভাৰত-ইতিহাস প্ৰণয়ন কৰে। অনূদিত গ্ৰন্থসমূহৰ ভিতৰত ছাচু (Sachu) এ কৰা 'এলবেৰুনিজ ইণ্ডিয়া' (*Alberuni's India*), গ্লেড্উইন (Gladwin) ৰ 'আইন-ই-আকবৰী' আৰু ব্ৰিগ্‌ছ (Briggs) অৰ 'ফেৰিস্টা' সৰ্বপ্ৰধান। তদুপৰি ব্লকমেন্ (Blochmann), জেৰেট্ (Jarret), বেভাৰেজ্ (Beverage), আৰস্কিন (Erskin) আদিৰ ৰচনাৱলী, এচিয়াটিক চ'চাইটি অব্ বেংগলৰ পাণ্ডিত্যগৰ্ভ 'বিব্লিয়থেকচ্ ইণ্ডিয়া' (*Bibliothecs India*) আৰু ইলিয়ট্-ডাউচনৰ ((Elliot আৰু Dowson) ৰচনাৱলীয়ে (*History of India as told by its own historians*) মধ্যযুগীয় ভাৰত-ইতিহাসৰ গৱেষণাৰ পথ মুকলি কৰিলে।

এই যুগৰ ভাৰত-ইতিহাস প্ৰণয়নৰ বাট্‌কটীয়াসকলে তেওঁলোকৰ পূৰ্বসূৰীসকলৰ পৰম্পৰা অনুসৰি নিজামুদ্দিন, ফেৰিস্টাৰ দৰে ইতিহাস-কাৰৰ ৰচনাৰ ওপৰতে কম-বেছি নিৰ্ভৰ কৰি মধ্যযুগীয় ভাৰত ইতিহাস প্ৰণয়ন কৰিছিল। এইদৰে জেমচ্ মিল (হিস্টৰি অব্ ইণ্ডিয়া, ১৮১৭), গ্লীজ (Gleig—হিস্টৰি অব্ ব্ৰিটিছ এম্পায়াৰ ইন্ ইণ্ডিয়া, ১৮৩০) আৰু এলফিন্‌ষ্টোনে (হিস্টৰি অব্ ইণ্ডিয়া, ১৮৩৯) ফেৰিস্টাৰ ইতিহাস (Alexander Dowৰ দ্বাৰা অনূদিত, ১৮৬৮-৭২)ৰ ওপৰত ভিত্তি কৰিছিল। মধ্যযুগীয় ভাৰতৰ ইতিহাস সেইকাৰণে প্ৰধানতঃ ৰাজনৈতিক ঐতিহাসিকৰহে ইতিহাস। তেওঁলোকৰ ৰচনাৰ প্ৰায় সকলোবে সমল একেই হোৱাৰ কাৰণে, যুদ্ধ-বিগ্ৰহ, ৰাজবংশৰ উত্থান-পতন, মিলে নহওক, বৰ্ণনাসমূহ সকলোৰে একেই। প্ৰত্নতত্ত্ব বা মুদ্ৰা অধ্যয়নক ৰাজনৈতিক ইতিহাসত অৱজ্ঞা কৰা হৈছিল। সামাজিক আৰু অৰ্থ-নৈতিক উপাদান যে ইতিহাসৰ অপৰিহাৰ্য্য [৪৫] তেওঁলোকে এইটো বুজা

৪৫. অৱশ্যে ডব্লিউ এইচ্, ম'ৰলেণ্ড (W. H. Moreland) প্ৰণীত 'ইণ্ডিয়া এট্ দি ডে'থ অব্ আকবৰ' (*India at the death of Akbar*) আৰু 'ফ্ৰম আকবৰ টু ঔৰংজেব' (*From Akber to Aurangzeb*) এই দুই গ্ৰন্থত ব্যতিক্ৰম দেখা যায়। ৰাজনৈতিক বুৰঞ্জী ভৌতিক আৰু অৰ্থনৈতিক পটভূমিত অধ্যয়ন কৰিব লাগে বুলি দিয়া পৰামৰ্শেৰে তেওঁ ইতিহাসৰ এটা নতুন ভাৱধাৰাৰ সৃষ্টি কৰিলে।

নাছিল। তাতোকৈ তেওঁলোকৰ এটা বদ্ধমূল ধাৰণা যে ভাৰতৰ মুছলিম শাসনতকৈ ব্ৰিটিছ শাসন উচ্চমানৰ আছিল।[৪৬] যিয়ে নহওক, প্ৰথমছোৱাৰ ব্ৰিটিছ লেখকসকলে যদিও প্ৰচাৰকৰ ভূমিকা লৈছিল আৰু কম-বেছি পৰিমাণে তেওঁলোক পক্ষপাতদুষ্ট আছিল, কাৰ্চী সমলসমূহৰ ৰাজনৈতিক ইতিহাস প্ৰণয়নৰ পদ্ধতি তেওঁলোকে উদ্ভৱ কৰি দিছিল।

ৰাজনৈতিক ইতিহাস

উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত ছৈয়দ আহমদ খাঁ আৰু তেওঁৰ সতীৰ্থ ছৈয়দ খোদা বক্স, আমিৰ আলি আদিয়ে আলিগড়ত আধুনিক মধ্যযুগীয় মুছলিম ইতিহাস প্ৰণয়নৰ পাতনি মেলে। সিবিলাকে বছিয়াকৈ বুজিছিল যে, ইতিহাস অতীতৰ বিশ্লেষণাত্মক অধ্যয়ন, ই প্ৰামাণ্য তথ্যৰ পুনৰাবৃত্তি নহয়। অৱশ্যে আলিগড়ৰ ৰচনাৰাজি আছিল ৰাজনৈতিকতকৈও বেছি ধৰ্মীয়হে। আকৌ এই ইতিহাসকাৰসকলে মনোযোগ দিছিল ভাৰতৰ মুছলিম শাসন আৰু কীৰ্তি-কলাপতকৈও ভাৰতৰ বাহিৰৰ ইছলাম ধৰ্মৰ প্ৰতিহে।[৪৭] যিয়েই নহওক, একেই শতিকাৰ শেষকালে ইউৰোপীয় ইতিহাস ৰচনা-বিধিৰ দ্বাৰা অনুপ্ৰাণিত হৈ, ব্ৰিটিছ ইতিহাস ৰচকসকলৰ প্ৰত্যাহ্বান স্বৰূপ, এচাম মধ্যযুগীয় ভাৰত-ইতিহাস প্ৰণেতা মূৰ দাঙি উঠিল। ইয়াৰ নেতৃত্ব দিলে আন্তৰ্জাতীয় খ্যাতিসম্পন্ন ঐতিহাসিক যদুনাথ সৰকাৰে (১৮৭০-১৯৫৮)। প্ৰকৃততে তেওঁ আছিল ভাৰতৰ ঐতিহাসিক পাণ্ডিত্যৰ জনক। তথ্যৰ সঠিকতা, সংগ্ৰহৰ বিচক্ষণতা, উপস্থাপনৰ শ্ৰেষ্ঠতা, শব্দচয়নৰ চমকপ্ৰদতা আৰু সত্যৰ

---

৪৬. জেমচ্ মিলে তেওঁৰ 'হিষ্টৰি অব্ ইণ্ডিয়া' (১৯১৭)ত ভাৰতৰ এখন বিকৃত ছবি দিছিল। এলফিন্‌ষ্টনৰ বুৰঞ্জীত সহানুভূতিশীল সুৰ এটা আছিল যদিও তেওঁ মুছলিম শাসনৰ প্ৰতি এটা ঘৃণাৰ ভাৱ পোষণ কৰিছিল। আনকালে ভাৰতীয় সমাজ সম্পৰ্কীয় পাঠ্য-পুথিৰ ৰচক ভি, এ, স্মিথৰ মতে নৈতিকতাৰ কালৰ পৰা নিষ্কৃতিৰ মধ্যযুগীয় ভাৰত-ইতিহাস আছিল ব্ৰিটিছ বিজয়ৰ প্ৰস্তুতি।

৪৭. Hardy, "Modern Historical writing in India", in Philips, *op.cit.*, pp.295-6.

প্ৰতি একনিষ্ঠতা—সকলো দিশেৰে ঐতিহাসিক পদ্ধতি উদ্ভাৱনৰ ক্ষেত্ৰত তেওঁ ৰাংকেৰ সমকক্ষ আছিল। [৪৮]

যদু সৰকাৰৰ উচ্চমানবিশিষ্ট গ্ৰন্থসমূহৰ ভিতৰত উল্লেখনীয় হ'ল— 'ইণ্ডিয়া অব ঔৰংজেব' (*India of Aurangzeb*, ১৯০১) 'হিষ্টৰি অব ঔৰংজেব' (*History of Aurangzeb*, পাঁচ খণ্ড, ১৯১৩–২৪), 'নাদিৰ শ্বাহ ইন্ ইণ্ডিয়া' (*Nadir Shah in India*, ১৯২২), দি ফল অব দি মোগল এম্পায়াৰ' (*The Fall of the Mughal Empire*, পাঁচ খণ্ড, ১৯৩২-৫০), 'লেটাৰ মোগলছ' (*Later Mughals*, দুটা খণ্ড, ১৯২২) আৰু 'দি মোগল এডমিনিষ্ট্ৰেছন' (*The Mughal Administration*, ১৯২১)। মাৰাঠা অধ্যয়নত তেওঁ বিচক্ষণতা দেখুৱাইছিল ; 'শিৱাজী এণ্ড হিজ টাইমছ্' (*Shivaji and his Times*, ১৯১৯) প্ৰণয়ন কৰোতে, এটা নহয় দুটা নহয়—আঠোটা ভাষা তেওঁ অধ্যয়ন কৰিছিল। ইয়াৰ পিছৰ গ্ৰন্থসমূহ হ'ল 'দি হাউচ অব্ শিৱাজী' (*The House of Shivaji*, ১৯৪০) আৰু 'বিহাৰ এণ্ড উৰিষ্যা ডিউৰিং দি ফল অব দি মোগল এম্পায়াৰ' (Bihar and Orissa during the Fall of the Mughal Empire ১৯৩১)।

প্ৰথম মহাযুদ্ধৰ পৰৱৰ্তী দশক কেইটাত হিন্দু, মুছলমান উভয় সম্প্ৰদায়ৰ পণ্ডিতে মধ্যযুগীয় ভাৰতীয় ইতিহাসৰ গভীৰ অধ্যয়ন কৰি ভালেমান গ্ৰন্থ প্ৰকাশ কৰিছে। এইবিলাকত নতুন সমলৰ আৱিষ্কাৰ

---

48. তেওঁৰ গুৰুত্বৰ গুণৰাজি বৰ্ণনা কৰি জগদীশ নাৰায়ণে লিখিছে : "By his proverbial insistence on the use of first hand original documents, which he traced wherever found, and on learning the language of the source, by his wide travels, by his strict principle of testing evidence, by his meticulous care in checking details before composing 'a single page' of his narrative, by making his works" readable for the excellence of its manner of presenting facts and of its style... by rigidly adhering to the unity of conception, theme and action, and condemining narrow specialization, Jadunath applied the critical and scientific methodology of Ranke and Mommsen to Indian History" "Historians of Medieval India", *QRHS*, iii, p.57.

বা প্ৰাপ্ত সমলৰ ভিত্তিত লিখা বিশ্লেষণাত্মক ইতিহাস বা পুৰণি তথ্য বা নতুন তথ্যৰ ব্যাখ্যা দেখা যায় । এই ক্ষেত্ৰতো এখন সম্পূৰ্ণ গ্ৰন্থপঞ্জী দিয়া সম্ভৱপৰ নহয় । ৰাজনৈতিক ইতিহাসৰ উল্লেখযোগ্য গ্ৰন্থৰ ভিতৰত হ'ল—এছ, কে, আয়েংগাৰৰ 'চাউথ্ ইণ্ডিয়ান এণ্ড মুহামেদান ইনভেদাৰ্চ' (*South Indian and Muhammadan Invaders*, ১৯২১) ছফৎ আহমদ খাঁৰ (Shafaat Ahmed Khan) 'ইষ্ট ইণ্ডিয়া ট্ৰেড ইন দি চেভেন্‌টিনথ্ চেঞ্চুৰি' (*East India Trade in the 17th Century*, ১৯২৩), কালিকা ৰঞ্জন কানন্‌গুৰ, 'ছেৰ চাহ' (*Sher Shah*) আৰু 'দাৰা ছুকো' (*Dara Sukoh*), বেণীপ্ৰসাদৰ জাহাংগিৰ (১৯২১), মহম্মদ হবিবৰ 'চুলতান মহম্মদ ঘজনিন্' (*Sultan Mahammad of Ghaznin*, ১৯২৭) জগদীশ নাৰায়ণ সৰকাৰৰ 'মিৰজুমলা' আশীৰ্বাদীলাল শ্ৰীবাস্তৱৰ 'নবাব অব্ আৱাধ' (*Nawab of Awadh*) শ্ৰীৰাম শৰ্মাৰ 'দি মোগল এম্পায়াৰ ইন্ ইণ্ডিয়া' (*The Mughal Empire in India*, ১৯৩৫) আৰু আৰ, পি, ত্ৰিপাঠীৰ 'ৰাইজ এণ্ড ফল অব্ দি মোগল এম্পায়াৰ', (*The Rise and Fall of the Mughal Empire*, ১৯৫৬) ।

আঞ্চলিক বা প্ৰাদেশিক ইতিহাসো অৱজ্ঞা কৰা হোৱা নাছিল । ৰাজপুতনাৰ বিষয়ে কীৰ্তিস্তম্ভ স্বৰূপ গ্ৰন্থৰাজি লিখিছে জেমচ্ টড্ (James Tod, *Annals and Antiquities of Rajasthan*, ১৯২৩-৩২) আৰু গৌৰীশংকৰ ওজাই হিন্দী ভাষাত 'ৰাজপুতনা কা ইতিহাস' এচ্, চি, মিশ্ৰই গুজৰাট, ইউ, এন্, দেই মালৱা, এইচ, কে, শ্বেৰৱাণী (H. K. Sherwani)য়ে বাহমনি ৰাজ্য, আৰ, চোৱেল (R. Sewell) য়ে বিজয়নগৰ সম্পৰ্কে আঞ্চলিক ইতিহাস প্ৰণয়ন কৰিছে । বংগদেশ, উৰিষ্যা, মহাৰাষ্ট্ৰ, অসম আৰু আন আন অঞ্চলৰ বিষয়েও ফলপ্ৰসূ অধ্যয়ন হৈছে ।

প্ৰশাসনীয়, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক

কিছুদিনৰ আগলৈকে ব্ৰিটিছ ইতিহাসকাৰ সকলৰ দৰে আধুনিক মধ্যযুগীয় ভাৰতৰ ঐতিহাসিকসকলো ৰাজনৈতিক বুৰঞ্জী আৰু জীৱন চৰিত অধ্যয়নতে সীমাবদ্ধ আছিল । এই শতাব্দীৰ তৃতীয় দশকমানৰ

পৰা আলোচনাৰ দিশ আৰু ৰচনাৰীতিৰো পৰিবৰ্তন হয়। শুদ্ধ ৰাজনৈতিক ইতিহাসৰ পৰা প্ৰশাসনীয়, সামাজিক, অৰ্থনৈতিক আৰু সংস্কৃতিক দিশতো গুৰুত্ব দিয়া হ'ল। এইবোৰ পৰিস্ফুট হৈ পৰিছে আৰ, পি, ত্ৰিপাঠীৰ 'চম্ এচপেক্টচ্ অৱ্ মুছলিম এডমিনিষ্ট্ৰেছন' (*Some Aspects of Muslim Administration*, ১৯৩৬), আই, এইচ্ কোৰেচি (I. H. Qureshi)ৰ 'এড্‌মিনিষ্ট্ৰেছন অৱ্ দি চুলটানেটচ্ অৱ্ দিল্লী' (*Administration of the Sultanates of Delhi*, ১৯৪২), পি, চৰণৰ 'প্ৰভিন্সিয়েল গৱৰ্ণমেণ্ট অৱ্ দি মোগলচ্' (*Provincial Government of the Mughals*, ১৯৪১) আৰু টি, ভি, মহালিংগমৰ 'এডমিনিষ্ট্ৰেছন এণ্ড চচিয়েল লাইফ আণ্ডাৰ বিজয়নগৰ এম্পায়াৰ' (*Administration and Social Life Under Vijaynagara Empire*, ১৯৫১)।

আৰ্থিক ইতিহাসৰ দিশত উল্লেখনীয় গ্ৰন্থসমূহ হ'ল—এচ্, এ, হডিৱালা (S. A. Hadivala)ৰ 'হিষ্টৰিকেল ষ্টাডিজ ইন্ মোগল নুমিচ্‌মেটিকচ্ (*Historical Studies in Mughal Numismatics*, ১৯২৩) আৰ, কে, মুখাৰ্জীৰ 'ইকনমিক হিষ্টৰি অৱ ইণ্ডিয়া' (*Economic History of India*, ১৬০০-১৮০০), কে, এম, আস্ৰাফ (K. M. Ashraf) ৰ 'লাইফ এণ্ড কণ্ডিছন অৱ্ দি পিপ'ল অৱ্ ইণ্ডিয়া' (*Life and Condition of the People of India*, ১২০০-১৮০০, ১৯৩৫), জগদীশ নাৰায়ণ সৰকাৰৰ 'মোগল ইকনমি' (*The Mughal Economy*), টি, ৰায়চৌধুৰীৰ 'বেংগল আণ্ডাৰ জাহাংগিৰ এণ্ড শ্বাহজাহান' (*Bengal Under Jahangir and Shah Jahan*, ১৯৫৩) আৰু ইৰফান হবিবৰ 'এগ্ৰেৰিয়ান চিষ্টেম অৱ্ মোগল ইণ্ডিয়া' (*Agrarian System of Mughal India*, ১৯৬৩)।

যুগটোৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ ওপৰত ব্যাপক আলোকপাত কৰা ঐতিহাসিকসকল হ'ল—আব্দুল্লা ইউচুফ আলি (Abdullah (Yusuf Ali ; *Medieval India Social and Economic conditions*, ১৯৩২), ইউচুফ হুছেইন্ (Yusuf Hussain ; *Glimpses of Medieval Indian Culture*, ১৯৫৭)। মহম্মদ ইয়াচিন্ (Mahammad Yasin, *Social History of Islamic India*, ১৬০৫-১৭৪৮, ১৯৫৮), এছ, এফ, জাফৰ (S. F. Jaffar : *Education in Muslim India*, ১৯৩৬), এম,

ৰজা, ৰায়চৌধুৰী (*Din-i-Ilahi* ১৯৪৯ আৰু *State and Religion in Mughal India*, ১৯৫১) । তাৰাচান্দে (Dr. Tarachand) (হিন্দু আৰু ইছলাম ধৰ্মৰ পৰম্পৰাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া দেখুৱাবলৈ চেষ্টা কৰিছে । তেওঁৰ 'ইনফ্লুৱেন্স অব্ ইছলাম অন্ ইণ্ডিয়ান কালচাৰ' (*Influence of Islam on Indian Culture*, ১৯৪৬)প্ৰভৃতি । ভাৰতীয় বিদ্যাভৱনৰ প্ৰকাশিত সকলো দিশ সামৰা 'দি দিল্লী চুলতানেট' (*The Delhi Sultanate*, ১৯৬০), 'দি ষ্ট্ৰাগল ফৰ দি এম্পায়াৰ (*The Struggle for the Empire*, ১৯৫৭) আৰু 'দি মোগল এম্পায়াৰ' (*The Mughal Empire*, ১৯৭৪) কেউখনেই গুৰুত্বপূৰ্ণ গ্ৰন্থ ।

সাম্প্ৰতিক চিন্তাধাৰা আৰু বৈশিষ্ট্য

ভাৰতৰ মধ্যযুগীয় ইতিহাস অধ্যয়ন আৰু প্ৰণয়নত দেশ বিভাজনে যথেষ্ট ক্ষতিসাধন কৰিছে । কাচী ভাষাবিদ আগশাৰীৰ পণ্ডিত বহুতৰে বহিঃপ্ৰব্ৰজনৰ ফলত এই যুগৰ ইতিহাসৰ অধ্যয়ন আৰু মানদণ্ড দুয়োটা কমি আহিছে । তাতোকৈ উইলিয়ম কেণ্টওৱেল স্মীথ (William Cantwell Smith)ৰ ভাষাত কবলৈ গলে[৪৯] "দেশ পৃথকৰণৰ ভিত্তিত দুটা ইতিহাস ৰচনা পদ্ধতি" (Two historiographies based on territorial differentiation) প্ৰবৰ্তন হ'ল । পাকিস্তানী ঐতিহাসিকসকলে তেওঁ-লোকৰ ইতিহাসক প্ৰাচীন কাললৈ ঠেলি নিবলৈ যত্ন কৰি সমুদায় ভাৰতীয় কৃষ্টিক গ্ৰাস কৰাই নহয় স্বাৰ্থপূৰণৰ বাবে বিকৃত কৰাও দেখা গৈছে (আহমদ আলিৰ 'দি কালচাৰ অব্ পাকিস্তান' চাওক) । যি নহওক, সম্প্ৰতি আলিগড় বিশ্ববিদ্যালয় মধ্যযুগীয় ভাৰত-ইতিহাস চৰ্চা-গৱেষণাৰ কেন্দ্ৰ হৈ উঠিছে । ইয়াৰ পৰা এখন পাণ্ডিত্যপূৰ্ণ আলোচনী (*Medieval India Quarterly*)ৰ উপৰিও ভালেখিনি মূল্যবান গ্ৰন্থ প্ৰকাশ হৈছে । এই-বিলাকৰ মনদিয়েকত অৱশ্যে মাৰ্ক্সীয় ব্যাখ্যা দিয়া দেখা গৈছে ।[৫০]

৪৯. W. Cantwell Smith, "Modern Muslim Historical writing" in Philips *Historians*, pp. 322-3.

৫০. এই পন্থীৰ পথিকৃৎ হ'ল অধ্যাপক মহম্মদ হ'বিব । 'মহম্মদ গজনী' (২য় সংস্কৰণ) গ্ৰন্থখন তেওঁ মাও চি টুং আৰু চাও এন্ লাইক উছৰ্গা কৰিছে । আলিগড় বিশ্ববিদ্যালয়ৰে প্ৰকাশিত ইলিয়ট্ আৰু ডাওচনৰ দ্বিতীয় খণ্ডৰ সংশোধিত সংস্কৰণ ই'ৰফান হবিবৰ 'এগ্ৰেৰিয়ান চিষ্টেম অব্ মোগল ইণ্ডিয়া', ইণ্টাৰপ্ৰিটিং ইণ্ডিয়ান হিষ্টৰি, (১৯৮৬) প্ৰভৃতি গ্ৰন্থতো মাৰ্ক্সীয় ব্যাখ্যা দেখা যায় ।

মধ্যযুগীয় ভাৰতৰ মুছলিম ইতিহাস প্ৰণেতাসকলৰ ভিতৰতে দুটা সম্পূৰ্ণ পৃথক চিন্তাধাৰা। এটায়ে নায়কসকলৰ নীতি আৰু কাৰ্য্যপন্থাত ন্যায়পৰায়ণতাহে দেখা পাইছে (Qureshi : *Administration of the Sultanate of Delhi*; Muhammad Nazim : *Life and Times of Sultan Mahmud of Ghazna*, 1931)। যদুনাথ সৰকাৰে সমালোচনা কৰা ঔৰংজেৱৰ হিন্দুবিৰোধী নীতি জেড্ ফাৰুকী (Z. Faruki : *Aurangezb and his Times*, ১৯৩৫)য়ে ব্যাখ্যা কৰিছে যে, ই প্ৰধানতঃ ৰাজনৈতিক কাৰণতেই, ধৰ্মীয় গোড়ামিৰ বাবে নহয়। এছ, এম, জাফৰ (S. M. Jaffar : *The Mughal Empire from Babur to Aurangzeb*, ১৯৩৬), বিশেষকৈ মহম্মদ নাজিম (*The Life and Times of Mahmud of Ghazna*, ১৯৩১)ৰ লিখনীত সাম্প্ৰদায়িকতাবাদ ফুটি ওলাইছে। পিছৰজনৰ মতে ভাৰতৰ হিন্দু-মুছলমান সম্প্ৰীতি সম্ভৱপৰ নহয়। ইয়াৰ বিপৰীতে অধ্যাপক হবিবুল্লাই ভাৰত-ইতিহাসত অনৈক্যৰ মাজতো ঐক্য দেখা পাইছে (*Foundation of Muslim Rule in India*, ১৯৪৫)। তেওঁৰ মতে ইছলামিক নহয়, ভাৰতীয় পটভূমিতহে ভাৰতীয় ইতিহাস প্ৰণয়ন কৰিব লাগিব। একেই সুৰতে অধ্যাপক হবিবে কয় (উপৰোক্ত গ্ৰন্থ) ধৰ্মৰ বিষয়টো এটা ব্যক্তিগত কথা, ই জাতীয় ঐক্যৰ পথৰ সমস্যাৰ ওপৰত সৃষ্টি কৰিব নোৱাৰে। তেওঁৰ মতে গোড়া সংস্কাৰপন্থী সকলোই হ'ল ইছলামৰ ঘোৰ শত্ৰু। কে, এম, আশ্ৰফেও (উপৰোক্ত গ্ৰন্থ) সাম্প্ৰদায়িকতাৰ পৰিবৰ্তে জাতীয়তাবাদহে পোষণ কৰিছে। এইজন ঐতিহাসিকৰ মতে ভাৰতীয় সমস্যা মূলতঃ আৰ্থিক আৰু সামাজিকহে—ধৰ্মীয় বা সাম্প্ৰদায়িক নহয়।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হৈ পৰিছে যে, যদুনাথ সৰকাৰৰ দৰে পাণ্ডিত্যপূৰ্ণ ৰচনাৱলীত বাদে এই শতিকাৰ ত্ৰিশ দশকমানৰ পৰাহে মধ্যযুগীয় ভাৰতৰ বিজ্ঞানসন্মত ইতিহাস ৰচনা আৰম্ভ হৈছে। ইয়াতো আদিছোৱাত গুৰুত্ব দিয়া হৈছিল ৰাজনৈতিক ইতিহাস আৰু জীৱনী-সাহিত্যত। ক্ৰমে অৰাজনৈতিক প্ৰসংগ যথা: মুছলিম শাসন, কলা, সাহিত্য, সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱনে ইতিহাসকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইতিহাস যে বাদছাহ, আমিৰ-ওমৰাও আৰু সিপি-আৰু সংশ্লিষ্ট থকা বস্তুহে, যুদ্ধ-বিগ্ৰহতে আবদ্ধ [illegible] সাধাৰণ প্ৰজা

বা মানৱৰো কাহিনী হ'ব লাগে, এই ধাৰণাৰো ক্ৰমে গুৰুত্ব পাবলৈ ধৰিলে। ইয়াৰ বাবে আৱশ্যক হ'ল অনা-ফাৰ্চী সমলৰ আৱিষ্কাৰ। সেইবাবে বৰ্তমান ঐতিহাসিকসকলে বিভিন্ন আঞ্চলিক ভাষাৰ উপৰিও ইংৰাজী, ফৰাচী, ওলন্দাজ, পৰ্তুগীজ ভাষাৰ নথি-পত্ৰৰ অনুসন্ধান আৰু উদ্ধাৰৰ প্ৰচেষ্টা চলাব লগা হৈছে।

সম্প্ৰতি মধ্যযুগীয় ভাৰত-ইতিহাস পূৰ্বৰ দৰে এজনে কৈ যোৱা ঘটনাৰে চৰ্বিত-চৰ্বন নহয়—ই অতীতৰ সমালোচনাত্মক অনুসন্ধান। বৰ্তমান ইতিহাস প্ৰণেতাই একোটাইত ঘটনাৰ সংশ্লিষ্ট ভাৱধাৰাৰ সন্ধান উলিয়াব লাগে; অতীতত কৰি যোৱা কামৰ নিহিত থকা উদ্দেশ্য নিৰ্ণয় কৰিব লাগে। ৰাজনৈতিক, সামাজিক অৰ্থনৈতিক আদি কাৰণত এই উদ্দেশ্যসমূহ পোৱা যায় আৰু এইবিলাকৰ পৰস্পৰৰ সম্পৰ্ক ইতিহাসকাৰে বিচাৰি উলিয়াবলৈ যত্ন কৰিব লাগে। তদুপৰি আধুনিক ইতিহাসে পাদটীকা, পৰিশিষ্ট, গ্ৰন্থপঞ্জী আৰু মানচিত্ৰ আদিত বৈজ্ঞানিক পন্থা অৱলম্বন কৰে।

আধুনিক মধ্যযুগীয় ইতিহাসকাৰৰ এচামে, ওপৰত কৈ অহা প্ৰাচীন যুগৰ ঐতিহাসিকৰ দৰেই, জড় বা মাৰ্ক্সবাদী ব্যাখ্যা দিয়া দেখা গৈছে; কিন্তু অধিকাংশ ঐতিহাসিকৰ মতে সকলো ঘটনাতে মাৰ্ক্সবাদ, শ্ৰেণী-সংঘাত, ধনিকৰ শোষণ আদিৰ বিতচকুৰে চালে ইতিহাসৰ বাস্তৱবাদত ব্যাঘাত জন্মিব। হিন্দু-বিৰোধী বা মুছলিম বিৰোধী ইতিহাস-প্ৰণেতা পক্ষপাতশূন্য হ'ব নোৱাৰে, সেইদৰে ধনিক-বিৰোধী বা সমন্বয়বাদ বিৰোধী ঐতিহাসিকো পক্ষপাতশূন্য হ'ব নোৱাৰে। বিজ্ঞান-সন্মত ঐতিহাসিকে যুগধৰ্ম আৰু সাধাৰণ পৰিবেশ বিবেচনা কৰি এক ভাৱ-সাম্যপূৰ্ণ অভিমত পোষণ কৰিব লাগিব। সমসাময়িক মূল্যবোধ আৰু পৰিবেশ আৰু পৰম্পৰা লৈ মধ্যযুগৰ মূল্যায়ণ কৰিব লাগিব। সৰ্ববাদী মত হ'ল—প্ৰকৃত ঐতিহাসিক সাম্প্ৰদায়িক বিবেচনা বা এক বিশেষ ধৰণৰ ব্যাখ্যা দিয়াৰ পৰা দূৰত থাকিব লাগিব।

আধুনিক যুগ

আধুনিক ভাৰতীয় ইতিহাস বিকাশৰ ক্ষেত্ৰতো কিছু সংখ্যক ইউৰোপীয় পণ্ডিতৰ অৱদান কম নহয়। অৰ্ম (Orme), স্ক্ৰেফ্টন (Scrafton),

ব'ল্টচ্ (Bolts), শ্ব'ৰ (Shore), প্ৰিন্সেপ্ (Princep), মেলকম্ (Malcolm) ম'নৰো (Munro), শ্লীমেন (Sleeman), টড্ (Tod), ডাফ্ (Duff), কানিংহাম (Cunningham) আদিয়ে ভাৰতৰ ইতিহাসৰ এটা বৃহৎ ভাণ্ডাৰ উত্তৰ পুৰুষৰ কাৰণে থৈ গৈছে। জেমচ্ মিল্ (James Mill), ঠৰ্নটন্ (Thornton), ঔবাৰ (Aubar), মাৰ্চমেন্ (Marshmann), কায়ে (Kaye), বেভেৰেজ্ (Beverage) মেলিছন্ (Malleson) আদি পণ্ডিতসকলৰ লিখনীৰ দৃঢ় ভিত্তিতহে আৰু বহুকাললৈ ভাৰত-ইতিহাসৰ চৰ্চা-গৱেষণা প্ৰতিষ্ঠা কৰিব লাগিব।

পূৰ্বসূৰী সকল

ভাৰতলৈ অহা ইংৰাজ ইতিহাসকাৰ সকল আছিল তেওঁলোকৰ যুগৰ সৃষ্টি আৰু তেওঁলোকে সেই যুগৰ যি পৰিবেশত বাস কৰিছিল, তাৰ দ্বাৰাই তেওঁলোকৰ চিন্তা-ধাৰা আৰু ভাৱাদৰ্শ সীমিত হৈ পৰিছিল। মিলচয়ে তেওঁৰ বৃটিছ ভাৰতৰ ইতিহাসত সমসাময়িক আৰু প্ৰাচীন ভাতৰ আইন, বিজ্ঞান, ধৰ্ম, শাসন সকলোতে অসভ্য (barbarous) আখ্যা দি গৈছে। তেওঁৰ বন্ধু জেৰোম্ বেন্থাম (Jerome Betham) অৰ উপযোগীতাবাদী (Utiliterian) নীতিৰ দ্বাৰা তেওঁ যথেষ্ট প্ৰভাৱান্বিত হৈছিল। তেওঁৰ বদ্ধমূল ধাৰণা আছিল—জাতিভেদ, সুবিধাবাদ আৰু অন্ধবিশ্বাসে ভাৰতীয় সমাজক এনেভাৱে হেঁচি আছে যে, শিক্ষিত দমননীতি (enlightened despotism)ৰ বাহিৰে ইয়াক একোৱে উন্নতিৰ পথলৈ আনিব নোৱাৰে। [৫১] একে ধৰণে চাৰ জ'ন শ্ব'ৰ আৰু চাৰ্লচ গ্ৰান্ট (Charles Grant)ৰ দৰে ইভেন্‌জেলিষ্টসকলে ভাৰতত ব্ৰিটিছ শাসনৰ পক্ষে যুক্তি দৰ্শাইছিল যে, ই ভগৱানৰ ইচ্ছা আৰু অধঃপতিত মানৱৰ উদ্ধাৰৰ বাবে পৰিকল্পিত কৰ্ম। মিছনেৰীসকলৰ পৃষ্ঠপোষকভাত তেওঁলোকে ধৰ্মপ্ৰচাৰ আৰু শিক্ষাবিস্তাৰৰ দ্বাৰা সামাজিক পৰিবৰ্তন ঘটাব খুজিছিল।

---

৫১. C. H. Philips, "James Mill, Mountstuart Elphinstone and the History of India," in Philip's *Historians*, pp. 218ff.

উইলিয়ম জ'ন্সৰ দৰে প্ৰাচ্যতত্ত্ববিদ্সকলে আনপিনে সংস্কৃত সাহিত্য অধ্যয়নৰ যোগেদি হিন্দু আইন আৰু হিন্দু ধৰ্মৰ বিষয়ে জ্ঞান আহৰণ কৰি হিন্দু সভ্যতাৰ সম্পৰ্কে অতি উচ্চ ধাৰণা পোষণ কৰিছিল। তেওঁলোকেও অৱশ্যে একমত হৈছিল যে—হিন্দুসকলে তেওঁলোকৰ অনুষ্ঠানসমূহৰ পৰিবৰ্ত্তন সাধন কৰিব লাগিব ; তাকে কৰিব লাগিব লাহে ধীৰে—সাৱধানভাৱে—বিদেশী চিন্তাধাৰাৰে নহয়, ভাৰতীয় ভাৱাদৰ্শেৰেহে। তেওঁলোকৰ এই অভিমত কানিংহাম, ম'ন্ৰো, মেলকম্, এলফিংষ্টোনে সমৰ্থন কৰি এটা সহানুভূতিশীল মনোবৃত্তিৰে ভাৰতৰ ৰাজনৈতিক অৱস্থা আৰু সমাজৰ বৰ্ণনা দাঙি ধৰিছিল। লায়াল (Alfred Lyall) মেইন্ (Henry Maine) আৰু হাণ্টাৰ (William Hunter)অৰ দৰে পণ্ডিতসকলে ব্ৰিটিছ শাসনক প্ৰাচ্য আৰু পাশ্চাত্য শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফল বুলি গণ্য কৰিছিল। ভাৰতীয় সমাজ আৰু অনুষ্ঠানসমূহৰ অধ্যয়নত তেওঁলোকে যথেষ্ট গুৰুত্ব দিছিল। সৰ্বশেষত ৰবাৰ্টচ্ (P. E. Roberts), স্পিয়েৰ (T. G. Spear), ফিলিপচ্ (C. H. Philips), বলহেছেট্। (K. A. Ballhatchet)আদি সাম্প্ৰতিক কালৰ ঐতিহাসিকসকলে আধুনিক বিজ্ঞান-সম্মত পূৰ্ণাংগ ইতিহাস প্ৰণয়ন কৰিবলৈ যত্ন কৰিছিল। মুঠতে ব্ৰিটিছ ইতিহাসকাৰসকল সকলো এক মতাৱলম্বী নহয় ; কোনো দুজন পণ্ডিতেই মূল প্ৰশ্নসমূহত ঐক্যমত পোষণ নকৰে। তেওঁলোকৰ ধাৰণা, মনোভাৱ আৰু উদ্দেশ্যত কাৰো লগত কাৰো মিল নহয়।

. উনৈশ শতিকাৰ শেষছোৱাৰ জাতীয় চেতনাৰ লগে লগে আধুনিক ভাৰত-ইতিহাসৰ প্ৰতি ভাৰতীয় ঐতিহাসিকৰ দৃষ্টি আকৰ্ষিত হয়। ইয়াৰ মূলতে হ'ল—অতীত আৰু সমসাময়িক ইতিহাস পোহৰলৈ আনি সঠিককৈ বুজিবলৈ চলোৱা ঐকান্তিক প্ৰচেষ্টাৰ সাংস্কৃতিক জাগৰণ। ভাৰতীয় ঐতিহাসিক জ্যোতিষমণ্ডলীৰ অক্লান্ত পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত অতীতৰ আবিষ্কাৰ হবলৈ ধৰিলে। আধুনিক ভাৰতৰ এনে ধৰণৰ ইতিহাস প্ৰণয়নৰ ক্ৰমোন্নতিৰ সহায় কৰিছিল কিছুসংখ্যক আঞ্চলিক আৰু কেন্দ্ৰীয় অনুষ্ঠানৰ আপ্ৰাণ প্ৰচেষ্টাই। এই অনুষ্ঠান-

---

৫২. *Ibid.*

সমূহে ঐতিহাসিক সকলৰ ব্যৱহাৰৰ অৰ্থে মূল নথি-পত্ৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। গুৰুত্বপূৰ্ণ ঐতিহাসিক দলিল-পত্ৰৰ অনুসন্ধান, সংগ্ৰহ, পঞ্জীয়ন আৰু সম্পাদনা কৰি সেইবিলাক ঐতিহাসিক গৱেষকৰ কাৰণে মুকলি কৰি দিয়া সম্পৰ্কে ভাৰতীয় ঐতিহাসিক নথি-পত্ৰ আয়োগ (*Indian Historical Records Commission*)ৰ অৱদান অতুলনীয়। ভাৰতীয় ইতিহাস কংগ্ৰেছ (*Indian History Congress*), কলিকতাৰ ইনষ্টিটিউট অৱ্ হিষ্টৰিকেল ষ্টাডিজ (*Institute of Historical Studies*) আৰু চিলঙৰ উত্তৰ-পূব ভাৰতীয় ইতিহাস সন্থা (*North-East India History Association*) দৰে সৰ্বভাৰতীয় আৰু আঞ্চলিক ঐতিহাসিক অনুষ্ঠানে বছেৰেকীয়া অধিৱেশনসমূহত মত বিনিময় আৰু পাণ্ডিত্যপূৰ্ণ আলোচনাৰ ব্যৱস্থা কৰি ইতিহাস অধ্যয়নৰ কাৰণে উঠি অহা লিখক-গৱেষকসকলক অনুপ্ৰেৰণা যোগাইছে।

ঐতিহাসিক সমল : অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণ

ভাৰতীয় ইতিহাসকাৰ সকলে গোনতে দেশৰ ঠায়ে ঠায়ে সিঁচৰতি হৈ থকা ওঠৰ আৰু উনৈশ শতিকাৰ হাতে লিখা ভাৰতীয় পুথি-পাজিৰ আবিষ্কাৰ, সংগ্ৰহ আৰু সংৰক্ষণৰ কামত মনোযোগ দিছিল। ফাৰ্চী ভাষাৰ পুথি সংগ্ৰহ কৰি কলিকতাৰ নেছনেল লাইব্ৰেৰী, নতুন দিল্লীৰ 'নেছনেল আৰ্কাইভ্‌ছ' (*National Archives of India*), অমৃতসৰৰ খালছা কলেজ, এচিয়াটিক চ'চাইটি অৱ্ বেংগল, পাটনাৰ খুদাবক্স অৰিয়েণ্টেল লাইব্ৰেৰী আৰু ছাৰ যদুনাথ সৰকাৰৰ সংগ্ৰহালয়ত সংৰক্ষণ কৰা হয়। ফাৰ্চী আৰু উৰ্দু নথি-পত্ৰ হায়দৰাবাদৰ ৰাজ্যিক দপ্তৰতো সংৰক্ষিত হৈছে। ইংলণ্ডতো ফাৰ্চী ভাষাৰ পুথি বৃটিছ মিউজিয়াম আৰু ৰয়েল এচিয়াটিক চ'ছাইটিত ৰখা হৈছিল।

পুৰণি পুথিৰ অনুসন্ধান, সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰকাশনত মহাৰাষ্ট্ৰীয় সকলো আগবঢ়ুৱা। এই ক্ষেত্ৰত বাটকটীয়া আছিল বিশ্বনাথ কাশীনাথ

ৰাজৱাড়ে ((V. K. Rajwade, ১৮৬৪-১৯২৬),[৫৩] ডি, বি, পৰচনিচ (D. B. Parasnis, ১৮৭০-১৯২৬) আৰু ভি, এচ, খাৰে (V. S. Khare ১৮৫৮-১৯২৪)। এই কামৰ এটা সংগঠিত ৰূপ দিবৰ কাৰণে ১৯১০ চনত 'ভাৰতীয় সংশোধক মণ্ডল' (*Bharatia Samsodhaka Mandala*) স্থাপন কৰা হয়। জনদিয়েক একনিষ্ঠ বুৰঞ্জীপ্ৰেমীৰ যোগেদি এই অনুষ্ঠানে অযত্ন আপুৰুগীয়া সমল উদ্ধাৰ কৰাই নহয় ভালেমান সম্পাদনা কৰি প্ৰকাশো কৰিলে।[৫৪] অক্লান্ত পৰিশ্ৰম আৰু অসীম ত্যাগ স্বীকাৰ কৰি ৰাজেৱাড়েই 'মাৰাঠ্যঞ্চ ইতিহাসচিম্ সাধনেম্' (*Marathyancha*

---

৫৩. ৰাজৱাড়ে আছিল সমগ্ৰ অভিযানৰে নায়ক। তেওঁৰ পাণ্ডিত্য আছিল অগাধ, কিন্তু অৰ্থৰহে অভাৱ আছিল আৰু সেইটো পূৰণ কৰিছিল তেওঁৰ অসাধাৰণ উদ্যম আৰু আশাশুধীয়া প্ৰচেষ্টাৰে। তেওঁ বঢ়িয়াকৈ বুজিছিল যে, মহাৰাষ্ট্ৰ আৰু ইয়াৰ আশে পাশে শ শ পৰিয়াল আছিল যিসকলে মাৰাঠা ইতিহাস সৃষ্টি কৰাত অৰিহণা যোগাইছিল আৰু বিচাৰিলে প্ৰায় ঘৰতে ইতিহাসৰ অমূল্য সমল পোৱা যাব। কিন্তু সমস্যা হল—গৰাকীসকলে সেইবোৰ প্ৰকাশ কৰিলে তেওঁলোকৰ সন্মানত আঘাট পৰিব বা সা-সম্পত্তিৰ কিবা অনিষ্ট হব বুলি শংকা কৰি দেখুৱাবই নুখুজিছিল। গতিকে প্ৰথমে ৰাজৱাড়ে সিহঁতলাকৰ মনৰ আশংকা দূৰ কৰি তাৰ পাছতহে সংগ্ৰহ কৰিছিল। তন্ন তন্নকৈ তেওঁ সেইবিলাক পৰীক্ষা কৰিছিল, বাছনি কৰিছিল আৰু তাৰ পাছতহে প্ৰতিলিপি কৰিছিল। এই উদ্দেশ্য তেওঁ ডাঙৰ চহৰ, সৰু-সুৰা নগৰ আনকি গৰু-গাড়ী যাব নোৱাৰা গাঁৱলৈকো যাব লগাত পৰিছিল। প্ৰতিলিপি কৰাই নহয়, প্ৰতিলিপিবোৰ নিজৰ খৰছতে সম্পাদনা কৰি প্ৰকাশ কৰিছিল। G. H. Khare, "Vishwanath Kasinath Rajwade" Sen *Historian*, pp. 20 ff.

৫৪. সংগৃহীত লক্ষ্যাধিক নথি-পত্ৰত একেটাইত টোপোলাত (rumals বা bundles) ভাৰতীয় সংশোধক মণ্ডলত সংৰক্ষিত হৈছিল আৰু প্ৰত্যেকটোতে দাতা বা সংগ্ৰহকাৰীসকলৰ—ৰাজৱাড়ে, এন, ভি, পোদ্দাৰ এচ, এন, যোশী, জি, এইচ্ খাড়ে, উটোৰকৰ আদিৰ নাম আছিল। পেছোৱা আমোলৰ আটাইতকৈ সৰহ নথি-পত্ৰ সংৰক্ষিত হৈছে পুণাৰ নথি-পত্ৰ ঘৰৰত ৩৯০০০তকৈ অধিক ৰুমালত, দুই কোটিৰ ওপৰ। এইবিলাকৰ ভিতৰত মাৰাঠী ভাষাৰেই সৰ্বাধিক, তাৰ পিছতে ফাৰ্চী

Itihasachim Sadhanem) অৰ কুৰিটা খণ্ড প্ৰকাশ কৰিলে। খাৰেই 'ঐতিহাসিক লেখ সংগ্ৰহ' (*Aitihasik Lekh Sangraha*) আৰু পৰচুনিচে 'ইতিহাস সংগ্ৰহ' (*Ithas Sangraha*) প্ৰকাশ কৰে। জি, এচ, সৰ্দেশায়ে (G. S. Sardesai) পঞ্চল্লিছ খণ্ডৰ 'পেছোৱা দপ্তৰ' (*Peshwa Dufter*)ৰ নথি-পত্ৰৰ উপৰি যদু সৰকাৰৰ সহযোগিতাত পোন্ধৰ খণ্ড 'পুনা ৰেছিডেন্সি কৰেছপণ্ডেনচ্' সংকলন কৰে। কেবাজনো পণ্ডিতৰ সহযোগিতাত পৰচুনিচেও চৈধ্যখণ্ড 'পেছোৱা ডায়েৰি' (১৭০৮-১৮১৭) প্ৰকাশ কৰিছে। পঞ্জাবৰ খালছা দৰবাৰৰ নথি-পত্ৰসমূহ সীতাৰাম কহ্লীয়ে তালিকাভুক্ত কৰিছে। সেইদৰে গুৱাহাটীৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত অসমৰ পুৰণি বুৰঞ্জী সংৰক্ষণ কৰা হৈছে। ইয়াৰে কিছুমান সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰিছে। বিকানিৰ, জয়পুৰ, যোধপুৰ আৰু কোটাৰ নথি-পত্ৰ দপ্তৰসমূহত ৰাজস্থান ইতিহাসৰ বিভিন্ন দিশৰ সমল সংৰক্ষিত হৈছে।

ব্ৰিটিছ আমোলৰ নথি-পত্ৰসমূহ যাইকৈ নতুন দিল্লীৰ 'নেছনেল আৰ্কাইভচ্' আৰু ৰাজ্যিক নথি-পত্ৰ দপ্তৰ (State Archives) সমূহত সংৰক্ষিত হৈছে। এই সম্পৰ্কীয় নথি-পত্ৰ লণ্ডনৰ 'কমনওৱেলথ্ অফিচ লাইব্ৰেৰী' আৰু 'পাব্লিক ৰেকৰ্ডচ অফিচ'তো ৰখা হৈছে। নেছনেল আৰ্কাইভচে বিদেশৰ পৰা বহু সংখ্যক নথি-পত্ৰ মাইক্ৰফিল্মৰ সহায়ত সংগ্ৰহ কৰিছে। চৰকাৰী-বেচৰকাৰী আৰু প্ৰকাশিত-অপ্ৰকাশিত নথি-পত্ৰৰ বাহিৰেও নানা প্ৰতিবেদন, সমসাময়িক বক্তৃতা আৰু জিৱনীসমূহ, জীৱন চৰিত, স্মৃতিগ্ৰন্থ, ব্যক্তিগত নথি-পত্ৰ, বাতৰিকাকত আৰু আলোচনীসমূহৰ সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰতিও ভাৰতীয় পণ্ডিতসকলে মনোযোগ দিছে।

ইংৰাজী আৰু গুজৰাটী ভাষাত। ডেক্কান কলেজৰ 'পৰচনিছ' সংগ্ৰহৰ উপৰিও আহমদাবাদ, ধুলিয়া আৰু ঔৰঙ্গাবাদ নথি-পত্ৰৰ ভড়ালত বহু সংখ্যক স্থানীয় দলিল আছে। চৰকাৰী নথি-পত্ৰ আটাইতকৈ সৰহ আছে বোম্বাইত—পাঁচ লাখৰো অধিক ফাইল আৰু পৰা বহা খণ্ড (volumes)।

ইতিহাস আৰু ইতিহাসকাৰ: ৰাজনৈতিক

যদুনাথ সৰকাৰে, আগেয়ে উল্লেখ কৰা হৈছে, 'ফল অব্ দি মোগল এম্পায়াৰ' গ্ৰন্থত ওঠৰ শতিকাৰ মাজভাগৰ পৰা আৰম্ভ হোৱা মোগল সাম্ৰাজ্যৰ অধঃপতন আৰু ধ্বংস হোৱাৰ বৰ্ণনা তেওঁৰ অসাধাৰণ ৰচনা-শৈলীৰে প্ৰকাশ কৰিছে। দিল্লী ৰাজ্যৰ সম্পৰ্কে স্পিয়েৰ (Percival Spear) অৰ মৌলিক গ্ৰন্থ 'টোৱাইলাইট্ অব্ দি মোগলচ্' (*Twilight of the Mughals*, ১৯৫১) গ্ৰন্থত বৰ্ণিত হৈছে। ওঠৰ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ উত্তৰ ভাৰতৰ ৰাজনৈতিক ইতিহাস অযোধ্যাৰ লগত সংযোজিত। এই সম্পৰ্কে বাটকটীয়াৰ কাম কৰিছে এ, এল, শ্ৰীবাস্তৱে তেওঁৰ 'দি ফাৰ্ষ্ট টু নবাবচ্ অব্ আউধ' (The First Two Nawabs of Oudh, ১৯৩২) আৰু 'চুজা উদ্দৌল্লা', ১৯৪৫) এই দুই গ্ৰন্থত। অযোধ্যাৰ লগত সম্পৰ্কৰ বিষয়ে 'ওৱাৰেন্ হেষ্টিংচ এণ্ড আউধ' গ্ৰন্থত ডেভিচে (C. C. Davies) আৰু 'আউধ্ এণ্ড ইষ্ট ইণ্ডিয়া কোম্পানি, (১৭৮৫-১৮০১) গ্ৰন্থত পুৰ্ণেন্দু বসুৱে আলোচনা কৰিছে।

সাম্ৰাজ্যবাদী সম্প্ৰসাৰণৰ প্ৰক্ৰিয়াই ব্ৰিটিছক উত্তৰে পঞ্জাব, সিন্ধু, আফগানিস্তান, উত্তৰ-পূবে নেপাল, অসম আৰু ব্ৰহ্মদেশৰ লগত সংঘৰ্ষত নমালে। কানিংহাম, লেপাল গ্ৰিফিণ (Lepal Griffin) আৰু মহম্মদ লতিফে পূৰণি সমলৰ আলমতে পঞ্জাবৰ সম্পৰ্কে আলোচনা কৰিছে। উল্লেখনীয় শিখ ইতিহাসসমূহ হ'ল—এন্, কে, সিংহৰ 'ৰাইজ অব্ দি শিখচ্' ১৭৩৮-৯' (*Rise of the Sikhs*), আই, বি, বানাৰ্জীৰ 'দি ইভলিউচন অব্ দি খালছা' (The *Evolution of the Khalsa*, দুটা খণ্ড), অনিল বানাৰ্জীৰ 'এংলো-শিখ বিলেছনছ্' আৰু এচ্, এচ্, ব'লৰ 'ব্ৰিটিছ পলিচি টুৱাৰ্ডচ্ পঞ্জাব',(১৮৪৪-৪৯)। কায়েৰ (J W. *Kaye*) 'হিষ্টৰি অব্ ওৱাৰ ইন্ আফগানিস্তান' (*History of the War in Afghanistan*, ১৮৭৮) আফগান যুদ্ধৰ প্ৰামাণ্য বিবৰণ। উত্তৰ-পশ্চিম সীমান্ত অধ্যয়নবো বাটকটীয়া কৰিলচ্ ডেভিচৰ 'দি প্ৰব্লেম অব্ দি নৰ্থ-ৱেষ্ট ফ্ৰণ্টিয়াৰ' (*The Problem of the North West Frontier*, ১৯৩২)ৰ বাদেও আৰ, বাস্তাগী (*Indo-Afghan Relations*), ডি, পি, সিংহল (*India and Afghanistan*) আৰু মিলীপ ফ্ৰেজাৰে (*England and Afghanistan*) তথ্যবহুল গ্ৰন্থ প্ৰণয়ন কৰিছে।

এফালত ভূৰ্ঞাসকল আৰু ইন্ট ইণ্ডিয়া কোম্পানীৰ মাজত সংঘৰ্ষ অনিবাৰ্য্য হৈ পৰিছিল। তাৰ কাৰণ আৰু ঘটনাসমূহ বিশ্লেষণ কৰিছে কে, চি, সনৱালে 'নেপাল এণ্ড দি ইন্ট ইণ্ডিয়া কোম্পানি' গ্ৰন্থত। প্ৰথম ইংগ-ব্ৰহ্মদেশ যুদ্ধৰ পৰা উত্তৰ-পূব সীমান্তৰ গুৰুত্ব উপলব্ধি কৰা হৈছে। প্ৰথম স্তৰৰ ৰাজনৈতিক ইতিহাস সামৰিছে অনিল বানাৰ্জীৰ 'ইন্টাৰ্ণ ফ্ৰন্টিয়াৰ অব্ ব্ৰিটিছ ইণ্ডিয়া (১৯৩৪), 'ব্ৰিটিছ ৰিলেছনচ্ উইথ বাৰ্মা' (১৯৪৪) আৰু সূৰ্য্যকুমাৰ ভূঞাৰ 'এংলো-আচামিজ ৰিলেছনচ্, ১৭৭৫-১৮২৬, (১৯৫৯) এই তিনিখন গ্ৰন্থত। পিছৰ যুগৰ উল্লেখনীয় গ্ৰন্থসমূহ হ'ল—আৰ, এম, লাহিৰীৰ 'এনেক্সেচন্ অব্ আসাম' (Annexation of Assam, ১৯৪৫), এইচ, কে, বৰপূজাৰীৰ 'আসাম ইন্ দি দেজ অব্ দি কম্পেনি' (*Assam: In the days of the Company*, ১৯৬৩) আৰু এন্, কে, বৰুৱাৰ 'ডেভিদ স্কট্ ইন্ নৰ্থ-ইন্ট ইণ্ডিয়া' (David Scott in North-East India, ১৯৭০)। পি, এল, মেহৰাৰ 'মেক্‌মোহন লাইন' (*McMahon Line*, ১৯৭০) এখন প্ৰামাণিক গ্ৰন্থ। এই অঞ্চলৰ পাৰ্বত্য জনজাতিৰ ইতিহাস সম্পৰ্কে বহুতো পণ্ডিতে মনোযোগ দিছে। চিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় এনে ধৰণৰ অধ্যয়নৰ কেন্দ্ৰ হৈ উঠিছে।

ভাৰত-ইতিহাসৰ গৱেষণাৰ কেন্দ্ৰ স্থাপন কৰা হৈছিল বংগদেশত। সম্প্ৰতিও ইয়াৰ ইতিহাসকাৰ সকলৰ দেশৰ ভিন ভিন দিশ বা আঞ্চলিক ইতিহাস অধ্যয়নত অৱদান কম নহয়। বংগদেশৰ ইতিহাসত সিৰি-জাকে ৰাজনৈতিক দিশতহে সিমান গুৰুত্ব দিয়া দেখা নাযায়। যি নহওক, অধ্যাপক কালি কিংকৰ দত্তৰ 'দি ডাচ্‌ছ ইন্ বেংগল এণ্ড বিহাৰ', (১৭৪০-১৮২৫) আৰু ডডুৱেলৰ 'ডুপ্লে এণ্ড ক্লাইভ' (১৯৬২), দুয়োখন মৌলিক গ্ৰন্থ। দত্তৰে 'আলি ভৰ্ডি খাঁ এণ্ড হিজ টাইমছ্' (১৯৬৩), বি, কে, গুপ্তৰ 'চিৰাজউদ্দৌলা এণ্ড দি ইন্ট ইণ্ডিয়া কোম্পানি' (১৯৬২) আৰু নন্দলাল চাটাৰ্জীৰ 'মিৰকাছিম' জীৱনী-মূলক হলেও, প্ৰত্যেকে যুগৰ ইতিহাস আলোকপাত কৰিছে। সকলোবোৰেই মূল নথি-পত্ৰৰ ভিত্তিত ৰচিত। এন, কে, সিংহৰ সম্পাদনাত কলিকতা বিশ্ববিদ্যালয়ে

১৯৬৭ চনত 'দি হিষ্টৰি অব্ বেংগল (১৮৫৭-১৯০৫)'খন প্ৰকাশ কৰিছে; ই পূৰ্বে প্ৰকাশিত এই ইতিহাসৰ পৰিপূৰক। ৫৫

ঐতিহাসিক সমল সংগ্ৰহ আৰু সংৰক্ষণত মহাৰাষ্ট্ৰ অগ্ৰণী হলেও আধুনিক ইতিহাস ৰচনাত সেইদৰে আগ বাঢ়িব পৰা নাই। মাৰাঠা ইতিহাসকাৰ ৰাণাডে (M. G. Ranade) টেলাং (K. T. Telang) অৰ দৰে একোজনৰ উদ্দেশ্য আছিল ব্ৰিটিছ ঐতিহাসিক সকলক উপযুক্ত প্ৰত্যুত্তৰ দিয়া। ভগৱদ গীতাত খ্ৰীষ্টীয় প্ৰভাৱ আবিষ্কাৰৰ এফ্ হৰেইন (F. Horrain) এ কৰা অপচেষ্টা ওফোৰাই টেলাঙে যুক্তি দেখুৱাই-ছিল যে, সেই মহাগ্ৰন্থৰ উৎস সম্পূৰ্ণ ভাৰতীয়। তদুপৰি তেওঁ এ, ৱেবাৰ (A. Weber)ৰ ভাৰতীয় মহাকাব্যত গ্ৰীক প্ৰভাৱৰ তত্ত্ব (ইণ্ডিয়ান এণ্টিকুৱেৰি, ১৯৭৩, ৭১-৪ পৃ:)বো সমালোচনা কৰিছিল। শিৱাজীৰ ৰাজনৈতিক চতুৰতাই মহাৰাষ্ট্ৰীয় শক্তিৰ জন্ম দিয়া বুলি গ্ৰাণ্ট ডাফ্ (Grant Duff) ৰ যি ধাৰণা আছিল তাক ৰাণাডেই মষিমূৰ কৰিছিল। তেওঁৰ মতে মহাৰাষ্ট্ৰৰ শক্তি আছিল এক আধ্যাত্মিক আৰু ধৰ্মীয় আন্দোলনৰ ফলতহে (ৰাইজ অব্ দি মাৰাঠা পাৱাৰ, ৯পৃ:)। ডি, আৰ, ভাণ্ডাৰকাৰে দেখুৱাইছিল যে, ভাৰতীয়সকলে তেওঁলোকৰ মুদ্ৰা নিজে উদ্ভাৱন কৰিছিল আৰু বিদেশীৰ পৰা তেওঁলোকৰ বৰ্ণমালা আৰু লিপি ধাৰ কৰা নাছিল; পৰচ্‌নিচে অৱশ্যে মহাৰাষ্ট্ৰীয় সকলৰ বিষয়ে কৰা অধ্যয়নৰ উন্নতিকল্পে বিদেশী পণ্ডিতৰ লগত ঘনিষ্ঠ সহযোগৰ পক্ষপাতী আছিল, কিনচেইড (C. A. Kincaid) অৰ সহযোগত তেওঁ তিনিখণ্ডত সমাপ্ত মাৰাঠা ইতিহাস (*History of the Marathas*, ১৯১৪-২৫) ৰচনা কৰিছিল। ইয়াত তেওঁ কোনো কথা যুক্তিহীনভাৱে লিখা নাই। সমৰ্থনকাৰী তথ্যবিনে কোনো উক্তি কৰা নাই; মূল সমলৰ-ওপৰত ভিত্তি কৰিহে সকলো কথা ব্যাখ্যা কৰিছে।

---

৫৫. এই কেইখন হ'ল—ঢাকা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা ৰমেশ চন্দ্ৰ মজুমদাৰৰ সম্পাদিত (History of Bengal, ১৯৪৩) প্ৰথম খণ্ড আৰু যদুনাথ সৰকাৰৰ সম্পাদিত দ্বিতীয় খণ্ড (১৯৪৮)।

সৰহভাগ আঞ্চলিক ইতিহাসৰ দৰে মহাৰাষ্ট্ৰত আটাইতকৈ জনপ্ৰিয় বিষয় আছিল বীৰপূজা আৰু পূজ্য বীৰজন আছিল শিৱাজী। এইবিষয়ে বি, এম, ক্ৰশুাৰৰ সাফল্য আছিল আকাশলংঘী। তেওঁৰ পাছতে আছিল বালকৃষ্ণৰ 'শিৱাজী দি গ্ৰেট।' ৰাজৱাড়ে আৰু আন সকলৰ সংগ্ৰহৰ সমলেৰে জি, এচ, সৰ্দেশায়ে মহাৰাষ্ট্ৰীয় সকলৰ সম্পূৰ্ণ ইতিহাস (মাৰাঠা ৰিয়াচৎ) আঠোটা খণ্ডত লিখি উলিয়াইছিল। আশী বছৰ বয়সত তেওঁ সেইখনকে চমুকৈ ইংৰাজীত লিখি তিনিখণ্ডত 'দি নিউ হিষ্টৰি অব্ দি মাৰাঠাজ' (*The New History of the Marathas*) নামে ১৯৪৬ চনত প্ৰকাশ কৰিছিল। সকলো আঁতি-গুৰি মাৰি লেখা এইখনেই একমাত্ৰ মাৰাঠা ইতিহাস। পেছোৱা ইতিহাসকাৰসকল হ'ল—এইচ্, এন, সিংহ (*The First Three Peshwas*) এ, চি, বানাৰ্জী (*Peshwa Madhab Rao I*), পি চি, দাসগুপ্ত (*Baji Rao II and the East India Company*) আৰু ভি, জি, ডিঘে (*Baji Rao I and the Maratha Expansion*)

যি সময়ত ভাৰতৰ ভাগ্য-বিধানত বিভিন্ন শক্তিয়ে হেতা-ওপৰা লগাইছিল, তেনে সময়তে হায়দৰ আৰু টিপু চুলতানৰ অধীনত মহীশূৰ ৰাজ্যই এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ইংৰাজী, ফৰাচী, পৰ্তুগীজ, ওলন্দাজ আৰু দেশীয় সমলৰ ভিত্তিত ৰচিত এন, কে, সিংহৰ 'হায়দৰ আলি' এখন মৌলিক গ্ৰন্থ। মুহিবুল হাচানৰ (১৯৫১) আৰু বি, চেইখ আলিৰ 'ব্ৰিটিছ বিলেছনছ উইথ হায়দৰ আলি' (১৯৬৩) আৰু 'টিপু চুলতান, (Tipu Sultan : A Study of Diplomacy and Confrontation, ১৯৮৫) গ্ৰন্থত বাস্তৱ দৃষ্টিভংগীৰে কৰা অধ্যয়ন দেখা যায়। ব্ৰিটিছৰ অপ্ৰগতিত বাধা দিয়াত আক্ৰমণকাৰীৰ হাতত মহীশূৰৰ পতন ঘটিল। হায়দৰাবাদৰ কাহিনী পৃথক; কুশাসন আৰু দুৰ্নীতিৰ কাৰণে ৰাজ্যখন ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বলি হ'ল। ইংৰাজী, ফৰাচী, মাৰাঠী, তেলেগু আৰু কানাৰী সমল প্ৰচুৰ হলেও নিজামৰ ক্ষেত্ৰত মৌলিক গ্ৰন্থ নিচেই কম। উল্লেখনীয় ইতিহাসকাৰ সকল হ'ল—ইউচুফ হুছেইন খাঁ (*Nizam-ul-Mulk Asafjah I*), সৰোজিনী ৰেগামী (*Nizam British Relations*, ১৭২৪-১৮৫৭) আৰু কে সজনলাল (*Studies in Deccan History*)

জাতীয়তাবাদী আন্দোলন

ভাৰতবৰ্ষৰ জাতীয়তাবাদৰ ক্ৰমবিকাশ আৰু তাৰ চৰম পৰিণতিত দেশৰ স্বাধীনতা লাভ ভাৰত-ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়। কিছু-দিনৰ আগলৈকে ঐতিহাসিক বাস্তৱবাদৰ দৃষ্টিভংগীৰে এই বিষয়ে একো কৰা হোৱা নাছিল। প্ৰাক-স্বাধীনতা কালত এই সম্পৰ্কীয় চৰকাৰী নথি-পত্ৰসমূহ মুকলি কৰি দিয়া হোৱা নাছিল বুলিয়েই কব পাৰি। জাতীয়তাবাদী নেতাসকলৰো কমেইহে ডায়েৰি বা দিনলিপি লিখি ৰাখি-ছিল। তেওঁলোকৰ চিঠি-পত্ৰ সমূহৰো কাচিৎহে সংৰক্ষণ কৰা হৈছিল। পোন প্ৰথমে এই বিষয়ে হাত দিয়ে ডব্লিউ. চি. বানাৰ্জীয়ে (W. C. Banerjee)। তেওঁৰ 'ইন্ট্ৰডাকছন্ টু ইণ্ডিয়ান পলিটিকছ্' (*Introduction to Indian Politics* ১৮৯৮) গ্ৰন্থই কংগ্ৰেছৰ জন্ম আৰু আদিহোৱা ইতিহাসৰ বহুতো তথ্য পোহৰলৈ আনিছে। এ. চি. মজুমদাৰৰ 'ইণ্ডিয়ান নেছনেল ইভলিউছন' (*Indian National Evolution*, ১৯১৭) এ এই সম্পৰ্কে অধিক আলোকপাত কৰিছে। ভি. চিৰলৰ (V. Cirol) 'ইণ্ডিয়ান আনৰেষ্ট' (*Indian Unrest*, ১৯১০) গ্ৰন্থত এনে ভাব পোষণ কৰা হৈছে যে, ভাৰতবৰ্ষত ব্ৰিটিছ শাসক সকলৰ কাৰ্য্য প্ৰজাসকলৰ প্ৰতি সদিচ্ছা প্ৰণোদিত আছিল আৰু ভাৰতবৰ্ষত যি অশান্তি হৈছিল সেইটো আছিল পাশ্চাত্য শিক্ষাৰ ফল। একে সাম্ৰাজ্য-বাদী দৃষ্টিভংগীৰে লিখা হৈছিল ভাৰ্নি লেভেল্ট (Verni Levelt)ৰ 'ইণ্ডিয়ান নেছনেলিষ্ট মুভ্মেণ্ট' (*Indian Nationalist Movement* ১৯২০)।

ঊনৈশ শতিকাৰ মাজভাগত ছাৰ ছৈয়দ আহমদ খাঁ আৰু বৰ্তমান শতিকাৰ আগভাগত বীৰ সভাৰকাৰে ১৮৫৭ৰ বিদ্ৰোহৰ কাৰণ আৰু বৈশিষ্ট্য সম্পৰ্কে অধ্যয়ন কৰে। স্বাধীনতাৰ পাছৰ পৰা এই বিদ্ৰোহ, ৰাজনৈতিক চেতনাৰ ক্ৰম বিকাশ আৰু ভাৰতৰ জাতীয়

---

৫৬. *Rissalah Asbab-e- Bhagawat-i-Hind*, 1858. Translation by Graham and Colvin, Banaras, 1873 : Savarkar, V. D., *The Indian War of Independence*, 1909.

আন্দোলনৰ বিভিন্ন স্তৰৰ বিষয়ে যথাৰ্থ অধ্যয়ন আৰু ব্যাখ্যাৰ চেষ্টা চলিছে। এই সম্পৰ্কে সকলো নথি-পত্ৰ চাবৰ কাৰণে নেহৰুৰ আৰ্কাইভচে ৩০ বছৰ সময়-সীমা বান্ধি দি যথেষ্ট ইন্ধন যোগাইছে। ইতিমধ্যে লণ্ডনৰ কমনৱেলথ্ বিলেছনচ্ লাইব্ৰেৰীয়েও ১৯৪৭লৈকে সকলো কাগজ-পত্ৰ মুকলি কৰি দিছে। জাতীয় আন্দোলনৰ বিভিন্ন স্তৰৰ এখন প্ৰামাণিক আৰু বিস্তৃত ইতিহাস ৰচনাৰ পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা দপ্তৰে ১৯৫২ চনত গ্ৰহণ কৰে। এই উদ্দেশ্যে আৰ, চি, মজুমদাৰক[৫৭] সঞ্চালক হিচাপে লৈ এখন সম্পাদনা পৰিষদ গঠন কৰা হয় আৰু সমলৰ অনুসন্ধান আৰু সংগ্ৰহৰ অভিপ্ৰায়েৰে ভিন্ন ভিন্ন ৰাজ্যত এখোন-খনকৈ সমিতি পতা হ'ল। কিছুদিনৰ পিছতে চৰকাৰৰ লগত মতানৈক্য হোৱাত বিদগ্ধ পণ্ডিত গৰাকীয়ে পৰিষদৰ পৰা ইস্তফা দিব লগাত পৰে। তেওঁৰ নিজৰ উক্তি অনুসৰি চৰকাৰৰ জনদিয়েক ৰৰমুৰীয়াই ১৮৫৭ৰ বিদ্ৰোহক জাতীয় আন্দোলন হিচাপে গঢ় দিবলৈ আৰু বিদ্ৰোহৰ নেতা-সকলক জাতীয় বীৰ হিচাপে গণ্য কৰিবলৈ চেষ্টা কৰিছিল। এটা পূৰ্ব পৰিকল্পিত তত্ত্বৰ লগত খাপ খুৱাই সমলখিনি ব্যাখ্যা কৰিবলৈ তেওঁ অমান্তি হ'ল আৰু তাৰ সলনি তেওঁ নিজে 'চিপয় মিউটিনি আৰু ৰিভল্ট অব্ ১৮৫৭' (*The Sepoy Mutiny and the Revolt of* 1857) গ্ৰন্থৰ যোগেদি ব্যক্তিগতভাৱে নিজৰ ব্যাখ্যা দাঙি ধৰিলে। প্ৰায় একে সময়তে প্ৰকাশ হয় সুৰেন্দ্ৰ নাথ সেনৰ প্ৰামাণিক গ্ৰন্থ 'এইটিন্ ফিফ্‌টি চেভেন' (*Eighteen Fifty Seven*)। ইয়াৰ পাছত ড: তাৰাচাদৰ সম্পাদনাত ওলাল চাৰিখণ্ডত 'দি ইণ্ডিয়ান ফ্ৰিডম মুভমেণ্ট'। ১৯৬২-৬৩ চনত আৰ, চি, মজুমদাৰেও তিনিখণ্ডত 'হিষ্টৰি অব্ দি ফ্ৰিডম্ মুভমেণ্ট'

---

৫৭. তেওঁৰ প্ৰথম হোৱাৰ অধ্যয়ন আছিল প্ৰাচীন ভাৰত। এই সম্পৰ্কে প্ৰণয়ন কৰা গ্ৰন্থসমূহ হ'ল—'কৰ্পৰেট্ লাইফ্ ইন্ এনচিয়েণ্ট ইণ্ডিয়া' *Corporate Life in 'Ancient India*), 'এনচিয়েণ্ট ইণ্ডিয়ান কলনিজ ইন্ দি ফাৰইষ্ট' (*Ancient Indian Colonis is the Far East*,' 'গ্ৰেটাৰ ইণ্ডিয়া' (Greater India) প্ৰভৃতি। ঢাকা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা 'হিষ্টৰি অব্ বেংগল'ৰ প্ৰথম খণ্ডৰ আচনি আৰু সম্পাদনা তেৱেঁই কৰিছিল, ইয়াৰ দ্বিতীয় আৰু তৃতীয় খণ্ডৰ পৰিকল্পনাও তেওঁৰে আছিল। পাছলৈ তেওঁ আধুনিক ভাৰত-ইতিহাসৰ পিনে চকু দিয়ে, এই সম্পৰ্কে যথাস্থানত সন্নিৱিষ্ট কৰা হৈছে।

প্ৰণয়ন কৰে। একেবাৰে নিখুঁত নহলেও ইয়াকে এই বিষয়ৰ প্ৰামাণিক গ্ৰন্থ হিচাপে ধৰা যায়। আঞ্চলিক পৰ্য্যায়ত চৰকাৰী-বেচৰকাৰী বহতো অমূল্য সমল সংগৃহীত হৈছে আৰু সেইবোৰৰ ভিত্তিত কিছু সংখ্যক ৰাজ্যিক চৰকাৰে নিজ নিজ অঞ্চলৰ স্বাধীনতা আন্দোলনৰ ইতিহাস প্ৰণয়ন কৰাইছে।[৫৮]

প্ৰাশাসনিক : সাংবিধানিক

জাতীয় আন্দোলনৰ লগত প্ৰাশাসনিক আৰু সাংবিধানিক প্ৰশ্নও সাঙোৰ খাই আছে। ব্ৰিটিছ পণ্ডিত-প্ৰশাসকসকলে প্ৰকাশিত-অপ্ৰকাশিত নথি-পত্ৰৰ ভিতৰত স্তৰানুক্ৰমে ব্যাপক অধ্যয়ন কৰিছিল। আদি-ভাগত ফাৰ্মিংগাৰ (W. K. Firminger) ৰ 'ফিফ্‌ট ৰিপোৰ্ট' (*Fifth Report from the Selection Committee of the House of Commons*), এস্কলি (F. D. Ascoli) ৰ 'আৰ্লি ৰেভিনিউ হিস্টৰি অব্‌ বেংগল এণ্ড দি ফিফ্‌ট ৰিপোৰ্ট' (*Early Revenue History of Bengal and the Fifth Report*, ১৯১৭) এস্পিনেল (A. Aspinal) অৰ 'কৰ্ণৱালিচ্ ইন্ বেংগল', বেডেন্ পাওৱেলৰ (B. H. Baden Powell) 'দি লেণ্ড ৰেভিনিউ চিস্টেমচ্ ইন্ ইণ্ডিয়া' (১৮৯২) প্ৰভৃতি গ্ৰন্থসমূহ আছিল শাসন পদ্ধতিৰ আপুৰুগীয়া তথ্য-পাতি। ভাৰতীয় পণ্ডিতসকলৰ তাৎপৰ্য্যমূলক গ্ৰন্থ হ'ল—ডি, এন, বানাৰ্জীৰ 'আৰ্লি লেণ্ড ৰেভিনিউ চিস্টেম ইন্ বেংগল এণ্ড বিহাৰ' (১৯৩৬), 'আৰ্লি এড্‌মিনিস্ট্ৰেটিভ চিস্টেম অব্‌ দি ইস্ট-ইণ্ডিয়া কম্পেনি ইন্ বেংগল' (১৯৪৩), মাঠাই (J. Mathai) ৰ 'ভিলেজ গৱৰ্ণমেণ্ট ইন্ ব্ৰিটিছ ইণ্ডিয়া' (১৯২৫) আৰু বি, বি, মিশ্ৰৰ 'চেন্ট্ৰেল এড্‌মিনিস্টেছন অব্ দি ইস্ট-ইণ্ডিয়া কম্পেনি'। বাস্তৱ দৃষ্টিভংগীৰে আলোচনা কৰিছে হীৰালাল সিঙে তেওঁৰ 'দি প্ৰব্লেম এণ্ড পলিচিজ অব্‌ ব্ৰিটিছ ইন্ ইণ্ডিয়া, ১৮৮৫-১৮৯৮, গ্ৰন্থত।

৫৮. কে, কে, দত্তই সম্পাদন কৰা মুক্তি যুদ্ধৰ ইতিহাসৰ তিনিটা খণ্ড বিহাৰ চৰকাৰে পোন প্ৰথমে ছপাই উলিয়াইছিল। এনে ইতিহাস কেৰেলা, কৰ্ণাটক, অন্ধ্ৰ আৰু অসমেও প্ৰকাশ কৰিছে। এই সম্পৰ্কে যুক্ত প্ৰদেশ চৰকাৰে নথি পত্ৰৰ পাঁচোটা খণ্ড প্ৰকাশ কৰিছিল।

শাসন-পদ্ধতিৰ গভীৰ অধ্যয়ন প্ৰশিক্ষণৰ উপৰিও দিল্লীৰ 'ইণ্ডিয়ান ইন্‌ষ্টিটিউট্ অৱ পাব্লিক এড্‌মিনিষ্ট্ৰেছনে এখন আলোচনীৰ উপৰিও ভালেমান পাণ্ডিত্যগৰ্ভ গ্ৰন্থ প্ৰকাশ কৰিছে ।

সংবিধানৰ দিশত পানিক্কৰ (K. M. Panikkar) অৰ মৌলিক গবেষণা গ্ৰন্থ 'ইণ্ট্ৰডাকচন্ টু দি ষ্টাডি অৱ্ দি ৰিলেছনচ্ অৱ্ দি ইণ্ডিয়ান ষ্টেটচ্ উইথ দি গৱৰ্ণমেণ্ট অৱ্ ইণ্ডিয়া' (*Introduction to the study of the Indian States with the Government of India*) আৰু 'দি ইভলিউছন অৱ্ দি পলিচি টুৱাৰ্ডচ্ ইণ্ডিয়ান ষ্টেটচ্' (*The Evolution of the British Policy towards Indian States*)। নিহাল সিঙৰ 'লেণ্ডমাৰ্কচ্ ইন্ ইণ্ডিয়ান কনষ্টিটিউছনেল এণ্ড নেছনেল ডেভেলপমেণ্ট' আৰু বিশেশ্বৰ প্ৰসাদৰ 'প্ৰভিন্সিয়েল অটোনমি' দুখন পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ । ব্ৰিটিছ চৰকাৰৰ লগত দেশীয় ৰাজ্যসমূহৰ সম্পৰ্ক আছিল গুৰুত্বপূৰ্ণ । পানিক্কাৰৰ উপৰিও এই বিষয়ে লি ৱাৰ্ণাৰ (Lee Warner)ৰ 'নেটিভ ইণ্ডিয়ান্ ষ্টেটচ্', চি, এ, সিঙৰ 'ইণ্ডিয়ান ষ্টেটচ্ ইন্ ব্ৰিটিছ ইণ্ডিয়া' (*Indian States in British India*) আৰু ৰঘুবীৰ সিঙৰ 'ইণ্ডিয়ান ষ্টেটচ্ এণ্ড ফেডাৰেছন্' ইতিমধ্যে প্ৰকাশ হৈছে ; ভি পি, মেননৰ 'ইণ্টিগ্ৰেছন অৱ্ ইণ্ডিয়ান ষ্টেটচ' এখন মূল্যবান গ্ৰন্থ ।

অৰ্থনৈতিক আৰু সামাজিক

ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ সম্পৰ্কে ওঠৰ শতিকাৰ শেষছোৱা ৰবং তাৰো আগৰে পৰা ভালেমান গ্ৰন্থ লিখা হৈছিল । কিন্তু এইবিলাক আছিল পাৰ্লিয়ামেণ্টৰ বা আন সভাৰ প্ৰতিবেদন, কাৰ্য্য বিৱৰণী, পৰিশিষ্ট আৰু আলোচনী ।[৫১] ৰাজনৈতিক ধৰণৰ হ'লেও ৰমেশ চন্দ্ৰ দত্তৰ 'ইণ্ডিয়া

৫১. আনহে মালাপে উইলিয়ম জন্সে সম্পাদন কৰা *Survey Reports of Buchanan Hamilton*, ক'লব্ৰুকৰ *Remarks on the Husbandry and Internal Commerce of Bengal*, উইলচনৰ *A Review of the External Commerce of Bengal* 1813-4 to 1827-8, ত্ৰিভেলিয়নৰ *Remarks on the External Commerce and Exchange of Bengal* আৰু

আগুৱাৰ আৰ্লি ৰিচিছ্ কল (১৯০১) আৰু 'ইণ্ডিয়া ইন্ দি ভিক্টোৰিয়ান এজ (১৯০৩) সৰ্বপ্ৰথম অৰ্থনৈতিক ইতিহাস বুলি গণ্য কৰা হয়। পিছত যিসকল পণ্ডিতে এই দিশ অধ্যয়ন কৰি গ্ৰন্থ প্ৰণয়ন কৰিছিল উল্লেখনীয় সকল আছিল, পি, এন, বানাৰ্জী—'ইণ্ডিয়ান ফাইনেন্স ইন্ দি ডেজ অব্ দি ইষ্ট ইণ্ডিয়া কম্পেনি' (*Indian Finance in the days of the East India Company,* ১৯২৮), এ হিষ্টৰি অব্ ইণ্ডিয়ান টেক্সেছন' (*A History of Indian Taxation,* ১৯৩০), 'ফিচকেল পলিচি ইন্ ইণ্ডিয়া' (Fiscal Policy in India); বালকৃষ্ণ—'কমাচিয়েল ৰিলেছন বিটুইন ইণ্ডিয়া এণ্ড ইংলেণ্ড (*Commercial Relation between India and England*); বি, ডি, বসু, 'ৰুইন অব্ ইণ্ডিয়ান ট্ৰেড এণ্ড ইণ্ডাষ্ট্ৰিজ'; এইচ, সিংহ, 'আৰ্লি বেংকিং ইন্ ইণ্ডিয়া', আৰু ডি, আৰ, গেড্‌গিল 'ইণ্ডাষ্ট্ৰিয়েল ইভলিউছন অব্ ইণ্ডিয়া ইন্ ৰিচেণ্ট টাইমচ্' (*Industrial Evolution of India in recent times,* ১৯২৪)। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাৰ উল্লেখনীয় গ্ৰন্থসমূহ হ'ল—বিপান চন্দ্ৰৰ 'দি ৰাইজ এণ্ড গ্ৰঠ অব্ ইকনমিক নেছানলিজিম ইন্ ইণ্ডিয়া (*The Rise and Growth of Economic Nationalism in India,* ১৯৬৬), বি এম্ ভাটীয়াৰ (B. M. Bhatia) 'ফেমিনচ্ ইন ইণ্ডিয়া (১৯৬৭), আৰু ফ্ৰাইকেন-বাৰ্গৰ (R. E. Frykenberg) 'লেণ্ড কণ্ট্ৰোল আৰু চচিয়েল ষ্ট্ৰাকচাৰ ইন ইণ্ডিয়ান হিষ্টৰি' (১৯৬৯)।

ভাৰতবৰ্ষৰ এখন পূৰ্ণাংগ অৰ্থনৈতিক ইতিহাস প্ৰণয়ন কৰা সহজ নহয়। স্বাভাবিকতে ঐতিহাসিক সকলে আঞ্চলিক ইতিহাস অধ্যয়নতহে মনোযোগ দিছে। বংগদেশত ৰাজনৈতিক ইতিহাসতকৈ অৰ্থনৈতিক দিশতহে গুৰুত্ব দিয়া দেখা গৈছে। জে, চি, সিংহই ১৯২৭ চনত 'ইকনমিক এনেলচ্ অব্ বেংগল' প্ৰণয়ন কৰে। এন, কে, সিংহই ৰচনা কৰা 'ইকনমিক হিষ্টৰি অব্ বেংগল; ফ্ৰম প্লাছি টু পাৰ্মানেণ্ট চেটেল্‌মেণ্ট' (১৯৬১, ১৯৬২) মূল নথি-পত্ৰৰ আলমত লিখা পাণ্ডিত্যপূৰ্ণ

মাৰ্টিনৰ (R. M. Martin) *History of the Possessions of the Honorable East India Company.* গ্ৰন্থখনকো প্ৰকৃতাৰ্থত অৰ্থনৈতিক ইতিহাস বুলি ধৰিব নোৱাৰি।

অৱদান । কে, কে, দত্তৰ 'ষ্টাডিজ ইন দি হিষ্টৰি অৱ্ বেংগল চুবা' (১৯৩৫), এইচ, আৰ, ঘোষালৰ 'ইকনমিক টেনজিছন ইন্ বেংগল (১৯৫০), সুকুমাৰ ভট্টাচাৰ্য্যৰ 'দি ইষ্ট ইণ্ডিয়া কম্পেনি এণ্ড ইকনমি অৱ্ বেংগল' (১৯৫৪), অমলেশ ত্ৰিপাঠীৰ 'ট্ৰেড এণ্ড ফাইনেন্স ইন দি বেংগল প্ৰেচিডেন্সি' (১৯৫৬) আৰু বিনয় চৌধুৰীৰ 'গ্ৰ'ঠ অৱ্ কমাৰ্ছিয়েল এগ্ৰিকালচাৰ ইন্ বেংগল,' (১৯৬৪) কেউখনেই আৰ্থিক ইতিহাসৰ অমূল্য সম্পদ । এ, ভি, ৰাৱে 'ইকনমিক ডেভেলপ্‌মেণ্ট অৱ্ অন্ধ্ৰ প্ৰদেশ'ত (১৯৫৬) অঞ্চলটোৰ দুশ বছৰৰ আৰ্থিক অৱস্থা বিশ্লেষণ কৰিছে । নীলমণি মুখাৰ্জীৰ 'দি ৰায়তোৱাৰী চিষ্টেম ইন্ মাদ্ৰাজ' (১৯৬২) গভীৰ গৱেষণাৰ নিদৰ্শন । কৰ্ণাটকৰ উল্লেখনীয় অৰ্থনৈতিক ইতিহাসকাৰ সকল হ'ল— আৰ, দি, ছক্‌ছি (R. D. Choksey : *Economic life in Bomby Karnataka*, ১৯৬৩), এম, এইচ, গোপাল (*M. H. Gopal : Tipu Sultan's Mysore : An Economic Study*, ১৯৭১) আৰু কে, এচ, ছিভানা (*K. S. Shivanna . The Agrarian system of Karnataka*, ১৯৮৩) ।

ভাৰতীয় ইতিহাসকাৰ সকলে বৰ্তমান সামাজিক ইতিহাস পুৰ্ণনিৰ্মান কৰাত গুৰুত্ব দিছে । সমসাময়িক সাহিত্য সমাজৰ দাপোণ । সেইবাবে নথি-পত্ৰৰ উপৰিও জীৱনী, আত্মজীৱনী, স্মৃতিগ্ৰন্থ, সামাজিক সন্মিলনৰ প্ৰতিবেদন, ব্ৰাহ্মসমাজ, আৰ্য্যসমাজ, ৰামকৃষ্ণ মিছন, বিদেশী মিছনেৰী সকলৰ চিঠি-পত্ৰ, প্ৰতিবেদন আৰু প্ৰকাশিত গ্ৰন্থপাতিৰ ভিত্তিত সামাজিক ইতিহাস প্ৰণয়নৰ প্ৰচেষ্টা চলিছে । এনেধৰণে কে, কে, দত্তই 'হিষ্টৰি অৱ্ দি বেংগল চুবা,' 'এডুকেছন্ এণ্ড চচিয়েল লাইফ ইন্ বেংগল', 'এডুকেছন্ এণ্ড চচিয়েল এমিলিয়ৰেছন অৱ্ উইমেন ইন ব্ৰিমিউটিনি ইণ্ডিয়া' আৰু 'ডন্ অৱ্ বিনাস্চেণ্ট্ ইণ্ডিয়া' প্ৰভৃতি গ্ৰন্থত ওঠৰ আৰু উনৈশ শতিকাৰ সামাজিক ইতিহাসৰ কেবাটাও দিশ আলোচনা কৰিছে । সম্প্ৰতি পশ্চিম বংগৰ উল্লেখযোগ্য সামাজিক ইতিহাসকাৰ হ'ল—প্ৰদীপ সিংহ (*Nineteeth Century Bengal : Aspects of Social History*, ১৯৬৫), অমিতাভ মুখাৰ্জী (Reform and Regeneration in Bengal, ১৯৬৮) আৰু চিত্ৰব্ৰত পালিট (*Tensions in Bengal Rural*

Society, ১৯৭৫)। এম্‌, এন্‌, দাসৰ 'ইকনমিক এণ্ড ছচিয়েল ডেভেলপমেণ্ট ইন্ মডাৰ্ণ ইণ্ডিয়া (*Economic and Social Development in Modern India*) গ্ৰন্থত ডেলহাউচীৰ আমোলৰ সামাজিক সমস্যাৰ কেটামান দিশ আলোক পাত কৰিছে। এছ, নটৰাজনে (S. Natarajan) 'এ চেঞ্চুৰী অব্‌ ৰিফৰ্ম ইন্‌ ইণ্ডিয়া' গ্ৰন্থত সমাজ সংস্কাৰৰ বাবে চৰকাৰী প্ৰচেষ্টাৰ বিশ্লেষণ কৰিছে। আনপিনে 'দি ইণ্ডিয়ান মিড্‌ল ক্লাছ' গ্ৰন্থত বি, বি, মিশ্ৰই ভাৰতীয় সামাজিক গাথনিত এক গৰুত্বপূৰ্ণ বিকাশ আৰু কে, এ, বলহেটচেটে (K. A. Ballhatchet) 'ছচিয়েল পলিচি এণ্ড ছচিয়েল চেইঞ্জ ইন্‌ ৱেষ্টাৰ্ণ ইণ্ডিয়া, ১৮১৭-৩০', গ্ৰন্থত এটা নতুন দিশ মুকলি কৰিছে।

নাৰীমুক্তি, অস্পৃশ্যতা নিবাৰণ, সামাজিক ৰীতি-নীতি, ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ সংস্কাৰ-সাধন—এই ঘোষিত লক্ষ্যসমূহ আগত ৰাখি ঊনৈশ শতিকাৰ আগছোৱাত পাশ্চাত্য শিক্ষিত ভেকাচামে সমাজ-সংস্কাৰৰ কামত অগ্ৰসৰ হৈছিল। মাৰ্ক্সীয় ঐতিহাসিক এ, আৰ, দেশায়ে (A. R Desai) 'ছচিয়েল বেকগ্ৰাউণ্ড অব ইণ্ডিয়ান নেছনেলিজিম' (*Social Background of Indian Nationalism*, ১৯৬৬) গ্ৰন্থত ভাৰতীয় সমাজৰ সমীক্ষামূলক অধ্যয়ন আগবঢ়াইছে। একে মতাৱলম্বী ডি, পি, মুখাৰ্জীয়ে 'মডাৰ্ণ ইণ্ডিয়ান কালচাৰ : এ ছচিয়'লজিকেল ষ্টাডি' (*Modern Indian Culture : A Sociological Study*, ১৯৪২) গ্ৰন্থৰ যোগেদি ভাৰতীয় সমাজৰ স্বৰূপ দাঙি ধৰিছে। সমাজৰ কু প্ৰথাবোৰ উদঙাই দি সংস্কাৰ কাৰ্য্যত প্ৰেৰণা যোগোৱাত খৃষ্টান মিছনেৰীসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে কে নেথ্‌ ইংগহাম (Kenneth Ingham) অৰ 'ৰিফৰ্মচ্‌ ইন্ ইণ্ডিয়া : ১৭৯৩-১৮৩৩ঃ এন একাউণ্ট অব্‌ দি ৱৰ্ক অব্‌ দি খৃষ্টান মিছনেৰীজ অন্ বিহাফ অব্‌ ছচিয়েল ৰিফৰ্ম' (*Reforms in India*, 1793-1833, *An Account of the Works of the Christian Missionaris etc*, ১৯৬৭) আৰু ডেনিয়েল ই পট (Danial E. Pott) অৰ 'বৃটিছ বেপ্টিষ্ট মিছনেৰীজ ইন্ ইণ্ডিয়া' (*British Baptist Missionaries in India* 1793-1837, ১৯৬৭) এই দুই গ্ৰন্থত। সমাজ-সংস্কাৰ সম্পৰ্কে চাৰ্লছ এইচ, হেইমচাথ্‌ (Charles H. Heimsath)ৰ

'ইণ্ডিয়ান নেছনেলিজিম এণ্ড হিন্দু ছচিয়েল ৰিফৰ্ম (১৯৬৪), এম, এন, শ্ৰীনিবাস (M. N. Srinivas)ৰ 'ছচিয়েল চেইন্জ ইন্ মডাৰ্ণ ইণ্ডিয়া' আৰু এম, চিংগাৰ আৰু বি, এচ, চৌ (M. Singer আৰু B. S. Chou)ৰে সম্পাদনা কৰি উলিওৱা 'ষ্ট্ৰাকচাৰ এণ্ড চেইঞ্জ ইন ইণ্ডিয়ান ছোচাইটি', ১৯৬৮, প্ৰভৃতো আলোচনা কৰা হৈছে।

সমবেত প্ৰচেষ্টা

বৰ্তমান যুগৰ সাধাৰণ ইতিহাসৰ সংখ্যা অধিক নহয়। ৰবাৰ্টচৰ (P. E. Roberts) 'হিষ্টৰি অৱ ব্ৰিটিছ ইণ্ডিয়া' ১৯২০, টম্‌চন এণ্ড গেৰেটৰ (Thomson and Garrat) 'ৰাইজ এণ্ড ফুলফিলমেণ্ট অৱ ব্ৰিটিছ ৰুল', ১৯৩৪, আৰু স্পিয়েৰ (T. G. Speal) অৰ 'অক্স-ফোৰ্ড হিষ্টৰি অৱ মডাৰ্ণ ইণ্ডিয়া', (১৯৫৮) কেউখনেই ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ প্ৰাক-স্নাতক শ্ৰেণীৰ পাঠ্যপুথি। স্পিয়েৰৰ গ্ৰন্থত বাদে বাকী কেউখনৰে বিষয়-বস্তু হ'ল ব্ৰিটিছৰ ৰাজ নৈতিক আৰু প্ৰাশাসনিক কীৰ্তি-কলাপ। এই দোষত্ৰুটিবোৰৰ বিষয়ে সচেতন যদিও, ভাৰতীয় ইতিহাসকাৰ সকলে আধুনিক ভাৰত-বুৰঞ্জীৰ পৰিসৰ বৃদ্ধি কৰি আৰু বিষয়চোৰ শেহতীয়া গৱেষণালব্ধ জ্ঞান সংযোগ কৰা এখন পূৰ্ণাংগ ইতিহাসৰ অভাৱ পূৰণ কৰিব পৰা নাই। সৰহভাগ ইতিহাস-প্ৰণেতাই একোটাইত সৰু অঞ্চল আৰু কম সময়ৰ গৱেষণাতে নিজকে আবদ্ধ ৰাখে। ইয়াৰ কাৰণ নোহোৱাও নহয়। আধুনিক ইতিহাস বিজ্ঞানৰ দৰেই কঠোৰ অনুশাসনৰ অধ্যয়ন। মূল সমলৰ প্ৰাচুৰ্য্য, বিষয়-বস্তুৰ ব্যাপক ক্ষেত্ৰ, আৱশ্যকীয় বিজ্ঞানসম্মত পৰিৱেশন আৰু ৰচনা-ৰীতিৰ সংক্ষিপ্ততা, মাত্ৰাজ্ঞান আৰু সুপাঠ্যতা এই সকলোবিলাকে গুণৰ বাঞ্ছনীয়তাই আধুনিক ঐতিহাসিকৰ কাম কঠিন কৰি পেলাইছে। সেইবাবে, যিমানে ত্ৰুটিপূৰ্ণ নহওক, বুটীয়া বা সমবেত প্ৰচেষ্টাৰে এই ইতিহাস প্ৰণয়নৰ চেষ্টা চলিছে। অতি সন্তোষৰ বিষয়, ইণ্ডিয়ান হিষ্টৰি কংগ্ৰেছে ভাৰতৰ বিস্তৃত ইতিহাস ৰচনাৰ এটা আঁচনি হাতত লৈছে। তাৰে চাৰিটা খণ্ডত হ'ব আধুনিক ইতিহাস, ইয়াৰ দুই খণ্ড ইতিমধ্যে প্ৰকাশ হৈ গৈছে। তাতোকৈ উল্লেখযোগ্য ভাৰতীয়

বিদ্যাভৱনে (Bharatiya Vidya Bhavan) ১৮১৮ চনৰ পৰা ১৯৪৭ লৈকে এই সময়ছোৱাৰ বিষয়ে তিনিটা খণ্ডৰ (Vols. IX, X, XI) ইতিহাস সংকলন কৰিছে। এই খণ্ডকেইটাৰ অধিকাংশই লিখিছে আন্তৰ্জাতিক খ্যাতিসম্পন্ন ঐতিহাসিক ৰমেশ চন্দ্ৰ মজুমদাৰে। ৮৮ বছৰ বয়সলৈকে অবিৰত ভাৱে তেওঁ এই কামত ব্যস্ত আছিল। আধুনিক ইতিহাসকাৰসকলৰ নিজৰ অভিমত ব্যক্ত কৰিবলৈ যি সাহসৰ অভাৱ, সেইটো এইজনা ঐতিহাসিকৰ ৰচনাত পোৱা নাযায়। তেওঁ আছিল ৰাংকে আৰু নাইবুৰৰ প্ৰকৃত শিষ্য আৰু তেওঁৰ জীৱনৰ ব্ৰত আছিল—সত্যৰ অনুসন্ধান, যিমানদূৰ সম্ভৱ সম্পূৰ্ণ সত্যৰ অনুসন্ধান।

ইতিহাসকাৰৰ বৈশিষ্ট্য : সাম্প্ৰতিক চিন্তাধাৰা

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে ভাৰতীয় ইতিহাস অধ্যয়ন আৰু চিন্তাধাৰা পাশ্চাত্য ঐতিহাসিক পাণ্ডিত্যৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল। ইতিহাসৰ পুৰণি ধাৰণাৰ আমূল পৰিবৰ্তন আহিল আৰু ইউৰোপীয় পদ্ধতিৰ ভিত্তিত এটা সম্পূৰ্ণ নতুন পদ্ধতিৰ আৰম্ভ হ'ল। প্ৰথম অৱস্থাত ভাৰতৰ ইতিহাস অধ্যয়নৰ কাৰণে প্ৰচুৰ সমল সংগ্ৰহ কৰি প্ৰক্ৰিয়াটোৰ বিকাশ আৰম্ভ কৰা হ'ল। উনৈশ শতিকাত ইউৰোপীয় পণ্ডিতসকলে প্ৰাচ্যৰ বাবে কৰা কাম আৰু ভাৰতীয়ই সোণালী অতীতৰ গৌৰৱ উদ্ধাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে আৰম্ভ কৰা পুৰাতাত্ত্বিক খনন কাৰ্য্য আৰু অনুসন্ধানৰ ফলত, ইতিপূৰ্বে নজনা প্ৰচুৰ মূল্যবান তথ্যৰ আবিষ্কাৰ হ'ল। পাশ্চাত্য উদাহৰণ অনুসৰণ কৰি অসংখ্য পৌৰাণিক সাহিত্য, পাণ্ডুলিপি আৰু চৰকাৰী বে-চৰকাৰী নথি-পত্ৰ সংগ্ৰহ, সংৰক্ষণ আৰু সম্পাদনাৰ কাৰ্য্যত শৃংখলাবদ্ধভাৱে আগ বাঢ়িল আৰু ইয়াৰ ফলতেই পোৱা হ'ল ভাৰতীয় ইতিহাসৰ তিনিওটা যুগৰ সমল।

সত্য অন্বেষণ

সমলৰ সংগ্ৰহৰ পিছত সেইবোৰৰ নিৰপেক্ষ আৰু নৈৰ্ব্যক্তিক ব্যাখ্যা আৰু বিশ্লেষণ কৰাৰ কঠিনতাৰ দায়িত্বৰ সম্মুখীন হ'ল ভাৰতীয় ইতিহাসকাৰ সকল। নাইবুৰৰ, ৰাংকে আৰু মমছেনৰ দৰে শীৰ্ষস্থানীয়

ইউৰোপীয় পণ্ডিতসকলে দাঙি ধৰা উচ্চ মানদণ্ডৰ আহি লৈ সিহঁতলোকে এক নতুন পথেৰে অগ্ৰসৰ হ'ল। ইউৰোপীয় ঐতিহাসিক পাণ্ডিত্যৰ আদৰ্শই হ'ল আধুনিক ভাৰতীয় ইতিহাস ৰচনাবিধিৰ ভেটি। সত্যই যে ইতিহাস অধ্যয়নৰ লক্ষ্য—এই তত্ত্বই নতুন পুৰুষৰ ঐতিহাসিকসকলৰ অন্তৰত দকৈ শিপা মেলিলে। এই কথা সাৰোগত কৰি যদুনাথ সৰকাৰে কৈছিল : ৬০

> সত্য প্ৰিয়ই হওক বা অপ্ৰিয়ই হওক জনসাধাৰণৰ বাবে গ্ৰহণীয়ই হওক বা তেওঁলোকৰ মতামতৰ বিপক্ষেই যাওক, তাৰে মই কেৰেপ নকৰো। ই জাতীয় গৌৰৱ ক্ষুণ্ণ কৰেনেকি—ইয়ো মোৰ বিচাৰৰ বিষয় নহয়। মই অনুসন্ধান কৰিম সত্য, বুজিম সত্য আৰু গ্ৰহণ কৰিম সত্য—এয়েই হ'ব লাগিব ঐতিহাসিকৰ দৃঢ় প্ৰতিজ্ঞা।

বাবু ৰাজেন্দ্ৰপ্ৰসাদে যেতিয়া যদুনাথ সৰকাৰক পূৰ্ণাংগ ভাৰত-ইতিহাসৰ মুখ্য সম্পাদক হ'বলৈ অনুৰোধ কৰিছিল, উত্তৰত সৰকাৰে কৈছিল :

> ইতিহাস নামৰ যোগ্য আৰু স্থায়ী হবৰ গুণ থকা আন আন ইতিহাসৰ দৰে, জাতীয় ইতিহাসো তথ্যৰ ক্ষেত্ৰত সত্য আৰু ব্যাখ্যাৰ ক্ষেত্ৰত যুক্তিপূৰ্ণ হ'ব লাগিব। ইতিহাস জাতীয় ইতিহাস হ'ব এই অৰ্থত নহয় যে, আমাৰ অতীতৰ সকলো ঘৃণনীয় ঘটনা লুকুৱাই পেলাব বা চূণ সানি বগা কৰি দেখুৱাব, হ'ব এই অৰ্থত যে, সেইবোৰো ই অন্তৰ্ভুক্ত কৰি ল'ব আৰু ইয়াকো দেখুৱাই দিব যে,

৬০. "I would not care whether truth is pleasant or unpleasant, acceptable to the people or opposed to popular notion. I would not care whether it hurts the national pride or not... I shall seek truth, understand truth, and accept truth. This should be the firm resolve of an historian" *Presidential Address, History Section, Bangia Sahitya Sammelan*, 1915; cited in Jagadish Narayan Sarkar, "Sir Jadunath Sarkar Historical Beliefs", *Journal of Historical Research, Ranchi University*, Jan. 1967.

আমাৰ জাতীৰ ক্ৰমবিকাশৰ বিভিন্ন স্তৰত অন্য আৰু মহত্তৰ দিশ একোটাও আছে, যি সেই ক'লা দাগবোৰ মচি পেলাব ।[৬১]

তাৰ উত্তৰত ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল :

আপোনাৰ লগত মই সম্পূৰ্ণ একমত । ইতিহাস নামৰ যোগ্যতা থকা কোনো ইতিহাসে ঘটনা নুলুকুৱায় বা তাৰ বিকৃত ব্যাখ্যা নিদিয়ে । যি ঐতিহাসিকে নিজ দেশৰ হিতাৰ্থে কৰিছো বুলি সেই কাম কৰে, সি দৰাচলতে দেশৰ অন্যায়হে কৰে । এই কথা আমাৰ দৰে নিজৰ দোষ ক্ৰুটীৰ কাৰণে অশেষ দুৰ্ভোগ ভোগা এটা জাতিৰ কাৰণে, আৰু বেছি সত্য । তেওঁলোকে যাতে সেই দোষ-ক্ৰুটীবোৰ জানি-বুজি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব পাৰে, তাৰ বাবে ইতিহাসে অতীতৰ কোনো কথা লুকুওৱা উচিত নহয় ।[৬২]

ইতিহাসকাৰৰ ভূমিকা সম্পৰ্কে ভাৰতীয় ইতিহাস কংগ্ৰেছৰ (Indian History Congress) প্ৰথম সভাপতি ছাফৎ আহমদ খাঁই সঁকিয়াই দিছে :

ঐতিহাসিকে ন্যায়-বিচাৰকৰ কৰ্তব্য পালন কৰিব লাগিব আৰু পাব পৰা সকলো নথি-পত্ৰই তেওঁৰ সিদ্ধান্তসমূহৰ ভিত্তি হ'ব লাগিব । তেওঁৰ সৰ্বপ্ৰথম আৰু অতিশয় গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল—সমলৰ আহৰণ আৰু সমীক্ষা । এই অপৰিহাৰ্য্য পদক্ষেপ লব নোৱাৰিলে তেওঁৰ সকলো গৱেষণাই অৰ্থহীন হৈ পৰিব আৰু তেওঁৰ ইতিহাস হ'ব মিছা কল্পনা, পক্ষপাতিত্ব, ভাৱাবেগ আৰু স্বাৰ্থপৰতাৰ এটা অদ্ভুত সংমিশ্ৰণ । তাৰ পিছৰ পদক্ষেপ হ'ব সিদ্ধান্ত গ্ৰহণ আৰু সংগৃহীত সমলখিনি বিজ্ঞানসম্মতভাৱে বিশ্লেষণ কৰাৰ পাছত সুগভীৰ বিচাৰান্তে সত্য নিৰূপণ। ঐতিহাসিকৰ কাৰ্য্য হ'ল অতিশয় পুণ্যৰ । ধৰ্মীয় গোড়ামি, ব্যক্তিগত উন্নতি বা স্বাৰ্থ-পৰতাৰ দৰে সৰ্বগ্ৰাসী ভাৱাবেগৰ পৰা তেওঁৰ কাৰ্য্যক্ষমতা আৰু তেওঁৰ জ্ঞান কলুষিত হবলৈ দিব নালাগিব ।

---

৬১. R. C. Majumdar, "Indian History Recent Trends", Sen *Historians*, p.xx.

৬২. *Ibid.*

খ্যাতনামা ঐতিহাসিক ৰাধাকুমুদ মুখাৰ্জীৰ মতে ঐতিহাসিকৰ ভূমিকা সহজ নহয়। কিয়নো ঘটনাসমূহৰ সঠিকতা, গুণগত বৈশিষ্ঠ, প্ৰতিক্ৰিয়া, পৰিণতি আৰু ফলাফল যিমানে ত্ৰুটীপূৰ্ণ নহওক, ঐতিহাসিকজন হ'ব লাগিব নিষ্ঠাবান।

> তেওঁৰ অধ্যয়নৰ তথ্য আৰু প্ৰপঞ্চসমূহৰ প্ৰতি বিজ্ঞানীৰ বস্তুনিষ্ঠ মনোভাৱ থাকিব লাগিব। অতীতক ঘূৰাই আনি জনসাধাৰণৰ আগত প্ৰতিফলিত কৰোতে তেওঁৰ থাকিব লাগিব দাপোণৰ দৰে যান্ত্ৰিক সঠিকতা আৰু ত্ৰুটীহীনতা; সাক্ষী প্ৰমাণবোৰ পৰিচালনা কৰোতে তেওঁ হ'ব লাগিব উকীলৰ দৰে কৌশলী ভাকিক, সামঞ্জস্যহীন বা পৰস্পৰ বিৰোধী বৰ্ণনাসমূহৰ মাজেদি সত্য পথৰ অনুসন্ধান কৰোঁতে তেওঁ হ'ব লাগিব ন্যায়-বিচাৰকৰ দৰে নিৰপেক্ষ আৰু শেষত তেওঁৰ থাকিব লাগিব অন্তদৃষ্টি আৰু দূৰদৰ্শিতা যি তেওঁক নতুন সমল আবিষ্কাৰ কৰাত সহায় কৰিব। [৬৩]

জাতীয়তাবাদী আৰু নৰমপন্থী ইতিহাসকাৰ

আগেয়ে কৈ অহা হৈছে যে, ইউৰোপীয় পণ্ডিতসকলৰ এটা গোষ্ঠীয়ে ভাৰতীয় হিন্দু আৰু মুছলমান উভয়বে সভ্যতা-সংস্কৃতিৰ বিষয়ে কটু সমালোচনা কৰিছিল। এনে পক্ষপাতমূলক লিখনীয়ে শিক্ষিত ভাৰতীয় সকলৰ অত্যন্ত বিৰাগৰ সৃষ্টি কৰে আৰু দোষাৰোপ সমূহ খণ্ডনৰ অৰ্থে

৬৩. *Ibid*; Hari Sankar Srivastava, "Radha Kumud Mukherjee", p.79. তেওঁৰ মৌলিক গ্ৰন্থসমূহ চাৰিভাগে বিভক্ত কৰা যায়: (1) General History: *Hindu Civilization, The Gupta Empire, Ancient India,* etc. (ii) Biography : *Chandra Gupta Maurya, Asoka, Harsha, Men and Thought of Ancient India* (iii) Studies on Institutions : *Local Self Government in Ancient India, The History of Indian Shipping and Maritime Activity from the Earliest time, Ancient Indian Education* (iv) On Indian Unity : Fundamental Unity of India, *Nationalism in Hindu Culture* and *A New Approach to Communal Problem.*

ঐতিহাসিক ঘটনাসমূহ অধ্যয়নত সিবিলাকে মনোনিবেশ কৰে। অধ্যয়ণৰ দ্বাৰা ইউৰোপীয় আক্রমণৰ বিপক্ষে ভাৰতৰ প্রাচীন সংস্কৃতিক সগৌৰৱে থিয় কৰাবলৈকে এটা প্রেৰণা জন্মালে। স্বামী দয়ানন্দৰ দৰে উগ্রপন্থীসকলে বেদৰ এটা নতুন ব্যাখ্যা দাঙি ধৰি দেখুৱালে যে, ইয়াত সকলো বিষয়ৰে যুক্তিপূর্ণ চিন্তাধাৰা আছে, যি চিন্তাধাৰাই আনহে নালাগে কুৰি শতিকাৰ বৈজ্ঞানিক আবিষ্কাৰসমূহৰো আগজাননী দিছিল। একে ধৰণে বংকিম চাটাৰ্জী, ৰাজনাৰায়ণ বসু, বাল গংগাধৰ তিলক, ভি, ডি, সৱৰকাৰ আদিয়ে হিন্দু সংস্কৃতি পাশ্চাত্য সংস্কৃতিতকৈ শ্রেয় বুলি দৃঢ়ভাৱে কৈছিল। জাতীয় ভাৱাপন্ন আৰ, জি, ভাণ্ডাৰকাৰ, ৰাজেন্দ্রলাল মিত্র, ৰমেশ চন্দ্র মিত্র আদিৰ দৰে জাতীয়তাবাদ মতাৱলম্বী-সকলে ঘটনাসমূহৰ বস্তুনিষ্ঠ ব্যাখ্যা দাঙি ধৰিলে আৰু ইউৰোপীয়বিলাকে দিয়া ভাৰত ইতিহাসৰ বিকৃত ব্যাখ্যা সংশোধন কৰাৰ চেষ্টা কৰিলে। মেজৰ ডি, বসু, এ, চি, মজুমদাৰ, চি আই চিন্তামনি প্রমুখ্যে আন এটা গোষ্ঠীয়ে বিদেশী শাসনৰ ওৰ পেলাবলৈ জাতীয়তাবাদীসকলে কৰা প্রচেষ্টাৰ শক্তি বৃদ্ধিৰ অর্থে জনসাধাৰণৰ আগত দাঙি ধৰিছিল—ইংৰাজে ভাৰতক কৰা শোষণৰ স্বৰূপ। ইয়াৰ বাহিৰেও আন এটা ঐতিহাসিক গোষ্ঠীয়ে কোনো বিশেষ মতবাদৰ প্রতি টান নোখোৱাকৈ থাকি অতীতক, যেনেকৈ আছিল তেনেকৈয়ে, পুনর্নিমাণ কৰাৰ বাবে অহো পুৰুষাৰ্থ কৰিছিল। এইসকলৰ ভিতৰত আছিল—যদুনাথ সৰকাৰ, সুৰেন্দ্র নাথ সেন, ছাফৎ আহমদ খাঁ, ৰমেশ চন্দ্র মজুমদাৰ, শ্রীনিবাস চাৰিয়াৰ দৰে খ্যাতনামা ঐতিহাসিকসকল।

মাৰ্ক্সবাদীসকল

যোৱা কেইদশকত মাৰ্ক্সবাদী ইতিহাসকাৰৰ আৱিৰ্ভাৱে ইতিহাস-ৰচনা বিধিত এক তাৎপর্য্যপূর্ণ বিকাশ ঘটাইছে। হীৰেণ মুখাৰ্জী, আৰ, পি, দত্ত, কোশাম্বীৰ দৰে ইতিহাসকাৰ সকলে ভাৰত-ইতিহাসৰ গতি আৰু ব্যক্তিৰ সম্পৰ্কে নতুন একো তথ্য বা প্রমাণৰ ওপৰত ভিত্তি নকৰি মাৰ্ক্সীয় নীতি অনুসৰি ইতিহাসৰ এক নতুন ব্যাখ্যা দিবলৈ যত্ন কৰিছে। ৰাজনৈতিক ঘটনাসমূহৰ ভাৰত সক্রিয় হৈ থকা ঔপনিবেশিক আৰু

শোষণকাৰী সমাজৰ শক্তিবোৰক কোনোপধ্যে আওকাণ কৰিব নোৱাৰি বুলি সেইবোৰৰ স্বৰূপ জনগণৰ আগত দাঙি ধৰাই তেওঁলোকৰ লক্ষ্য। এই ব্যাখ্যা সকলো যুগতে, সকলো পৰিস্থিতিতে প্ৰযোজ্য হয় নে নহয়—এই বিষয়ে পণ্ডিতসকলৰ ভিতৰত মতভেদ। মাৰ্ক্সে উদ্যোগিক সমাজ আৰু উনৈশ শতিকাৰ ৰাজতান্ত্ৰিক আৰু উপনিবেশিক ধাৰণাৰ পটভূমিত তেওঁৰ তত্ত্ব ৰচনা কৰিছিল। প্ৰাচীন আৰু মধ্যযুগীয় ইতিহাস বুজি পোৱাৰ অমোঘ অস্ত্ৰ হিচাপে এই তত্ত্বৰ প্ৰয়োগ উপযোগী নহবও পাৰে, যদিও প্ৰকৃতপক্ষে দৰিদ্ৰ আৰু দলিত জনসাধাৰণক ধনী আৰু সুবিধা ভোগীসকলে যুগে যুগে কোনো এক ধৰণে শোষণ কৰি আহিছে আৰু মানুহৰ কাৰ্য্যত অৰ্থনৈতিক উদ্দেশ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা সদায় লৈ আহিছে। দুৰ্ভাগ্যৰ কথা এনে প্ৰচেষ্টাত ইতিহাস গৈ থৈ এক ভাবাদৰ্শৰ লগত খাপ খুৱাবৰ নিমিত্তে প্ৰস্তুত কৰা ৰহস্যসনা বা সীমাবদ্ধ বিৱৰণীত পৰিণত যে হবগৈ—এই বিষয়ে হয়তো সৰহভাগ ঐতিহাসিকে একমত হ'ব।

ইতিহাসৰ অপলাপ

স্বাধীনতা লাভৰ পাছৰ পৰা আৰু এচাম ঐতিহাসিকৰ উত্তৰ হৈছে, যি আধুনিক ইতিহাস ৰচনা বিধিৰ জন্মদাতা নাইবুৰৰ (Niebuhr), ৰাংকে (Ranke), যদুনাথৰ দৰে ঐতিহাসিকসকলে সত্যৰ যি উচ্চ আদৰ্শ দাঙি ধৰিছিল, সেই আদৰ্শ ভংগ কৰিছে। ইবন্ খালডুনে কোৱাৰ দৰে, তেওঁলোকে "উচ্চ পদস্থ বিষয়াৰ প্ৰশংসা কৰি, তেওঁলোকৰ যশস্যা প্ৰচাৰ কৰি, তেওঁলোকক তোষামোদ কৰি, তেওঁলোকৰ কাৰ্য্যৰ অতিৰঞ্জিত কৰি" আৰু[৬৪] "তেওঁলোকে যিহকে কৰে তাকে মহৎ আখ্যা দি" সেইসকলৰ অনুগ্ৰহ লাভৰ আশা কৰে। চৰকাৰে যি ধাৰণাসমূহক ৰাষ্ট্ৰীয় নীতিলৈ উন্নীত কৰিছে, সেইবিলাক প্ৰচাৰৰ অৰ্থে, প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে, ইতিহাসৰ আশ্ৰয় লব লগা হয়, আৰু তাৰ দ্বাৰা ইতিহাস ৰচনা-বিধিক ভুলপথে পৰিচালিত কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। জাতীয়

৬৪. *Sarkar History*, p 119.

ঐক্য আৰু সংহতিৰ বিপৰীত ধৰ্মী কোনো কথা যি ইতিহাসে উল্লেখ কৰে, তেনে ইতিহাস কৰ্তৃপক্ষৰ প্ৰকৃত ইতিহাস নহয়। তেওঁলোকৰ মতে মানৱ ধৰ্মৰ জঘন্য ব্যতিক্ৰম, ঘৃণনীয় অপৰাধ, দেশ-বিভাজন আৰু সংঘৰ্ষ, অধঃপতন আৰু অৱক্ষয়ৰ স্মৃতি মনলৈ আনিব নালাগে ; আনিব লাগে জীৱনৰ উচ্চ প্ৰমূল্যৰ কথা, ঐতিহ্য আৰু সংস্কৃতিৰ কথা, আৰু মানৱসেৱাৰ অৰ্থে আগবঢ়োৱা ত্যাগ আৰু নিষ্ঠাৰ মহত্তৰ ক্ৰিয়া-কলাপৰ কথা।[৬৫] তেওঁলোকৰ মতে ইতিহাসে লিপিবদ্ধ কৰিব লাগিব অশোকৰ বৌদ্ধধৰ্মৰ প্ৰচাৰৰ কথাহে, কলিংগ যুদ্ধৰ ভয়াবহ কাহিনী নহয়, ঘজনীৰ মামুদৰ ধ্বংসলীলা আৰু হত্যাকাণ্ড, ঔৰংজেবৰ হিন্দু বিদ্বেষ, সাম্প্ৰদায়িক মৰামৰি-কটাকটি আদিৰ চিনচাব ইতিহাসৰ পৰা সাৱধানে বাদ দিব লাগে। মহাত্মা গান্ধীৰ দ্বাৰা প্ৰচাৰিত অহিংসা নীতি ভাৰতৰ ইতিহাসত সদায় মানি চলা হৈছিল বুলি ঐতিহাসিকে কেনেকৈ কয় ? ভাৰত সম্ৰাটসকলৰ জাত সকলো তথ্যাই, তেওঁলোক যুদ্ধ-বিৰোধী আছিল বুলিতো নকয়েই বৰং যুদ্ধ এটা চিৰাচৰিত ৰীতি বুলিহে ইতিহাসে কয় : অশ্বমেধ যজ্ঞ আৰু দিগ্বিজয়ৰ উচ্চ প্ৰশংসাৰ দ্বাৰা ধৰ্ময়ো দেখোন তাকে সমৰ্থনহে কৰে। ভাৰতীয় ইতিহাস সন্মিলনৰ (Indian History Congress, 1957) সভাপতিৰ অভিভাষণত কে. এম্. মুন্সিয়ে ঐতিহাসিক সকলক সতৰ্ক কৰি কৈছে :

> ঐতিহাসিকৰ ভূমিকা তোষামোদকাৰী বা ৰাজকবিৰ নহয়। ঐতিহাসিকে ঘটনাসমূহ বিচাৰি উলিয়াব লাগিব আৰু নিৰপেক্ষভাবে সেই ঘটনাসমূহ অধ্যয়ন কৰিব লাগিব, যাতে কোনো বাহ্যিক চিন্তাই কলুষিত নকৰা অতীতৰ শুদ্ধ পৰিপ্ৰেক্ষী তেওঁ পাব পাৰে আৰু ঘটনাৱলীৰ পৰা তেওঁ সৎ-বিচাৰ-সম্মত শিক্ষা আহৰণ কৰিব পাৰে। ঐতিহাসিকে যি ভূমিকাই গ্ৰহণ নকৰক, ঘটনাৱলীৰ অনুশাসনৰ মাজেৰে তেওঁ যেতিয়া দৃষ্টি নিক্ষেপ কৰে, তেওঁ সদায় সত্যৰ অবিচলিত ভক্ত হৈয়েই থাকিব লাগিব।[৬৬]

---

৬৫. R. C. Majumdar "Indian History : Some Recent Trends" *op. cit.*, pp. xxii.

৬৬. ***Presidential Address IHC***, Vallabh Vidyanagar, December, 1957.

অতীতৰ নতুন দৃষ্টিভংগী

যোৱা কেইপুৰুষৰ ঐতিহাসিকসকলৰ প্ৰচেষ্টাত আগৰ আঁচে শতি-কাত ঘটি যোৱা ঘটনাৱলীৰ অগ্ৰগতি সম্পৰ্কে বুজি পোৱা আৰু ব্যাখ্যা কৰাত বহুখিনি সহজ হৈছে। তথাপি সেই একে ক্ষেত্ৰতে আৰু অনু-সন্ধানৰ যুক্তিযুক্ত কাৰণ আছে বুলিও বহুতে ভাবে। সিবিজাকৰ মতে আগৰ অনুসন্ধানকাৰীসকলে আংশিকভাবেহে সত্যৰ সন্ধান পাই-ছিল আৰু তাকো নিজৰ দৃষ্টিকোণৰ পৰাহে, যি দৃষ্টিকোণ হয়তো আমাৰ লগত নিমিলিবও পাৰে। তথ্যসমূহৰ প্ৰত্যেক নতুন উৎসৰ আবিষ্কাৰে আৰু বৌদ্ধিক উন্নতিৰ প্ৰত্যেক স্তৰেই অতীতক বুজি পোৱাত ক্ৰমে আগবঢ়াই গৈ থাকে। তদুপৰি ১৯৪৭ চনলৈকে ইংৰাজৰ লগত যি মনোমালিন্য চলি আছিল তাৰ অৱসান ঘটাত দুয়োখন দেশৰ পণ্ডিত-সকলৰ কাৰণে নতুন বাতাবৰণ সৃষ্টি হৈছে, যাৰ ফলত সেই সময়ছোৱাত ঘটি যোৱা ঘটনাসমূহক এটা নতুন দৃষ্টিভংগীৰে চাব পৰাৰ সুযোগ ঘটিছে। দৰাচলতে, ঐতিহাসিক এছ, গোপালে কোৱাৰ দৰে সেই প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে।[৬৭] তাৰ প্ৰমাণ ১৮৫৭ চনৰ বিদ্ৰোহ আৰু বৃটিছ সকলক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰা শক্তি আৰু কাৰণসমূহ সম্পৰ্কে ভাৰতীয় পণ্ডিতসকলে আগবঢ়োৱা ব্যাখ্যা। কাৰ্জন আৰু ডেলহাউচিৰ বিষয়েও এটা বস্তুনিষ্ঠ নতুন অধ্যয়নৰ যে আৱশ্যক-আধুনিক, ইতিহাসকাৰসকলে এই কথাও অনুভৱ কৰে। এই দুজনৰ ভিতৰত প্ৰথমজনৰ আছিল ভাৰতৰ ওপৰত এটা দৃঢ়বিশ্বাস আৰু তেওঁ ভাৰতীয়ৰ পক্ষে যিটো মংগলজনক বুলি ভাবিছিল তাকে কৰি গৈছিল। দ্বিতীয়-জনেও প্ৰশাসনৰ ভিত্তিত যিমান পাৰি ভাৰতৰ সংহতিৰ সাধনৰ চেষ্টা কৰিছিল। এইদৰে ৰাজতন্ত্ৰ দল আৰু আন্দোলনসমূহৰ সম্পৰ্কেও নিৰপেক্ষ অধ্যয়নৰ থল আছে। অৱশ্যে ঐতিহাসিকে সাৱধানতা অৱলম্বন কৰি চলিব লাগিব যাতে তেওঁ অতীতৰ ব্যাখ্যা কৰোতে থাকে, চাতুকাৰ বা তোষামোদকাৰীৰ শাৰীলৈ নামায়।

---

৬৭. *Presidential Address IHC* 1961, Modern Section

সামাজিক আৰু সামাজিক বিৱৰ্তন

প্ৰকৃততে সম্প্ৰতি ইতিহাসৰ দিশ আৰু ৰচনাবিধিৰ আমূল পৰিবৰ্তন ঘটিছে, যাৰ ফলত সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ইতিহাসৰ প্ৰতি মনোযোগ ক্ৰমে বৃদ্ধি পাই আহিছে; অৱশ্যে সামাজিক ইতিহাসৰ সৰহ ক্ষেত্ৰতে এটা বিশেষ অঞ্চল বা কালতে আবদ্ধ হৈ আছে। লিখিত-অলিখিত নানা সম্বলৰ ভিত্তিত সামাজিক জীৱনৰ বিভিন্ন দিশ-বোৰ—খাৱন-পিন্ধন, অা-অলংকাৰ, ৰীতি-নীতি, খেল-ধেমালি, উছৱ-পৰব, নাৰীৰ অৱস্থা আৰু সমাজত স্থান সম্পৰ্কে বিস্তৃত বিৱৰণ পোৱা যায়। কিন্তু, কেইখনমানত বাদে অধিকাংশ গ্ৰন্থতে সামাজিক গতিশীলতা (social changes) সম্পৰ্কে আলোচনা কৰা হোৱা নাই। সমাজক গতিশীল হিচাপে নধৰি স্থিতিশীল হিচাপেহে দাঙি ধৰা হৈছে। দৰাচলতে প্ৰাচীন কালৰ পৰা আজিৰ দিনলৈকে সামাজিক গতিশীলতা চলি আছে। আৰ্য্য প্ৰব্ৰজন, পাৰসিক আৰু গ্ৰীক অভিযান, তুৰ্কী-আফগান মোগল আক্ৰমণ আৰু মংগলীয় অনুপ্ৰবেশে ভাৰতৰ সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনলৈ সুদূৰ প্ৰসাৰী পৰিবৰ্তন আনিছে। এই পৰিবৰ্তন সাধন কৰা সমাঘাতসমূহৰ স্বৰূপ ভিন্ ভিন্ সমাজ আৰু কালত বিভিন্ন আছিল। এই পৰিবৰ্তন সমূহৰ তুলনামূলক অধ্যয়নৰ আৱশ্যকতা সকলোৱে অনুভৱ কৰিছে। মধ্যযুগৰ ভক্তিমাৰ্গৰ সন্তসকলে সামাজিক বৈষম্যৰ প্ৰতি দিয়া প্ৰত্যাহ্বানৰ কথা সমসাময়িক ভক্তিমূলক সাহিত্যত প্ৰতিফলিত হৈ আছে। আনহে নালাগে আমাৰ দিনতে অনুন্নত সম্প্ৰদায়ৰ লোকৰ মাজত ভাৱাদৰ্শ, ক্ৰিয়াকাণ্ড আৰু ৰীতি-নীতিৰ পৰিবৰ্তনৰ মাজেদি এটা ক্ৰমোন্নতি দেখা যায়। এই সামাজিক পৰিবৰ্তনৰ স্বৰূপ তাৰ পৰিসীমা, কাৰণ আৰু দিক্‌সমূহৰ সম্পৰ্কে এটা গভীৰ অধ্যয়নৰ প্ৰতি ভাৰতীয় ইতিহাসকাৰৰ এচামে মনোযোগ দিছে।

বৌদ্ধিক ইতিহাস

ওপৰৰ্ত, ইমান দিনে আমি ৰজা-মহাৰজা, মন্ত্ৰী, ডা-ডাঙৰীয়া বা তেওঁলোকৰ যুদ্ধ-বিগ্ৰহ আৰু জয়-পৰাজয়ৰ কথাকে লৈ ইমান ব্যস্ত

আছিলো যে, আমাৰ দাৰ্শনিক, কলাবিদ, বিজ্ঞানী, শিক্ষক, সংস্কাৰক আৰু আন্দোলনসমূহৰ বিষয়ে চিন্তা-চৰ্চা কৰা নাছিলো। আন কথাত কবলৈ হ'লে, সৃজনাত্মক ভাব-চিন্তাৰ বৌদ্ধিক ইতিহাসলৈ আমি আওকাণ কৰি আছিছো। বৌদ্ধিক ইতিহাস কেৱল দৰ্শন, সাহিত্য, ধৰ্ম, বিজ্ঞান আৰু কলাৰ সংক্ষিপ্ত বিৱৰণই নহয়, ই এখন বিশেষ সমাজৰ ভাব-চিন্তাৰ মানচিত্ৰ। এই ইতিহাসে ক'বলৈ বিচাৰে কোনে, কি বৌদ্ধিক আৰু সাংস্কৃতিক অৱদান আগবঢ়ালে কেতিয়া, ক'ত আৰু কেনেকৈ? বৌদ্ধিক ইতিহাসৰ পণ্ডিত এজন গল্প কোৱা লোক নহয়; তেওঁ হ'ব চিন্তাশীল ব্যক্তি। তেওঁ সৃজনাত্মক ভাব-চিন্তাৰ মাজৰ আভ্যন্তৰিক সম্বন্ধ আৰু বৌদ্ধিক উপাদানৰ ওপৰত তাৰ প্ৰতিক্ৰিয়া ব্যাখ্যা কৰা আৱশ্যক। মধ্যযুগীয়া সন্তসকলে বিভিন্ন নামেৰে (ৰাম, কৃষ্ণ, শিৱ, আল্লা) ভগৱানৰ একত্ব উপলব্ধি কৰিছিল আৰু তেওঁলোকেই ভক্তিৰ এটা বিস্তৃত ব্যাখ্যা আৰু বিশ্লেষণ দাঙি ধৰিছিল। এই আন্দোলনৰ মূলত আগি উঠিছিল এক নতুন চেতনা—ইয়াৰ মূল সুৰ আছিল প্ৰেম আৰু উদাৰতা। এই প্ৰেম আছিল মানুহৰ ভগৱানৰ লগত মিলাই দিয়া প্ৰেম আৰু উদাৰতা আছিল জাতি, ধৰ্ম, সম্প্ৰদায় সকলোকে সমভাৱ তেতিত ৰাখন কৰা উদাৰতা। ব্ৰাহ্ম সমাজ, ৰামকৃষ্ণ মিছন, বিবেকানন্দ, শ্ৰীচৈতন্য, শংকৰদেৱ, খৃষ্টীয়ান মিছনেৰীসকলৰ বিষয়ে বহুতো গ্ৰন্থ আছে; কিন্তু কেনেকৈ এওঁলোকৰ ভাব-চিন্তাসমূহে জনসাধাৰণৰ মন পৰশিছিল, এটাৰ লগত আনটোৰ যোগসূত্ৰ ক'ত আৰু এজনে আনজনক প্ৰভাৱান্বিত কৰিছিল নে আৰু এইবিলাক এতিয়াও অনুসন্ধানৰ বিষয়। নতুন ধ্যান-ধাৰণাৰ ক্ষেত্ৰত হোৱা এই আন্দোলনসমূহৰ অধ্যয়ন কৰা আমাৰ জাতীয় সংহতিৰ পক্ষেও যে নিতান্ত আৱশ্যক এই কথা কলাই মক-লেও হব।

সমসাময়িক ইতিহাস

ঘটনা আৰু ব্যক্তিসমূহৰ সান্নিধ্য, আৱশ্যকীয় নথি-পত্ৰাদিৰ অভাৱ আৰু কেউপিনে ঘটি থকা ঘটনাৱলী জড়িত হৈ পৰা—এনেবোৰ পৰি-স্থিতিয়ে গভীৰ ঐতিহাসিক লিখনৰ প্ৰতিকূল অৱস্থাৰ সৃষ্টি কৰে। কোনো কোনোৱে ভাবে যে, এই অসুবিধাবোৰ নোহোৱা নহয়, কিন্তু কিছু অতিৰঞ্জিত কৰা হয়। যি কোনো ঐতিহাসিকে ভাবি লব নালাগিব যে বিশেষকৈ ভাৰত-ইতিহাসৰ দৰে সুবিস্তৃত বিষয়-বস্তুৰ চিন্তা-চৰ্চা কৰিবলৈ হ'লে, তেওঁ কোৱাখিনিয়েই বিষয়টোৰ ওপৰত শেষ কথা আৰু তেওঁৰ

কথাৰ ওপৰত কোনেও মাত মাতিব নোৱাৰিব। ঐতিহাসিকৰ লক্ষ্য যদিও সত্যৰ সন্ধান, তেওঁ যিমানেই চেষ্টা নকৰক সেই লক্ষ্যত সম্পূৰ্ণকৈ উপনীত হোৱাটো সম্ভৱপৰ নহয়।[৬৮] নকলেও হ'ব, প্ৰথম মহাসমৰ বা স্বাধীনতা সংগ্ৰামৰ নিচিনা বিষয় ওপৰত অসংখ্য গ্ৰন্থ ওলাইছে যদিও ঐতিহাসিক এনে বিষয়ৰ চৰ্চ্চা- অন্বেষণ কৰিয়েই আছে। এজন সমসাময়িক ঐতিহাসিকে বিস্তৃত (comprehensive) ইতিহাস প্ৰণয়ন নকৰিবও পাৰে; তেওঁৰ পৰবৰ্তী এজনে হয়তো তেওঁতকৈ অধিক প্ৰামাণিক সমল পাব। তথাপি সমসাময়িকজনে তেওঁৰ নিজৰ সময়ৰ মানসিকতাৰ স্বৰূপ পৰবৰ্তীজনতকৈ বেছি ভালকৈ ধৰিব পাৰিব। তদুপৰি তেওঁ বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰিব পাৰে আৰু সেই সম্পৰ্কীয় লোকক সাক্ষাৎ কৰিও তাৰ সম্পূৰণ ঘটাব পাৰে।

ঘটনাসমূহ লিপিবদ্ধ কৰোঁতে ঐতিহাসিকৰ উদ্দেশ্য হ'ব লাগিব জনসাধাৰণৰ জ্ঞান বৃদ্ধি কৰা, অভিমত দৃঢ় কৰা আৰু জাতিটোক নিজকে বুজি পোৱাত সহায় কৰা। এই উদ্দেশ্য সাধনৰ অৰ্থে আমাৰ শক্তি কিমান, দুৰ্বলতা ক'ত, জনসাধাৰণত নিৰ্ভয়ে অৱগত কৰাব লাগিব। তেতিয়াহে ৰাজনীতিত লিপ্ত থকাসকলে আৰু বিষয়াসকলে আমাৰ মতামতলৈ কাণ থিয় কৰি থাকিব আৰু জনসাধাৰণে আমাৰ মতামত-বোৰত গুৰুত্ব দিব। ঐতিহাসিকে ৰাইজৰ মতক গঢ় দিয়াত সহায় কৰি থাকিব পাৰিব যিহেতু তেওঁৰ ইতিহাসৰ সমল মৰা অতীতৰ পৰা খুঁচৰি উলিওৱা নহয়, জীয়া মানুহৰ পৰাই প্ৰদৰ্শন কৰা। অৱশ্যে তেওঁ দলীয় স্বাৰ্থ, ভাবাদৰ্শৰ সংঘাত, (Ideological conflicts ব্যক্তিগত ইচ্ছা কল্পনা, সকলোৰে উৰ্দ্ধত থাকিব লাগিব। সমসাময়িক ইতিহাসে কেৱল আমাৰ আগত লক্ষ্য স্থাপন কৰাই নহয়, আমাৰ আত্মসমালোচনাৰ দাপোণ দাঙি ধৰি তাত প্ৰতিফলিত কৰিব সামাজিক জীৱনৰ অৱক্ষয়ৰ পথলৈ ঠেলি নিয়া আমাৰ ত্ৰুটি-বিচ্যুতিসমূহ। গোষ্ঠী ভাষা, সংকীৰ্ণ স্বাৰ্থ আৰু আঞ্চলিকতাবাদৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ সম্প্ৰতি আমাৰ দেশ শতধা বিভক্ত। এই সময়ত হয়তো আমাৰ বাবে আত্মসমালোচনাৰ প্ৰয়োজন অতীতৰ যি কোনো সময়তকৈ অধিক প্ৰয়োজনীয় হৈ পৰিছে।

---

৬৮. "Clio may be in possession of the truth, but to the historian she will at best in exchange for his labour and devotion, vouchafe a glimpse. Never will she surrender th^ whole of her treasure. The most that we can hope for is a partial rendering, an approximation of real truth about the past". Pieter Geyl, *Use and Abuse of History*, pp.62-3.

নৱম অধ্যায়

আঞ্চলিক ইতিহাস

প্ৰাচীন ঐশ্বৰ্য্যেৰে ভৰা ভাৰতবৰ্ষ, আগেয়ে কৈ অহা হৈছে, আদিতে ইতিহাস ৰচনা কাৰ্য্যত অতি পিছপৰা আছিল। ইতিহাস বা বুৰঞ্জী ৰচনা ক্ষেত্ৰত পূৰ্বণি কামৰূপ ৰাজ্যও যে দেশৰ আন অংশতকৈ বিশেষ অগ্ৰসৰ হৈছিল, এনে প্ৰমাণ পোৱা নাযায়। বুৰঞ্জী-প্ৰেমী টাই-আহোম সকলৰ অসম আগমনৰ লগে লগে অৰ্থাৎ তেৰ শতিকাৰ আদিৰে পৰা অসমত বুৰঞ্জী-ৰচনাৰ সূচনা হয়। বুৰঞ্জী-সাহিত্য টাই-আহোমসকলৰ অসমলৈ অতুলনীয় অৱদান। ৰাজ পৰিয়ালৰ উপৰিও ডা-ডাঙৰীয়া সকলেও পূৰ্বপুৰুষসকলৰ বল-বিক্ৰম জনাটো নিতান্ত আৱশ্যক বুলি ভৰা হৈছিল। "আহোম ৰাজত্বৰ বিষয়াসকলৰ নিয়োগ কৰোতে তেওঁৰ পূৰ্বপুৰুষৰ দেশৰ কাৰণে, জাতিৰ কাৰণে, ৰজাৰ কাৰণে কি কৰিছিল, কোৱা হৈছিল আৰু তেওঁক সেই বিশ্বাস ৰাখি আত্মনিয়োগ কৰিবলৈ উপদেশ দিয়া হৈছিল।" [১] সেইকাৰণে আহোমসকল অহাৰ পৰা উনবিংশ শতিকাৰ প্ৰায় মাজভাগলৈকে চিৰিং-বৰচিৰিং ফুকনৰ তত্বাৱধানত দেওধাই-বাইলুং পণ্ডিতৰ দ্বাৰা বুৰঞ্জী প্ৰণয়ন কৰোৱা হৈছিল। আৰম্ভণিতে আহোম ভাষাত আৰু সপ্তদশ শতিকা মানৰ পৰা অসমীয়া ৰাজ্যিক ভাষা হোৱাৰ পৰা অসমীয়া ভাষাতো বুৰঞ্জী ৰচনা হৈছিল।

বুৰঞ্জীৰ ৰূপ

কলহনৰ 'ৰাজ-তৰংগিনী'ৰ দৰে বুৰঞ্জীক ইতিহাসৰ শাৰীত ধৰা নাযায়। 'বু' অৰ্থে নজনা, ৰণ-জনোৱা আৰু জী—ভৰাল; বুৰঞ্জী

---

১. সৰ্বানন্দ ৰাজকুমাৰ, ইতিহাসে সোঁৱৰা ছশটা বছৰ, ৮৯ পৃঃ

'নজনা কথা জনোৱাৰ ভৰাল'—সত্য উদ্‌ঘাটন হোৱাৰ উদ্দেশ্য নহয়। ৰাজপুতসকলৰ খ্যাট (Khyat) আৰু মাৰাঠাসকলৰ বাখাৰ (Bakhar) বিলাকৰ দৰে বুৰঞ্জীও ৰজা আৰু ৰাজ-দৰবাৰৰ ঘটনাৰ উপৰিও ওচৰ-চুবুৰীয়া আৰু বৈদেশিক ৰাজ্যসমূহৰ লগত সামৰিক, অসামৰিক আৰু কূটনৈতিক লেন-দেনৰ বিৱৰণ। সাধাৰণতে ৰাজ-দৰবাৰৰ নথি-পত্ৰ, কটকী-বৈৰাগীৰ প্ৰতিবেদন আৰু দাঁতিয়লীয়া বিষয়াৰ চিঠি-পত্ৰৰ আলমত বুৰঞ্জী প্ৰণয়ন হৈছিল। গতিকে মধ্যযুগীয় ইতিহাসৰ এইবিলাক অপৰিহাৰ্য্য সমল। মূল বুৰঞ্জী হেৰোৱাৰ ভয়ত একোখনৰ প্ৰতিলিপিও (Transcript) কৰা হৈছিল আৰু সেইবিলাকত প্ৰায়ে নতুন তথ্য-পাতি সন্নিৱিষ্ট হৈছিল। ভিন্ ভিন্ সময়ত বিভিন্ন বুৰঞ্জী প্ৰণয়ন বা সংকলন হোৱা কাৰণে সকলোবিলাকৰ বিষয়-বস্তু, ভাষা আৰু ৰচনা-ৰীতি একে নহয় আৰু প্ৰত্যেকতে কিছু নতুন তথ্য-পাতি পোৱা যায়। বুৰঞ্জীবিলাক প্ৰায়ে পৰস্পৰ পৰিপূৰক (supplementary)। এখনৰ লগত আন এখনৰ মিল থকাৰ উপৰিও সমসাময়িক ফাৰ্চী ভাষাৰ মুছলমান ৰচকৰ বুৰঞ্জীৰ ঘটনাৰ সামঞ্জস্য দেখা যায়। সেইকাৰণে প্ৰায়বিলাকেই যে সঠিক সহজে ধৰিব পৰা যায়। আকৌ খ্যাট আৰু বাখাৰবিলাকৰ তুলনাত বুৰঞ্জীৰ কালানুক্ৰমিকতা (chronology) বিশুদ্ধ; এইবিলাকত শক, দিন-বাৰ আনকি নালাগে দণ্ড-প্ৰহৰো উল্লেখ থাকে আৰু সেইবিলাক সাধাৰণতে তামৰ ফলি, মুদ্ৰা, সমসাময়িক সাহিত্যৰ লগত মিল দেখা যায়।

বুৰঞ্জী মাত্ৰেই যে সঠিক বা সঁচা কথাৰ ভৰাল,[২] এনেধৰণে কোৱা টান। আকৌ ৰজাঘৰীয়া নথি-পত্ৰৰ ভিত্তিতে ৰচনা হলেই যে এইবিলাক

২. হিতেশ্বৰ বৰবৰুৱাই কয় : "বুৰঞ্জীৰ কথাবিলাক যেনে নিৰ্ভাজ সত্য হব লাগে আমাৰ বুৰঞ্জীবিলাকৰ কথাবোৰো ঠিক তেনেকুৱাই নিৰ্ভাজ সত্য। তাত সত্যক গোপন কৰিবলৈ কোনো চেষ্টাৰ প্ৰয়াস পোৱা নাযায়। তাত ক'তো অতি বাহুল্য বা অতিৰঞ্জনৰ চেষ্টা নাই............ ঘটনাৰ যথাযথ বিৱৰণৰ বাহিৰে তাত কোনো ৰহণ লগোৱা কথাই ঠাই নাপাইছিল।" সভাপতিৰ ভাষণ, প্ৰথম অধিবেশন (১৯২৫), বুৰঞ্জী শাখা, অসম সাহিত্য সভা, ভাষণাৱলী ৩য় ভাগ, ২পৃ: ; সূৰ্য্য কুমাৰ ভুঞা, (সম্পাদিত), ৰহস্ত; আসাম বুৰঞ্জী, পাতনি xii পৃ: ; Lila Gogoi, *The Buranjis: Historical Literature of Assam etc.* 186-191.

নিৰপেক্ষ আৰু বস্তুনিষ্ঠ (objective) হ'ব, সেইটোও ক'ব নোৱাৰি। ৰাজ্যৰ ভাগ্যনিয়ন্তা সকলৰ কৰ্মপন্থা বা ভাৱধাৰা সমাৱেশ থকা বাবে বুৰঞ্জীবিলাক যে গুৰুত্বপূৰ্ণ দলিল—এই কথা কোনেও নুই নকৰে। সেইবুলি চৰকাৰী নথি-পত্ৰৰ একপক্ষীয় দৃষ্টিভংগীৰ পৰা এইবিলাকো মুক্ত নহয়। এনেস্থলত গুৰিতে যদিহে একোটাইত ঘটনাৰ ভুল ব্যাখ্যা কৰা হয়, তাৰ পৰা সত্য নিৰ্ণয় কৰা সহজ নহয়। "যেই কোনো নথি-পত্ৰ", ইবন্ খালডুনে কৈ যোৱা দৰে, "নিৰ্ভুল হ'ব নোৱাৰে। আদিৰে পৰা এইবিলাকত ভুলৰ কাৰণ বৈ যাব পাৰে।" [৩] ৰচকে তৌকা জোৱাৰ পৰা বুৰঞ্জীৰ ৰচনালৈকে, যিমানে সতৰ্কতা অৱলম্বন নকৰক, কালানুক্ৰমিকতা, বিশেষকৈ প্ৰতিলিপি আৰু অনুবাদ কাৰ্যত, ভুল-ভ্ৰান্তিৰ পৰা হাতসৰা সম্ভৱপৰ নহয়। [৪] প্ৰকৃত ঐতিহাসিকে সেইকাৰণে সকলো তথ্যকে তন্ন তন্নকৈ বিচাৰ কৰিহে গ্ৰহণ কৰিব লাগে, কোনো বিশেষ কথাকে ধ্ৰুব সত্য বুলি ধৰি লব নোৱাৰে।

বুৰঞ্জী ৰচকৰ নিৰপেক্ষতা আৰু নিৰ্ভৰশীলতা নিৰ্ণয়ৰ কাৰণে তেওঁৰ আতি-গুৰি, চৰিত্ৰ, শিক্ষা-দীক্ষা, বিষয়-বাব আৰু চিন্তাধাৰাৰ পৰিচয় জনা আৱশ্যক। অসমৰ পুৰণি বা সাঁচিপতীয়া বুৰঞ্জীৰ, কেৱলমানত বাদে, ৰচকৰ নামেই জনা নাযায়। বুৰঞ্জীত 'টেকা লগা কথা'ৰ একেবাৰে অভাৱ নহলেও সাধাৰণতে ৰজাঘৰীয়া বুৰঞ্জী প্ৰণেতাই ৰাজ-

৩. "All records by their very nature are liable to error, nay they contain factors which make for error." Cited in Sarkar *History*, etcp. 119.

৪. মাণিক বৰগোহাঞিয়ে ঠিকেই লিখিছে: "ছপা বুৰঞ্জীবিলাকত কেতিয়াবা ভাষৰ ভুল বৈ যায়। সাইবা কেতিয়াবা সাঁচিপতী বুৰঞ্জীৰ আখৰৰ পাক ধৰিব নোৱাৰি সম্পাদকে একোটা শব্দ তেওঁৰমতে পোনাই লৈ যায়। কেতিয়াবা আহোমৰ কিছুমান কৈদ বাচক বা সম্বন্ধ-বাচক শব্দৰ লগত পৰিচয় নথকাৰ ফলতেই সম্পাদকে পাক থকা শব্দত অলপ বয় আৰু ভাবিচিন্তি হয়তো নিজ চিন্তাৰ পোহৰত ইয়াৰ অন্যাকাল দিয়ে।" বুৰঞ্জীৰ "মৰণোত্তৰ পৰীক্ষা" "জয়ন্তী-বুৰঞ্জী"; মণিদীপ, ৭ম বছৰ, পঞ্চম সংখ্যা, ৩৫০ পৃঃ, আৰু চাওক, লীলা গগৈ, "অসম বুৰঞ্জী আৰু মন প্ৰমাদ" প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮৫, ১৭ পৃষ্ঠাৰ পৰা।

পৰিয়াল আৰু ডা-ডাঙৰীয়াৰ দায়-দোষ লগোৱা শংকা কৰি সমালোচনা বা নিজা মত প্ৰকাশ কৰাৰ পৰা বিৰত থকা অসম্ভৱ নহয়। আকৌ কোনো ক্ষেত্ৰত প্ৰকৃত ঘটনা প্ৰকাশ নকৰি সততা আৰু নিৰপেক্ষতা পৰিহাৰ কৰাও বিচিত্ৰ নহয়।

অসমৰ মধ্যযুগীয় চৰিত-পুথি আৰু বংশাৱলীবিলাক বুৰঞ্জীৰ পৰিপূৰক সমল। ৰজাঘৰীয়া বুৰঞ্জীৰ দৰে এইবিলাকত উল্লেখ কৰা ৰাজনৈতিক ঘটনাৰ বিশ্বাসযোগ্যতা কম হলেও, এনে সমলে যুগৰ সামাজিক, আৰ্থিক অৱস্থা, ধৰ্ম আৰু সংস্কৃতিৰ পৰিচয় দিয়ে। সাঁচিপতীয়া বুৰঞ্জীৰ দৰে অৱশ্যে এইবিলাকো পুংখানুপুংখভাৱে চালি-জাৰি নোচোৱাকৈ প্ৰামাণ্যযুক্ত বুলি গ্ৰহণ কৰাটো ইতিহাস-বিধিবিৰোধী।

আহোম ভাষাত লিখা বুৰঞ্জীৰ ভিতৰত গোলাপ চন্দ্ৰ বৰুৱাই টাই ভাষাৰ পৰা ইংৰাজী অনুবাদ কৰা 'আহোম বুৰঞ্জী'খনেই সৰ্বপ্ৰধান। ইয়াৰ প্ৰথমছোৱা (দেও বুৰঞ্জী) পৃথিৱীৰ উৎপত্তিৰ পৰা খুনলুঙৰ অসম আগমন বুৰঞ্জীৰ তথ্য হিচাপে ধৰিব পৰা নাযায়। আনখণ্ড (দিন বুৰঞ্জী) অসমত আহোম ৰাজ্যৰ উত্থানৰ পৰা পতনলৈকে প্ৰায় সঠিক ; ইয়াৰ বহুতো তথ্যৰ সোতৰ শতিকাৰ ফাৰ্চী ভাষাৰ বুৰঞ্জীৰ লগত মিল দেখা যায়। অসমীয়া ভাষাত লিখা বুৰঞ্জীসমূহ মাইকৈ তিনিটা স্তৰত ভগাব পাৰি : প্ৰাক্-আহোম আৰু আহোম বুৰঞ্জী, বৈদেশিক আৰু দাতিয়লীয়া বুৰঞ্জী আৰু সানমিহলী বুৰঞ্জী।[৫] হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত 'পুৰণি অসম বুৰঞ্জী' খনেই অসমীয়া ভাষাৰ সৰ্বপ্ৰথম বুৰঞ্জী, ইয়াৰ ৰচনাকাল ষোড়শ শতিকাৰ শেষ, নহলে সোতৰ শতিকাৰ আগভাগ বুলি ধৰা যায়। প্ৰকাশিত বুৰঞ্জীবিলাকৰ ৰচনাকাল সোতৰ শতিকা—গদাধৰ সিংহৰ ৰাজত্বকাল পৰ্যন্ত (১৬৮১—৯৬)। শ্ৰীনাথ দুৱৰা বৰুৱাৰ 'তুংখুঙ্গীয়া

৫. প্ৰাক-আহোম—কামৰূপৰ বুৰঞ্জী ; আহোম বুৰঞ্জী—পুৰণি আসাম বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, অসম বুৰঞ্জী : বৰুৱা, অসম বুৰঞ্জী : (দত্ত: সম্পাদিত) দেওধাই অসম বুৰঞ্জী ; বৈদেশিক আৰু দাতিয়লীয়া বুৰঞ্জী—পাদচাহ বুৰঞ্জী, কছাৰী বুৰঞ্জী, ; সানমিহলি বুৰঞ্জী—চকিয়াল বুৰঞ্জী, সত্ৰীয়া বুৰঞ্জী আৰু চাংৰুং ফুকনৰ বুৰঞ্জী।

বুৰঞ্জী' (১৭৫১-১৮০৬) ১৮০৪ চনত ৰচনা হয়। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জীদাহ, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ উপদ্ৰৱত বহুতো বুৰঞ্জী নষ্ট হোৱাৰ উপৰিও বুৰঞ্জী-প্ৰণয়ন সম্ভৱপৰ নোহোৱাৰ্থ আহোম যুগৰ শেষহোৱাত আহোম আৰু অসমীয়া বুৰঞ্জী অতি বিৰল। উপৰোক্ত বুৰঞ্জীসমূহ ধাৰাবাহিকৰূপে প্ৰণয়ন হ'লেও এইবিলাকত প্ৰাইকৈ ৰাজনৈতিক ঘটনাসমূহৰ সমাৱেশ দেখা যায়। ১৮৩৮ চনত ৰচনা কৰা মণিৰাম দেৱানৰ অপ্ৰকাশিত 'বুৰঞ্জী-বিবেক ৰত্ন'ত (২য় খণ্ড) ৰাজনৈতিক বুৰঞ্জীতকৈ শাসন, সমাজ, ধৰ্ম আৰু ধৰ্ম প্ৰচাৰৰ তথ্যপাতি সন্নিবিষ্ট হৈছে। বিশ্বেশ্বৰ বৈদ্যধিপৰ 'বেলিমাৰ বুৰঞ্জী' (১৮৩৩-৩৮) আৰু দুতিৰাম হাজৰিকাৰ 'কলিভাৰত বুৰঞ্জী' (১৮৬২) সমসাময়িক ঘটনাৰ অমূল্য সম্পদ। কাশীনাথ তামুলীফুকনৰ 'আসাম বুৰঞ্জি পুথি' (১৮৪৪) আৰু হৰকান্ত সদৰ আমিনৰ 'আসাম বুৰঞ্জী' (১৮৭০-৮৮) পুথি দুখনত ঘটনাপঞ্জীৰ পৰা বৃত্তান্তমূলক বুৰঞ্জীলৈ ৰূপান্তৰ হোৱা পৰিলক্ষিত হয়।

বৃত্তান্তমূলক বা এনেলিটিক বুৰঞ্জী

বঙলা ভাষাত লিখা হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম বুরঞ্জি' (১৮২৯) খনেই অসমৰ আধুনিক পদ্ধতিৰ প্ৰথম বুৰঞ্জী। বংগদেশৰ বিশেষকৈ কলিকতা চহৰৰ তেওঁৰ বন্ধুবৰ্গক অসম সম্পৰ্কে কিছু আভাস দিবলৈকে বুৰঞ্জীখন প্ৰণয়ন কৰিছিল বুলি কোৱা হয়, আৰু ইয়াৰ বাবে তেওঁ সেই সময়ৰ বঙলা ভাষাত প্ৰকাশিত ইতিহাস কেখনৰ পৰা প্ৰভাৱান্বিত হৈছিল বুলিও ধাৰণা হয়। অৱশ্যে বঙলা ভাষাত ঢেকিয়ালেকে যি ইতিহাস ৰচিত হৈছিল তাৰ কেখনমান জীৱনী আৰু বাকীকেখন ইংৰাজীৰপৰা অনুবাদ। সেইকাৰণে সুসাহিত্যিক সুকুমাৰ সেনে ঢেকিয়াল

---

৬. ৰামৰাম বসু, প্ৰতাপাদিত্য চৰিত (১৮০১) ; ৰাজীৱ লোচন মুখোপাধ্যায়, মহাৰাজ কৃষ্ণচন্দ্ৰ ৰায় চৰিত্ৰ, (১৮০৫) ; মৃত্যুঞ্জয় বিদ্যালংকাৰ, ৰাজাৱলী (১৮০৮) ; উইলিয়ম কেৰী অনূদিত, ইংলণ্ডের ইতিহাস (১৮১৯) আৰু কেপ্টেইন্ ষ্টুয়াৰ্ট, বয়েল চৈপ্ত অব হিষ্ট্ৰী।

ফুকনৰ বুৰঞ্জীখনকে বংগদেশৰো আদি বুৰঞ্জী হিচাপে গণ্য কৰিছে। চাৰিখণ্ডত বিভক্ত এই বুৰঞ্জীত প্ৰাচীন আৰু মধ্যযুগীয় ইতিবৃত্তৰ উপৰিও অসমৰ ভৌগোলিক, নৃতাত্ত্বিক, সামাজিক জীৱন, আৰ্থিক আৰু বেপাৰ-বাণিজ্যৰ বিবৰণ আছে। 'অৰুনোদয়'ত প্ৰকাশিত অসম আৰু আন আন দেশৰ বুৰঞ্জী আৰু ৰবিন্সনৰ 'ডিস্ক্ৰিপ্‌টিভ্‌ একাউন্ট অব্‌ আসাম'ৰ অনুকৰণেৰে গুণাভিৰাম বৰুৱাই 'আসাম বুৰঞ্জী' (১৮৮৮) প্ৰণয়ন কৰে। অসমীয়া ভাষাৰ এইখনেই অসমৰ সৰ্বপ্ৰথম পূৰ্ণাংগ বুৰঞ্জী। ইয়াতো অসমৰ ভৌগোলিক বিৱৰণ, জাতি-উপজাতি, প্ৰাচীন যুগৰ পৰা ব্ৰিটিছ আমোললৈকে ৰাজনৈতিক ইতিবৃত্ত, শাসন প্ৰণালী, আৰ্থিক, সামাজিক, ধৰ্ম, ভাষা-সাহিত্যৰ বৃত্তান্ত দিয়া হৈছে।

উপৰোক্ত কোনোখন বুৰঞ্জীতে বিচাৰহে নালাগে সমলৰ শুংসূত্ৰ পোৱা নাযায়। ইতিবৃত্তসমূহ যিধৰণে পোৱা গৈছে সেইধৰণে দিয়া হৈছে। দুয়োখনেই বৃত্তান্তমূলক। গুণাভিৰামৰ বুৰঞ্জীখনত অৱশ্যে কিছুদূৰ আধুনিক ঠাঁচলৈ অহা দেখা যায়। হলিৰামৰ সমলৰ সন্দেহ কৰি তেওঁ লেখিছে : "ওপৰত কোৱা পৌৰাণিক বিবৰণ কিমান সঁচা আৰু তাৰ পৰা কিমান সঁচা কথা বাজ কৰিব পাৰি ইয়াক জনা কঠিন। কিন্তু সকলো দেশৰ ইতিহাস আদিৰ বিবৰণৰ দৰে ইয়াৰো গুৰিলৈ চালে এনেটোহে প্ৰতীতি হয় যে সেই বিবৰণৰ অধিক ভাগ কাল্পনিক আৰু ৰূপক বৰ্ণনা মাত্ৰ।" গুণাভিৰামৰ লেখা অনুসন্ধিৎসাৰ আভাসো পোৱা যায়। "সেইকালৰ ভগদত্ত, বাণ, ভীষ্মক, ঘটোৎকচ প্ৰভৃতি এইদেশৰ ৰজাসকল আৰ্য্য সন্তান আছিল। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে সেই সময়ত ইয়াৰ প্ৰজা অধিকাংশই আদিবাসী অনাৰ্য্য আছিল। কিয়নো

---

৭. "আলোচ্য সময়ে ইতিহাস বিষয়ে একমাত্র স্বাধীন রচনা হইতেছে হলিরাম চেকিয়াল ফুকন (১৮০২-৩৩) রচিত 'আসাম বুরঞ্জি (১২৩৬ সাল ১৮২৯ খৃষ্টাব্দ) বাঙ্গালা ভাষায় লিখকের বিশেষ দখল ছিল। বইটির রচনাভঙ্গি লিখকের বিশেষ সে সময়ের পক্ষে একরকম অভাবনীয়।" 'বাঙ্গালা সাহিত্যে গদ্য'—সুকুমার সেন, ৬০ পৃঃ।

গুণাভিৰাম আসাম বুৰঞ্জী, ২৩, পৃঃ।

সেইসকল ৰজাৰ দেশ অসুৰ বা ৰাক্ষসৰ দেশ বুলি প্ৰখ্যাত আছিল।" ৰচনাৰীতি বৃত্তান্তমূলক হলেও গুণাভিৰামৰ বুৰঞ্জীত সমালোচনাত্মক সুৰো নোহোৱা নহয়। পূৰ্ণানন্দ বুঢ়াগোহাঁই সম্পৰ্কে মন্তব্য কৰি তেওঁ লেখিছে : "এওঁ উদ্যোগী, বিদ্যানুৰাগী আৰু স্বাৰ্থপৰ আছিল। লোকপ্ৰিয় আৰু সাধাৰণ হিতকৰ কাৰ্য্য কৰে এইটি তেওঁৰ সদায় ইচ্ছা আছিল, কিন্তু ক্ষমতাপ্ৰিয় আৰু স্বাৰ্থপৰ হোৱাৰ নিমিত্তে তেওঁৰ সৎকাৰ্য্যবিলাকৰ পৰাও কেতিয়াবা বেয়া ফল হয়।"[৯] সমসাময়িক ৰাজকৃষ্ণ মুখাৰ্জীৰ "প্ৰথম শিক্ষা বাংলাৰ ইতিহাস''ৰ দৰে গুণাভিৰামৰ বুৰঞ্জীত ৰজাসৰীয়া বা ডা-ডাঙৰীয়াৰ ইতিবৃত্ততকৈ শাসন আৰু সামাজিক দৃষ্টিকোণ অধিক দেখা যায়।[১০]

পাতনিৰ পৰাই বুজা যায়, ৰবিন্সন চাহাবে কমিচনাৰ জেনকিন্সৰ নিৰ্দেশক্ৰমে তেওঁৰ 'ডিস্ক্ৰিপ্টিভ্ একাউণ্ট অব্ আসাম'খন প্ৰণয়ন কৰিছিল। অসম সম্পৰ্কে এটা স্বৰহ চিত্ৰ দাঙি ধৰি বহিৰাগতক অসমলৈ আকৰ্ষণ কৰা আৰু অধিবাসীসকলৰ আৰ্থিক আৰু আধ্যাত্মিক উন্নতিত বৰঙণি যোগোৱাই ইয়াৰ উদ্দেশ্য আছিল। সেইকাৰণে ভৌগোলিক বিৱৰণৰ উপৰি এই পুথিত ভূতত্ত্ব, উদ্ভিদতত্ত্ব, প্ৰাণীতত্ত্ব আৰু বুৰঞ্জী সকলো বিষয় সন্নিবিষ্ট কৰা হৈছে। ৰাজনৈতিক ঘটনাতকৈ সামাজিক আৰু আৰ্থিক দিশত গুৰুত্ব দিয়া হৈছে। তথ্যপাতিৰ প্ৰাচুৰ্য্য হলেও সেইবিলাকৰ সত্যাসত্যৰ বিচাৰ হোৱা নাই। বৰ্ণনামূলক হলেও ৰবিন্সনৰ ৰচনা-ৰীতি আধুনিক আৰু সমালোচনাত্মক। অসমীয়া জাতিৰ দোষ-গুণৰ বৰ্ণনাত নিৰপেক্ষ হলেও, ধৰ্ম সম্পৰ্কে মাৰ্চমেনৰ (J. C. Marshman) বংগদেশৰ বুৰঞ্জীৰ দৰে হিন্দুসকলৰ পূজা-পাতল, মঠ-মন্দিৰ সম্পৰ্কে কটু মন্তব্য কৰা দেখা গৈছে।

৯. ঐ, ১৩৫ পৃঃ।

১০. আসাম বন্ধুত ধাৰাবাহিকৰূপে প্ৰকাশিত তেওঁৰ 'আগৰ দিন এতিয়াৰ দিন' প্ৰবন্ধতো আহোম যুগৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জী আলোকিত কৰিছে। জোনাকীৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত 'অসমত বৌদ্ধ ধৰ্মৰ চিন' (১৪২-৮ পৃঃ), 'অলিখিত বুৰঞ্জী' (১৬৭-৭১, ১৯৬-৯৮, ২৩৪-৬ পৃঃ) অসমত কৌলিন্য প্ৰথা নাই কিয়? (১২৬-৯ পৃঃ) প্ৰবন্ধসমূহে বৰুৱাৰ সমালোচনামূলক দৃষ্টিভংগীৰ পৰিচয় দিছে।

আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ মুখপাত্র 'অৰুনোদয়'ত প্রকাশিত 'হিন্দুস্থানৰ বুৰঞ্জী, (১৮৫০, মার্চ-মে), বাদছাহ আৰু গৌৰৰ ৰজাসকলৰ বিৱৰণ (১৮৫০, জুন-জুলাই) গতানুগতিক বৃত্তান্তমূলক বুৰঞ্জী। এইবিলাক মৌলিকো নহয়; শ্রীৰামপুৰ মিছনেৰীসকলৰ 'দিগদর্শন'ত প্রকাশিত বঙলা প্রবন্ধৰ অনুবাদ। অৱশ্যে বেপ্টিষ্টসকলে পুৰণি বুৰঞ্জী পুথিৰ অনুসন্ধান, সংগ্রহ, সংৰক্ষণ আৰু প্রকাশনত বাট্টকটীয়া।[১১] কাশী-নাথ তামুলী ফুকনৰ 'আসাম বুৰণ্জি পুথি'খন ১৮৪৪ চনত তেওঁলোকেই পোন প্রথমে প্রকাশ কৰিছিল। ধাৰাবাহিকৰূপে, অৰুনোদয়ত 'অসমৰ পুৰণি বুৰঞ্জী, 'কামৰূপৰ বুৰঞ্জী'ৰ উপৰিও পুৰণি পাণ্ডুলিপিৰ পৰা চুতিয়া বুৰঞ্জী, পুৰন্দৰ মহাৰাজৰ মৃত্যু আৰু আহোম ৰজাসকলৰ শৱ-সৎকাৰ সম্পর্কে তথ্যপাতি প্রকাশ কৰিছিল। আকৌ এই আলোচনীতে আহোম, কছাৰী, জয়ন্তীয়া, কোচৰজা আৰু মোগল সম্রাটসকলৰ মুদ্রাৰ তদ্রূপ (facimile) প্রকাশ কৰি মুদ্রা অধ্যয়নৰ সূচনা কৰিছিল। তদুপৰি এই আলোচনীয়ে ভিন্ ভিন্ সংখ্যাত গাৰো, মিচিমি, আবৰ, চিংফৌ প্রভৃতি জনজাতিসকলৰ বিৱৰণ প্রকাশে নৃতত্ত্ব আলোচনাৰ পথ মুকলি কৰিছিল।

গুণাভিৰাম বৰুৱাৰ পাছৰ কালছোৱাত অসমৰ পূর্ণাংগ বা খণ্ড বুৰঞ্জী (monograph) প্রকাশ হোৱা নাছিল। অৱশ্যে এই যুগ আৰু পৰবর্তীকালৰ আলোচনীবিলাকত বহুতো তত্ত্বগধুৰ প্রবন্ধ প্রকাশ হৈছিল। ৰচনা-ৰীতিত (style) পার্থক্য হলেও বুৰঞ্জী সাহিত্যৰে এটা অংগ। জোনাকী যুগৰ সাহিত্যিক আনন্দ চন্দ্র আগৰৱালা, পদ্মনাথ গোহাঞি বৰুৱা, ৰত্নেশ্বৰ মহন্ত, সোণাৰাম চৌধুৰী, ৰজনী কুমাৰ পদ্মপতি, কালি-ৰাম মেধি প্রভৃতিয়ে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ প্রচেষ্টাৰ উপৰিও অসমৰ অতীত আবিষ্কাৰতো বৰঙণি যোগাইছিল। প্রত্নতত্ত্বৰ উপৰি সিবিলাকে আহোম যুগৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক

১১. বিস্তাৰিত বিৱৰণৰ কাৰণে চাওক, George Gillespie "Missionaries and Manuscripts" *Indian Church History Review*, xiii, December, 1979.

ইতিহাসৰ নানাদিশ আলোকিত কৰিছিল। 'অৰুনোদয়'ৰ বঙলা অনুবাদৰ পৰিবৰ্তে তেওঁলোকৰ ৰচনাত মৌলিকতা প্ৰকাশ পাইছিল আৰু ভাষাও ত্ৰুটিপূৰ্ণ নহৈ সবল, নিভাঁজ অথচ গাম্ভীৰ্য্যপূৰ্ণ আছিল। অসমৰ অতীত ঐশ্বৰ্য্য আৰু বীৰ-বীৰাংগণাৰ শৌৰ্য্য-বীৰ্য্য বৰ্ণনা কৰাই আছিল সিবিলাকৰ উদ্দেশ্য। তথ্য-পাতিৰ প্ৰাচুৰ্য্য হলেও এইবিলাকৰ প্ৰতিগুৰি বা বিচাৰৰ অভাৱ আছিল। গতিকে সেইবিলাকৰ ভিত্তিত যুক্তি আৰু সিদ্ধান্তসমূহ বৈজ্ঞানিক পদ্ধতিৰে প্ৰতিষ্ঠিত হোৱা নাছিল। এনে ধৰণৰ তথ্যেৰে জোনাকীত প্ৰকাশিত ৰত্নেশ্বৰ মহন্তৰ 'মোৱামৰীয়া বিদ্ৰোহ' আৰু 'জয়মতী কুঁৱৰী'ৰ আলমত যুগুত কৰা প্ৰবন্ধপাতি সেই কাৰণে আজিও বিবদমান।[১২]

জীৱন চৰিত বা আত্মজীৱনীসমূহ ইতিহাস নহলেও ইয়াৰ ঘাই সমল। বাবৰনামা, হুমায়ুননামা, তুজুক-ই-জাহাংগিৰী মোগল-ইতিহাসৰ অমূল্য সমল। গুণাভিৰামৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' অসমৰ সৰ্বপ্ৰথম জীৱন চৰিত। নায়কৰ জীৱনৰ সৰুডাঙৰ ঘটনাৰ লগতে এই পুথিয়ে সেই যুগৰ অসমীয়া মধ্যবিত্ত সমাজৰ এখন চিত্ৰ দাঙি ধৰিছে। নীলকুমুদ বৰুৱাৰ 'জীৱনাদৰ্শ' (১৮৮৯) নজন খ্যাতনামা পুৰুষৰ জীৱনী সংগ্ৰহ।[১৩] ৰত্নেশ্বৰ মহন্তই কোৱাৰ দৰে

১২. মহন্তৰ জোনাকীত প্ৰকাশিত 'অসমত মান' প্ৰবন্ধত দুটামান সূত্ৰ পোৱা গলেও 'মোৱামৰীয়া বিদ্ৰোহ' আৰু 'জয়মতী কুঁৱৰী'ত একো উল্লেখ কৰা হোৱা নাই। 'মই প্ৰায় এশ বছৰীয়া বুঢ়া এজনৰ মুখে শুনিছিলো বদন বৰফুকন হলো সতৰাম ফুকনৰ সখী আছিল'—এইদৰে জনশ্ৰুতি আখ্যান, কিংবদন্তীত বুৰঞ্জীৰ আখ্যা থাকিলেও সেইবিলাক চালি-জাৰি নাচাই পৰৱৰ্তী অৱস্থাতে প্ৰামাণ্যযুক্ত বুলি ঐতিহাসিকে গ্ৰহণ কৰিব নোৱাৰে। যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী, (২৭১-৯, ৩০১-৪ পৃ:)।

১৩. এইসকল আছিল—মহাৰাজ বুদ্ধি নাৰায়ণ, যোৰাই আবুলী বৰবৰুৱা, লাচিত বৰফুকন, কীৰ্তিচন্দ্ৰ বৰবৰুৱা, হলিৰাম ঢেকিয়াল ফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই, শিয়লি বৰফুকন, মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱান আৰু কৃষ্ণানন্দ বৰুৱা জয়ানবিষ।

"শিৱসাগৰৰ থলুৱা মানুহ এজনে (এই জিলাৰে ভাগুৰীয়া সকলৰ বিষয়ে) যেতিয়া এই কিতাপখন লেখিছে তাত বহুত সাৰুৱা আৰু সঁচা কথা আছে।" কিন্তু নায়ককিজনৰ সৰহভাগেই লিখকৰ সমসাময়িক নোহোৱাত সাক্ষ্য অবিহনে বহুতো তথ্য বা উক্তি ইতিহাসকাৰে মানি লব নোৱাৰে। কোনো পুৰণি বুৰঞ্জীত উল্লেখ নথকা চুচেংফা ৰজাই অসমত প্ৰথমে দুৰ্গোৎসৱ প্ৰচলন কৰা আৰু ঠায়ে ঠায়ে সংস্কৃত পঢ়াশালি পতা, পূৰ্ণানন্দ গোহাঁই আত্মঘাতী হোৱা, পিয়লী ফুকনে ফাঁচি কাঠলৈ নিওঁতে নিৰ্ভীকভাবে কৰা উক্তি—"মই দেশ উদ্ধাৰ কৰিবলৈ অহা সঁচা। প্ৰকৃতপক্ষে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নেপায়"—[১৪] প্ৰভৃতি অসমৰ্থিত তথ্যপাতি ইতিহাসকাৰৰ বিশ্বাসযোগ্য নহয়। পদ্মনাথ গোহাঞি বৰুৱাৰ জীৱনী-সংগ্ৰহৰো সহজে সম্ভেদ পাব নোৱাৰা সমসাময়িক বা প্ৰায় সমসাময়িক নায়ককিজনৰ সম্পৰ্কীয় তথ্য-পাতিসমূহ ইতিহাসৰ অমূল্য সমল, কিন্তু জীৱনীকাৰৰ পূৰ্ববৰ্তী-সকলৰ ৰচনাসমূহ চালি-জাৰি চাইহে গ্ৰহণ কৰিব পৰা যায়।

সমালোচনাত্মক বুৰঞ্জী

উনৈশ শতিকাৰ শেষছোৱাত আধুনিক শিক্ষিত ডেকাচামৰ ভাষা-সাহিত্য ঐতিহ্যপ্ৰীতিৰ ফলস্বৰূপে ইতিহাস সমালোচনাৰ আৰম্ভ হয়। গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী আৰু জোনাকীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰবন্ধ গোটাদিয়েকত আলোচনা-সমালোচনা পৰিলক্ষিত হলেও, প্ৰকৃততে নীলকুমুদ বৰুৱাৰ জীৱনাদৰ্শ আৰু ৰত্নেশ্বৰ মহন্তৰ বুৰঞ্জীমূলক প্ৰবন্ধৰ পৰাহে বুৰঞ্জীৰ সমালোচনা আৰম্ভ হয়। পিয়লীৰ সম্পৰ্কে নীলকুমুদে মন্তব্য কৰিছে :[১৫]

> ইংৰাজৰ ক্ষমতা কিমান, ইংৰাজৰ ৰাজ্যৰ সুখ কি, নতুন অৱস্থাত এওঁলোকে বিষয়টো বুজা নাছিল। নতুনকৈ পৰাধীন হোৱাত স্বাধীনতাৰ তপত তেজ কেঁচোপাজমানৰ দপ্‌দপনিতে এওঁ আৰু

---

১৪. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ঐ, ২৮৪ পৃঃ।
১৫. ঐ

> বেজনমানক লগত লৈ ইংৰাজক খেদিবলৈ কাৰবাৰ কৰিছিল, খৰিকাবাৰীৰে পৰ্বত হেচুকিবলৈ চাইছিল—পিয়লী ফুকনৰ কাৰ্য্যক কোনো ভানীয়ে নশলাগে। এওঁক ফাঁচী দিয়া কাৰ্য্যও আমি প্ৰতিবাদ নকৰো, ৰাজদ্ৰোহীৰ প্ৰাণদণ্ডই উচিত শাস্তি।

নিৰপেক্ষভাবে পূৰ্ণানন্দ বুঢ়াগোহাঁই সম্পৰ্কে তেওঁ লিখিছে :[১৬]

> পূৰ্ণানন্দ বুঢ়াগোহাঁই আচল অসমীয়া ৰাজপুৰুষ। এওঁলৈ মানুহৰ ইমান ভয় আছিল যে এওঁৰ চকুলৈ চাবলৈ কোনেও সাহ নকৰিছিল। এওঁ চকুচৰহা আছিল—নিজতকৈ বলী বা পৰাক্ৰমী দেখিলেই মৰাই পেলায়। এইবিলাক অত্যাচাৰৰ ফলত শেষত আত্মঘাতী হৈ প্ৰাণ এৰিলে। এওঁৰ জীৱনৰ পৰা "পাপৰ পৰা পৰাচিত শিক্ষা হয়"।

মহন্তৰ তুলনামূলক সমালোচনাৰ অপূৰ্ব নিদৰ্শন মণিৰাম দেৱানৰ চৰিত্ৰ বিশ্লেষণত :

> মণিৰাম দেওৱানৰ অৱস্থাই বঙ্গদেশৰ মহাৰাজ নন্দকুমাৰৰ অৱস্থাই প্ৰায় একে ; উভয়ে একেৰকমে মৰিল। উভয়ে মৰাত এক উদ্দেশ্য—ৰাজ্য আৰু মানুহৰ সাহপিত গছকি লোৱা।[১৭]

এই মন্তব্যসমূহৰ লগত সকলো একমত হোৱা নোহোৱা সি পৃথক কথা, কিন্তু ইয়াৰ মাজেদি প্ৰৱৰ্তিত সমালোচনাৰ ধাৰাটোহে লক্ষ্যণীয় বিষয়।

বুৰঞ্জী-পুৰাতত্ত্বৰ যুগ

উনৈশ শতিকাৰ আৰম্ভণিৰে পৰা ভাৰতৰ আন আন অংশৰ দৰে ইউৰোপীয় সামৰিক-অসামৰিক বিষয়াসকলে অসমৰ বুৰঞ্জী, পুৰাতত্ত্ব আৰু ভৌগোলিক তথ্যপাতি সংগ্ৰহ কৰি সেইবিলাক প্ৰকাশ কৰিছিল। ১৭৯২ চনত কেপ্টেইন ওৱেলচৰ অধিনায়কত্বত ৰজা গৌৰীনাথ সিংহৰ সহায়ৰ অৰ্থে অসমলৈ অহা সৈন্যবাহিনীৰ এচিস্টেণ্ট চাৰ্জন ওৱেড্

১৬. ঐ, ২৮৩ পৃঃ।
১৭. ঐ, ২৮৫ পৃঃ।

(J. P. Wade) চাহাবে পুৰণি বুৰঞ্জীৰ আলমত 'একাউণ্ট অব্ আসাম' (*Account of Assam*) নামৰ গ্ৰন্থত বুৰঞ্জীৰ লগতে অসমৰ ভৌগোলিক বিৱৰণ (*Sketch of Assam*) এটাও লিখি গৈছে। তিনি খণ্ডত বিভক্ত এই পুথিৰ প্ৰথম খণ্ডত কামৰূপৰ আদি যুগৰে পৰা ওঠৰ শতিকালৈকে আৰু আন দুটাত আহোম-মোগল ৰণৰ বিশদ বিৱৰণ আছে। হেমিল্টন (Francis Buchanon বা Hamilton) অৰ একাউণ্ট অব আসাম (১৮০৭-১৪) পুথিত প্ৰাক-ব্ৰিটিছ যুগৰ সামাজিক, অৰ্থনৈতিক আৰু শাসন সম্বন্ধে আপুৰুগীয়া তথ্য-পাতি পোৱা যায়। ১৮২৬ চনত উত্তৰ-পূব সীমান্তৰ এজেণ্ট স্কট (David Scott) চাহাবে আহোম ৰাজবংশৰ বুৰঞ্জী এখনৰ ইংৰাজী অনুবাদ আৰু লগতে উপৰোক্ত ৱেলচৰ অসম প্ৰতিবেদন (*Report of Captain Welsh*, ১৭৯৪) খন নিজ মন্তব্যৰে কলিকতাৰ গভৰ্ণৰ জেনেৰেললৈ পঠাইছিল।[১৮] এইবিলাকৰ উপৰিও হৰ্ণল (A. F. R. Hoernle) চাহাবে বৈজ্ঞানিক ব্যাখ্যাৰে প্ৰাচীন কামৰূপৰ কেইবাখনো তামৰ ফলি কলিকতাৰ এচিয়াটিক চোচাইটি আলোচনীত প্ৰকাশ কৰিছিল আৰু একেখনতে ব্লকমেনে (Henry Blochmann) মোগল বুৰঞ্জীৰ আলমত আহোম-মোগল ৰণৰ বিৱৰণ দিছিল।[১৯]

ব্যাট্‌কটীয়াসকল

বুৰঞ্জীৰ তথ্যৰ অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণত অসমৰ পণ্ডিত-প্ৰশাসক ইংৰাজ বিষয়াসকলৰ অৱদানো কম নহয়। কঠোৰ কৰ্ম-ব্যস্ততাৰ মাজতো কমিচনাৰ জেন্‌কিন্স চাহাবে কামৰূপৰ তামৰ ফলিৰ

১৮. দুয়োখন লগ লগাই লিখকে আৱশ্যকীয় পাতনি, পাদটীকা আদিৰে *An Account of Assam and Her Administration* (1603-1822) নামে সম্পাদন আৰু প্ৰকাশ কৰিছে। ৱেলচৰ পুথিখন বেণু শৰ্মা আৰু হেমিল্টনৰখন সূৰ্যকুমাৰ ভূঞাই সম্পাদিত কৰিছে।

১৯. "Koch Bihar, Koch Hajo and Assam in the Sixteenth and Saventeenth Centuries according to Akbarnamah Padshahnah and Fatiha-I-Ibriya" *JASB* 1872, i, pp 39-100.

উদ্ধাৰৰ প্ৰচেষ্টা চলাইছিল আৰু বৰ্মনদেৱৰ ফলিখনৰ সঠিক পাঠ প্ৰকাশ কৰিছিল। অজান্তিমূলক অসমৰ বহিৰ্জগতৰ পোহৰলৈ অনাৰ উদ্দেশ্যে তেৰেঁই ৰবিন্সনক ইতিহাস প্ৰণয়ন কৰিবলৈ উদগনি দিছিল। নিজেও উত্তৰ-পূৱ সীমান্তৰ গৱেষণাৰ অৰ্থে এখন নথি-পত্ৰৰ সংকলন (*Selection of Papers Regarding the Hill Tracts between Assam and Upper Brahmaputra*) প্ৰকাশ কৰিছিল। অসমৰ পুৰণি ঐতিহ্য প্ৰচাৰৰ পথিকৃৎ সকলৰ ভিতৰত হানে (S. F. Hannay), ডেল্টন (E. T. Dalton) ফ'ষ্টাৰ (J. M. Foster) আৰু গড্উইন অষ্টিন (H. H. Godwin Austin) অৰ নাম উল্লেখযোগ্য।[২০] গেইট চাহাবৰ (E. A. Gait) 'কোচ কিংচ অৱ কামৰূপ' (*Koch Kings of Kamarupa*) কোচবিহাৰ অসম আৰু মোগল সম্বন্ধৰ সৰ্বপ্ৰথম বিজ্ঞান-সম্মত প্ৰবন্ধ।[২০ (ক)]

পুৰণি ঐতিহ্যৰ অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণ

অসমৰ পুণৰ্গঠন (১৮৭৪) হোৱাৰ পাছৰ পৰাহে অসমৰ অতীত আবিষ্কাৰৰ সূচনা হয়। ইয়াৰ গুৰি ধৰোতা আছিল অস্থায়ী চীফ্ কমিচনাৰ চাৰ্লচ্ জেমচ্ লায়াল (Sir Charles James Layall)। তেওঁ বঢ়িয়াকৈ বুজিছিল যে অসমৰ চুকে-কোণে অনাদৃত হৈ পৰি থকা ঐতিহাসিক সমলসমূহ যাইকৈ পুৰণি পুথি-পাঁজিবিলাক ক্ৰমে লয় পাবলৈ ধৰিছে। গতিকে এইবিলাকৰ উদ্ধাৰ, অন্ততঃ প্ৰতিলিপি কৰোৱা, নিতান্ত আৱশ্যক। বুৰঞ্জীৰ মোল বুজা ইংৰাজ বিষয়াগৰাকীৰ প্ৰথম পদক্ষেপ হ'ল—অসম নৃতত্ত্ব বিভাগ (Department of Ethnology) প্ৰতিষ্ঠা কৰি সেই সময়ৰ কৃষি আৰু ৰাজহ বিভাগৰ অধ্যক্ষ গেইট্

২০. E. T., "Temple Ruins in Assam," *JASB*, xxi, p. 1. Hannay, "Temples and other Renains in the Vicinity of Sadija," *JASB*, June 1848; J. Foster, 17., "Notes on Ghargaon," *JASB*, 1872, I, No 1., H. H. Godwin Austin, 'Notes on the Ruins of Dimapur on the Dhansiri river, Assam," *JASB* 1824, i, NO. 1.

২০ (ক). *JASB*, Lxii, Part 1, p. 268 ff.

চাহাবক ইয়াৰ অবৈতনিক সঞ্চালক নিয়োগ কৰা ; উদ্দেশ্য হ'ল বুৰঞ্জী-মূলক তথ্যপাতিসমূহৰ এখন বিস্তৃত তালিকা প্ৰস্তুত কৰি সেইবিলাক বিস্মৃতিৰ গৰ্ভৰ পৰা উদ্ধাৰ কৰা। ৰাজ্যিক আৰু জিলা পৰ্য্যায়ৰ ৰৰমূৰীয়া বিষয়াসকলৰ সহায়—সহযোগেৰে সঞ্চালক গৰাকীয়ে তামৰ ফলি, শিলালিপি, মুদ্ৰা, পুৰণি বুৰঞ্জী, আখ্যান, প্ৰবাদ আদিৰ সন্ধেদ আৰু সংগ্ৰহৰ ব্যৱস্থা লয়। ১৮৯৭ চনত প্ৰকাশিত সেইটৰ প্ৰতিবেদন 'ৰিপোৰ্ট অন্ দি প্ৰগেছ অৱ হিষ্টৰিকেল ৰিচাৰ্চ ইন্ আসাম' (*Report on the Progress of Historical Research in Assam*) অসমৰ বুৰঞ্জী পুৰাতত্ত্বৰ গুৰুত্বপূৰ্ণ দলিল। সেইটৰ পৰৱৰ্তী সঞ্চালক অনুসন্ধিৎসু গৰ্ডন (P. R. T. Gurdon) চাহাবে কেৱাখনো তামৰ ফলিৰ পাঠ প্ৰকাশ কৰাৰ উপৰিও ভালেমান পুৰণি মুদ্ৰা সংগ্ৰহ কৰিছিল। পুৰণি পুথি-পাঁজি অসমীয়া মানুহৰ বাপতি-সাহোন। হস্তান্তৰ কৰা দূৰৰ কথা কোনো কোনোৱে সেইবিলাক চুবলৈকে নিদিয়ে—এই কথা উপলব্ধি কৰিয়ে গৰ্ডনে সেইসময়ৰ মাটিৰ হাকিম হেমচন্দ্ৰ গোস্বামীক সাময়িকভাৱে পুৰণি পুথি সংগ্ৰহ কাৰ্য্যত নিয়োগ কৰে।

মহাৰাষ্ট্ৰৰ বিশ্বনাথ কাশীনাথ ৰাজৱাড়েৰ দৰে ঐতিহাসিক সমলৰ অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণত অসমত হেমচন্দ্ৰ গোস্বামীৰ স্থান অন্যতম। দুয়োজনাই একেৰকম সমস্যাৰ সন্মুখীন হ'ব লগাত পৰি-ছিল আৰু সংগ্ৰহৰ বাবে প্ৰায় একেধৰণৰ পন্থাই অৱলম্বন কৰিছিল।[২১] গোস্বামীয়ে অসমৰ কেউখন জিলাৰ উপৰি পুৰণি পুথিৰ উ'হ বিচাৰি কোচবিহাৰ পাইছিলগৈ। জধে-মধে নকৰি তন্ন তন্নকৈ চাই-চিতিহে

২১. ৰাজৱাড়ে (Rajwade) সৎ আৰু অসৎ—অৰ্থাৎ অতি আৱশ্যক হলে চুৰ কৰিও—দুয়োটা উপায়েৰে পুৰণি পুথি হস্তগত কৰিছিল। গোস্বামীয়ে, বেণু শৰ্মাই কোৱা দৰে মালিকৰ "মনবুজি মনগলোৱা কথা কৰলৈ ধৰে আৰু জোৰ লগাদি লাগি থাকে যে গিৰীহঁতজনে মুখ হৰিব নোৱাৰি ককাক-আজো ককাকহঁতৰ দিনৰ পৰা সাঁচি থোৱা পুথি একোখনিকো সিংহাসন বা থাপনাৰ নাইবা আভালৰ পৰা আনি হৰ্চচিত্তে গোসাঁইৰ হাতত অৰ্পণ কৰেহি।" অৰ্থাৱলী, ৫৯ পৃ:।

পুথিবিলাক সংগ্ৰহ কৰি তাৰে দুশখনৰো অধিকেৰে ১৯২৭ চনত 'অসমীয়া হাতেলিখা পুথিৰ বৰ্ণনাত্মক তালিকাখন' প্ৰকাশ কৰে। তাৰ উপৰি তেওঁ সূৰ্য্যখৰি দৈৱজ্ঞৰ 'দৰং ৰাজবংশাৱলী' (১৯১৭), আৰু 'পুৰণি আসাম বুৰঞ্জী' (১৯২২) সম্পাদন কৰি অসম বুৰঞ্জীৰ ভেটি স্থাপন কৰে।

আনুষ্ঠানিক বিকাশ

বংগদেশৰ বৰেন্দ্ৰ আৰু ৰাঢ়া অনুসন্ধান সমিতিৰ আহিৰে পণ্ডিত ধীৰেশ্বৰ ভট্টাচাৰ্য্য, কটন কলেজৰ অধ্যাপক পদ্মনাথ ভট্টাচাৰ্য্য প্ৰমুখ্যে কেজনমান প্ৰত্নতত্ত্ব অনুসন্ধিৎসুৰ প্ৰচেষ্টাত ১৯১২ চনত গুৱাহাটীত 'কামৰূপ অনুসন্ধান সমিতি' প্ৰতিষ্ঠা হয়। উত্তৰ-পূব ভাৰতৰ বুৰঞ্জী, পুৰাতত্ত্ব, সাহিত্য, মূৰ্তি-ভাস্কৰ্য, স্থাপত্য-শিল্পৰ অনুসন্ধান, অধ্যয়ন আৰু প্ৰচাৰেই সমিতিৰ মূল উদ্দেশ্য। আৰম্ভণিৰে পৰা সমিতিৰ পৰিসৰ আছিল পুৰণি প্ৰাগজ্যোতিষ-কামৰূপ ৰাজ্য; গতিকে আদিতে উত্তৰ-বংগ আৰু অসমৰ পণ্ডিতসকলেই আছিল ইয়াৰ সদস্যসকল। তামৰ ফলি, শিলালিপি, মুদ্ৰা, বুৰঞ্জী-সংস্কৃতিৰ হাতে লিখা বা আন আন পুথি-পাঁজিৰ অনুসন্ধান, সংগ্ৰহ, সংৰক্ষণ কৰাৰ উপৰিও সমিতিয়ে উত্তৰ-পূব ভাৰতৰ বুৰঞ্জী, পুৰাতত্ত্ব আৰু জাতিতত্ত্বৰ গভীৰ অধ্যয়নৰ প্ৰেৰণা যোগাইছিল। এইবিলাকৰ প্ৰচাৰৰ অৰ্থে ১৯৩৩ চনৰ পৰা কনকলাল বৰুৱাৰ সম্পাদনাত 'জাৰ্নেল অৱ্ আসাম ৰিচাৰ্চ চ'চাইটি' (*Journal of Assam Research Society*) নামে এখন উচ্চ মানবিশিষ্ট আলোচনী প্ৰকাশ কৰিছিল।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সংগৃহীত পুৰণি পুথি প্ৰতিলিপিৰ একাংশ আৰু আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে দান কৰা পুথিসমূহৰ ভিত্তিত ১৯২৮ চনত গুৱাহাটীত প্ৰতিষ্ঠিত হ'ল 'অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ' (*Department of Historical and Antiquarian Studies, Assam*)—বুৰঞ্জী প্ৰণয়ন আৰু চৰ্চা-গৱেষণাৰ আৱশ্যকীয় সমলৰ উদ্ঘাটন, সংৰক্ষণ আৰু প্ৰকাশনেই ইয়াৰ মূল উদ্দেশ্য। কটন কলেজৰ সেই-

সময়ৰ অধ্যাপক সূৰ্য্যকুমাৰ ভূঞাৰ ই কীৰ্তিস্তম্ভ।[২২] গোস্বামীৰ দৰে ভূঞাৰো পুৰণি ঐতিহ্য সমলৰ অনুসন্ধান, সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰকাশন জীৱনৰ ব্ৰত আছিল। অক্লান্ত পৰিশ্ৰমী, অধ্যৱসায়ী আৰু সৰবৰহী ভূঞাই নগাওঁ, পুৰণিগুদাম, যোৰহাট, নাজিৰা, শিৱসাগৰ আৰু লক্ষীমপুৰৰ গুণমুগ্ধ ছাত্ৰ আৰু বন্ধু-বান্ধৱৰ সহযোগত এহেজাৰৰো অধিক সাঁচিপতীয়া পুথি-প্ৰতিলিপি সংগ্ৰহ কৰে। এইবিলাক উপৰোক্ত বিভাগত পৰিপাটিকৈ ৰাখি নিজেই সংকলন, সম্পাদন আৰু প্ৰকাশৰ ব্যৱস্থা লয়। প্ৰায়বিলাকতে ইংৰাজী অসমীয়াত পাণ্ডিত্যাগৰ্ভ পাতনি, পাদটীকা, পৰিশিষ্ট আদিৰে পুৰণি বুৰঞ্জী সম্পাদন কাৰ্য্যত ভূঞাদেৱৰ অৱদান অতুলনীয়। প্ৰকৃততে বুৰঞ্জী-পুৰাতত্ত্ব বিভাগৰ ভূঞাৰ সম্পাদিত বুৰঞ্জী সমূহে দেশৰ ভিতৰে বাহিৰে অসম বুৰঞ্জী-সংস্কৃতিৰ প্ৰতি গৱেষকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে।

কামৰূপ অনুসন্ধান সমিতি আৰু বুৰঞ্জী-পুৰাতত্ত্ব বিভাগ হোৱাৰ পৰা পুৰণি পুথি-পাঁজিৰ অনুসন্ধান, সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা হয়। অসমৰ ঠায়ে ঠায়ে সিঁচৰতি হৈ থকা শিলালিপি, তামৰ ফলি, মুদ্ৰা, মূৰ্তি, স্থাপত্য শিল্পৰ নিদৰ্শনসমূহৰো সংগ্ৰহ আৰু সংৰক্ষণৰ বাবেও প্ৰয়োজন হ'ল এটা ৰাজ্যিক পৰ্য্যায়ৰ সংগ্ৰহালয় বা মিউজিয়ম। অনুসন্ধান সমিতিৰ পিতৃস্বৰূপ কনকলাল বৰুৱাৰ আশাশুধীয়া প্ৰচেষ্টা আৰু স্থানীয় ব্যৱসায়ী নৌপৎ ৰায় কেডিয়াৰ বদান্যতাৰ বাবে চৰকাৰে এই উদ্দেশ্যে ১৯৩৯ চনৰ জুন মাহত এখন ন্যাসবোৰ্ড গঠন কৰে। ইয়াৰ

---

২২. অসমৰ ভূতপূৰ্ব শিক্ষাধিকাৰ কাণিংহাম চাহাবে মন্তব্য কৰিছে : (J. R. Cunninaham) "The fact is that had it not been for one S. K. Bhuyan the Department would never have come in to being, and were it not for the abilities and devotion of the same S. K. Bhuyan it would have had but little to record in the way of accomplishment., M. Neog and H. K. Barpujari, ed., *Professor Suryya Kumar Bhuyan Commemoration volume*, p 23.

পিছৰ মাহতে অনুসন্ধান সমিতিৰ কাৰ্য্যকৰী সমিতিয়ে, সাধাৰণ সভাৰ নিৰ্দেশক্রমে, সংৰক্ষিত পুথি-পাঁজিত বাদে পুৰণি ঐতিহ্যসমূহ সংগ্রহালয়ক হস্তান্তৰ কৰে। ১৯৪০ চনৰ এপ্রিল মাহত আনুষ্ঠানিকভাৱে 'অসম সংগ্রহালয়' মুকলি কৰা হয়।

কামৰূপ অনুসন্ধান সমিতিৰ অন্যতম সদস্য পদ্মনাথ ভট্টাচাৰ্য্যই সুপ্রসিদ্ধ নিধনপুৰ লিপি উদ্ধাৰ কৰি লগতে আৰু ধনদিয়েক তাম্ৰ ফলিৰ পাঠেৰে সমালোচনাত্মক 'কামৰূপ শাসনাৱলী' (১৯২২) সম্পাদন আৰু প্রকাশ কৰি অসম বুৰঞ্জী পুৰাতত্ত্ব চৰ্চা-গৱেষণাৰ পথ মুকলি কৰে।[২৩] 'আলোচনী'ৰ ভিন ভিন সংখ্যাত হেমচন্দ্র গোস্বামীয়ে বশিষ্ঠাশ্রম, শুক্রেশ্বৰ, সিদ্ধেশ্বৰ, কমেশ্বৰ মন্দিৰ, কানাই-বৰশী, চামধৰা, ফটাশিল লিপি আৰু সোণাৰাম চৌধুৰীয়ে উমা, মিলন, বাঁহী আৰু আলোচনীত কামৰূপৰ তামৰ ফলি শিলালিপিৰ পাঠ প্রকাশ কৰিছিল। এনেধৰণৰ প্রবন্ধৰচক সকলৰ ভিতৰত লক্ষ্মীকান্ত মিশ্র ভাগৱতী, গৌৰীদত্ত মিশ্র, প্রতাপ চন্দ্র গোস্বামী, সৰ্বেশ্বৰ কটকী, প্রেমধৰ চৌধুৰী আৰু ৰাজমোহন নাথৰ বৰঙণিও কম নহয়।

ঐতিহাসিক দৰ্শন আৰু ধাৰণা

সোণাৰাম চৌধুৰী, হেমচন্দ্ৰ গোস্বামী আৰু কনকলাল বৰুৱাৰ বাদে অসমৰ আগৰচাম ইতিহাসকাৰৰ ৰচনাৱলীত আধুনিক বুৰঞ্জীৰ দৰ্শন আৰু ৰচনা-বিধি সম্পৰ্কে সবিশেষ জনা নাযায়। চৌধুৰীয়ে হিৰ'ডটাছ, টুৰ্গো, গোথেৰ ঐতিহাসিক দৰ্শন সম্পৰ্কে কিছু অধ্যয়ন কৰিছিল যেন তেওঁৰ ৰচনাৰ পৰা অনুমান হয়। ইতিহাস যে মানৱজাতিৰ কাহিনী সেইসম্পৰ্কে চৌধুৰীয়ে কৈছে :[২৪]

---

২৩. অৱশ্যে নিধনপুৰ ফলিৰ উপৰিও ধৰ্মপাল, ৰাজ্যধৰের, ইন্দ্রপাল, বক্লপাল আৰু বলবৰ্ম ফলিৰ পাঠ ভট্টাচাৰ্য্যই ইতিপূৰ্বে ৰংপুৰ সাহিত্য পৰিষদ পত্রিকা, প্রতিভা আৰু সাহিত্য পৰিষদ পত্রিকাত প্রকাশ কৰিছিল। ৰাখাল দাস বন্দোপাধ্যায়ৰ ৰংপুৰ সাহিত্য পৰিষদ পত্রিকাত 'ৰুদ্ৰসিংহৰ তাম্ৰ-শাসন' আৰু 'আসামী কামান সচিত্র' দুটা প্রবন্ধ প্রকাশ হৈছিল।

২৪. সভাপতিৰ ভাষণ, বুৰঞ্জী শাখা, অসম সাহিত্য সভা, ৫ম অধিবেশন, ১৯৩১।

কি বাস্তবিক, কি সামাজিক বা মানসিক সকলো জীৱনৰ ঘটনা সমষ্টিয়েই ইতিহাস আখ্যা পাব পাৰে। মানুহ সদায় সমাজ বান্ধত থকাত সিহঁতৰ মনত এটা ঐক্য ভাব জন্মে, সেয়ে পুৰুষ পৰম্পৰায় নামি আহি মানুহ এটা জাতিত পৰিণত হয়। সেই জাতিয়ে ধৰ্ম, নীতি, বিদ্যা, কৃষি, বাণিজ্য আদিত কি পৰিমাণ উন্নতি বা অৱনতিৰ ফালে চাল লয়, তাকে সাৰ্বজনীনভাবে লিপিবদ্ধ কৰাই প্ৰকৃত ইতিহাসৰ লক্ষ্য হৈ পৰে।

ঐতিহাসিক তথ্যৰ বিশ্লেষণ যে অপৰিহাৰ্য্য, এই কথা বঢ়িয়াকৈ বুজি তেওঁ কৈছিল :

প্ৰাচীন যুগৰ কিছুমান মূৰ্ত্তি দেখি তাৰ লেখ-জোখ দিলেই হল যে এনে নহয়। সেইবোৰ কিয় সাজিছিল, কোন সময়ত সাজিছিল সকলো তন্ন তন্নকৈ বিচাৰ কৰিব লাগে। তাত কলাবিদ্যা কিমান ফলাইছে আৰু সেইবিদ্যা তেতিয়াৰ দিনত কিমান উন্নত আছিল সকলো বিচাৰিব লাগিব। কোনো যুদ্ধৰ কথা লেখিলে, সেই যুদ্ধ কিয় হৈছিল, কাৰ কাৰ লগত হৈছিল, তাত কি কি অস্ত্ৰ প্ৰয়োগ হৈছিল, কোন কোন বীৰে সকলোকে চেৰ পেলাই যুদ্ধত (কেনেকৈ) সম্পূৰ্ণ কৃতিত্ব দেখুৱাইছিল এইবোৰ কথাও বিচাৰিব লাগিব। বুৰঞ্জীত অমুক বংশৰ ৰজাই অমুক সময়ত ৰাজত্ব কৰিছিল বুলিলেই যথেষ্ট নহয়—দেখুৱাব লাগিব সেই ৰজা বা ৰাজপুৰুষজনে কেনে, কি চৰিত্ৰৰ, কেনেভাবে ৰাজ্য শাসন কৰি কি কি কাৰ্য্য কৰি গৈছিল, কি কি বিধি-ব্যৱস্থা কৰি প্ৰজাৰ উপকাৰ কৰিছিল—এনে আটাইবোৰ কথাই থাকিব লাগিব।

সংগৃহীত সমলৰ সমীক্ষাৰ বিষয়ে ৰাংকেৰ মতকে প্ৰতিধ্বনি কৰি হেমচন্দ্ৰ গোস্বামীয়ে লেখিছে :[২৫]

আজিকালি ইতিহাস লিখকে সমসাময়িক লিখা কথাত অনেক আস্থা স্থাপন কৰে। সেইটো ঠিক নহয়। বিশেষকৈ চাৰণসীয়া যে

২৫. হেমচন্দ্ৰ গোস্বামী, সম্পাদিত, পুৰণি অসম বুৰঞ্জী, পাতনি, ১২-১৩ পৃঃ।

সেই মানুহজনে যি লেখিছে তাক জানিবৰ কি সুবিধা পাইছিল আৰু মানুহজন কিমান বিশ্বাসযোগ্য। তেওঁ নিজৰ জ্ঞানৰ পৰা লিখিছেনে, কাৰোবাৰ মুখৰ পৰা শুনা কথাত নির্ভৰ কৰি লিখিছে। অর্থাৎ আইন-আদালতত যেনেকৈ এটা সাক্ষীক মিছৰ পৰা বিশ্বাস বা অবিশ্বাস কৰে, যি কাগজপত্ৰক সাক্ষী বুলি গণ্য কৰা হয়, বুৰঞ্জী লিখকেও তেনেকৈ পৰীক্ষা কৰিহে তাক গণ্য কৰিব।

সত্য উদ্‌ঘাটনেই বুৰঞ্জীৰ একমাত্ৰ লক্ষ্য—এই কথা উপলব্ধি কৰিয়ে তেওঁ কয় :

আগেয়ে মনত এটা মত ঠিক কৰি লৈ তাক যিবোৰ কথাই সমর্থন কৰে তাক বিচৰা ঐতিহাসিক অনুসন্ধান নহয়। এই অনুসন্ধানত জাতীয় বা দেশীয় সংকীর্ণতা পৰিত্যাগ কৰিব। সাম্প্রদায়িক বাধ্য-বাধকতাৰ লগত সম্পর্ক ৰাখিব নালাগিব। এটা কথাক সঁচা বুলি গ্ৰহণ কৰাৰ আগেয়ে সেই সম্বন্ধে যিমানদূৰ নিখুঁত প্ৰমাণ পোৱা যায়, তাৰ পৰীক্ষা কৰিব লাগিব। এইদৰে সংগ্ৰহ কৰা কথাবিলাক পুংখানুপুংখৰূপে কঁহিয়াই চাই তাৰ পৰা এটা সিদ্ধান্ত হোৱাই বুৰঞ্জীৰ কাম—ঐতিহাসিকৰ কার্য্য হৈছে সত্যৰ প্ৰতিষ্ঠা কৰা। তেওঁৰ কর্তব্য হৈছে লাভ-অলাভ জয়-পৰাজয় কালৈকো কটাহি নকৰি সত্যৰ উদ্‌ঘাটন কৰা।

"বুৰঞ্জীৰ কথাবিলাক," তেওঁৰ মতে,

যেনে নির্ভাজ সত্য হ'ব লাগে, তাৰ ভাষাও নিচেই সৰল আৰু ওঁত নলগা হব লাগে, আৰু তাৰ বর্ণনাৰ যেন দুটা অর্থ কৰিব নোৱাৰে। এনেভাবে লিখা হব লাগে বর্ণনাবিলাক যিমানদূৰ সম্ভৱ সংক্ষেপ হব লাগে অথচ তাতেই সম্পূর্ণ ভাবটো ফুটি উঠিব লাগে, তাত বা সত্য গোপনৰ কোনো চেষ্টা থাকিব নালাগে।

একেই সুৰতে কনকলাল বৰুৱাৰো মন্তব্য কৰিছে :

ঐতিহাসিক সকলো তথ্যৰ পুংখানুপুংখভাৱে চালি-জাৰি চাব লাগিব, সত্যক সত্য আৰু অসত্য বুলি কবলৈ কুণ্ঠাবোধ কৰিব নালাগিব (never hesitate to call a spade a spade)। যিমানে জটিল

নহওক সত্য উদ্‌ঘাটনেই হ'ব লাগিব—তেওঁৰ একমাত্ৰ লক্ষ্য। তেওঁৰ মত সঠিক নহবও পাৰে। ই সমালোচনামুক্ত নহয়, কিন্তু তেনে সমালোচনা উদ্দেশ্য প্ৰণোদিত হ'ব নালাগিব।[২৬]

বিজ্ঞান-সম্মত ইতিহাস

বুৰঞ্জী-বিধি জানৰ উপৰি আহোম যুগৰ ভালেখিনি ঐতিহাসিক সমল উদ্ধাৰ কৰিলেও হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা এই বুৰঞ্জী বা ইয়াৰ এহোৰাও প্ৰণয়ন কৰা নহ'ল। পদ্মনাথ গোহাঞি বৰুৱাৰ 'আসামৰ বুৰঞ্জী' (১৮৯৯) একালত পূৰ্ণাংগ বুৰঞ্জী হলেও সম্প্ৰতি ইয়াৰ মূল্য কম। বিজ্ঞান-সম্মত ঐতিহাসিকৰ (১) আৱশ্যকীয় ভাষা জ্ঞান (২) সকলো ধৰণৰ সমলৰ সংগ্ৰহ (৩) তন্ন তন্নকৈ তথ্যৰ অধ্যয়ন, বিচাৰ আৰু নিৰ্বাচন (৪) বিশ্লেষণ, শৃংখলাবদ্ধ উপস্থাপন আৰু সবল যুক্তিৰে সিদ্ধান্তত উপনীত হোৱাতো নিতান্ত আৱশ্যক। এনে ধৰণে চাবলৈ হলে গেইট চাহাবৰ 'এ হিষ্টৰি অৱ আসাম' (*A History of Assam*, ১৯০৬)খনেই অসমৰ সৰ্বপ্ৰথম বিজ্ঞানসম্মত ইতিহাস। সমলৰ অভাৱৰ হেতু ৰচকে আহোম যুগৰ দৰে প্ৰাচীন আৰু ব্ৰিটিছ আমোলৰ গুৰুত্ব দিব পৰা নাই।[২৭] গ্ৰন্থখনৰ সমলৰ সম্ভেদ বা বাছবিচাৰো সিমান দেখা নাযায়। আকৌ ৰচকে কোনো কোনো ক্ষেত্ৰত ধাৰণাৰ বশবৰ্তী হৈয়ে একোটাইত সিদ্ধান্তত উপনীত হৈছে। যিয়ে নহওক, এইখনেই সৰ্বপ্ৰথম সুপৰিকল্পিত নিৰ্ভৰশীল আধুনিক পদ্ধতিৰ ইতিহাস। গেইট আছিল প্ৰকৃত ঐতিহাসিক। মিলচ্, এলফিনষ্টোন, ভিনচেণ্ট স্মিথৰ দৰে তেওঁৰ ঔপনিবেশিক দৃষ্টিভংগী নাছিল।

---

২৬. K. L. Barua, 'The name Assam; An Explanation, *J. R. A. S*, iii, no. 2 July 1935, p. 60-2.

২৭. গেইটে নিজেই স্বীকাৰ কৰিছে যে, প্ৰথম সংস্কৰণ প্ৰকাশ হওঁতে শিৱসাগৰ লিপিৰ পাঠোদ্ধাৰ আৰু কাৰ্টী বুৰঞ্জীৰ কেইখনো অনূদিত হোৱা নাছিল। চৰকাৰী নথি-পত্ৰও তেতিয়ালৈকে গৱেষকে চুকি পোৱা টান আছিল। শাতসি ২য় সংস্কৰণ (১৯২৬) চাওক।

ৰাজনৈতিক : সাংস্কৃতিক

উনৈশ শতিকাৰ তৃতীয় দশকমানলৈকে ভাৰতৰ ঐতিহাসিক সকলৰ অসমৰ পিনে সেইদৰে দৃষ্টিপাত হোৱা নাছিল। নিজেই সম্পাদন কৰা জাৰ্ণেল অব্ আসাম ৰিচাৰ্চ চ'চাইটি আৰু সৰ্বভাৰতীয় আন আন গৱেষণামূলক আলোচনীতো কনকলাল বৰুৱাই অসংখ্য প্ৰবন্ধ-পাতি প্ৰকাশ কৰি অসমৰ বুৰঞ্জী-পুৰাতত্ত্বলৈ দেশৰ প্ৰত্নতত্ত্ববিদ সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেতিয়ালৈকে উদ্ধাৰ হোৱা তামৰ ফলি, শিলালিপি আৰু পৌৰাণিক সাহিত্যৰ ভিত্তিত তেওঁৰ 'আর্লি হিষ্টৰি অব কামৰূপ' (*Early History of Kamarupa*, ১৯৩৩) গ্ৰন্থখন প্ৰাচীন কামৰূপৰ সৰ্বপ্ৰথম সমালোচনাত্মক বিজ্ঞান-সম্মত ইতিহাস। ই বৰুৱাদেৱৰ ব্যাপক অধ্যয়ন আৰু গভীৰ অনুসন্ধিৎসাৰ নিদৰ্শন। কোনো ক্ষেত্ৰত চৌভিনিজিম[২৮] (chauvinism) বা স্বদেশ প্ৰীতিৰ টেঁকা থাকিলেও সিদ্ধান্তসমূহ সৰল যুক্তিত প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ যথাসম্ভৱ চেষ্টা কৰিছে। ঐতিহাসিকজনৰ কোনো মত বা সিদ্ধান্তই অলংঘনীয় নহয়—এই কথা সাৰোগত কৰিয়ে তেওঁ বিজ্ঞান-সম্মত বুৰঞ্জীবিদৰ পৰিচয় দিছে।[২৯] লণ্ডন বিশ্ববিদ্যালয়ৰ অধ্যাপক বাৰ্ণেটৰ প্ৰশিক্ষণপ্ৰাপ্ত বিৰিঞ্চি কুমাৰ বৰুৱাই "এ কালচাৰেল হিষ্টৰি অব আসাম' (*A Cultural History of Assam*, ১৯৫১) গ্ৰন্থত কনকলাল বৰুৱাই সামৰিব নোৱাৰা প্ৰাচীন অসমৰ ৰাজনীতি, অৰ্থনীতি, সমাজ, ধৰ্ম, স্থাপত্য শিল্পৰ পাণ্ডিত্যপূৰ্ণ আলোচনা কৰিছে। একেদৰে প্ৰশিক্ষণ পোৱা প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে 'দি হিষ্টৰি অব চিভিলিজেচন অব দি পিপল্ অব আসাম টু দি টুৱেলফ্‌থ চেঞ্চুৰি

২৮. অধ্যাপক প্ৰবোধ চন্দ্ৰ সেনৰ সমালোচনা চাওক, Calcutta Review, Vol 51, April 1934.

২৯. "Theories and conclusions are however, tentatively put forward, and when further researches throw additional light such conclusions are revised.' *J A R S*. i., 3., "No theory is sacrosanct and that continual supersession is the law of research" *Ibid*., ii, 2.

১৯৫৯ (*The History of Civilization of the People of Assam to the Twelfth century, A.D.*) গ্ৰন্থত সম্ভৱপৰ সকলো প্ৰকাৰ সমলৰ অৱলম্বনত ৰাজনৈতিক, অৰ্থনৈতিক, শাসন, সামাজিক আৰু সাংস্কৃতিক সকলো দিশ আলোচনা কৰিছে। ৰচকৰ কোনো মত বা সিদ্ধান্তত মতভেদ হলেও এইখনেই প্ৰাচীন অসমৰ বিজ্ঞান-সম্মত পূৰ্ণাংগ ইতিহাস। একেধৰণে সম্প্ৰতি তেওঁ অসম-বংগ সম্বন্ধ সম্পৰ্কে আন এখন গ্ৰন্থও ৰচনা কৰিছে।

ধৰ্ম আৰু সংস্কৃতিৰ বুৰঞ্জীৰ সম্ভাৰ যোগাইছে বাণীকান্ত কাকতিৰ 'পুৰণি অসমৰ ধৰ্মৰ ধাৰা' আৰু গভীৰ গৱেষণাৰ নিদৰ্শন 'মাড়াৰ গডেছ কামাখ্যা' (১৯৪৮) ইংৰাজী গ্ৰন্থখনিয়ে। 'কিৰাত-জন-কীৰ্তি' নামৰ পুথিত সুনীতি কুমাৰ চাটাৰ্জীয়ে প্ৰাচীন অসমৰ জনজাতি সম্পৰ্কে আলোচনা কৰিছে। প্ৰাক-আহোম যুগৰ স্থাপত্য শিল্পৰ ইতিমধ্যে দুখন গৱেষণা-গ্ৰন্থ প্ৰকাশ হৈছে: নিশিপদ চৌধুৰীৰ 'হিস্টৰিকেল আৰ্কিয়'লজি অৱ চেন্ট্ৰেল আসাম' (১৯৮৬) আৰু ৰবীন্দ্ৰ নাথ চৌধুৰীৰ 'আৰ্কিয়'লজি অৱ ব্ৰহ্মপুত্ৰ ভেলি অৱ আসাম', (১৯৮৭)। ৰাজমোহন নাথৰ 'দি বেক গ্ৰাউণ্ড অৱ আছামিজ কালচাৰ' (The Background of Assamese Culture, ১৯৪৮) আৰু 'গৌৰৱময় অসম', ১৯৪৯, ৰচনা-ৰীতিত নিখুঁত নহলেও, অসমীয়া সংস্কৃতিৰ প্ৰাথমিক উপাদানৰ কিছু সম্ভেদ দিছে।

মধ্যযুগ : ৰাজনৈতিক

প্ৰাক আহোম যুগতকৈ মধ্যযুগীয় অসম ইতিহাসৰ অলিখিত আৰু লিখিত সমল বহুতো বেছি। এই যুগৰো হিতেশ্বৰ বৰবৰুৱা, ৰজনী কান্ত বৰদলৈ, জ্ঞেন্ত্ৰধৰ বৰগোহাঁই, নকুল চন্দ্ৰ ভূঞা, মোহন চন্দ্ৰ মহন্ত, বেণুধৰ শৰ্মা, সূৰ্য্যকুমাৰ ভূঞা, ভোলন চন্দ্ৰ শইকীয়া, ভুবন চন্দ্ৰ সন্দিকৈ ভ্ৰমৰ চন্দ্ৰ শইকীয়া প্ৰভৃতি বুৰঞ্জীসেৱীয়ে তথ্য-পাতিপূৰ্ণ প্ৰবন্ধ-পাতি প্ৰকাশ কৰিছে। প্ৰবন্ধবিলাকৰ ৰচনাৰীতি বৃত্তান্তমূলক হলেও সমালোচনাত্মক একেবাৰে নোহোৱা নহয়; অৱশ্যে বিশ্লেষণমূলক সেইদৰে দেখা নাযায়। আকৌ প্ৰায়বিলাকৰে সমলৰ জাঁতি-গুৰি সম্পৰ্কে বিশেষ জনা

নাযায়। সুখপাঠ্য কৰাৰ উদ্দেশ্যে সাহিত্য-উপন্যাসত উৎস, পাদটীকা, শক-তাৰিখ ব্যৱহাৰ নহলেও ঐতিহাসিক প্ৰামাণিকতাৰ বাবে যে সেই-বিলাক অপৰিহাৰ্য্য, সেইকথা হয়তো আগৰচাম বুৰঞ্জীবিদকে ভালদৰে জনা নাছিল।

যিয়ে নহওক, এই যুগৰ আগছোৱাত ইতিহাস আছিল আলোচনী-কেন্দ্ৰীক। কিছুদিনৰ আগলৈকে মধ্যযুগীয় ইতিহাস প্ৰণয়ন হোৱা নাছিল। ইতিহাসকাৰৰ ধাৰণা আছিল অসমৰ তথা ভাৰত-ইতিহাস মানেই প্ৰাচীন ইতিহাস আৰু সিও ৰাজনৈতিক ইতিহাস। সেই যুগৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰি ইয়াৰ ভিত্তিতে ভবিষ্যত সমাজ গঠন কৰাই ঐতিহাসিকৰ উদ্দেশ্য আছিল। আকৌ মধ্যযুগীয় বুৰঞ্জীৰ কাৰণে অপৰিহাৰ্য্য পুৰণি আহোম অসমীয়া বুৰঞ্জীৰ উপৰিও ক্ষাচী ভাষাৰ বুৰঞ্জী আৰু সেইকালত সহজে পাব নোৱাৰা ব্ৰিটিছ আমোলৰ নথি-পত্ৰবিলাক। এইটো উপলব্ধি কৰিয়ে হয়তো আহোম যুগৰ ঐতিহাসিক সমলৰ সকলো তলা-নলা পোৱা সূৰ্য্যকুমাৰ ভূঞাই মধ্যযুগীয় পূৰ্ণাংগ ইতিহাস এখন প্ৰণয়ন নকৰি সেই যুগৰে শেষ অধ্যায় 'এংলো আছামিজ ৰিলেছনচ্,' (*Anglo-Assamese Relations*, ১৭৭১-১৮২৬, (১৯৩১) খন ৰচনা কৰে।[৩০] অৱশ্যে মূল বিষয়-বস্তুৰ উপৰি ইয়াত তেওঁ আহোম যুগৰ ৰাজনৈতিক, শাসন, সামাজিক আৰু আৰ্থিক বুৰঞ্জীও কিছুদূৰ সামৰিছে। তদুপৰি 'আহোমৰ দিন' (১৯১৮), *Lachit Barphukan and His Times* (১৯৪৭), 'কোঁৱৰ-বিদ্ৰোহ' (১৯৪৮), 'বুৰঞ্জীৰ বাণী' (১৯৫১), 'ৰমণী গাভৰু' (১৯৫১), 'মিৰজুমলাৰ অসম আক্ৰমণ' (১৯৫৬), *Atan Buragohain and His Times* (১৯৫৭), 'স্বৰ্গদেও ৰাজেশ্বৰ সিংহ' (১৯৭৫)

---

৩০. প্ৰকৃততে গ্ৰন্থকাৰেও আৰম্ভণিতে অসমৰ প্ৰাচীন যুগৰ অধ্যয়ন আৰম্ভ কৰি আৱাহন'ত (১৯৩৬) এই সম্পৰ্কে দুটামান প্ৰবন্ধও প্ৰকাশ কৰিছিল। ভাষাজ্ঞানৰ অবিহনে (সংস্কৃত) এই বিষয়ে গভীৰ অধ্যয়ন সম্ভৱপৰ নহব বুলিয়ে সূৰ্য্যকুমাৰ ভূঞাদেৱৰ পৰামৰ্শ অনুযায়ী আধুনিক যুগৰ তেখেতৰ পিছৰ যুগৰ অধ্যয়ন আৰম্ভ কৰিব লগা হ'ল।

ইংৰাজী আৰু অসমীয়া বুৰঞ্জীমূলক পুথিসমূহত তেওঁ আহোম যুগৰ নানাদিশ আলোকপাত কৰিছে।

সূৰ্য্যকুমাৰ ভূঞাই ইংৰাজী-অসমীয়া ভিন ভিন আলোচনীত যিমানখিনি ঐতিহাসিক প্ৰবন্ধ-পাতি প্ৰকাশ কৰিছে, এতিয়ালৈকে সিমান কোনেও লেখিব পৰা নাই।[৩১] তেওঁৰ সম্পাদিত বুৰঞ্জী আৰু প্ৰণীত বুৰঞ্জীমূলক পুথিসমূহ মধ্যযুগীয় বুৰঞ্জী চৰ্চা-গৱেষণাৰ বাবে অপৰিহাৰ্য্য—সকলোৱে স্বীকাৰ কৰিব। বুৰঞ্জীমূলক পুথিসমূহৰ তথ্য-পাতিৰ প্ৰাচুৰ্য্য হলেও, সেইবিলাকৰ বিজ্ঞানসন্মত সমীক্ষা বা তথ্য নিৰ্বাচন নিখুঁত নহয়। একোখনত অনাৱশ্যকীয় কথা বাদ দি সংক্ষিপ্ততা বজাই ৰখা দেখা নাযায়। ৰচনা-ৰীতি সৰল, অতি নলগা আৰু ৰসাল ; বুৰঞ্জীৰ শুকান হাড় জীৱন্ত কৰিবলৈ যাওঁতে থুকিডাইডিছ বা বাৰানিৰ দৰে নায়কৰ বচন (speech) প্ৰয়োগ কৰি সত্যনিষ্ঠ ইতিহাসৰ অপলাপ ঘটোৱাও পৰিলক্ষিত হয়। নায়ক সকলৰ প্ৰসংশাত্মক মনোভাৱৰ লগে লগে সমালোচনাত্মক হোৱা হলে বুৰঞ্জী-ছাত্ৰৰ আৰু মনোগ্ৰাহী হ'লহেঁতেন। প্ৰকৃততে অসমৰ পুৰণি ঐতিহ্য, বল-বিক্ৰম, ৰণ-কৌশল আৰু শিক্ষা-সংস্কৃতিৰ উজ্জ্বল দিশটো দাঙি ধৰাই আছিল ভূঞাৰ মূল উদ্দেশ্য। তেওঁৰ মতে

> অসমীয়া বীৰপুৰুষ, বীৰাঙ্গনা, ধৰ্মবীৰ, কৰ্মবীৰসকলৰ কাহিনীৰে অসমৰ অতীত প্লাবিত হৈ আছে। তেওঁলোকৰ আদৰ্শৰ পৰা যুগ-যুগান্তৰ অসমীয়া জাতীয়ে সঞ্জীৱনী মন্ত্ৰ গ্ৰহণ কৰিব আৰু তেওঁলোকৰ মহৎ কাৰ্য্যাৱলীৰ ফালে সকলো অসমীয়াই একেলগে দৃষ্টিপাত কৰি ঐক্যতানৰ মন্ত্ৰেৰে একত্ৰীভূত হ'ব পাৰিব—বিশেষকৈ আমাৰ নিচিনা পতিত জাতিৰ কাৰণে অতীতৰ আদৰ্শৰ সম্বল নিতান্ত আৱশ্যক।[৩২]

---

৩১. বিস্তাৰিত বিৱৰণৰ কাৰণে ওপৰুক্ত (২২ নং) স্মাৰক গ্ৰন্থ (১৮-১৯ পৃ:) নাইবা Bibliography of the Works of S. K. Bhuyan চাওক।

৩২. সভাপতিৰ ভাষণ, বুৰঞ্জী শাখা, অসম সাহিত্য সভা, ২য় অধিবেশন, ১৯২৬।

এই উদ্দেশ্যে আৱশ্যক হলে, দেশৰ আগৰ চাম বুৰঞ্জী ৰচকৰ দৰে, তেওঁ ঐতিহাসিক নিৰপেক্ষতা বিসৰ্জন দিবলৈকো পৰাংমুখ নহৈছিল। বুৰঞ্জী প্ৰীতিতকৈ ভূঞাদেৱৰ স্বদেশানুৰাগ আৰু স্বদেশপ্ৰীতি বেছি প্ৰবল আছিল ।

দৰাচলতে সূৰ্য্যকুমাৰ ভূঞা আৰু তেওঁৰ সতীৰ্থসকলে জাতীয়তাবাদী আদৰ্শেৰে ইতিহাস ৰচনা কৰিছিল । তেওঁতকৈ এখাপ ওপৰৰ জাতীয়তাবাদী আছিল আজীৱন বুৰঞ্জীসেৱী বেণুধৰ শৰ্মা । অতীতৰ বীৰ-বীৰাংগনাৰ শৌৰ্য্য-বীৰ্য্যৰ আদৰ্শেৰে উঠি অহা ডেকাচামক প্ৰেৰণা দিবলৈ তেওঁৰ কাপৰ পৰা ওলাল শীৰ্ষগ্ৰন্থ 'মণিৰাম দেৱান' আৰু 'বঙালবৈৰী লাচিত বৰফুকন'ৰ দৰে প্ৰবন্ধ । বুৰঞ্জীৰ সত্যবাণীত আৱেগ-উত্তেজনা বা বীৰবন্দনাৰ স্থান নাই । প্ৰিয় নায়কৰ সৰ্বদোষ মৰিষণ কৰি গুণ-গৰিমা বখানিবলৈ এইজন ৰচকে বিচাৰকৰ পৰিবৰ্তে ওকালতি কৰিবলৈকো কুণ্ঠাবোধ নকৰিছিল । অৱশ্যে, 'দেশদ্ৰোহী কোন ? বদন নে পূৰ্ণানন্দ' আৰু 'মৰণোত্তৰ পৰীক্ষা' জয়মতী কুৱৰী' প্ৰবন্ধত[৩৩] তথ্যৰ সন্দেহহীনতাৰ বিচাৰ আৰু সবল যুক্তিৰ সিদ্ধান্তত উপনীত হবলৈ চলোৱা প্ৰচেষ্টাই তেওঁৰ আধুনিক ইতিহাসকাৰৰ পৰিচয় দিছে । আধা শতিকাৰো ওপৰ পুৰণি পুথি-পাঁজিৰ অনুসন্ধান আৰু সংগ্ৰহ কৰা সত্ত্বেও শৰ্মাই ওৰেড়চৰ 'একাউণ্টচ্'অত বাদে তেনে ধৰণৰ সংকলন বা খৰচি মাৰি অসম বুৰঞ্জীৰ এছোৱা বা এটা দিশো আলোকিত কৰি নগ'ল । অৱশ্যে নানান প্ৰবন্ধ-পাতিৰ উপৰি 'সাতাৱন সাল' 'দুৰবীন' 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী' 'কংগ্ৰেছৰ কাচিয়লি ৰ'দ' প্ৰভৃতি পুথিত আহোম আৰু আধুনিক যুগৰ নানা তথ্য-পাতি দাঙি ধৰি অনুসন্ধিৎসাৰ পৰিচয় দিছে ।[৩৪] শৰ্মাৰ ৰচিত 'অৰ্ঘাৱলী'ৰ জীৱনীসমূহ বুৰঞ্জীৰ আপুকণীয়া

৩৩. মণিদীপ, ষষ্ঠ বছৰ দ্বাদশ সংখ্যা ; ৭ম বছৰ ১ম, ২য় আৰু ৩য় সংখ্যা । অজিত শৰ্মা সম্পাদিত 'বুৰঞ্জীৰ সকুৱা' ৭৯-৯৫ পৃঃ ।

৩৪. অজিত শৰ্মা সম্পাদিত 'বেণুধৰ শৰ্মা ৰচনাৱলীত দ-পুৰণি প্ৰবন্ধেৰে 'বুৰঞ্জীৰ সকুৱা', 'চন্দন চৰা', 'মজিয়াৰ পৰা বেলেগে,' 'চৌকোৱা বাহৰ কুটা' প্ৰকাশ হৈছে । এইবিলাকতো ওপৰোক্ত ধৰণেৰে মধ্য আৰু আধুনিক যুগৰ সমল পোৱা যায় ।

সমল, কিন্তু ভূংসূত্ৰৰ অভাৱত স্বহস্তাগত ঐতিহাসিকৰ অত্যাৱ-শ্যকীয় পৰীক্ষা-নিৰীক্ষণ সম্ভৱপৰ নহয়। অসমীয়া গদ্য-সাহিত্যত বেণু শৰ্মাই এখন সুকীয়া আসন অধিকাৰ কৰিছে। তেওঁৰ অতুৰা ঠাঁচৰ থলুৱা, বসাল, আ-অলংকাৰযুক্ত, মোহনীয় আৰু ওজস্বী গদ্যশৈলী অননুকৰণীয়; কিন্তু তেওঁৰ অনবদ্য সাহিত্যৰ ভূৰি ভূৰি প্ৰশংসা কৰিলেও প্ৰকৃত ঐতিহাসিকে সেয়া বিজ্ঞান-সম্মত বুলি কৰলৈ সংকোচ বোধ কৰিব। হেমচন্দ্ৰ গোস্বামীৰ ভাষাত কবলৈ গলে "বুৰঞ্জীৰ অধি-ষ্ঠাত্ৰী দেৱী (Muse of History) কালিদাসৰ শকুন্তলাৰ দৰে সাজ-পাৰ নোহোৱাকৈয়ে পৰম ৰূপহী।"

হিতেশ্বৰ বৰবৰুৱাদেৱৰ 'আহোমৰ দিন' আৰু সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' (১৯৮০) আহোম যুগৰ দুখন পূৰ্ণাংগ ইতিহাস। সুখপাঠ্য হোৱাৰ উপৰি প্ৰকাশিত-অপ্ৰকাশিত বুৰঞ্জী আৰু নথি-পত্ৰৰ আলমত দুয়োখনতে ৰাজনৈতিক, শাসন, সামাজিক, অৰ্থনৈতিক, ধৰ্ম, সাহিত্য-সংস্কৃতিৰ উপৰিও ব্ৰিটিছ শাসনৰ এছোৱাকৈ আলোকপাত কৰা হৈছে। বৰবৰুৱাই নিজেই 'সংগ্ৰাহক' (compiler) হিচাপে পৰিচয় দি স্পষ্টবাদিতাৰ পৰিচয় দিছে। তেখেতৰ পুথিখনত আটাই-বিলাক সমলৰে উৎস বা আধাৰৰ উল্লেখ থকা হলে সন্দেহৰ অৱকাশ নাথাকিলহেঁতেন। সংক্ষিপ্ততা ৰক্ষাই ৰাখিবলৈ তথ্যৰ বিচাৰ আৰু নিৰ্বাচনত গুৰুত্ব দিয়া হলে ৰাজকুমাৰৰ গ্ৰন্থখন বৃহৎ আকাৰত (৯০০ পৃষ্ঠাৰ ওপৰ) পৰিণত নহলহেঁতেন। পুৰণি বুৰঞ্জীৰ আলমতে পদ্মেশ্বৰ গগৈয়ে 'টাই এণ্ড দি টাই কিংদম' (১৯৭০) আৰু নগেন আচাৰ্য্যই 'এ হিষ্টৰি অৱ্ মেডিয়েভেল আসাম' (১৯৬৬)অত বংশানুক্ৰমে প্ৰধানতঃ ৰাজনৈতিক ঘটনাসমূহৰ বিৱৰণ দিছে। অসমৰ পুৰণি বুৰঞ্জী আৰু ফাৰ্চী ভাষাৰ সমলৰ অৱলম্বনত সুধীন্দ্ৰ নাথ ভট্টাচাৰ্য্যৰ 'এ হিষ্টৰি অৱ্ মোগল নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ পলিচি' (*A History of Maghal North-East Frontier Policy*, ১৯২৯) আৰু জগদীশ নাৰায়ণ সৰকাৰৰ 'লাইফ অৱ্ নবাব মিৰজুমলা' (*Life of Nawab Mirjumla, the general of*

Aurangzeb, ১৯৫১) কোচ-আহোম-মোগল সম্পৰ্কীয় দুয়োখন বিজ্ঞান-সন্মত মৌলিক ইতিহাস।[৩৫] ওঠৰ শতিকাৰ শেষছোৱাৰ পৰা গৃহকন্দলৰ উপৰিও মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণত আহোম ৰাজ্য পতনোন্মুখ হয়। এই কালছোৱাৰ বিশদ বিৱৰণ পোৱা যায় ওপৰত উল্লেখ কৰা সূৰ্য্যকুমাৰ ভূঞাৰ 'এংলো আছামিজ ৰিলেছনচ্' (১৯৪৯) আৰু অনিল বানাৰ্জীৰ 'ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ অৱ্ ব্ৰিটিছ ইণ্ডিয়া,' (১৯৪৬) এই দুখনি গ্ৰন্থত।

সামাজিক : সাংস্কৃতিক

প্ৰাক্-আহোম যুগতকৈ মধ্যযুগীয় ধৰ্ম, সমাজ, সাহিত্য-সংস্কৃতিৰ চৰ্চা-গৱেষণা বৃদ্ধি পোৱা দেখা যায়। নগেন বসুৱে তিনিখণ্ডত কামৰূপৰ সামাজিক বুৰঞ্জীৰ (*Social History of kamarupa*) কিছু তথ্য-পাতি দাঙি ধৰিলেও তাত বহুতো ভুলভ্ৰান্তি দেখা গৈছে। নিৰ্মল বসুৰ 'আসাম ইন্ দি আহোম এজ' (*Assam in the Ahom Age*, ১৯৭০) উমানাথ গোহাঁইৰ 'আসাম আণ্ডাৰ দি আহোমচ্' (১৯৪২) সংকলন খনৰে পৰিবৰ্দ্ধিত সংস্কৰণ। লীলা গগৈৰ 'আহোম জাতি আৰু অসমীয়া সংস্কৃতি, (১৯৬১), 'টাই সংস্কৃতিৰ ৰূপৰেখা' (১৯৭১) আৰু 'অসমৰ সংস্কৃতি' (১৯৮২) গ্ৰন্থ কেইখন সুত্ৰাদিৰে সমালোচনাত্মকভাৱে আধুনিক পদ্ধতিত ৰচনা কৰা হলে অধিক মূল্যবান হ'লহেঁতেন। ধৰ্ম আৰু সামাজিক ইতিহাসত ৰহণ যোগাইছে দুখনি পাণ্ডিত্যপূৰ্ণ গ্ৰন্থই— মহেশ্বৰ নেওগৰ 'শংকৰদেৱ এণ্ড হিজ টাইমচ্' (*Sankardev and His Times*) আৰু সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'নিও-বৈষ্ণৱাইট মুভমেণ্ট্ এণ্ড দি সত্ৰ ইনষ্টিটিউছনচ্ অৱ্ আসাম' (*Neo-Vaisnavite Movement and the Satra Institutions of Assam*)। বেণু শৰ্মাৰ 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী'ৰ দৰে তীৰ্থনাথ শৰ্মাৰ সমালোচনাত্মক 'আউনীআটি সত্ৰ'ৰ বুৰঞ্জীখনে সম-

---

৩৫. একে ধৰণে প্ৰণয়ন কৰা সৰকাৰৰ **Freedom Struggle in Medieval Assam** সম্প্ৰতি প্ৰকাশনৰ পথত। ইয়াৰ উপৰিও তেওঁ অসমৰ এই যুগৰ কেবাটাও তথ্যবহুল পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ প্ৰকাশ কৰিছে।

সাময়িক সাংস্কৃতিক বুৰঞ্জীবো বেগুনি দিছে। মাৰ্ক্সীয় দৃষ্টিভংগী হলেও অমলেন্দু গুহই এই যুগৰ ভালেমান আৰ্থিক আৰু সামাজিক বুৰঞ্জীৰ পাণ্ডিত্যগৰ্ভ প্ৰবন্ধ লিখিছে, এইবিলাকৰ ভিতৰত মোৱামৰীয়া বিদ্ৰোহ সংক্ৰান্ত (Neo-Vaisnavism to Insurgency : Peasant Uprising and the Crisis of Feudalism in late Eighteenth Century Assam) প্ৰবন্ধ তাতপৰ্য্যপূৰ্ণ।[৩৬] গ্ৰন্থকাৰবো 'বৈষ্ণৱ নিৰ্যাতন আৰু মোৱামৰীয়া বিদ্ৰোহ' শীৰ্ষক প্ৰবন্ধমালাত বিদ্ৰোহৰ মূল কাৰণ বিশ্লেষণৰ উপৰি ৰাজবংশৰ ধৰ্মনীতিৰ সম্পৰ্কে আলোচনা-পৰ্য্যালোচনা কৰা হৈছে।[৩৭]

মধ্যযুগীয় মূৰ্তি সম্পৰ্কে অৰুণ ভট্টাচাৰ্য্যৰ 'আইকন্স এণ্ড স্কাল্পচাৰচ্ অৱ্ আৰ্লি মেডিৱেভেল আসাম' (*Icons and Sculptures of Early Medieval Assam*, ১৯৭৮) গৱেষণা-পত্ৰখন প্ৰকাশ হৈছে, ই অৱশ্যে আসোঁ-ৰাহমুক্ত নহয়। প্ৰতাপ চন্দ্ৰ চৌধুৰী-বিপ্ৰনাৰায়ণ শাস্ত্ৰীৰ সম্পাদিত 'আনন্দ লহৰী' আৰু কপিলা বাৎস্যায়ন্—মহেশ্বৰ নেওগৰ তুলনামূলক সমালোচনাৰে সম্পাদিত 'গীত গোবিন্দ'ৰ (১৯৮৭) দৰে অসম প্ৰকাশন পৰিষদৰ 'হস্তি বিদ্যাৰ্ণৱ'খনো সম্পাদিত হোৱা হলে, ই অমূল্য গ্ৰন্থ হ'লহেতেন। নেওগৰে সম্পাদিত 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল, (১৯৭৩) পুথিখনে সাংস্কৃতিক[৩৮] ইতিহাসৰ এটা নতুন দিশ আলোকিত কৰিছে। নীলমণি ফুকনৰ 'লোককলা দৃষ্টি' (১৯৮৭) একে বিষয়ৰ গভীৰ গৱেষণাৰ অন্যতম গ্ৰন্থ।

আধুনিক যুগ : ৰাজনৈতিক

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি সূত্ৰে অসম কোম্পানিৰ দখললৈ অহাৰ লগে লগে অসম ইতিহাসৰ এটা নতুন অধ্যায়ৰ সূচনা হয়। এই সম্পৰ্কে নিৰ্মলতী মোহন লাহিৰীয়ে (Annexation of Assam, ১৯৫৩) আৰু

৩৬. Ashoka Mitra, ed., *The Truth Essays unit in Tribute to Samar Sen*, Calcutta, 1985, ; একেই সুৰতে ধ্ৰুৱজ্যোতি বৰাই 'মোৱামৰীয়া গণ-অভ্যুত্থান, পুথিখন (১৯৮৩) ৰচনা কৰিছে।

৩৭. প্ৰকাশ, ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিল, ১৯৮৫।

৩৮. ড: নেওগৰ সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ (আলিগড় ১৯৬৬) শাখা সভাপতিৰ Technical Sciences and Fine Arts in North Eastern India শীৰ্ষক সাৰগৰ্ভ ভাষণ প্ৰকাশ হৈছে।

নিৰোদ বৰুৱাই (David Scoott in North East India, ১৯৭০) চৰকাৰী নথি-পত্ৰৰ আলমত দুখন গ্ৰন্থত আলোচনা কৰিছে। নতুন আমোলৰ লগে লগে এফালে বিদেশ ৰাজনৈতিক, সামাজিক আৰ্থিক নানা সমস্যাৰ উদ্ভৱ হ'ল, আনফালে দেশৰ আন আন অংশৰ দৰে পাশ্চাত্য সভ্যতা আৰু চিন্তাধাৰা অসমতো বিয়পি পৰিল। চৰকাৰী বে-চৰকাৰী নানা সমলৰ ভিত্তিত গ্ৰন্থকাৰৰ 'আসাম ইন্ দি দেজ অৱ দি কম্পেনি' (Assam : In the days of the Company, ১৮২৬-৫৮, (১৯৬৩, ১৯৭০) গ্ৰন্থত সমালোচনাত্মক বিশ্লেষণমূলক দৃষ্টিভংগীৰে এই যুগৰ গোহৰ পেলাবলৈ চেষ্টা কৰা হৈছে। * কাছাৰ সম্পৰ্কে জয়ন্ত ভট্টাচাৰ্য্যই (Cachar Under British Rule, North-East India, ১৮২৬-১৯৪৯) সমীক্ষাত্মক আলোচনা কৰিছে। অসমীয়া ভাষা-সাহিত্য-শিক্ষা সংস্কৃতিত বহিৰাগত সকলৰ বৰঙণি কম নহয়। এই সম্পৰ্কে গ্ৰন্থকাৰৰ 'অসমৰ নৱ জাগৰণ : অনা-অসমীয়াৰ ভূমিকা (১৯৮৬) আৰু বেপ্টিষ্ট মিছনেৰীসকলৰ অৱদান সম্পৰ্কে 'আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম' (১৯৮১) পুথিত সমীক্ষাত্মক আলোচনা কৰা হৈছে।

স্বাধীনতা আন্দোলন সম্পৰ্কেও অসমৰ ইতিহাসকাৰৰ অৱিহণা কম নহয়। খুলমূলভাবে কেশৱনাৰায়ণ দত্তৰ 'লেণ্ডমাৰ্কচ্ অৱ দি ফ্ৰিদম ষ্ট্ৰাগল ইন আসাম' (Landmarks of the Fredom Struggle in Assam, ১৯৫৮) পুথিত স্বাধীনতা যুদ্ধৰ বৰ্ণনা দিছে। ঘাইকৈ অৰ্থনৈতিক পটভূমিত এই বিষয়ে আলোচনা কৰিছে অমলেন্দু গুহই তথ্যবহুল পাণ্ডিত্যপূৰ্ণ ইংৰাজী গ্ৰন্থত (Planters Raj to Swaraj : Freedom Struggle and Electoral Politics in Assam, ১৮২৬-১৯৪৯)। গ্ৰন্থকাৰৰ সম্পাদনাত সমালোচনাত্মক 'পলিটিকেল হিষ্টৰি অৱ আসাম (Political History

---

* নিবন্ধৰ ৰচনা-ৰীতি আৰু গ্ৰন্থসমূহৰ সমালোচনাৰ বাবে চাওক : Tarasankar Banerjee, ed, *Indian Historical Research Si... Independence* (19... ff ; J. B. Bhattacharjee, ed., *Studies in the History of North-East India,* Professor H. K. Barpujari, Felicitation Volume, (1986), pp. 256-64.

of Assam) প্ৰথম খণ্ডত বৃটিছ-বিৰোধী আন্দোলনৰ পৰা নৱোদ্মেষ - লৈকে আলোকপাত কৰা হৈছে। এই গ্ৰন্থৰে দ্বিতীয় আৰু তৃতীয় খণ্ডত অৰুণ ভূঞা আৰু তেওঁৰ সহকৰ্মীসকলে মুক্তি সংগ্ৰামৰ আৰম্ভণিৰে পৰা শেষলৈকে বৃত্তান্ত দিছে। স্বৰ্ণলতা বৰুৱাই প্ৰাচীন যুগৰ পৰা সাম্প্ৰতিক কাললৈকে পূৰ্ণাংগ অসম ইতিহাস (Comprehensive History of Assam, ১৯৮৫) প্ৰণয়ন কৰিছে। মূলত : গৌণ সমলৰ ভিত্তিত হলেও সাধাৰণ পঢ়ুৱৈৰ কাৰণে ই উপযোগী হৈছে।

অৰ্থনৈতিক : সামাজিক

আৰ্থিক আৰু সামাজিক দিশৰ প্ৰবন্ধৰাজিত নতুন দৃষ্টিভংগীৰে অমলেন্দু গুহই পাণ্ডিত্যৰ পৰিচয় দিছে।[৩৯] শ্ৰুতিদেৱ গোস্বামী (Aspects of Revenue Administration in Assam, ১৮২৬-৭৪) আৰু সুৰেন্দ্ৰ কুমাৰ গোস্বামীৰ (A History of Revenue Administration in Assam, ১২২৮-১৮২৬) গৱেষণা-পত্ৰ দুখন ইতিমধ্যে প্ৰকাশ হৈছে। প্ৰকৃততে আৰ্থিক আৰু সামাজিক দিশলৈ অসমীয়া ইতিহাসকাৰৰ দৃষ্টি আকৰ্ষণ হোৱা নাই। সামাজিক জীৱন সম্পৰ্কে কোনোখন গ্ৰন্থত একোটা অংশ বা অধ্যায় থাকিলেও, সেইবিলাকত সাধাৰণতে একোটা যুগৰ জাতি-উপজাতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, আহাৰ, সাজ-পাৰ, অা-অলংকাৰ শিক্ষা-দীক্ষা, নাৰীৰ স্থান আদিৰ বিৱৰণ দিয়া হয়

---

৩৯. উল্লেখনীয় প্ৰবন্ধসমূহ : Geography Behind History ; "An Introduction to the Socio-Economic Life of North-East India." Porfessor D. D. Kosambi Commemoration volume, *Science and human progress*, Bombay, 1974 ; "Land Rights and Social classes in Medieval Assam" ; *The Indian Economic and Social History Review* 3, September, 1966 ; "Assamese Agricultural Society in the Late Nineteeth Century : Roots, and Structures and Trends", *ibid*, xvii, No 1, "The Medievl Economy of Assam", *Cambridge Economic History of India*, i, pp 478 ff.

সামাজিক পৰিবৰ্তনসমূহ (Social changes) দাঙি ধৰা নহয়। ভৌগোলিক, আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক নানা কাৰণে যুগে যুগে সমাজৰ পৰিবৰ্তন ঘটিছে। গতিশীল সমাজৰ স্বৰূপ, পৰিসীমা, কাৰণ আৰু দিশসমূহ বিশ্লেষণ কৰা নিতান্ত প্ৰয়োজন।

জনজাতীয় ইতিহাস

